

# দৈনন্দিন বার্তা

জাতি, মাটি আৰু দেশৰ সেৱাত



ত্ৰয়োদশ বছৰ ■ সংখ্যা ১০৬ ■ গুৱাহাটী ■ মঙলবাৰ, ২২ নৱেম্বৰ, ২০২২, ৫ আঘোণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 106 Dainandin Barta ■ Guwahati, Tuesday ■ 22 November, 2022 ■ RNI REGD. NO. ASSAS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only


■ কপিল ঠাকুৰৰ কবিতা

দৈনন্দিন বার্তা

## বিচিত্ৰা(১)ঃ শীতৰ শেতেলি

মোক আজীৱন লগ এৰা নাই এই শীতৰ কাৰুণ্যই  
দুখময় ল'ৰালিৰ দৰে  
এখন ফটা কম্বলেই জীৱনৰ উপহাৰ  
আধাপেটি শৰীৰটো তাৰেই মেৰিয়াই সূৰ্যমন্ত্ৰ জপো,  
ফুটপাথৰ শয্যা জাৰত কঁপে।

উদ্দীপ্ত তাপৰ চৰম প্ৰয়োজন  
জুহালৰে হওক বা এটা  
জুইশলা কাঠিৰে।

## বিচিত্ৰা(২)ঃ এদিন পাৰ্কত সোণালী মুহূৰ্ত

অমৰ বসন্তই চুইছে যাৱতীয় সময়ৰ  
আৱহ, কম্পিত প্ৰগলভ বেলিমাৰ বতাহ।  
মগ্ন বুকুত ডুবি আছে মানৱ মানৱী  
কমনীয় সুঘ্ৰাণ বাহুমূল আৱাসত ধৰি  
মানৱ একাগ্ৰ, আঁঠুকাঢ়ি মানৱীৰ ফালে  
আগ্ৰহী প্ৰিয়াই মুখপট তুলি  
স্বৰ্গৰ অভিমুখে-  
হে আতপ, বিলম্বিত কৰা কিছু তোমাৰ  
সূৰ্যাস্ত।  
চাবলৈ দিয়া মোক প্ৰিয়ৰ সৌন্দৰ্য,  
দুহাতৰ ছেও মণিৰ সুৰ,  
তাৰ পিছত তৰিবা তোমাৰ আন্ধাৰ বিবৰ।

তেওঁকতো ভালকৈ আজিও দেখা নাই।



গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত আজাদী কা অমৃত মহোৎসৱ অনুষ্ঠানৰ কেইটিমান দৃশ্য


## পূৰ্বোত্তৰ স্বাভিমান উৎসৱত ৰাষ্ট্ৰৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে যুঁজ দিয়া স্বাধীনতা সংগ্ৰামী আৰু জোৱানসকলক সশ্ৰদ্ধ স্মৰণ মুখ্যমন্ত্ৰীৰ

# ২৪ নৱেম্বৰত ৰাজ্যবাসীক এগছি মাটিৰ চাকি জ্বলাবলৈ আহ্বান

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ২১ নৱেম্বৰ ঃ** স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ভাৰতীয় সেনাৰ ইষ্টাৰ্ণ কমাণ্ডৰ উদ্যোগত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত ■ ৮ পৃষ্ঠাত



# মাৰণাস্ত্ৰৰ ঝনঝনিত কম্পমান গুৱাহাটী



## দিন-দুপৰতে পূৰৱী ডেইৰীৰ বিতৰকক গুলীয়াই হত্যা ঃ হিৰ' গ্লেমাৰত আহিছিল দুৰ্বৃত্ত

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ২১ নৱেম্বৰ ঃ** মহানগৰীৰ স্মাৰ্ট পুলিচক এক প্ৰকাৰ প্ৰত্যাহ্বান জনাই আজি দিন-দুপৰতে দুৰ্বৃত্তই ৰাজধানীৰ মাজমজিয়াত গুলীয়াই হত্যা কৰে পূৰৱী ডেইৰীৰ বিতৰক ৰঞ্জিত বৰাক। অপৰাধীৰ ভূস্বৰ্গলৈ পৰ্যবসিত হোৱা মহানগৰীত এতিয়া অপৰাধীৰ দপদপনি। নিৰাপত্তাহীনতাত মহানগৰীৰ নাগৰিকক নিৰাপত্তা প্ৰদানত ব্যৰ্থ আৰক্ষীয়ে স্বভাৱজাতভাৱে অপৰাধীৰ বিৰুদ্ধে কাগজৰ গদা ঘূৰাই আহিছে। ডিঙিৰ চেইন কাঢ়ি নিয়া, মূৰত পিষ্টল থৈ টকা কাঢ়ি নিয়া এতিয়া সহজ-সুলভ দৃশ্য মহানগৰীত। আজি লোকচক্ষুৰ সন্মুখত পূৰৱী ■ ৮ পৃষ্ঠাত

## লক্ষীপুৰত বিদ্যালয় পৰিচালনা সমিতিৰ মানসিক হেঁচাৰ বাবেই প্ৰধান শিক্ষকৰ আত্মহত্যা

### পৰিয়ালৰ গোচৰ ঃ আত্মসমৰ্পণ ২ অভিযুক্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২১ নৱেম্বৰ ঃ** অৱশেষত লক্ষীপুৰ থানাত আত্মসমৰ্পণ কৰিলে লক্ষীপুৰ কাচিকাটা প্ৰাথমিক বিদ্যালয় পৰিচালনা কমিটীৰ সভাপতিসহ চাৰিজন সদস্য। আত্মসমৰ্পণ কৰা অভিযুক্ত চাৰিগৰাকী ক্ৰমে জাকিৰ হুছেইন, ৰিয়াজউদ্দিন, ইদ্ৰিছ আলী আৰু বৰহান আলী বুলি জানিব পৰা গৈছে। উল্লিখিত অভিযুক্ত ■ ৮ পৃষ্ঠাত

## ফেচবুক প্ৰেমৰ কৰুণ পৰিণতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২১ অক্টোবৰ ঃ** নগাঁও চহৰৰ আজাদ নগৰত সংঘটিত এক আত্মহত্যাৰ ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জামেদুৰ ৰহমান নামৰ এগৰাকী ব্যক্তিৰ ঘৰত যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা ভাৰাতীয়া হিচাপে থকা পশ্চিমবংগৰ শিলিগুড়িৰ এগৰাকী বোৱাৰীৰ চিপ লৈ থকা অৱস্থাত ■ ৮ পৃষ্ঠাত

## বিদেশতো আছে চীনৰ থানা ঃ সহায়ক 'সেৱা কেন্দ্ৰ'ৰ নামত বেইজিঙৰ বৰ্ধিত গোলকীয় সম্প্ৰসাৰণবাদৰ ইংগিত

# চীনৰ ৬ বছৰত ৩০ দেশত ৫০তকৈও অধিক 'বিদেশী থানা' স্থাপন



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ২১ নৱেম্বৰ ঃ** সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ লগতে বিশ্বৰ আন বহু দেশৰ ওপৰত অহৰহ চকু ৰাখিছে চীনে। চীনে ৬ বছৰতকৈও কম সময়ৰ ভিতৰত প্ৰায় ৩০খন দেশত ৫০খনতকৈও অধিক 'বিদেশী থানা' স্থাপন কৰিছে বুলি জানিব পৰা গৈছে। বেইজিঙে এইক্ষেত্ৰত দাবী কৰে যে 'স্বেচ্ছাসেৱক-পৰিচালিত সেৱা কেন্দ্ৰসমূহ' দুৰ্নীতিৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখাৰ প্ৰচেষ্টা হিচাপেহে গঢ়ি তোলা হৈছে। চীনৰ এনে বিদেশী থানাক লৈ বহু দেশৰ নাগৰিকে এই বুলি আশংকা কৰিছে যে চীনে আন দেশৰ ভিন্ন মতাৱলম্বীসকলক অনুসৰণ কৰি ■ ৮ পৃষ্ঠাত

### চীনৰ 'বিদেশৰ থানা' থকা চহৰ

| ■ দেশ | ■ চহৰ |
|---|---|
| ১■ আয়াৰলেণ্ড | ডাবলিন |
| ২■ নেদাৰলেণ্ড | ৰটাৰডেম, আমষ্টাৰডাম |
| ৩■ পৰ্তুগাল | পৰ্টো, মাদেইৰা, লিছবন |
| ৪■ চেক গণৰাজ্য | প্ৰাগ (২) |
| ৫■ হাংগেৰী | বুডাপেষ্ট (২) |
| ৬■ শ্লোভাকিয়া | ব্ৰাটিছলাভা |
| ৭■ জাৰ্মানী | ফ্ৰেংকফৰ্ট |
| ৮■ ইটালী | প্ৰাটো, ৰোম, মিলান, ফ্লৰেন্স |
| ৯■ ফ্ৰান্স | পেৰিছ (৩) |
| ১০■ স্পেইন | মাদ্ৰিদ(৩), বাৰ্চিলোনা (৩), ভেলেন্সিয়া (২), ছান্টিয়াগো ডি কম্পোষ্টেলা |
| ১১■ ইউ কে | লণ্ডন (২), গ্লাছগো |
| ১২■ গ্ৰীচ | এথেন্স |
| ১৩■ ছুইডেন | ষ্টকহোম |
| ১৪■ অষ্ট্ৰিয়া | ভিয়েনা |
| ১৫■ ইউক্ৰেইন | অডেছা |
| ১৬■ ছাৰ্বিয়া | বেলগ্ৰেড |
| ১৭■ কানাডা ট | ৰণ্টো (৩) |
| ১৮■ ইউ এছ | নিউয়ৰ্ক |
| ১৯■ ব্ৰাজিল | চাও পাওলো, ■ ৮ পৃষ্ঠাত |

## বৰপেটাৰোডত জ্যেষ্ঠ বিজেপি নেতা শিলাদিত্য দেবৰ বিস্ফোৰক মন্তব্য

# অসম বাংলাদেশীৰ পৰা মুক্ত হ'বলৈ হ'লে আৰএছএছৰে চামিল হ'ব লাগিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২১ নৱেম্বৰ ঃ** বিজেপি নেতা শিলাদিত্য দেবে নামনি অসম ভ্ৰমণৰ কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পিছত কালি আবেলিৰ ভাগত বৰপেটাৰোডৰ ইস্কন মন্দিৰ দৰ্শনৰ পিছত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে ভাৰতবৰ্ষৰ প্ৰত্যেকজন ব্যক্তি আৰ এছ এছৰ লগত জড়িত হ'ব লাগে। আৰ এছ এছ ট্ৰেণ্ড হ'ব লাগে। অসম পুনৰবাৰ শক্তিশালী আৰু বাংলাদেশীমুক্ত কৰিব লাগে তেনেহ'লে আৰ এছ এছত ■ ৮ পৃষ্ঠাত



## ইতিহাস সৃষ্টিৰে সফলকাম 'লাচিত— বুৰঞ্জী লিখা তৰোৱাল'

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২১ নৱেম্বৰ ঃ** প্ৰায় তিনিমহীয়া প্ৰস্তুতি, পৰিচালকৰ কষ্টসাধ্য নিৰলস প্ৰচেষ্টা আৰু দুইশতাধিক কুশীলৱৰ কৃচ্ছ্ৰ সাধনাৰ ■ ৮ পৃষ্ঠাত

## নামদাং অঞ্চলত বসবাস কৰা খিলঞ্জীয়াক উচ্ছেদ বন্ধ কৰাৰ দাবীত উপায়ুক্ত কাৰ্যালয় ঘেৰাও




**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২১ নৱেম্বৰ ঃ** খিলঞ্জীয়া লোকৰ মাটি-ভেটি উচ্ছেদ বন্ধ কৰি মাটিৰ পট্টা প্ৰদান কৰক। ডিব্ৰুগড় জিলাৰ ১১৯নং টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত নামদাং বনাঞ্চলত ১০০ বছৰৰো অধিককাল বসবাস কৰি অহা আহোম, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, চাহ-জনগোষ্ঠী আৰু নেপালী আদি লোকসকলক কোনো আগ জাননী নিদিয়াকৈ উচ্ছেদ কৰাত আতংকিত হৈ পৰিছে সমগ্ৰ অঞ্চলটো। এই লোকসকলে কঠোৰ পৰিশ্ৰমৰ জৰিয়তে বিভিন্ন কৃষি কৰ্মৰ উপৰি ৰবিশস্য আৰু চাহ উৎপাদন কৰি বৃহৎ বজাৰ দখল কৰিছিল। লগতে অঞ্চলটোৰ শ শ যুৱক-যুৱতীৰ ■ ৮ পৃষ্ঠাত

# চিকিৎসাৰ অৱহেলাৰ বাবেই ক'ভিড আক্ৰান্ত ৰোগীৰ মৃত্যু!

## ৫জন চিকিৎসকৰ বিৰুদ্ধে এজাহাৰ দাখিল

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ২১ নৱেম্বৰ ঃ** চিকিৎসাত অৱহেলাৰ বাবেই এজন ক'ভিড আক্ৰান্ত ৰোগীৰ মৃত্যু হোৱাৰ অভিযোগ উত্থাপনৰ পিছতে নয়দাৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ পাঁচজন চিকিৎসকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। ২০২১ চনত ক'ভিড মহামাৰীৰ দ্বিতীয় ঢৌৰ সময়ত ৰোগীজনৰ মৃত্যু হৈছিল বুলি অভিযোগ কৰা হৈছে। ২০ বছৰ বয়সৰ ৰোগীজনৰ পৰিয়ালে দাবী কৰিছিল যে তেওঁক চিকিৎসকৰ প্ৰেছক্ৰিপশ্বনৰ ভিত্তিত ৰেমডেচিভিৰ ক্ৰয় কৰা সত্ত্বেও চিকিৎসালয়ত সময় মতে সেই বেজী দিয়া নাছিল। পাঁচজন চিকিৎসকৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ পিছতে ভাৰতীয় দণ্ডবিধি ধাৰা ৩০৪ক (অৱহেলাৰ ফলত মৃত্যু ঘটা)ৰ অধীনত থানাত চিকিৎসককেইজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। ■ ৮ পৃষ্ঠাত

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত শৰবিদ্ধ বনৰীয়া ম'হ

### শৰবিদ্ধ ম'হটোৰ সন্ধানত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ২১ নৱেম্বৰ ঃ** কালি শৰবিদ্ধ ম'হটো কাঞ্চনজুৰি 'ভিউ পইণ্ট'ৰ ওচৰত প্ৰত্যক্ষ কৰিছিল স্থানীয় ■ ৮ পৃষ্ঠাত

## আন্তৰ্জাতিক মীন দিৱস উদ্‌যাপন

# বিশেষ পাৰদৰ্শিতা দেখুওৱা ৪ ব্যক্তিক বিশেষ বঁটা প্ৰদান




**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ নৱেম্বৰ ঃ** সমগ্ৰ বিশ্বৰ লগতে অসমতো প্ৰতি বছৰৰ দৰে এইবাৰো ২১ নৱেম্বৰত আন্তৰ্জাতিক মীন দিৱস উদ্‌যাপন কৰা হয়। অসম চৰকাৰৰ মীন সঞ্চালকালয়ৰ উদ্যোগত মীন ভৱনত আয়োজন কৰা মীন দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকি মীন, পৰিবহন, আবকাৰী ইত্যাদি বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই আন্তৰ্জাতিক মীন দিৱস উপলক্ষে বিভাগৰ সৈতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত আটাইকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। সমাজ ■ ৮ পৃষ্ঠাত






### ২৪ৰ লোকসভা নিৰ্বাচনত প্ৰাৰ্থী সলনি হ'ব বিজেপিৰ

# যোৰহাট সংসদীয় সমষ্টিত বিজেপিৰ শক্তিশালী যুৱ নেতা লাচিত গগৈৰ তৎপৰতা

### লোকসভা নিৰ্বাচনক লৈ উজনিত কুচকাৱাজ ঃ শক্তিশালী ৰূপত বিজেপিৰ সাংগঠনিক ভেটি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ২১ নৱেম্বৰ ঃ** দেশৰ পৰৱৰ্তী শাসনভাৰ কোনে গ্ৰহণ কৰিব ? ২০২৪ চনৰ প্ৰাৰম্ভতে অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনক কেন্দ্ৰ কৰি দেশজুৰি শাসনাধিষ্ঠিত বিজেপি চৰকাৰে আৰম্ভ কৰা কুচকাৱাজক লৈ সম্প্ৰতি সৰ্বত্ৰ চৰ্চিত হৈছে। ইফালে, দেশৰ লগতে অসমত লোকসভা নিৰ্বাচনলৈ এতিয়াও বহুদিন আছে যদিও বিৰোধী দলৰ সমান্তৰালভাৱে শাসকীয় বিজেপিয়েও



ইতিমধ্যে কুচকাৱাজ আৰম্ভ কৰা পৰিলক্ষিত হৈছে। অসমত ১২খনকৈ আসন জয়লাভৰ লক্ষ্যৰে বিজেপিয়ে সাংগঠনিক কাম-কাজেৰে নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা আগবঢ়াই নিয়াৰ বিপৰীতে কংগ্ৰেছেও ভাৰত জোড়ো কাৰ্যসূচীৰে সৰ্বসাধাৰণ লোকৰ মন জয় কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। জানিব পৰা মতে, অসমত লোকসভাৰ মুঠ ১৪খন আসনত শাসকীয় বিজেপিয়ে ১২খন আসনত জয়লাভৰ বাবে পৰিকল্পনা যুগুত কৰি আগবাঢ়িছে বুলি এক সূত্ৰই জানিবলৈ দিছে। কে'বাটাও ৰণনীতি প্ৰস্তুত কৰি মিত্ৰদললৈ ২খন আসন এৰি দি ১২খন আসনত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ লক্ষ্য স্থিৰ কৰাৰ ফলত ইয়াৰে ৫ টাকৈ সংসদীয় সমষ্টিত এইবাৰ নতুন মুখৰ সুযোগ পোৱাৰ সম্ভাৱনা আছে। এইবাৰ নতুন মুখক অগ্ৰাধিকাৰ দি পূৰ্বৰ সাংসদসকলৰ কাম-কাজ আৰু গণভিত্তিৰ বিষয়ে তৃণমূল পৰ্যায়ৰ পৰা চলোৱা সমীক্ষাৰ ভিত্তিত নতুন মুখৰ প্ৰাৰ্থীৰ প্ৰসংগই গুৰুত্ব পাব বুলি সূত্ৰটোৱে জানিবলৈ দিয়াৰ লগতে ইয়াৰ সমান্তৰালভাৱে গুৱাহাটী, ডিফু, যোৰহাট, ডিব্ৰুগড়, তেজপুৰ আৰু লখিমপুৰ সংসদীয় সমষ্টিত প্ৰাৰ্থী সলনি হোৱাৰ সম্ভাৱনা আছে। আনহাতে, উল্লিখিত পাঁচটা সমষ্টিত বিজেপিয়ে নতুন মুখৰ প্ৰাৰ্থীক সুযোগ প্ৰদান কৰিব। ইতিমধ্যে সমষ্টিসমূহত গোপনে জনসমীক্ষা আৰম্ভ কৰি বিজেপিয়ে নতুন মুখৰ সন্ধান আৰম্ভ কৰিছে। উজনিৰ বিশেষকৈ ১৪নং যোৰহাট লোকসভা সমষ্টি এইবাৰ বিজেপিয়ে মিত্ৰদল অগপ-ইউপিপিএলৰ সহযোগত দখল কৰাৰ ব্লু-প্ৰিন্ট ইতিমধ্যে তৈয়াৰ কৰাৰ সমান্তৰালে চৰ্চালৈ আহিছে প্ৰাৰ্থিত্বৰ প্ৰসংগ। সেয়ে, কোনো কাৰণতে পৰাজয়ৰ ৰাজনীতিৰ বিশ্বাস নকৰা ভাৰতীয় জনতা পাৰ্টিয়ে এইবাৰ কলিয়াবৰ আৰু নগাঁও সংসদীয় সমষ্টিত অসম মন্ত্ৰীসভাৰ এগৰাকী মন্ত্ৰী অথবা সবল বিধায়ক আৰু এগৰাকী নতুন মুখৰ নেতাক প্ৰক্ষেপ কৰাৰ সম্ভাৱনা প্ৰায় স্পষ্ট হৈছে। ইয়াৰ মাজতে গেৰুৱা দলটোৱে যোৰহাট লোকসভা সমষ্টিত নতুন মুখক প্ৰাধান্য দি উজনিৰ আৱেগ জয়ৰ চিন্তা-চৰ্চা কৰা বুলি বিজেপিৰ বিভিন্ন স্তৰ পৰাই ওলোৱা খবৰে খলকনিৰ সৃষ্টি কৰিছে। বিশেষ সূত্ৰে জানিব পৰা মতে, যোৰহাট লোকসভা সমষ্টিত বৰ্তমানৰ সাংসদ তপন কুমাৰ গগৈয়ে নিজৰ সমষ্টি সোণাৰিবাসীয়ে সমষ্টিটোৰ উন্নয়নৰ স্বাৰ্থত বিধায়ক হোৱাৰ আশা পুহি ৰখাৰ লগতে পৰৱৰ্তী মন্ত্ৰীসভাত এগৰাকী কেবিনেট মন্ত্ৰীৰূপত পোৱাৰ হেঁপাহৰ বাবেই সাংসদ তপন কুমাৰ গগৈৰ পৰিৱৰ্তে সোণাৰি সমষ্টিৰ পৰাই ভিতৰি এগৰাকী নতুন মুখক প্ৰাৰ্থিত্ব প্ৰদানৰ দাবী উত্থাপন হৈ আহিছে। ইতিমধ্যে বৰ্তমানৰ সাংসদ তপন কুমাৰ গগৈৰ পৰিৱৰ্তে তেওঁৰ গৃহ সমষ্টিৰে বিজেপিৰ এগৰাকী শক্তিশালী যুৱ নেতা লাচিত গগৈয়ে যোৰহাট সংসদীয় সমষ্টিত ব্যাপক মাত্ৰাত সাংগঠনিক কাম-কাজ আৰম্ভ কৰিছে। যিহেতু লাচিত গগৈ বিজেপিৰ অসম প্ৰদেশৰ এগৰাকী ৰাজ্যিক নেতা। তদুপৰি তেওঁৰ গণভিত্তিও যথেষ্ট সবল। উল্লেখ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থীগৰাকীও সমৰ্পিত এগৰাকী যুৱ নেতা হোৱাটো বিচাৰিছে। তেনে সময়তে লাচিত গগৈৰ বলিষ্ঠ আত্মপ্ৰকাশ লক্ষণীয়। বিশ্বস্ত সূত্ৰে জানিব পৰা মতে, লাচিত গগৈয়ে সম্প্ৰতি যোৰহাট সংসদীয় সমষ্টিৰ বিজেপিৰ নেতা-কৰ্মীক সাক্ষাৎ কৰাৰ লগতে বিভিন্ন সমষ্টিত তৃণমূল পৰ্যায়ৰ কাৰ্যকৰ্তাৰ সৈতে মত-বিনিময় কৰাৰ উপৰিও বিৰোধী দলৰ কৰ্মীক বিজেপিত যোগদান কৰাই দলটোক শক্তিশালী কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। বিগত কোৰোনা মহামাৰীৰ সময়ত বহু লোকক খাদ্য সামগ্ৰী যোগান ধৰি অহাৰ লগতে বান আক্ৰান্ত এলেকাত বন্যাৰ্তক পাৰ্যমানে সহায়ৰ হাত আগবঢ়াই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। শেহতীয়াকৈ বিজেপিৰ সাংগঠনিক কাম-কাজতে জ্যেষ্ঠৰ পৰা তৃণমূল পৰ্যায়ৰ কাৰ্যকৰ্তালৈকে সকলোৰে প্ৰিয়ভাজন হোৱা এগৰাকী বলিষ্ঠ কণ্ঠৰ শক্তিশালী যুৱ নেতা লাচিত গগৈয়ে যোৰহাট সংসদীয় সমষ্টিত বিজেপি ভেটি অনাগত সময়ত সুদৃঢ় কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি সৰ্বসাধাৰণ ৰাইজৰ মাজত জনপ্ৰিয়তাও অৰ্জন কৰিবলৈ সক্ষম হৈছে। যোৰহাট সংসদীয় সমষ্টিৰ সমষ্টিতে সপ্তাহটোত দুই-তিনিদিনকৈ সুপৰিকল্পিতভাৱে সাংগঠনিক কাম কৰি অহা যুৱ নেতা লাচিত গগৈৰ বিশেষত্ব বিজেপিক শাসনলৈ অনাত সহায় কৰা বিজেপিৰ প্ৰবীণ কাৰ্যকৰ্তাক সাক্ষাৎ কৰি তেওঁলোকৰ আশীৰ্বাদ আৰু পৰামৰ্শও গ্ৰহণ কৰি আহিছে। বিভিন্ন কাৰ্যপন্থাৰে সৰ্বস্তৰৰ জনতাক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰখা লাচিত গগৈৰ পক্ষত বিজেপিৰ সমৰ্থকৰ এক সুৰ কয়, এইবাৰ 'লাচিত' নামটোৱেই হ'ব যুঁজৰ আকৰ্ষণ। ইফালে, লাচিত গগৈৰ পক্ষত থিয় দিছে উজনিৰ কে'বাটাও জনগোষ্ঠীয় সংগঠন। এনে প্ৰেক্ষাপটত আগন্তুক দিনত লাচিত গগৈ যে সংসদীয় সমষ্টিটোত প্ৰাৰ্থিত্বৰ প্ৰবল দাবীদাৰ হৈ উঠিব সেয়া নিশ্চিত হৈছে। তাৰ বিপৰীতে লাচিত গগৈয়ে ক্ৰমান্বয়ে জনসমৰ্থন হ্ৰাস পোৱা বৰ্তমানৰ সাংসদ তপন কুমাৰ গগৈৰ স্থলাভিষিক্ত হ'লে বিজেপি তৃণমূল কাৰ্যকৰ্তাৰ বিশেষ কোনো আক্ষেপ যে নাথাকিব সেয়া সহজে অনুমেয়। উদাহৰণস্বৰূপে যোৰহাট সংসদীয় সমষ্টিৰ অন্তৰ্গত তিতাবৰ বিধানসভা সমষ্টিত বিজেপি যোৰহাট জিলাৰ সভাপতিগৰাকীৰ লবীকেন্দ্ৰিক ৰাজনীতি আৰু সাংসদগৰাকীৰ বিশেষ উদাসীন মনোভাৱৰ ফলতো সাংসদ গগৈৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে কমি অহা বুলি কৰ্মীসকলে মন্তব্য কৰিছে। আনকি বিজেপিৰ যোৰহাট জিলা সভাপতি হেমন্ত কলিতা দায়িত্বত থকালৈকে তিতাবৰত সাংসদ তপন কুমাৰ গগৈৰ গণভিত্তি উত্থান হৈ নহয় সেয়া সহজে অনুমেয়। যিহেতু কংগ্ৰেছৰ দখলত থকা তিতাবৰত এতিয়া বিজেপিৰ যোৰহাট জিলা সভাপতিৰ অনাহক হস্তক্ষেপৰ ফলত বিজেপি সম্প্ৰতি বহুধাবিভক্ত। অনাগত দিনত যোৰহাটত যদি গগৈ যে এনে লবীৰ বাবেই তিতাবৰত লাচিত গগৈৰ দৰে নেতায়ো গা-কৰি উঠিব নোৱাৰে বুলি সেয়েহে সাংসদ তপন কুমাৰ গগৈয়েই হওক বা যুৱ নেতা লাচিত গগৈয়েই হওক যোৰহাট জিলাত বিজেপিৰ সভাপতিৰ পদটোত এগৰাকী নতুন সভাপতি অধিষ্ঠিত হ'লেহে বিজেপিৰ প্ৰতি ক্ৰমশঃ জনসমৰ্থন বৃদ্ধি হ'ব বুলি সৰ্বত্ৰ চৰ্চা চলিছে।

# পশ্চিম নলবাৰীৰ বৰনৰ্দ্দীত গিৰীশ চন্দ্ৰ ডেকা স্মাৰক কুইজ প্ৰতিযোগিতা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২১ নৱেম্বৰ ঃ** পশ্চিম নলবাৰী অঞ্চলৰ বৃহত্তৰ বৰনৰ্দ্দীৰ সমাজদৰদী ব্যক্তি গিৰীশ চন্দ্ৰ ডেকাৰ স্মৰণত কালি এখন মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰয়াত ডেকাৰ পৰিয়ালবৰ্গ আৰু স্থানীয় নৱজ্যোতি সংঘৰ কৰ্মকৰ্তাসকলৰ ঐকান্তিক প্ৰচেষ্টাত বৰনৰ্দ্দী হাটখোলাস্থিত দুৰ্গামন্দিৰ প্ৰাংগণত সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখন পৰিচালনা কৰে বিশিষ্ট কুইজ পৰিচালক দীপাংকৰ কৌশিকে। এটা ৰাউণ্ডৰ কুইজ পৰিচালনা কৰে অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া, লেখক ৰবেন্দ্ৰ কুমাৰ দাসে। পুৱাৰ ভাগত গিৰীশ চন্দ্ৰ ডেকাৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে গিৰীশ চন্দ্ৰ ডেকাৰ সহধৰ্মিণী যামিনী ডেকাই। ইয়াৰ পিছতে বিপুলসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু আগ্ৰহী দৰ্শকৰ উপস্থিতিত প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে শিক্ষা বিষয়া সমীন বৈশ্যই। উদ্বোধনী ভাষণত শিক্ষা বিষয়াজনে গিৰীশ চন্দ্ৰ ডেকাই দেখুৱাই যোৱা প্ৰগতিমুখী সংস্কাৰৰ আদৰ্শ বৃহত্তৰ সমাজখনৰ প্ৰতিটো পৰিয়ালে অনুসৰণ কৰাটো অতীৱ প্ৰয়োজন বুলি উল্লেখ কৰে। সভাৰ আঁত ধৰে শিক্ষক জয়ন্ত ডেকাই। প্ৰতিযোগিতাৰ ফলাফল অনুসৰি মুকলি কুইজত প্ৰথম স্থান লাভ কৰে দিলীপ কুমাৰ শৰ্মা আৰু বিজিত দাসে, দ্বিতীয় স্থান লাভ কৰে দীপজ্যোতি ডেকা আৰু সায়ন্তন শইকীয়াই, তৃতীয় স্থান লাভ কৰে বিশ্বজিৎ শৰ্মা আৰু ধ্ৰুৱজ্যোতি বৰ্মনে, চতুৰ্থ স্থান লাভ কৰে সৌৰভ দাস আৰু সোণমণি দাসে আৰু পঞ্চম স্থান লাভ কৰে কমল মেধি আৰু উপকূল শৰ্মাই। আনহাতে, ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত লিখিত কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে মঞ্জিষ্ঠা কুমাৰে, দ্বিতীয় স্থান লাভ কৰে বিবেক বৰ্মন আৰু সুৰজ আহমেদে, তৃতীয় স্থান লাভ কৰে ধৃতিস্মিতা ভট্টাচাৰ্য আৰু বনস্মিতা ভট্টাচাৰ্যই। উদ্‌গনি বঁটা লাভ কৰা প্ৰতিযোগীসকল হ'ল - প্ৰিয়াংশুপ্ৰতিম শৰ্মা, জ্যোতিদীপা পৰাশৰ, হীমলীনা বৰুৱা আৰু চিকমিক হাজৰিকা। প্ৰতিযোগিতা সমাপ্তিৰ পিছতে ধৰ্মেন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট শিশু চিকিৎসক ডাঃ প্ৰণৱ কুমাৰ শৰ্মাই।

# উজনি বংকোৱাল নাট্যমন্দিৰত সন্মিলিত গণশক্তি, অসমৰ ১৭সংখ্যক প্ৰতিষ্ঠা দিৱস পালন বোকাখাত ব্লক সমিতিৰ

**দৈনন্দিন বাৰ্তা সেৱা, মহুৰামুখ, ২১ নৱেম্বৰ ঃ** সম অধিকাৰ, সম মৰ্যাদা আৰু সম উন্নয়নৰ লক্ষৰে ২০০৫ চনত গঠন হোৱা সন্মিলিত গণশক্তি, অসমৰ কালি ১৭ তম্ প্ৰতিষ্ঠা দিৱস অসমৰ বিভিন্ন ঠাইৰ লগতে গোলাঘাট জিলাৰ বোকাখাত ব্লক সমিতিয়ে মহুৰামুখৰ উজনি বংকোৱাল নাট্য মন্দিৰত পালন কৰে। কাৰ্যসূচী




অনুসৰি, পুৱা চাফাই অভিযান, গছপুলি ৰোপণৰ পিছতে পতাকা উত্তোলন কৰে সন্মিলিত গণশক্তি, অসমৰ বোকাখাত ব্লক সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি ভৰত কুটুমে। গোলাঘাট জিলা সমন্বয়ৰক্ষী সমিতিৰ গণশক্তিৰ উপদেষ্টা দেৱেন কামানে স্মৃতি তৰ্পণ কৰাৰ পিছতে মুকলি সভা অনুষ্ঠিত কৰা হয়। ভাৰপ্ৰাপ্ত সভাপতি ভৰত কুটুমে সভাপতিত্ব কৰা সভাখনত আদৰণী ভাষণ প্ৰদান কৰে সমন্বয়ৰক্ষী সমিতি গণ শক্তিৰ সভাপতি পদ্মকান্ত লইঙে। গোলাঘাট জিলা সমন্বয়ৰক্ষী সমিতিৰ উপদেষ্টা দেৱেন কামান, আইটিডিপিৰ উপ-সভাপতি পলাশ পাঠৰীয়ে বক্তব্য ৰখা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মিছিং স্বায়ত্তশাসিত পৰিষদৰ ২৮নং ধনশিৰি-দিচৈ সমষ্টিৰ সাধাৰণ সদস্য সুধীৰ চন্দ্ৰ মৰাং। কেন্দ্ৰীয় পৰ্যৱেক্ষকদ্বয় যোগেন মিলি, দিলীপ কাকতিৰ লগতে সন্মিলিত গণশক্তি, অসমৰ কেন্দ্ৰীয় সদস্য অজিত দলে, সদস্যা তৃষ্ণা কুটুম, টিএমএমকেৰ গোলাঘাট জিলা সমিতিৰ সম্পাদিকা, গীতামণি দাৰ, উত্তৰ মহুৰা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা নিপামণি দাৰ উপস্থিত থাকে।

# তিতাবৰ প্ৰেছ ক্লাবৰ পঞ্চবিংশ প্ৰতিষ্ঠা দিৱস আৰু ৰূপালী জয়ন্তী বৰ্ষ

## অবিভক্ত শিৱসাগৰ জিলাভিত্তিত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ২১ নৱেম্বৰ ঃ** ১৯৯৭ চনতে প্ৰতিষ্ঠা হোৱা সংবাদ জগতৰ লগতে তিতাবৰৰ সমাজ জীৱনৰ সৰ্বজন পৰিচিত অনন্য অনুষ্ঠান তিতাবৰ প্ৰেছ ক্লাবৰ পঞ্চবিংশ প্ৰতিষ্ঠা দিৱস আৰু ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভণী অনুষ্ঠান অহা ৮ আৰু ৯ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। তদুপলক্ষে অহা ৮ ডিচেম্বৰত অবিভক্ত শিৱসাগৰ জিলা ভিত্তিত একাদশ শ্ৰেণীৰ পৰা স্নাতক পৰ্যায়লৈকে অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'নাগৰিকত্ব সংশোধনী আইনে অসমৰ ভৱিষ্যৎ সুৰক্ষিত কৰিব' শীৰ্ষক বিষয়ত প্ৰাইজমানী তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ দিনা দিনৰ ৯ বজাৰ পৰা ১০ বজালৈ প্ৰতিযোগীসকলৰ নাম পঞ্জীয়ন হ'ব। প্ৰতিখন শিক্ষানুষ্ঠানৰ পৰা সপক্ষে আৰু বিপক্ষে দুগৰাকীকৈ প্ৰতিযোগীয়ে নিজ নিজ শিক্ষানুষ্ঠানত অধ্যয়নৰ প্ৰমাণ-পত্ৰ দাখিলেৰে নাম পঞ্জীয়ন কৰি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব লাগিব। তিতাবৰৰ মিহিৰাম শইকীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা তৰ্ক প্ৰতিযোগিতাৰ বাবে ইচ্ছুক প্ৰতিযোগীসকলে অহা ৩০ নৱেম্বৰৰ ভিতৰত ফোন ঃ ৭০০২৩৯৩৮৮৯, ৯৮৫৯২০৬১৫৮, ৭০০২৬৬২৯৩৬ নম্বৰত (সন্ধ্যা ৭ বজাৰ পৰা ৮ বজালৈ) যোগাযোগ কৰিবৰ বাবে উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

# মুখ্যমন্ত্ৰীক অংগুষ্ঠ দেখুৱাই কীৰ্তনপাৰা গাঁও পঞ্চায়তত দুই জিপিচিৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

### ব্যৱস্থা গ্ৰহণৰ দাবী, সন্দেহৰ আঙুলি বিডিঅ'লৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২১ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যি সময়ত দৰিদ্ৰ লোকৰ বাবে আবন্টিত গৃহত কোনো উৎকোচ দিব নালাগে বুলি বাৰে বাৰে প্ৰচাৰ চলাই আছে তেনে সময়ত বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ অন্তৰ্গত কীৰ্তনপাৰা গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহত পঞ্চায়তৰ জিপিচি ইমদাদুল হক আৰু নৱ কুমাৰ শীলৰ বিৰুদ্ধে দৰিদ্ৰ লোকৰ পৰা উৎকোচ লোৱাৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এই সংক্ৰান্তত পঞ্চায়ত কাৰ্যালয়ত গাঁওসভা অনুষ্ঠিত কৰি দুয়োজনৰ বিৰুদ্ধে কে'বাটাও প্ৰস্তাৱ লৈ বিভাগীয় কৰ্তৃপক্ষক বিহিত ব্যৱস্থা লোৱাৰ দাবী জনায়। অভিযোগ মতে, পঞ্চায়তৰ হিতাধিকাৰীৰ পৰা গৃহৰ ফটো তোলাৰ সময়ত ৫ শকৈ টকা লোৱাৰ লগতে ৫ হাজাৰ টকাকৈ দাবী কৰে। কোনোবাই টকা দিব নোৱাৰিলে তালিকাৰ পৰা কৌশলৰে নামটো বাদ পেলাই দিয়ে। পঞ্চায়তৰ প্ৰায় ৫০-৫৫জন অতি দুখীয়া লোকে টকা দিব নোৱাৰাৰ বাবে গৃহৰ পৰা বঞ্চিত হৈছে বুলি অভিযোগ উঠিছে। ইমদাদুল হক আৰু নৱ কুমাৰ শীলে বহু কেলেংকাৰি সংঘটিত কৰি কীৰ্তনপাৰা গাঁও পঞ্চায়তৰ পৰা বদলি হয়। যি সময়ত মুখ্যমন্ত্ৰীয়ে উৎকোচ নল'বলৈ আহ্বান জনাইছে তেনে সময়ত কীৰ্তনপাৰা গাঁও পঞ্চায়তত জিপিচিৰ লুণ্ঠনৰাজত পঞ্চায়তবাসী অতিষ্ঠ হৈ পৰিছে। একাংশ লোকে অভিযোগ কৰা মতে, সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ অন্তৰ্গত এলেকাৰ পঞ্চায়তসমূহত জিপিচিসকলে খণ্ড উন্নয়ন বিষয়া ছৈয়দ জাকিৰ উল্লাৰ সেউজ সংকেত মতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহত লুণ্ঠন চলাই আছে বুলি অভিযোগ উঠিছে।

## যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত উদ্যমিতাৰ দিশে এখোজ স্বনিয়োজনৰ ক্ষেত্ৰত এক প্ৰশিক্ষণ আৰু প্ৰদৰ্শনী মুকলি

**দৈনিক বাৰ্তাৰ সেৱা, বাহনা, ২১ নৱেম্বৰ ঃ** আজি যোৰহাটৰ কাছাৰী মৌদাম খেল পথাৰত যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত মহাবীৰ লাচিত বৰফুকনৰ ৪৫০ বছৰীয়া জন্মজয়ন্তীৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা 'উদ্যমিতাৰ দিশে এখোজ' স্বনিয়োজনৰ ক্ষেত্ৰত এক প্ৰশিক্ষণ আৰু প্ৰদৰ্শনী অনুষ্ঠান মুকলি কৰে। যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে আদৰণী ভাষণ আগবঢ়োৱা কাৰ্যসূচীত ৰাজ্যসভাৰ সাংসদ কামাখ্যাপ্ৰসাদ তাছাই বৰ্তমান কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ঔদ্যোগিক পৰিৱেশৰ যোগেদি নিবনুৱা যুৱক-যুৱতী আৰু মহিলাসকলৰ স্বাৱলম্বিতাৰ কাম কৰাৰ কথা উল্লেখ কৰাৰ লগতে মহাবীৰ লাচিত বৰফুকনৰ প্ৰতি সন্মান জনাই ৰাষ্ট্ৰীয়ভাৱে গ্ৰহণ কৰা কাৰ্যসূচীৰ প্ৰাসংগিকতা অৱগত কৰে। ড° ৰাজীৱ ভট্টাচাৰ্য্যই ড° ভূপেন হাজৰিকাৰ এটি গীতেৰে আৰম্ভ কৰা কাৰ্যসূচীত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে যোৰহাটস্থ এনআইডিৰ সঞ্চালক ড° ভি ৰবী শংকৰ, নেইষ্টৰ সঞ্চালক ড° জি নৰহৰি, বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান চটাইস্থিত সঞ্চালক ড° ৰাজীৱ কুমাৰ বৰা, যোৰহাট জিলা পৰিষদৰ সভাপতি ৰঞ্জন শইকীয়া, উদ্যোগী আকাশ গগৈ আদি। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ প্ৰায়বিলাক বিভাগে বিপণীৰ যোগেদী বিভিন্ন উৎপাদিত সামগ্ৰী আৰু কাৰিকৰী কোশলেৰে প্ৰদৰ্শনীত অংশগ্ৰহণ কৰে। ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু কৃষি বিভাগৰ উৎপাদিত সাগ্ৰীয়ে ৰাইজৰ সমাদৰ পাবলৈ সক্ষম হৈছে।

# ভঙাগড় কালী মন্দিৰৰ বাৰ্ষিক সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ নৱেম্বৰ ঃ** ভঙাগড় কালী মন্দিৰ সমিতিৰ সাধাৰণ সম্পাদক শশীন্দ্ৰ কুমাৰ বৰুৱাই এক বিজ্ঞপ্তিযোগে জনাইছে যে মন্দিৰ সমিতিৰ নতুন পৰিচালনা সমিতি গঠন তথা বাৰ্ষিক সাধাৰণ সভাখন অহা ১৮ ডিচেম্বৰৰ দিনৰ ১১ বজাৰ পৰা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত কৰিবলৈ দিহা কৰা হৈছে। সেয়েহে সমূহ সদস্যৰ লগতে মন্দিৰৰ শুভাকাংক্ষী আৰু ভক্তবৃন্দক দিহা-পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে সহায়-সহযোগিতা তথা উপস্থিতি শ্ৰদ্ধাৰে কামনা কৰা হৈছে।

# কলংপৰীয়া আলোচনা-চক্ৰৰ ৬১সংখ্যক অধিৱেশনৰ সামৰণি ঃ দুখন গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২১ নৱেম্বৰ ঃ** নগাঁৱৰ সাহিত্য-সংস্কৃতিৰ অন্যতম অনুষ্ঠান কলংপৰীয়া আলোচনা-চক্ৰৰ একষষ্ঠিতম বাৰ্ষিক অধিৱেশন কালি নগাঁও জিলা সাহিত্য সভাৰ কমলাদেৱী তোদী ভৱনত অনুষ্ঠিত হয়। লেখিকা জেউতি হাজৰিকাৰ এটি বৰগীতেৰে অধিৱেশনৰ শুভাৰম্ভ কৰা হয়। আলোচনা-চক্ৰৰ সভাপতি নৰকান্ত লিগিৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে চক্ৰৰ সম্পাদক ঘনশ্যাম জয়শ্ৰীয়ে। লেখক ভবেন বৰাই আঁত ধৰা সভাত সন্থাৰ বাৰ্ষিক মুখপত্ৰ 'কলংজ্যোতি' উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী তথা সদৌ গ্ৰাম্য পুথিভঁৰাল সন্থাৰ প্ৰধান সম্পাদক বল্লদেৱ শৰ্মাই। মুখপত্ৰখন উন্মোচন কৰি শৰ্মাই কয় যে সাম্প্ৰতিক সময়ত ছপা মাধ্যমৰ চাহিদা কিছু হ্ৰাস পাইছে। গ্ৰন্থ অধ্যয়নৰ এক পৰিৱেশ গঢ়ি তুলিবলৈ সকলোকে তেওঁ আহবান জনায়। সভাত নিৰ্দিষ্ট বক্তা হিচাবে অংশ গ্ৰহণ কৰি নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই কয় যে কলংপৰীয়া আলোচনা-চক্ৰই এচাম কবি- সাহিত্যিক সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি চহকী বুলি উল্লেখ কৰি বৰুৱাই অসমীয়া সাহিত্যৰ এক গৰিমাময় ইতিহাস আছে বুলি মন্তব্য কৰে। সভাত লেখক গৌৰীবল্লভ গোস্বামীৰ প্ৰবন্ধ সংকলন 'সাহিত্য সৌৰভ' আৰু গল্প সংকলন 'মুকুতা' উন্মোচন কৰে ক্ৰমে— পৰাণ কুমাৰ বৰুৱা আৰু ভাৰত চন্দ্ৰ নাথে। সভাত নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ সভাপতি ঋষেশ্বৰ ঠেঙাল শইকীয়াই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। সভাত শিক্ষাবিদ ড° টুলুমণি দেৱী, নগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি থগিত মহন্ত, কবি প্ৰদীপ শইকীয়াৰ লগতে হিৰণ্য বল্লভ গোস্বামী, ত্ৰিদীপ লস্কৰ, দীপ্তি বৰা, সাংবাদিক কনক হাজৰিকাকে ধৰি ভালেসংখ্যক কবি-সাহিত্যিকে অংশগ্ৰহণ কৰে। সভাতেই কুৰিৰো অধিক লোকে স্বৰচিত কবিতা আদি পাঠ কৰে। আনহাতে সভাত কলংপৰীয়া আলোচনা-চক্ৰই লেখিকা ৰুমু বেগমক চলিত বৰ্ষৰ কলংপৰীয়া সাহিত্য বঁটা প্ৰদান কৰে।

**WANTED ACCUSED**



Name and address- Sri Mithu Agarwal, (39 years)
S/o- Om Prakash Agarwal,
House No. 10, Kundil Nagar, Basistha Chariali, Guwahati- 781028, Assam.
Height- 170 CMs (approximately)
Complexion- Wheatish
Built- Medium

The above mentioned accused person has been absconding evading police investigation, interrogation and apprehension since the date of registration of the case Vide Case No. 04/2022 U/S 120 (B)/420/406/409/468/471 IPC, R/W Sec. 13 (1) (a)/13 (2) of P.C. Act, 1988.

If any information about the accused person is available with anybody, the same may kindly be intimated to the office of the undersigned or in given Contact Nos. Whoever gives any clue or information will be rewarded suitably and the identity of the informant will be kept secret.

Sd/-
Superintendent of Police,
Chief Minister's Special Vigilance Cell, Assam
(Phone No. 9435731118/6901200260

Janasanyog/D/16532/ 22

# জৰেগাঁও কিৰণ সংঘৰ নতুন সমিতিক দায়িত্ব অৰ্পণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাসুগাঁও, ২১ নৱেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ-আৰক্ষী চকীৰ অন্তৰ্গত জৰেগাঁও কিৰণ সংঘৰ নতুন সমিতিখনক আজি দায়িত্ব অৰ্পণ কৰা হয় । গাঁওখনৰ গাঁওবুঢ়া তথা সংঘৰ উপদেষ্টা ৰূপনাথ ৰায়, বয়োজেষ্ঠ বিশিষ্ট সমাজকৰ্মী সিদ্ধেশ্বৰ ৰায়, কলেন চন্দ্ৰ ৰায় আদিৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানত পূৰ্বৰ সমিতিৰ সভাপতি মেঘনাথ ৰায় আৰু সম্পাদক অৰবিন্দ ৰায়ে সকলো তথ্য-পাতি, টকা-পইচা আদি ৰাইজৰ উপস্থিতিত অৰ্পণ কৰা হয়। নতুনকৈ দায়িত্ব লাভ কৰা সভাপতি ভৃগুমুনি ৰায় আৰু সম্পাদক ৰঞ্জন কুমাৰ ৰায়ৰ হাতত বয়-বস্তুৰ তথ্য-পাতি অৰ্পণ কৰে। উল্লেখ্য যে ইয়াৰ প্ৰাক মুহূৰ্তত জৰেগাঁও কিৰণ সংঘত চৰকাৰে নিয়োগ কৰা লাইব্ৰেৰীৰ সহকাৰী লাইব্ৰেৰীয়ান প্ৰদীপ কুমাৰ ৰায়ৰ মৃত্যু হোৱাত গাঁৱৰে এগৰাকী যুৱকক নিৰ্বাচিত কৰে।

### দুই শতাধিক বিল ক্লাক-মিটাৰ ৰীডাৰ অস্থায়ী কৰ্মীৰ প্ৰতিবাদত কঁপিল কমাৰগাঁও

# বিজুলী ভৱনত গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ

### সদৌ অসম অস্থায়ী বিল ক্লাক-মিটাৰ ৰীডাৰ কৰ্মী সন্থা, গোলাঘাট জিলা সমিতিৰ প্ৰতিবাদী সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২১ নৱেম্বৰ ঃ** বোকাখাত মহকুমাৰ কমাৰগাঁৱত আজি সদৌ অসম অস্থায়ী বিল ক্লাক-মিটাৰ ৰীডাৰ কৰ্মী সন্থা, গোলাঘাট জিলা সমিতিৰ এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। সন্থাৰ গোলাঘাট জিলা সমিতিৰ সভাপতি মৌচিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় দুশৰো অধিক অস্থায়ী বিল ক্লাক, মিটাৰ ৰীডাৰ কৰ্মীয়ে অংশগ্ৰহণ কৰে। কমাৰগাঁৱৰ বৰদিহিঙীয়া নাট্যমন্দিৰত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীত অস্থায়ী বিল ক্লাক, মিটাৰ ৰীডাৰসকলৰ চাকৰি নিয়মীয়া কৰক, অস্থায়ী কৰ্মীসকলক সম কামৰ সম মজুৰি প্ৰদান কৰক, অস্থায়ী কৰ্মীৰ চাকৰি নিয়মীয়াকৰণ নকৰালৈকে নতুন নিযুক্তি বন্ধ কৰক আদি বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে উত্তাল কৰি তোলে কমাৰগাঁৱৰ আকাশ-বতাহ। আজি প্ৰতিবাদস্থলীৰ পৰাই সন্থাৰ কৰ্মীসকলে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অস্থায়ী মিটাৰ ৰীডাৰসকলৰ চাকৰি নিয়মীয়াকৰণ কৰিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে আহ্বান জনায়। আনহাতে, চৰকাৰে যদিহে শীঘ্ৰেই সন্থাৰ দাবী মানি নলয়, তেনেহ'লে আগন্তুক দিনত ৰাজ্যৰ চাৰি হাজাৰৰো অধিক বিল ক্লাক, মিটাৰ ৰীডাৰ অস্থায়ী কৰ্মীয়ে গুৱাহাটিৰ বিজুলী ভৱনৰ সন্মুখত অৱস্থান ধৰ্মঘট, গণতান্ত্ৰিক আন্দোলনৰ লগতে অনশন কাৰ্যসূচী ৰূপায়ণ কৰাৰ হুংকাৰ প্ৰদান কৰিছে।

# 'সোণপৰুৱাৰ হাঁহি, চেমনীয়া চ'ৰা'ৰ প্ৰথম বৰ্ষপূৰ্তি উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ নৱেম্বৰ ঃ** দেওবাৰে চানমাৰিস্থিত পেন্সনাৰ ভৱনত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণপৰুৱাৰ হাঁহি, চেমনীয়া চ'ৰা'ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে 'সোণপৰুৱাৰ হাঁহি, চেমনীয়া চ'ৰা'ৰ সভাপতি শুক্লেশ্বৰ নাথে। বন্তি প্ৰজ্বলন কৰে বিশিষ্ট লেখিকা, সমাজসেৱিকা ড° নঞ্জু দত্ত আৰু আৰু বিশিষ্ট লেখিকা স্বপ্না দাসে। দিনৰ ১০ বজাৰ পৰা আৰম্ভ হোৱা প্ৰথম পৰ্বৰ শিশুৰ অনুষ্ঠানটোৰ আঁত ধৰে বিশিষ্ট কবি, লেখিকা ৰিংকু দেৱী বৰ্মনে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে জনপ্ৰিয় সাংবাদিক চক্ৰপাণি পৰাশৰ, শিশু সাহিত্য অকাদেমি বঁটাপ্ৰাপ্ত যুগললোচন দাস, আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান পৰিৱেশিকা দ্ৰবিতা চৌধুৰী, অভিনেতা, চলচ্চিত্ৰ প্ৰযোজক ডাঃ জয় বৰা, দীন-চাকি ফাউণ্ডেচনৰ প্ৰতিষ্ঠাপক চুমী ৰহমান, অপৰূপা নাৰী সংগঠনৰ নেত্ৰী ৰুণা লাইলা, শিশু সাহিত্যিক মানটাছা জাহাংগীৰ, শিশু কবি, আবৃত্তিকাৰ জোনাক নিবিড় ডেকা, চেমনীয়া যুৱ লেখক মিচবাহুল হক। উক্ত অনুষ্ঠানটোত নিৰ্দিষ্ট বক্তাসকলে শিশুসকলক উদ্দেশ্যি বহুতো দিহা- পৰামৰ্শ আগবঢ়ায়। সভাত উপস্থিত শিশুসকলে বিভিন্ন ধৰণৰ নাচ-গান, কবিতা আবৃত্তি, নৃত্য আদিৰ যোগেদি পৰিৱেশটো উৎসৱমুখৰ কৰি তোলে। দিনৰ ১ বজাৰ পৰা অনুষ্ঠিত দ্বিতীয় পৰ্বৰ মুকলি সভাৰ মঞ্চ এটি সত্ৰীয়া নৃত্যৰে উদ্বোধন কৰে কণমানি শিল্পী জেনিফাৰ হুছেইনে। সোণপৰুৱাৰ হাঁহি, চেমনীয়া চ'ৰাৰ মুখ্য সম্পাদিকা ঊষামণি শইকীয়াই আঁত ধৰা সভাখনত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসম টাইমৰ জনপ্ৰিয় সাংবাদিক মেৰাজুল হুছেইন কাজি, বিটিচিৰ চৰকাৰী মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভা, সমাজকৰ্মী সমীক্ষ দাস, অভিনেতা ৰবীন ডেকা, জালুকবাৰী কেন্দ্ৰীয় নাগৰিক সমিতিৰ সভাপতি মনোজ দাস, ডিগবৈ বহুভাষিক কবি সন্মিলনৰ সভাপতি ড° বিকাশ বৰুৱা, সম্পাদক ৰিদীপ বৰুৱা, ষ্টাৰ ৰুৰেল ডেভল'পমেণ্ট অৰ্গেনাইজেচনৰ চেয়াৰমেন সমৰেন্দ্ৰ কলিতা, ছেৰাৰ সহঃ অধীক্ষক পুতুলী ঠাকুৰীয়া মেধি প্ৰমুখ্যে বহুতো গণ্যমান্য ব্যক্তি। অনুষ্ঠানটো চলি থকাৰ মাজতে কাৰ্যকৰী সভাপতি অধীৰ চন্দ্ৰ দাসৰ শিশু কবিতাপুথি 'অকণিৰ মন আকাশ' আৰু সভাপতি শুক্লেশ্বৰ নাথৰ ব্যংগাত্মক ৰচনা 'নিৰন্তৰে দেখহ শুনহ' গ্ৰন্থ দুখনো উন্মোচন কৰা হয়। জানিব পৰা মতে 'নিৰন্তৰে দেখহ শুনহ' কিতাপখনত হাস্যৰসৰ মাজতে প্ৰতিটো পৃষ্ঠাত লুকাই আছে সমাজৰ বাস্তৱ ছবি। উক্ত অনুষ্ঠানটোত কাৰ্টুনিষ্ট নুৰুল ইছলামলৈ আগবঢ়োৱা হয় ত্ৰৈলোক্য দত্ত সোঁৱৰণী চিত্ৰশিল্পী বঁটা। বঁটাটো প্ৰদান কৰে প্ৰয়াত শিল্পীজনৰ ভতিজী, বিশিষ্ট লেখিকা ড° নঞ্জু দত্তই। ইয়াৰ উপৰি সদৌ অসম ভিত্তিক অনলাইন স্বৰচিত শিশু পদ্য আৰু সাধুকথা কোৱা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগিসকলকো বঁটাসমূহ প্ৰদান কৰা হয়। অনুষ্ঠানটোত তীৰ্থৰঞ্জন মহন্ত, নাং অঞ্জনা গগৈ, টুটুমণি নাথ মেধি, আল্পনা দলে, পল্লৱী গগৈ ইনি, জয়া শইকীয়া, মোহাইমিনুৰ ৰহমান, প্ৰিয়লতা ডেকা, দিলীপ কুমাৰ নন্দী, গীতাঞ্জলি বৰ্মন ডেকা আদি উপস্থিত থাকে।




## ৰাশিফলত আজিৰ দিনটো

**৫ আঘোণ, মঙলবাৰ, ২২ নৱেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা ত্ৰয়োদশী, নক্ষত্ৰ ঃ স্বাতী ঃ ৰাশি ঃ তুলা**
■ **সূৰ্যোদয়- ৫-৫১-৭ সূৰ্যাস্ত- ৪-২৮-৩৬**



**মেষ** ঃ নতুন প্ৰেৰণা লাভ ■ **বৃষ** ঃ মানসিক দিশ উন্নত ■ **মিথুন** ঃ ধনৰ নাটনি ■ **কৰ্কট** ঃ শিক্ষকৰ সুনাম ■ **সিংহ** ঃ খেতিয়কৰ কষ্ট ■ **কন্যা** ঃ দাম্পত্য সুখ ■ **তুলা** ঃ নতুন প্ৰেমত আনন্দ ■ **বৃশ্চিক** ঃ হাঁহি-ধেমালি বৃদ্ধি ■ **ধনু** ঃ সংযমী মনোভাব ■ **মকৰ** ঃ পুত্ৰৰ পৰা আনন্দ ■ **কুম্ভ** ঃ আনৰ উপদেশ নেমানিব ■ **মীন** ঃ খৰচ বৃদ্ধি।

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

২২ নৱেম্বৰ, ২০২২ ■ মঙলবাৰ ■ ৫ আঘোণ, ১৯৪৪ শক





# মাজবাটৰ হাবিগাঁৱত অমৃত সৰোবৰ আঁচনি উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২১ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ মাজবাটৰ হাবিগাঁৱত অমৃত সৰোবৰ আঁচনিৰ শুভ উদ্বোধন। জানিব পৰা মতে কালি দিনৰ হাবিগাওঁ ভিচিডিচিৰ অন্তৰ্গত হাতীবিল গাঁৱত অমৃত সৰোবৰ আঁচনিৰ শুভ উদ্বোধন কৰে বিটিআৰৰ ৩৯নং পাঁচনৈ ছেৰফং পৰিষদীয় সমষ্টিৰ এমচিএলএ দীপক মৌৰে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা আজাদী কা অমৃত মহোৎসৱ উপলক্ষে পিছপৰা গাঁও অঞ্চলসমূহত অমৃত সৰোবৰ আঁচনি ঘোষণা কৰিছিল। অমৃত সৰোবৰ আঁচনিৰ হাবিগাঁও ভিচিডিচিৰ হাতীবিল গাঁৱত ৫০ লাখ টকাৰে খন্দা কৰা হ'ব দুটাকৈ বিশাল পুখুৰী। এই পুখুৰী খন্দা হ'লে উক্ত গাঁৱৰ ৰাইজৰ লগতে নিবনুৱা যুৱক-যুৱতী, আত্মসহায় গোটসমূহ লাভৱান্বিত হ'ব বুলি এমচিএলএগৰাকীয়ে কয়। আজিৰ এই কাৰ্যসূচীত উপস্থিত থাকে মাজবাট ব্লক ইউপিপিএল দলৰ সম্পাদক জনাৰ্দন কলিতা, হাবিগাঁও ভিচিডিচিৰ সভাপতি চন্দন বড়াল, উপ-সভাপতি দীপক বেক, পুখুৰী পৰিচালনা সমিতিৰ মাৰ্চেল তিগ্গা, পুষ্প থাপা, হাতীবিল গাঁৱৰ নামঘৰ পৰিচালনা সমিতিৰ মনিন্দ্ৰ কলিতাৰ লগতে উক্ত গাঁৱৰ ৰাইজ উপস্থিত থাকে।

# মঙলদৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অনাময়ৰ বিনামূলীয়া বাৰ হেজাৰ টকীয়া শৌচাগাৰ টেংকীৰ বাস্তৱ ৰূপ

**বিভাগৰ সাফল্যৰ বৰঢোল কোনখিনিত**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২১ নৱেম্বৰ ঃ** সমাজৰ দুখীয়া দৰিদ্ৰ পৰিয়ালৰ বাবে চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এখন কল্যাণকামী আঁচনি হ'ল অনাময়ৰ বিনামূলীয়া বাৰ হেজাৰ টকীয়া শৌচাগাৰ। কেন্দ্ৰীয় চৰকাৰৰ স্বচ্ছ ভাৰত অভিযান আঁচনিৰ অধীনত ৰূপায়ণ কৰা এই আঁচনিখন চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে ৰূপায়ণ কৰা হয়। একে সময়তে মঙলদৈ জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগে জিলাখনত আঁচনিখন এন জি অ' ঠিকাদাৰৰ জৰিয়তে ৰূপায়ণৰ ব্যৱস্থা গ্ৰহণ কৰে। কিন্তু ঠিকাদাৰে অধিক মুনাফা লুটাৰ লক্ষ্যৰে একেবাৰে নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰি আঁচনিখন ৰূপায়ণ কৰাত ঠাইবিশেষে দৰিদ্ৰ পৰিয়ালৰ কোনো কোনো হিতাধিকাৰীৰ শৌচাগাৰসমূহ ব্যৱহাৰ নৌকৰোঁতেই ভাগি পৰাৰ অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে, ছিপাঝাৰ সমষ্টিৰ চেঙেলীয়াঝাৰ পঞ্চায়তৰ দুৰদুৰীয়া গাঁৱৰ অতিকৈ ডাল দৰিদ্ৰ আবেদ আলীৰ অনাময়ৰ শৌচাগাৰ নিৰ্মাণত দুটাকৈ টেংকি নিৰ্মাণ কৰিব লাগে যদিও এটিও টেংকী নিৰ্মাণ নকৰি আবন্টিত ধনৰাশি উলিয়াই নিয়াৰ অভিযোগ উঠিছে। আনহাতে, গাঁওখনৰ তবিবুল হক নামৰ বুভুক্ষু লোকজনৰ পৰিয়ালটোৱে আনৰ মাটিত শৌচ-প্ৰস্ৰাৱ কৰি অহাৰ পিছতো আজিও লাভ কৰিবলৈ সক্ষম হোৱা নাই শৌচাগাৰ। গাঁওখনৰ বহুকেইগৰাকী দৰিদ্ৰ পৰিয়ালে আজিও শৌচাগাৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই। একেদৰে কুমাৰপাৰা গাঁৱৰ হাতীৰ মাউতৰ ৰূপা ডেকাৰ শৌচাগাৰটোৰে ময়লা নিৰ্গত নোহোৱাত ভাগি পেলাই দিয়ে। গাঁওখনৰ ইছমাইল আলী, ইন্দাদুল হককে ধৰি বহুকেইগৰাকী লোকৰ শৌচগাৰ টেংকিসমূহ ভাগি-ছিগি যোৱাৰ অভিযোগ উত্থাপন হৈছে। ইফালে, তৰাগাঁৱত প্ৰয়াত আইনুদ্দিন আহমেদৰ বিধৱা পত্নীৰ নামত লাভ কৰা অনাময়ৰ বিনামূলীয়া শৌচাগাৰটো ব্যৱহাৰ নৌকৰোঁতেই টেংকিৰ ঢাকনি ভাগ পৰাত বিভাগৰ আঁচনিৰ প্ৰকৃত জীয়া ছবিখন উদঙাই দেখুৱাইছে। এনে অনিয়মেৰে বিভাগে নিৰ্মাণ কৰা আঁচনিৰ লেখ নাই। ই মাত্ৰ এক উদাহৰণ হিচাপেহে উল্লেখ কৰা হৈছে। ইমানৰ পিছতো বিভাগৰ সফলতাৰ বৰঢোলৰ কোব কোনখিনিত ৰাইজে জানিব পৰা নাই।



# দৰং জিলা কাৰ্যালয় সহায়ক সংস্থাৰ অষ্টাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২১ নৱেম্বৰ ঃ** দৰং জিলা মাধ্যমিক বিদ্যালয় কাৰ্যালয় সহায়ক সংস্থাৰ অষ্টাদশ দ্বি- বাৰ্ষিক অধিৱেশনখন যোৱা ১৯ নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে মঙলদৈ নগৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। সংস্থাৰ সভাপতি তাজনুৰ খণ্ডকৰে পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ৯ বজাত বন্তিপ্ৰজ্বলন আৰু শ্বহীদ তৰ্পণ কৰে দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই লগতে মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে উপায়ুক্তৰ লগতে দৰং জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক মণিকা বৰগোহাঁই, অতিৰিক্ত উপায়ুক্ত পল্লৱী কছাৰী আৰু মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দীপ্তি শৰ্মাই । ইয়াৰ পিছতে ৯.৩০ বজাত অৱসৰী কাৰ্যালয় সহায়ক বীৰেন দাস আৰু ইমান আলীয়ে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। দিনৰ ১ বজাত দৰং জিলা কাৰ্যালয় সহায়ক সংস্থাৰ সভাপতি তাজনুৰ খণ্ডকৰৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভা শুভ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত কাৰ্যালয় সহায়ক ভবেন চহৰীয়াই। সংস্থাৰ প্ৰতিষ্ঠাৰ লগত জড়িত থকা বৰেণ্য ব্যক্তিসকলক সশ্ৰদ্ধ স্মৰণ কৰে। সততা, নম্ৰতা, আদৰ্শ, সজ আচৰণ আৰু সুকম — সংস্কৃতি কৰ্মচাৰী তথা কাৰ্যালয় সহায়কসকলৰ মহত্তম সম্পদ। ভাল আদৰ্শই এখন সুস্থ-সবল সমাজ গঢ়ে। সংস্থাৰ লগত আৰম্ভণিৰ পৰা জড়িতসকলৰ ত্যাগ আৰু বৰঙনিৰ কথা উল্লেখ কৰি বৰ্তমানৰ সহায়কসকলৰ অধিক উদ্যমেৰে সংস্থাৰ উন্নতিৰ হকে কাম কৰি যাবলৈ আহ্বান জনাব উদ্বোধনী ভাষণ প্ৰদান কৰি চহৰীয়াই এই কথা উল্লেখ কৰে। সদৌ অসম মাধ্যমিক বিদ্যালয় কাৰ্যালয় সহায়ক সংস্থাৰ উপদেষ্টা কুদ্ৰত আলীয়ে নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰাৰ পিছতে ২০২১ আৰু ২২ বৰ্ষত অৱসৰ গ্ৰহণ কৰা মুঠ ১৩গৰাকী অৱসৰী সহায়কক সম্বৰ্ধনা জ্ঞাপন কৰাৰ উপৰিও ১৩গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক গামোচা, মান-পত্ৰ আৰু শৰাইৰে আদৰণি জনোৱা হয়। আনহাতে, আগন্তুক বৰ্ষৰ বাবে তাজনুৰ খণ্ডকৰক সভাপতি, দিলীপ ডেকাক উপ- সভাপতি হৰেন মেধিক সম্পাদক, ৰিয়াজুল ইছলাম (বিপুল), ভাৰত ডেকা আৰু দেৱাশিস ডেকাক সহকাৰী সম্পাদক, প্ৰাণেশ্বৰ বিশ্বাস, ইউচা আলী, কৈলাস দাস হানিফ আলীক সাংগঠনিক সম্পাদক, ৰাহুল হাজৰিকা আৰু মইনুল হক চৌধুৰীক বিত্ত সম্পাদক, দিব্যজ্যোতি আৰু মুকুল কুমাৰ শৰ্মাক হিচাপ পৰীক্ষক হিচাপে নিৰ্বাচন কৰাৰ উপৰিও ৰাজ্যিক সদস্য হিচাপে নিৰ্বাচিত কৰে হাকিম আলীক। সভাৰ অন্তত এটি সুমধুৰ গীত পৰিৱেশন কৰে মঙলদৈ নগৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মালবিকা ডেকাৰ এটি গীতেৰে। অনুষ্ঠানসূচীৰ আঁত ধৰে সংস্থাৰ সম্পাদক ৰেজাউল হকে।

# ৰঙাপৰাত লাচিত বৰফুকনৰ জয়ন্তী উদযাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ২১ নৱেম্বৰ ঃ** সমাগত লাচিত দিৱস। ২৪ নৱেম্বৰত ৰাজ্য তথা দেশবাসীয়ে উদ্‌যাপন কৰিব জাতীয় বীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জয়ন্তী। জাতীয় বীৰ যোদ্ধাগৰাকীক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে ৰঙাপৰা উন্নয়ন খণ্ডৰ তৰফৰ পৰাও গ্ৰহণ কৰা হৈছে এক বিশেষ কাৰ্যসূচী। এই কাৰ্যসূচীৰ অংশস্বৰূপে আজি ৰঙাপৰা উন্নয়ন খণ্ড কাৰ্যালয়ৰ পৰা এক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰা ৰঙাপৰা উন্নয়ন খণ্ড কাৰ্যালয়ৰ পৰা ধূলাপাদুং তিনিআলিলৈকে পৰিক্ৰমা কৰি আকৌ উন্নয়ন খণ্ড কাৰ্যালয়ত অন্ত পৰে। ইয়াৰ পাছত দিনৰ ১২ বজাত উন্নয়ন খণ্ড কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত লাচিত বৰফুকনৰ জীৱন আৰু সাহসিকতাই যাতে সকলোকে অনুপ্ৰাণিত কৰে তাৰ বাবে মহান বীৰগৰাকীৰ সন্দৰ্ভত এক আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ঠাকুৰবাৰী গাঁও পঞ্চায়তৰ সচিব অজিত শৰ্মা, ফুলগুৰি গাঁও পঞ্চায়তৰ সচিব কমল দৰ্জী, ৰঙাপৰা উন্নয়ন খণ্ডৰ সহকাৰী কাৰ্যবাহী অভিযন্তা মদন ভূএঃা বিচাৰক ৰূপে থকা অনুষ্ঠানত ৰঙাপৰা খণ্ড উন্নয়ন কাৰ্যালয়ৰ খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মা, ৰঙাপৰা প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক ছাজাহান কুৰেশ্বি উপস্থিত থাকে। আকস্মিক বক্তৃতা প্ৰতিযোগিতাত দীপজ্যোতি বৰাইকে প্ৰথম, দৈমন্তী বড়ো দ্বিতীয় আৰু অনুৰাধা ৰাভাই তৃতীয় স্থান লাভ কৰে। ইপিনে, বীৰ লাচিত বৰফুকনৰ জয়ন্তী উপলক্ষে ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ অধ্যক্ষ মোহন গোস্বামীৰ নেতৃত্বত আজি পুৱা লাচিত বৰফুকনৰ জয়ন্তী উপলক্ষে বিদ্যালয় চৌহদত চাফাই অভিযান অনুষ্ঠিত কৰা হয়।




# মাজবাটত আজাদী কা অমৃত মহোৎসৱ উপলক্ষে গাঁও সম্পৰ্ক অভিযানৰ ৰথ পদাৰ্পণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২১ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ মাজবাটত আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি গাঁও সম্পৰ্ক অভিযানৰ ৰথ পদাৰ্পণ। জানিব পৰা মতে যোৱা ১৮ নৱেম্বৰত ভাৰতীয় জনতা পাৰ্টীৰ অনুসূচিত জাতি মৰ্চাৰ অসম প্ৰদেশ সমিতিৰ উজনি অসমৰ ধেমাজি জিলাৰ পৰা এই গাঁও সম্পৰ্ক অভিযানৰ ৰথ যাত্ৰা আৰম্ভ কৰি অনুসূচিত জাতি অঞ্চলৰ গাঁও মাজবাটৰ মূৰকাটিত উপস্থিত হৈ ৰাইজৰ মনৰ বুজ লৈ আকৌ এই ৰথ ওদালগুৰিলৈ ৰাওনা হয়। গাওঁ সম্পৰ্ক অভিযানত মাজবাট অঞ্চলৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা জ্যেষ্ঠ ব্যক্তিক এখনকৈ ফুলাম গামোচা, একোখন মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয় বুলি পাঁচনৈ ছেৰফাং মণ্ডল সমিতিৰ সভাপতি জীৱন ডেকাই সাংবাদিকক জানিবলৈ দিয়ে। উক্ত অভিযানত অংশগ্ৰহণ কৰে ৰথ যাত্ৰা প্ৰমুখ জ্যোতিষ বণিয়া, অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি কুশল মালাকাৰ, আঁচনি চেলৰ ৰামেশ্বৰ বণিয়া, ভৰেন্দ্ৰ দাস, পাঁচনৈ ছেৰফং সমষ্টিৰ যুৱ পাৰিষদ দীপক মৌৰ, ওদালগুৰি জিলা বিজেপিৰ সভাপতি সুনীল বসুমতাৰী, পাঁচনৈ ছেৰফঙৰ মণ্ডল সম্পাদক অঞ্জন বৈদ্য, অনুসূচিত জাতিৰ পাঁচনৈ ছেৰফঙৰ যুৱ মৰ্চাৰ সভাপতি ৰঞ্জয় মণ্ডল,বাহিপুখুৰী ভিচিডিচিৰ সভাপতি লাদু লোহাৰ, অৱসৰপ্ৰাপ্ত শিক্ষক পূৰ্ণৰাম ডেকা, সুভাষ চন্দ্ৰ বিশ্বাস, আদি উপস্থিত থাকে।



# ৰাজনীতি পাৰ্ট-১ৰ ট্ৰেইলাৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ নৱেম্বৰ ঃ** নে'ষ্টাৰ ষ্টুডিঅ'ৰ বেনাৰত নিৰ্মিত নতুন অসমীয়া চলচ্চিত্ৰ ৰাজনীতি- পাৰ্ট-১ৰ ট্ৰেইলাৰ কালি মুকলি কৰা হয়। যোৰহাটৰ কৰ্ট ফিল্ডত জুবিন গাৰ্গৰ ৫০সংখ্যক জন্মদিন উপলক্ষে মহা আড়ম্বৰেৰে আয়োজিত সৃষ্টিৰ দিন, শীৰ্ষক অনুষ্ঠানত কালি সন্ধিয়া বহু বিশিষ্ট লোকৰ উপস্থিতিত চলচ্চিত্ৰখনৰ ট্ৰেইলাৰ মুকলি কৰা হয়। অনুষ্ঠানত যুৱ প্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গক টীম ৰাজনীতিৰ সদস্যসকলৰ লগতে সমৱেত অগণন অনুৰাগীয়ে হৰ্ষোল্লাসেৰে জন্মদিনৰ শুভেচ্ছা জনায়। মনুজিৎ শৰ্মাৰ দ্বাৰা পৰিচালিত চলচ্চিত্ৰখনত জুবিন গাৰ্গৰ লগতে অসমীয়া চলচ্চিত্ৰ আৰু মঞ্চ জগতৰ প্ৰসিদ্ধ অভিনেতা তপন দাস, সঞ্জীৱ শৰ্মা, বৰষাৰাণী বিষয়া, সিদ্ধাৰ্থ শৰ্মা, গীতাৱলী ৰাজকুমাৰী আৰু ৰাজীৱ গোস্বামীয়ে গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে। চলচ্চিত্ৰখনৰ চিত্ৰনাট্য অভিজিৎ ভট্টাচাৰ্যৰ। ২৩ ডিচেম্বৰত চলচ্চিত্ৰখনে সমগ্ৰ অসমৰ ছবিগৃহত মুক্তিলাভ কৰিব।

**NEMCARE Group of Institutions**
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ESTD : 2017

**ADMISSION OPEN FOR 2022-23**

OUR COURSES

- B Pharm
- BSc Nursing
- D Pharm
- GNM
- B Pharm (Lateral)
- Master in Hospital Administration

CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available

98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

# ধুবুৰীত লাচিত বৰফুকনৰ জয়ন্তীৰ বিভিন্ন কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২১ নৱেম্বৰ ঃ** নতুন দিল্লীত ৰাজ্য চৰকাৰে আয়োজন কৰা লাচিত দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত ভাগ ল'বলৈ আজি ধুবুৰীৰ পৰা গুৱাহাটী অভিমুখে ৰাওনা হয় ১২গৰাকী শিক্ষাৰ্থীৰ এটা দল। আজি পুৱা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত শিক্ষাৰ্থীৰ দলটোৰ যাত্ৰাৰ ফ্লেগ অফ কৰে অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দাসে। দলটোত ধুবুৰী জিলাৰ ভোলানাথ মহাবিদ্যালয়, প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, চিলাৰায় মহাবিদ্যালয় আৰু বিলসীপাৰা মহাবিদ্যালয়ৰ দুগৰাকীকৈ মুঠ আঠগৰাকী শিক্ষাৰ্থী আছে। দক্ষিণ শালমৰা মানকাচৰ জিলাৰ মানকাচৰ কলেজ আৰু দক্ষিণ শালমাৰা কলেজৰো দুগৰাকীকৈ মুঠ চাৰিগৰাকী শিক্ষাৰ্থীয়ে একেখন বাছতে ধুবুৰীৰ পৰাই যাত্ৰা কৰে। শিক্ষাৰ্থী দলটোৰ একাংশই আজি আৰু বাকীসকলে কাইলৈ বিমানযোগে নতুন দিল্লীলৈ ৰাওনা হ'ব। যাত্ৰাৰ ফ্লেগ অফ কৰি অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দাসে শিক্ষাৰ্থীসকলক শুভেচ্ছা জ্ঞাপন কৰে। অতিৰিক্ত উপায়ুক্তগৰাকীয়ে শিক্ষাৰ্থীসকলৰ তত্ত্বাৱধায়ক শিক্ষকগৰাকীক বিমানৰ টিকট আদি যাৱতীয় নথি আনুষ্ঠানিকভাৱে প্ৰদান কৰে। আনহাতে ধুবুৰী জিলাৰ উপায়ুক্ত দিবাকৰ নাথৰ তত্ত্বাৱধানত জিলাখনত লাচিত দিৱসৰ বিভিন্ন কাৰ্যসূচী ৰাইজ বিশেষকৈ শিক্ষাৰ্থীৰ ব্যাপক অংশগ্ৰহণৰ মাজেৰে অনুষ্ঠিত হৈ আছে। চাপৰৰ বীৰচা মুণ্ডা ষ্টেডিয়ামত কালি পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। আজি চাপৰৰ শ্ৰীগ্ৰাম সংৰক্ষিত বনাঞ্চলৰ অধীনৰ খেৰডুবি গাঁৱত চাৰিশ জোপা গছপুলি ৰোপণ কৰা হয়। বিভিন্ন শিক্ষানুষ্ঠান আৰু চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানৰ উদ্যোগতো অব্যাহত আছে বৃক্ষৰোপণ কাৰ্যসূচী। আয়োজন কৰা হৈছে ৰক্তদান শিবিৰো। আনহাতে, জিলা প্ৰশাসনৰ উদ্যোগত ধুবুৰী চহৰৰ প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত অনুষ্ঠিত হৈ আছে শিক্ষাৰ্থীৰ মাজত চিত্ৰাংকন, বক্তৃতা, কুইজ আদি প্ৰতিযোগিতা। অহা ২৩ নৱেম্বৰত আয়োজন কৰা হৈছে এটা সাংস্কৃতিক শোভাযাত্ৰাৰ। ২৪ নৱেম্বৰত প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জয়ন্তীৰ মূল অনুষ্ঠান অনুষ্ঠিত হ'ব। ২৪ আৰু ২৫ নৱেম্বৰত অসম চৰকাৰে নতুন দিল্লীত আয়োজন কৰা কাৰ্যসূচী প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত পোনপটীয়াকৈ দেখুওৱা হ'ব।




## বাহনৰ নিলাম বিক্ৰী জাননী

বেংক অফ বৰোদা / Bank of Baroda

**কলিতাকুছি শাখা**

কলিতাকুছি, হাজো, অসম- ৭৮১১০২, ফোন নংঃ ৭০০৫৫-৭৮০৬১, ইমেইলঃ kalita@bankofbaroda.com

**(নিবিদা দাখিলৰ অন্তিম তাৰিখ আৰু সময়ঃ বিয়লি ৪.০০ বজা, ১৯.১২.২০২২)**

তলত উল্লেখ কৰা বাহনৰ, বিত্তীয় সাহায্য দিয়া হৈছিল **বেংক অৱ বৰোডা** আৰু জব্দ কৰা হৈছে সংশ্লিষ্ট ঋণ অনাদায়কাৰী সকলৰ পৰা, বৰ্তমান বিক্ৰীৰ বাবে সাজু কৰি ৰখা হৈছে। যিসকল ব্যক্তিয়ে ওপৰত উল্লেখ কৰা বাহন ক্ৰয়ৰ বাবে আগ্ৰহী তেওঁলোকে যোগাযোগ কৰিব পাৰিব সংশ্লিষ্ট শাখা প্ৰৱন্ধকৰ সৈতে (যোগাযোগৰ সবিশেষ তলত দিয়া আছে)। আগ্ৰহী সকলে দাখিল কৰিব লাগিব প্ৰস্তাৱ পত্ৰ, লগতে ঘূৰাই পাব লগা/এডজাষ্টেবল বেংকৰ পে অৰ্ডাৰ/ ডিমাণ্ড ড্ৰাফ গুৱাহাটীত আদায় কৰিব পৰাকৈ 'বেংক অৱ বৰোডা'ৰ কাৰণে যাতে সুত বিহিন আমানতৰ ধন (ইএমডি) হিচাপে তলত উল্লেখ কৰা বাহনৰ কাৰণে জমা দিব লাগিব বন্ধ খামত আৰু উল্লেখ কৰিব লাগিব ' বাহন নং....... ক্ৰয় কৰাৰ বাবে কোটেশন' আৰু দাখিল কৰিব লাগিব সংশ্লিষ্ট শাখাত অহা **১৯.১২.২০২২** তাৰিখ বা তাৰ পূৰ্বে, বিয়লি ৪.০০ বজাৰ ভিতৰত।

**বন্ধ কোটেশনসমূহ মুকলি কৰা হ'ব ২০-১২-২০২২ তাৰিখে দিনৰ ১১.০০** বজাত সংশ্লিষ্ট শাখাত আৰু আগ্ৰহী নিবিদাকাৰীৰ উপস্থিতিত যি সকলে নিলাম বিক্ৰীৰ বাবে প্ৰস্তাৱ দাখিল কৰিছে। সফল নিবিদাকাৰীয়ে সম্পূৰ্ণ দাম জমা দিব লাগিব ৭ (সাত) কৰ্ম দিনৰ ভিতৰত কোটেশ্বন মুকলি কৰাৰ পৰা বা নিম্ন স্বাক্ষৰকাৰীয়ে বৃদ্ধি কৰা সময়ৰ যিকোনো দিনত। যদিহে ব্যৰ্থ হয়, তেনেহ'লে আমানতৰ ধন বাজেয়াপ্ত হ'ব আৰু বাহনৰ বিক্ৰী বাতিল হ'ব।

**বাহন বিক্ৰী কৰা হ'ব 'যেনেদৰে আছে, য'ত আছে' ভিত্তিত আৰু বেংকে স্থিৰ কৰা সংৰক্ষিত দামতকৈ কম মূল্যত বিক্ৰী কৰা নহ'ব।** বেংকৰ হাতত কৰ্তৃত্ব বাহাল থাকিব যিকোনো প্ৰস্তাব গ্ৰহণ বা বাতিল কৰিবলৈ কোনো পূৰ্বচৰ্ত প্ৰদৰ্শন নকৰাকৈ।

| বেংক আৰু শাখাৰ নাম | বাহনৰ পঞ্জীয়ন নং | বাহনৰ বিৱৰণ | ক) সংৰক্ষিত মূল্য খ) ই এম ডি | শাখা প্ৰৱন্ধকৰ নাম আৰু যোগাযোগ নং |
|---|---|---|---|---|
| বি অ বি, কলিতাকুছি | এ এছ ০১- ই এ- ৮৮৯৬ | হোণ্ডাই, এস্কেন্ট ভিটি ভিটি এছ নিৰ্মাণ বৰ্ষ ০৩/২০১৯ | ক) ৩,৪৫,০০০/টকা খ) ৩৪,৫০০/টকা | শ্ৰী মাধুৰ্য ভাগৱতী মোৱাইল নংঃ ৭০০৫৫-৭৮০৬১ |

**তাৰিখ ঃ ১৮.১১.২০২২**
**স্থান ঃ গুৱাহাটী**

**কৰ্তৃত্বশীল বিষয়া (বেংক অৱ বৰোডা)**

## ঋণ লওঁতা/ গেৰাণ্টৰ/ মৰ্টগেজৰলৈ দাবী জাননী [ধাৰা ১৩(২)]

কেনৰা বেংক Canara Bank — সিণ্ডিকেট Syndicate

**দিছপুৰ শাখা**
**ৰাধিকা ভৱন, গণেশগুৰি, দিছপুৰ, গুৱাহাটী-৭৮১০০৬, অসম**

প্ৰতি

**১. শ্ৰীমতী উষা ৰাণী (ঋণ লওতা)**
প্ৰকৃতি গ্ৰীনছ, ফ্লেট নং- এ, প্ৰথম মহলা, সমন্বয় পথ, বেলতলা, গুৱাহাটী-২৯
**২. শ্ৰী অমিত কুমাৰ (ঋণ লওতা)**
প্ৰকৃতি গ্ৰীনছ, ফ্লেট নং- এ, প্ৰথম মহলা, সমন্বয় পথ, বেলতলা, গুৱাহাটী-২৯

মাননীয় মহাশয়,

**বিষয়ঃ চিকিউৰিটাইজেছন এণ্ড ৰিকন্স্ট্ৰাকছন অৱ ফাইনেনছিয়েল এছেটচ এণ্ড এনফৰ্চমেণ্ট অৱ ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ ৰ ধাৰা-১৩(২) অধীনত দাবী জাননী**

**শ্ৰীমতী উষা ৰাণী (ঋণ লওতা) আৰু শ্ৰী অমিত কুমাৰ (ঋণ লওতা) তলত উল্লেখ কৰা ঋণ/ ক্ৰেডিট সুবিধা গ্ৰহণ কৰিছিল আমাৰ দিছপুৰ শাখাৰ পৰা সময়ে সময়েঃ-**

| সীমা | | ঋণৰ পৰিমাণ | ১৮-১১-২০২২ লৈকে অনাদায় | সূতৰ হাৰ |
|---|---|---|---|---|
| পুজিৰ ভেটি | ১ | ৩৭,০০,০০০/- টকা | ২০,২১,৮০০.২৪ টকা | ৭.৪৫ % (+2%) |

ওপৰত উল্লেখ কৰা ঋণ/ ক্ৰেডিট সুবিধা প্ৰদান কৰা হৈছিল সম্পদৰ বন্ধকী ভিত্তিত, বিশেষভাৱে তলত উল্লেখ কৰা তালিকা অনুসৰি, আৱশ্যকীয় নথি পত্ৰ সহ আপুনি দাখিল কৰা আৰু আমাৰ পক্ষত থকা অনুসৰি। যিহেতু আপুনি অনাদায় ধনৰাশি আদায়ত ব্যৰ্থ হৈছে প্ৰযোজ্য হৈ থকা চৰ্তাৱলী অনুসৰি, বেংক কৰ্তৃপক্ষই অনাদায়খিনি এনপিএ হিচাপত ০১.১১.২০২২ তাৰিখে চূড়ান্ত কৰিছে। গতিকে ইয়াৰ জড়িয়তে আমি এখন জাননী জাৰি কৰিছো ওপৰোক্ত আইনৰ ধাৰা-১৩(২) অনুসৰি যাতে অনাদায় ধনৰাশি **২০,২১,৮০০.২৪ টকা (বিছ লাখ একৈশ হাজাৰ আঠশ টকা চৱিছ পইচা কেৱল)** লগতে শেহতিয়া সূত আৰু অন্যান্য ব্যয় সমূহ আদায় দিবলৈ এই জাননী প্ৰকাশৰ ষাঠি দিনৰ ভিতৰত। অন্যথা আদায়ত ব্যৰ্থ হ'লে উক্ত আইনৰ ধাৰা-১৩ (৪) প্ৰয়োগ কৰি সম্পূৰ্ণকৈ বা যিকোনো অধিকাৰ সাব্যস্ত কৰা হ'ব।
গতিকে আপোনাক উক্ত বন্ধকী সম্পদৰ লেনদেনৰ পৰা বাৰণ কৰা হ'ল কোনো ধৰণৰ আগতীয়া অনুমতি নহোৱাকৈ, যি ভিত্তিতে নহওক কিয়। উক্ত আইনৰ অধীনত আৰু / বা প্ৰয়োজ্য হোৱা অন্য আইন অনুসৰি ইয়াৰ বাবে সকলো ব্যৱস্থা গ্ৰহণৰ পদক্ষেপ লোৱা হ'ব। চাৰফেইচি আইনৰ ধাৰা ১৩ৰ উপধাৰা (৮) ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিসমূহক উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।
এই দাবী জাননী ইয়াৰ উপৰিও পঞ্জীয়ন ডাকৰ জৰিয়তে প্ৰেৰণ কৰা হৈছে বেংকৰ শাখাৰ নথিত থকা আপোনাৰ শেষ জনা ঠিকনাত।
(টোকাঃ অনুগ্ৰহ কৰি উল্লেখ কৰিব, যদিহে অবিত্তিয় ভিত্তিত সীমা উপলব্ধ আছে সংশ্লিষ্ট পক্ষৰ দ্বাৰা যদিও ক্ৰাইষ্টলাইজড কৰা হোৱা নাই)

**তালিকা**

**বন্ধকী সম্পদ/ ঋণ দায়বদ্ধতাৰ সৱিশেষ তলত দিয়া হ'লঃ-**

| বন্ধকী সম্পদ/ ঋণ দায়বদ্ধতাৰ সম্পদ | সবিশেষ বিৱৰণ দিয়া হ'ল |
|---|---|
| ১. আৱাসিক ফ্লেটৰ ইএমটিসহ নামত আছে উষা ৰাণী (স্বত্তাধীকাৰী) আৰু অমিত কুমাৰৰ (মৰ্টগেজৰ) | আৱাসিক ফ্লেট নং- এ-ৰ ইএমটি, প্ৰথম মহলা, কালী-১০৩০ বৰ্গফুট + ১০৩০ বৰ্গফুট = ২০৬০ বৰ্গফুট, বি + জি + ৬ মহলিয়া বিল্ডিং 'প্ৰকৃতি গ্ৰীণ'। সমুহীয়া ভুমিৰ প্লটসহ পৰিমাপ ৪.১৬, আৱৰি আছে দাগ নং- ১০১০, কেপি পট্টা নং- ৫৪০, গাওঁ- ৰুকমিণি গাওঁ, মৌজা- বেলতলা আৰু ৪.৯৫ আৰ, দাগ নং- ৪০৯, কেপি পট্টা নং- ৬২৬, গাঁও- বৰমটৰীয়া, মৌজা- বেলতলা, জিলা- কামৰূপ (ম), অসম। **চাৰিসীমাঃ উত্তৰেঃ** দাগ নং- ১০০৮ আৰু ১০১১-ৰ ভুমি, **দক্ষিণেঃ** পথ, **পূবেঃ** দাগ নং- ১০১৪-ৰ ভুমি আৰু পথ, **পশ্চিমেঃ** পথ। |

**তাৰিখঃ ২১.১১.২০২২**
**স্থানঃ গুৱাহাটী**

**কৰ্তৃত্বশীল বিষয়া**
**কানাড়া বেংক**

## ঋণ লওঁতা/ গেৰাণ্টৰ/ মৰ্টগেজৰলৈ দাবী জাননী [ধাৰা ১৩(২)]

কেনৰা বেংক Canara Bank — সিণ্ডিকেট Syndicate

**দিছপুৰ শাখা**
**ৰাধিকা ভৱন, গণেশগুৰি, দিছপুৰ, গুৱাহাটী-৭৮১০০৬, অসম**

প্ৰতি

**১. মেচাৰ্ছ এ. এছ. লজিষ্টিক (ঋণ লওতা)**
গগৈ কমপ্লেছ, আসাম ৰে ব্ৰিজৰ বিপৰীতে, এনএইচ-৩৭, বেলতলা, গুৱাহাটী-২৯
**২. শ্ৰীমতী উষা ৰাণী (স্বত্তাধীকাৰী আৰু মৰ্টগেজৰ)**
প্ৰকৃতি গ্ৰীনছ, ফ্লেট নং- এ, প্ৰথম মহলা, সমন্বয় পথ, বেলতলা, গুৱাহাটী-২৯
**৩. শ্ৰী অমিত কুমাৰ (মৰ্টগেজৰ)**
প্ৰকৃতি গ্ৰীনছ, ফ্লেট নং- এ, প্ৰথম মহলা, সমন্বয় পথ, বেলতলা, গুৱাহাটী-২৯
**৪. শ্ৰী গজেন্দ্ৰ সিং টানৱাৰ (গেৰণ্টৰ)**
পিতাঃ মদন সিং টানৱাৰ, মাৰফৎ ৰাহুল কৌশিক, ঘৰ নংঃ ১, জয়ানগৰ, ছয় মাইল, কেটিএম বাইক শ্বৰুমৰ কাষত, লক্ষ্মী পথ, ডাকঘৰ- খানাপাৰা, গুৱাহাটী, অসম- ৭৮১০২২

মাননীয় মহাশয়,

**বিষয়ঃ চিকিউৰিটাইজেছন এণ্ড ৰিকন্স্ট্ৰাকছন অৱ ফাইনেনছিয়েল এছেটচ এণ্ড এনফৰ্চমেণ্ট অৱ ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ ৰ ধাৰা-১৩(২) অধীনত দাবী জাননী**

**মেচাৰ্ছ এ. এছ. লজিষ্টিক (ঋণ লওতা) তলত উল্লেখ কৰা ঋণ/ ক্ৰেডিট সুবিধা গ্ৰহণ কৰিছিল আমাৰ দিছপুৰ শাখাৰ পৰা সময়ে সময়েঃ-**

| সীমা | | ঋণৰ পৰিমাণ | ১৮-১১-২০২২ লৈকে অনাদায় | সূতৰ হাৰ |
|---|---|---|---|---|
| পুজিৰ ভেটি | ১ | ৯০,০০,০০০/- টকা | ৯১,৩১,৩১৮.০০/- টকা | ১১.০৫ % (+2%) |
| | ২ | ১৮,০০,০০০/- টকা | ১২,৯৬,৩৬০.০০/- টকা | ৯.৪০ % (+2%) |
| | ৩ | ১৭,৬০,০০০/- টকা | ১৫,২৭,৫৪১.৯২/- টকা | ৯.৮০ % (+2%) |

ওপৰত উল্লেখ কৰা ঋণ/ ক্ৰেডিট সুবিধা প্ৰদান কৰা হৈছিল সম্পদৰ বন্ধকী ভিত্তিত, বিশেষভাৱে তলত উল্লেখ কৰা তালিকা অনুসৰি, আৱশ্যকীয় নথি পত্ৰ সহ আপুনি দাখিল কৰা আৰু আমাৰ পক্ষত থকা অনুসৰি। যিহেতু আপুনি অনাদায় ধনৰাশি আদায়ত ব্যৰ্থ হৈছে প্ৰযোজ্য হৈ থকা চৰ্তাৱলী অনুসৰি, বেংক কৰ্তৃপক্ষই অনাদায়খিনি এনপিএ হিচাপত ০১.১১.২০২২ তাৰিখে চূড়ান্ত কৰিছে। গতিকে ইয়াৰ জড়িয়তে আমি এখন জাননী জাৰি কৰিছো ওপৰোক্ত আইনৰ ধাৰা-১৩(২) অনুসৰি যাতে অনাদায় ধনৰাশি **১,১৯,৫৫,২১৯.৯২/- টকা (এক কোটি উনৈশ লাখ পছপন্ন হাজাৰ দুশউনৈশ টকা বিৰানবৈ পইচা কেৱল)** লগতে শেহতিয়া সূত আৰু অন্যান্য ব্যয় সমূহ আদায় দিবলৈ এই জাননী প্ৰকাশৰ ষাঠি দিনৰ ভিতৰত। অন্যথা আদায়ত ব্যৰ্থ হ'লে উক্ত আইনৰ ধাৰা-১৩ (৪) প্ৰয়োগ কৰি সম্পূৰ্ণকৈ বা যিকোনো অধিকাৰ সাব্যস্ত কৰা হ'ব।
গতিকে আপোনাক উক্ত বন্ধকী সম্পদৰ লেনদেনৰ পৰা বাৰণ কৰা হ'ল কোনো ধৰণৰ আগতীয়া অনুমতি নহোৱাকৈ, যি ভিত্তিতে নহওক কিয়। উক্ত আইনৰ অধিনত আৰু / বা প্ৰয়োজ্য হোৱা অন্য আইন অনুসৰি ইয়াৰ বাবে সকলো ব্যৱস্থা গ্ৰহণৰ পদক্ষেপ লোৱা হ'ব। চাৰফেইচি আইনৰ ধাৰা ১৩ৰ উপধাৰা (৮) ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিসমূহক উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।
এই দাবী জাননী ইয়াৰ উপৰিও পঞ্জীয়ন ডাকৰ জৰিয়তে প্ৰেৰণ কৰা হৈছে বেংকৰ শাখাৰ নথিত থকা আপোনাৰ শেষ জনা ঠিকনাত।
(টোকাঃ অনুগ্ৰহ কৰি উল্লেখ কৰিব, যদিহে অবিত্তিয় ভিত্তিত সীমা উপলব্ধ আছে সংশ্লিষ্ট পক্ষৰ দ্বাৰা যদিও ক্ৰাইষ্টলাইজড কৰা হোৱা নাই)

**তালিকা**

**বন্ধকী সম্পদ/ ঋণ দায়বদ্ধতাৰ সৱিশেষ তলত দিয়া হ'লঃ-**

| বন্ধকী সম্পদ/ ঋণ দায়বদ্ধতাৰ সম্পদ | সবিশেষ বিৱৰণ দিয়া হ'ল |
|---|---|
| ১. আৱাসিক ফ্লেটৰ ইএমটিসহ নামত আছে উষা ৰাণী (স্বত্তাধীকাৰী) | আৱাসিক ফ্লেট নং- ৫০৩, টাইপ-চি-ৰ ইএমটি, পঞ্চম মহলা, কালীৰ পৰিমাণ-১২৩১.০০ বৰ্গফুট, জি + ৬ মহলিয়া বিল্ডিং 'দানফাৰ এপাৰ্টমেণ্ট'। আৰ. জি.বৰুৱা ৰোড, সমুহীয়া ভুমিৰ প্লটসহ পৰিমাপ ৩ কঠা ৮ লেচা, আৱৰি আছে দাগ নং- ৫১৯ আৰু ৫২০, কেপি পট্টা নং- ১৫৬৩, গাওঁ- ২ নং জাপৰিগোগ, মৌজা- বেলতলা, জিলা- কামৰূপ (ম), অসম। ভুমিৰ সমানুপাতিক পৰিমাণ ০.৪০ আৰ লগতে এখন গাড়ী পাৰ্কিং। **চাৰিসীমাঃ উত্তৰেঃ** মাইচেনা গগৈ আৰু যোগেন কলিতা, **দক্ষিণেঃ** জীৱেশ্বৰ চক্ৰৱৰ্তী, **পূবেঃ** আৰ. জি. বৰুৱা ৰোড, **পশ্চিমেঃ** জিনু দত্ত। |
| ২. আৱাসিক ফ্লেটৰ ইএমটিসহ নামত আছে উষা ৰাণী (স্বত্তাধীকাৰী) আৰু অমিত কুমাৰৰ (মৰ্টগেজৰ) | আৱাসিক ফ্লেট নং- এ-ৰ ইএমটি, প্ৰথম মহলা, কালী-১০৩০ বৰ্গফুট + ১০৩০ বৰ্গফুট = ২০৬০ বৰ্গফুট, বি + জি + ৬ মহলিয়া বিল্ডিং 'প্ৰকৃতি গ্ৰীণ'। সমুহীয়া ভুমিৰ প্লটসহ পৰিমাপ ৪.১৬ , আৱৰি আছে দাগ নং- ১০১০, কেপি পট্টা নং- ৫৪০, গাওঁ- ৰুকমিণি গাওঁ, মৌজা- বেলতলা আৰু ৪.৯৫ আৰ, দাগ নং- ৪০৯, কেপি পট্টা নং- ৬২৬, গাঁও- বৰমটৰীয়া, মৌজা- বেলতলা, জিলা- কামৰূপ (ম), অসম। **চাৰিসীমাঃ উত্তৰেঃ** দাগ নং- ১০০৮ আৰু ১০১১-ৰ ভুমি, **দক্ষিণেঃ** পথ, **পূবেঃ** দাগ নং-১০১৪-ৰ ভুমি আৰু পথ, **পশ্চিমেঃ** পথ। |
| ৩. শ্ৰী অমিত কুমাৰৰ নামত থকা ভুমিৰ এটা প্লট | এটা ভুমিৰ প্লট পৰিমাপ হ'ল ২ কঠা কেৱল আৰু শ্বেদ টাইপ নিৰ্মাণ আছে, আৱৰি আছে দাগ নং- ২২৩, কেপি পট্টা নং- ৫৫, অৱস্থিত আছে গাওঁ- আমেৰিগোগ ননকে, মৌজা- সোণাপুৰ, জিলা- কামৰূপ, অসম। **চাৰিসীমাঃ উত্তৰেঃ** তাৰাচান্দৰ ভুমি, **দক্ষিণেঃ** পথ, **পূবেঃ** অমৰজিৎ সিঙৰ ভুমি, **পশ্চিমেঃ** শচীন জৈনৰ ভুমি। |

**তাৰিখঃ ২১.১১.২০২২**
**স্থানঃ গুৱাহাটী**

**কৰ্তৃত্বশীল বিষয়া**
**কানাড়া বেংক**

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২২ নৱেম্বৰ ■ ২০২২ ■ ৫ আঘোণ

# আৰম্ভ হৈছে কাটাৰত ৩২খন দেশৰ মহাৰণ

কাটাৰত উপস্থিত হৈছে ৩১খন দেশৰ প্ৰতিনিধি দল। আৰম্ভ হৈছে মহাৰণ। ফুটবলত আক্ৰান্ত হৈছে বিশ্ববাসী। বিশ্বকাপৰ উন্মাদনাত সম্পূৰ্ণ সলনি হৈ পৰিছে কাটাৰৰ চেহেৰা। মধ্য প্ৰাচ্যৰ সৰু চহৰখনত আয়োজন হৈছে বিশালতাৰ। বিশ্বকাপৰ ৯২ বছৰীয়া ইতিহাসত আটাইতকৈ ব্যয়বহুল ফুটবল উৎসৱ। বিশ্বৰ অন্যতম ক্ষুদ্ৰ দেশৰ বৃহৎ প্ৰয়াস। এয়া যেন ৰাজকীয় আতিথ্যৰ আয়োজন। সম্পূৰ্ণ এমাহ বিশ্ব ফুটবলৰ ৰাজধানীত পৰিণত হ'ব ডোহা। কেৱল জনসংখ্যাৰ লেখত ৩০ লাখৰ দেশ। আতিথ্য দিব বিশ্বৰ বিভিন্ন প্ৰান্তৰ ১৫ লাখ অনুৰাগীক। বিশ্বৰ বিভিন্ন দেশৰ সংস্কৃতিৰ মিলন ভূমিত পৰিণত হয় কাটাৰ। বিশ্বৰ যি প্ৰান্তৰেই নহওক কিয় বিশ্বকাপে ফুটবল প্ৰেমীক একত্ৰিত কৰি ভাষা-সংস্কৃতি আদান-প্ৰদানৰ সুযোগ দিয়ে। চাৰি বছৰৰ মূৰে মূৰে হোৱা এই ফুটবল খেল ব্যতিক্ৰম। যাক কোৱা হয় প্ৰেটেষ্ট শ্ব' অন আৰ্থ। বিশ্বকাপ বুলিলে কোনো লোকেই বহি থাকিব নোৱাৰে। ফুটবলৰ সৌন্দৰ্য পৰিসীমাৰ বাহিৰত। সেয়ে বিশ্বকাপলৈ সকলোৱে আগ্ৰহেৰে বৈ থাকে। মেছি, ৰোণাল্ডো, নেইমাৰৰ দৰে শিল্পীসকলৰ নান্দনিক যুঁজে মন পুলকিত কৰে। আনন্দৰ উজাগৰী নিশা পাৰ হৈ যায়। কি সৌন্দৰ্য সেউজ পথাৰত দুভৰিত নটৰাজ। মায়াজালৰ মাজেৰে উদ্বোধনী অনুষ্ঠান। ৩২খন দেশৰ সৌন্দৰ্যৰ অন্য এক যুঁজ। কোনে লাভ কৰিব বিশ্বকাপ ট্ৰফী। ৯২বছৰীয়া ইতিহাসত কেৱল ইউৰোপ আৰু লেটিন আমেৰিকাৰ আধিপত্যৰ মাজতে সীমাবদ্ধ। যোৱা ২১খন বিশ্বকাপৰ ১২খন ইউৰোপীয় দেশে আৰু ৯বাৰ জিকিছে লেটিন আমেৰিকান দেশে। মাত্ৰ আঠখন দেশতে সীমাবদ্ধ আছে বিশ্বকাপ। চাৰিবাৰৰ কাপ বিজয়ী এইবাৰ ইটালী নাই ৰণত। সেইবাৰ সেয়ে দুৰ্বল উৰুগুৱেক বাদ দি কেৱল ছখন দেশতে হ'ব প্ৰকৃত যুঁজ। আন দেশৰ বাবে বিশ্বকাপ সপোন হৈয়ে ৰ'ব। এবাৰৰ জয়ী ব্ৰাজিল এইবাৰ দুৰ্ধৰ্ষ ফৰ্মত। তেওঁলোকৰ এটা নিজা বৈশিষ্ট্য আছে, তাৰ বাবেই ব্ৰাজিল বিশ্ব ফুটবল প্ৰেমীৰ আদৰৰ। আনহাতে, আৰ্জেণ্টিনা মেছিক লৈ দাবীদাৰ। শেষ খেলত মেছিৰ যাদুই চমক দিব। ফ্ৰেন্স মহাশক্তিমান। এমবাপেৰ শক্তিৰে গঢ়া ফ্ৰান্স প্ৰতিটো দলৰ বাবেই ভাবুকি। তদুপৰি জাৰ্মানী, পৰ্তুগাল, নেদাৰলেণ্ড, কক্ৰ'ৱেছিয়া, বেলজিয়াম আদিও প্ৰতিপক্ষৰ বাবে ভয়ংকৰ হৈ উঠিব পাৰে। এই দেশৰ দলবোৰ বিশ্বকাপৰ অন্যতম আকৰ্ষণ বিশ্ববাসীৰ চমক সৃষ্টিৰ বাবে আয়োজক দেশৰো আছে ক্ষমতা। যি কি নহওক বিতৰ্কৰে কাটাৰ বিশ্ববাসীৰ বিশ্বকাপৰ নিত্য সংগী। আয়োজনৰ দায়িত্ব পোৱাৰ পিছৰে পৰা যেন বিতৰ্কৰে প্ৰতিযোগিতাখন সৰ্বাংগ সুন্দৰ কৰিবলৈ আয়োজনৰ বদ্ধপৰিকৰ। ব্যয় কৰিছে প্ৰচুৰ ধন। বিতৰ্ক মাথোঁ বিতৰ্ক। যিয়ে ফুটবলক পিছৰ শাৰীলৈ ঠেলি দিছে। ইতিমধ্যে ষ্টেডিয়াম সজাওঁতে ছহাজাৰৰ অধিক শ্ৰমিকৰ প্ৰাণহানিয়ে কাটাৰত গঢ়ি উঠিছে ৮খনকৈ ষ্টেডিয়াম। সেয়াই গৰ্ব - ধন থাকিলে সকলো সম্ভৱ। বহু বাক-বিতণ্ডাৰ মাজেৰে আৰম্ভ হোৱা বিশ্বকাপৰ গৰিমা ইতিমধ্যে ম্লান পৰিছে। তথাপি বিশ্বকাপ সুকলমে পাৰ হৈ যাব। কিন্তু ফিফাৰ কলংক আঁতৰোৱা সম্ভৱ নহ'ব। কিন্তু ফুটবলৰ নান্দনিকতাত এয়া কিহৰ কালিমা। কাটাৰ বিশ্বকাপত ভাৰত নাই। প্ৰতিযোগিতা আৰম্ভ হৈছেই। এতিয়া কাটাৰৰ কথা ফিফাই শুনিবলৈ বাধ্য- কাটাৰে আয়োজন কৰিছে নিজৰ মতেই। ক্ষুদ্ৰ হৈও দেশবোৰক দেখুৱাই দিছে শক্তি। জয় বিশ্ব ফুটবলৰ - জয় কাটাৰৰ।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

# চৰকাৰী শিক্ষকসকলক অযথা কামৰ পৰা ৰেহাই দিয়ক

সাম্প্ৰতিক সময়ত চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ অৱনতিৰ অন্য এটা প্ৰধান কাৰণ হৈছে শিক্ষকসকলক অযথা কিছুমান কাম মূৰত জাপি দিয়া। বিশেষকৈ প্ৰাথমিক বিদ্যালয়ত শিক্ষকৰ সংখ্যা এজন বা দুজন। এজনীয়া বা দুজনীয়া শিক্ষকেই এখন বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পাঁচোটা শ্ৰেণীৰ শিক্ষাৰ দায়িত্ব বহন কৰি আহিছে। পাঁচটা শ্ৰেণী আৰু পাঁচোটা শ্ৰেণীৰ কমেও তিনি-চাৰিটাকৈ বিষয় পঢ়োৱাবৰ বাবে পুৱা ন' বজাৰ পৰা তিনি বজালৈকে সময় কমেই হয়। কিন্তু তেনে এটা পৰিস্থিতিৰ মাজতো শিক্ষকসকলে বিভিন্ন চৰকাৰী সূচী মানিব লগাত পৰে। বিশেষকৈ এইক্ষেত্ৰত প্ৰধান শিক্ষকে বেছি সমস্যাৰ সন্মুখীন হ'ব লগা হয়। বিভিন্ন চৰকাৰী প'ৰ্টেলত স্কুলৰ নাম পঞ্জীয়ন কৰা, বিভিন্ন শিতানৰ বাবে কমিটী গঠন কৰা, এখন স্কুলৰ নামত তিনি-চাৰিটাকৈ ই-মেইল বনোৱা, উদ্‌যাপনৰ দিনৰ নামত তিনি-চাৰিটাকৈ দিন লোৱা, গুণোৎসৱ, প্ৰাক্-গুণোৎসৱ, গুণোৎসৱৰ নামত মূল পাঠদান এৰি বিভিন্ন সূচী মানি চলা, পাছবুক, আধাৰ কাৰ্ড বিচৰা আৰু জমা দিয়াৰ নামত অযথা সময় খৰচ কৰা। ইয়াৰ উপৰি অভিভাৱক মিটিং, শনিবৰীয়া চ'ৰা আদি বিভিন্ন সূচীৰে ওপচাই পেলাইছে। এইবোৰ নিৰ্দেশনা শিক্ষা বিভাগে দিয়াটো বেয়া নহয়, কিন্তু এই নিৰ্দেশনাবোৰে বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাত কি প্ৰভাৱ পেলাইছে সেয়া শিক্ষা বিভাগে নিৰীক্ষণ কৰা উচিত। শিক্ষকৰ স্থিতি দুঠেং-দুভৰি, তেওঁলোকে চৰকাৰী নিৰ্দেশনা নামানিলেও ভয় আৰু স্কুলৰ শিক্ষাত অৱনমিত হ'লেও ভয়। এখন বিদ্যালয়ত এটা শিক্ষা বৰ্ষ আৰম্ভ হোৱাৰ পৰা বিভিন্ন চৰকাৰী বন্ধ, দেওবাৰ, গৰমৰ বন্ধ, বাৰ্ষিক পৰীক্ষাৰ পিছত বন্ধ আদি বন্ধৰ দিনবোৰ মিলাই প্ৰায় এটা বছৰৰ তিনি-চাৰি মাহ বন্ধতেই পাৰ হয়। কিন্তু যিখিনি সময় বিদ্যালয়ত পাঠদানৰ দিন থাকে সেই সময়খিনিতো বিভিন্ন কাম, শিক্ষকৰ ব্যস্ততা, বিভিন্ন উদ্‌যাপনৰ দিন, গুণোৎসৱ আদিত শিক্ষকসকল জড়িত হৈ পৰিব লগা হয়। এই কামবোৰে মূল পাঠদানৰ পৰা শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলোকে বিচলিত কৰে। হয়তো এই নিৰ্দেশনাবোৰে বিদ্যালয়খনৰ মান শিক্ষা বিভাগৰ চকুত উন্নত কৰিব পাৰে কিন্তু ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ মূল স্থিতিত কিমানখিনি ঊৰ্ধ্বগামী হৈছে সেয়া কেৱল বিদ্যালয়খনৰ চাৰিসীমাৰ ভিতৰতে থাকে। বিভাগৰ মূল লক্ষ্য হ'ব লাগে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা মজবুত কৰাটো, যাতে ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে নিজেই হৃদয়ংগম কৰিব পাৰে তেওঁৰ শিক্ষাত দখল কিমান। কিন্তু মূল পাঠদানৰ পৰা বিচলিত হৈ বিভিন্ন অযথা কামৰ দায়িত্ব শিক্ষকক জাপি দিয়াতো ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ লগত খেলা কৰাৰ দৰে হয়। হয়তো বৰ্তমানৰ এই ভুলে ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতে সমস্যাৰ সন্মুখীন কৰাব। বৰ্তমান সৰ্বশিক্ষাই ভাল-বেয়া সকলো ছাত্ৰ-ছাত্ৰীকে ঠেলি লৈ গৈছে, কিন্তু সৰ্বশিক্ষা কেৱল এটা নিৰ্দিষ্ট শ্ৰেণীলৈকেহে সীমাবদ্ধ। যদি আমি প্ৰাথমিকতে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ গুৰিটো মজবুত কৰি নপঠাওঁ তেনেহ'লে আমি সাক্ষৰতা বৃদ্ধি কৰা কথাটো ভবাই অনুচিত, কাৰণ এডাল বাঁহ কুমলীয়াতে নোপোনাই বুঢ়ালৈ থ'লে ফাটিবই। বৰ্তমান চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ অৱনমিত হোৱাৰ কাৰণ হয়তো খুঁচৰিলে বহুত ওলাব কিন্তু বৰ্তমান ইয়ো এটা কাৰণ হৈ পৰিছে। এইক্ষেত্ৰত শিক্ষা বিভাগে বিবেচনা কৰা উচিত। বিদ্যালয়ৰ চৰকাৰী কামৰ সূচীবোৰ নিৰীক্ষণৰ বাবে বিষয়া নিয়োগ কৰিও ইয়াৰ পৰা বিদ্যালয়ৰ শিক্ষকসকলক ৰেহাই দিব পাৰে। বৰ্তমান আমাৰ চৰকাৰী নিৰ্দেশনাতকৈ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো বেছি জৰুৰী।

■ মানস প্ৰতিম সন্দিকৈ

ফোন ঃ ৯৩৬৫৭-০১৯৮৫

◆◆◆ *এছ আই নিযুক্তি কেলেংকাৰিত স্বয়ং আৰক্ষী বিষয়া জড়িত থকাৰ কথা আমি বাতৰি কাকততে পঢ়িবলৈ পাইছো। সেইবোৰৰ কিবা সঠিক সমাধান হ'ল নে? এনেবোৰ কেলেংকাৰিৰ তদন্ত কিছুদিন চলাৰ পিছতে ৰৌ-বৰালিৰ নাম ওলালেই বন্ধ হৈ যায়। ফলত কেইদিনমান পানী ঘোলা কৰাৰ পিছত সকলো তাপ মাৰে। অপৰাধ অপৰাধেই। সেয়া সৰু মানুহেই কৰক বা কোনো বিষয়া, আৰক্ষীৰ লোক অথবা মন্ত্ৰী-বিধায়কেই হওক* ◆◆◆

## ■ ৰক্ষকেই যেতিয়া ভক্ষক হয় ■

# আমি বাৰু কাৰ বিশ্বাসত জীয়াই থাকিম

**ভূপেন মহন্ত**

বৰ্তমান অসমৰ পৰিস্থিতি কোন দিশে গতি কৰিছে সেই কথা ভাবিলেই এক অজান আশংকাত দেহ-মন শিহৰিত হৈ উঠে। প্ৰতিদিনে পুৱা বাতৰি কাকতখন মেলি ল'লেই কাকতৰ প্ৰতিটো পৃষ্ঠাৰ বাতৰি দেখি, পঢ়ি এখন ভয় লগা ছবিহে মনলৈ আহে। নিতৌ হত্যা, ধৰ্ষণ, মাৰপিটৰ ঘটনাৰে কাকতৰ পৃষ্ঠা ভৰি থাকে। চৰকাৰ-প্ৰশাসনে ইয়াৰ বাবে যিমানেই প্ৰতিৰোধৰ ব্যৱস্থা নকৰক কিয়, আইন-কানুনৰ ব্যৱস্থা নকৰক কিয়- এইবোৰ হত্যা-হিংসা, ধৰ্ষণ আদি কাৰ্য কমক চাৰি দিনে দিনে বৃদ্ধি পাই গৈ থকাহে আমি দেখিবলৈ পাইছো। ঘটনা এটা ঘটি যোৱাৰ পিছত কিছুদিন চাৰিওফালে হুলস্থূল, প্ৰতিক্ৰিয়া, প্ৰতিবাদ-আন্দোলন আদিৰে ৰজনজনাই থাকে। কিন্তু দিন বাগৰাৰ লগে লগে সেইবোৰ ফুটুকাৰ ফেন হৈ পৰে। আকৌ সেই পূৰ্বৰ পৰিস্থিতি ঘূৰি আহে। প্ৰতিবাদ-হুলস্থূলো বন্ধ আৰু আৰক্ষী-প্ৰশাসনো নীৰৱ, চৰকাৰো নিমাত। সকলো তাপ মাৰে। কি আজব পৃথিৱী। চৰকাৰৰ শেণ দৃষ্টি আৰু আৰক্ষীৰে গিজগিজাই থকা এই অসম মুলুকত স্বাভাৱিকতে চাবলৈ গ'লে এনেবোৰ দুষ্কাৰ্য সংঘটিত হ'বই নালাগিছিল অথবা হোৱাৰ সুযোগেই পাব নালাগিছিল। কিন্তু সংঘটিত হৈ আছে নিতৌ। হয়তো হৈয়েই থাকিব। সৌ সিদিনা ধিং থানা জ্বলাই দি আৰক্ষীৰেই অস্ত্ৰ কাঢ়ি নিলে আৰক্ষীৰ সন্মুখতে দুষ্কৃতিকাৰীয়ে। অসহায় হৈ চাই থাকিল আৰক্ষী। নগাঁও সদৰলৈ ফোন এটা কৰি জনোৱাৰো সময়ে নাপালে থানাখনৰ পৰা। কিন্তু সেই অকৰ্মণ্য আৰক্ষীৰ বিৰুদ্ধে কিবা আইনী ব্যৱস্থা হ'লনে? অথচ থানা জ্বলাবলৈ যোৱাৰ অপৰাধত দোষীয়েই হওক বা নিৰ্দোষীয়েই হওক তেওঁলোকৰ ওপৰত কিন্তু ব্যৱস্থা হ'ল। বিগত বৰ্ষৰ ৮ নৱেম্বৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই থানাসমূহৰ বাহিৰত এজাহাৰ লিখি দিয়া লোকসকলক আঁতৰ কৰিবলৈ থাতাৰ ভাৰপ্ৰাপ্ত বিষয়াসকলক নিৰ্দেশ দিছিল। মুখ্যমন্ত্ৰীৰ উদ্দেশ্য আছিল থানাত এজাহাৰ দিবলৈ যোৱা সাধাৰণ লোকসকলক সকাহ দিয়া। মুখ্যমন্ত্ৰীৰ এই পদক্ষেপ নিতান্তই গ্ৰহণযোগ্য। কিন্তু ইয়াৰ পিছতো কিছুদিন অজ্ঞাত কাৰণত আৰক্ষীয়ে এই কাম কৰা নাছিল বা নীৰৱে ইয়াৰ গতি-বিধি নিৰীক্ষণ কৰি আছিল। কিন্তু হঠাতে যোৱা ব'হাগ বিহুৰ সময়ত আৰক্ষী অধিক সক্ৰিয় হৈ পৰিল। আৰু একে ৰাতিৰ ভিতৰতে সমগ্ৰ অসমত অভিযান চলালে। সেই হিচাপে ৰাজ্যখনৰ বিভিন্ন ঠাইৰ পৰা থানাৰ বাহিৰত এজাহাৰ লিখা বহু লোকক আটক কৰিলে। ইমানলৈকে ঠিকে থকা যেনেকৈ লাগে। সাধাৰণ জনতায়ো ভাবিবলৈ ল'লে অসম আৰক্ষী কিমান স্বচ্ছ আৰু নিকা। কিন্তু কিমান দূৰ সঁচা আৰক্ষীৰ এই স্বচ্ছতা। থানাৰ বাহিৰত একাংশ দালালে ধনৰ বিনিময়ত এজাহাৰ লিখি দিয়া কথা জানো থানা কৰ্তৃপক্ষই ইমান দিনে অজ্ঞ আছিল? থানাৰ বাহিৰত বে-আইনীভাৱে ধন লৈ এজাহাৰ লিখি দিয়াৰ বাবে ইমান দিনে কোনে সুবিধা কৰি দিছিল? যদি থানাৰ চৌহদতে থকা অপৰাধীক ইমান বছৰে ধৰিব পৰা নাছিল তেনেহ'লে আৰক্ষীৰ সক্ৰিয়তা আৰু সফলতা কোনখিনিত? এছ আই নিযুক্তি কেলেংকাৰিত স্বয়ং আৰক্ষী বিষয়া জড়িত থকাৰ কথা আমি বাতৰি কাকততে পঢ়িবলৈ পাইছো। সেইবোৰৰ কিবা সঠিক সমাধান হ'ল নে? এনেবোৰ কেলেংকাৰিৰ তদন্ত কিছুদিন চলাৰ পিছতে ৰৌ-বৰালিৰ নাম ওলালেই বন্ধ হৈ যায়। ফলত কেইদিনমান পানী ঘোলা কৰাৰ পিছত সকলো তাপ মাৰে। অপৰাধ অপৰাধেই। সেয়া সৰু মানুহেই কৰক বা কোনো বিষয়া, আৰক্ষীৰ লোক অথবা মন্ত্ৰী-বিধায়কেই কৰক। আইন সকলোৰে বাবে একেই বুলি চিঞৰি থাকিলেই সকলোৰে বাবে বিচাৰ ধাৰা যে একে নহয় এয়া বহুবাৰ প্ৰমাণ হৈ গৈছে।

৯ অক্টোবৰৰ সন্ধিয়া খোদ গুৱাহাটীতে বিশ্বজিৎ হাজৰিকা নামৰ এজন যুৱক সন্ধানহীন হোৱাৰ পিছত পিতৃ-মাতৃয়ে দিছপুৰ থানাত এজাহাৰ দিয়ে। কিন্তু এজাহাৰ দিয়াৰ পিছতো দিছপুৰ আৰক্ষীৰ তৎপৰতা পৰিলক্ষিত নোহোৱাত তেওঁলোকে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি পুত্ৰৰ উদ্ধাৰৰ বাবে আহ্বান জনায়। তৎক্ষণাৎ মুখ্যমন্ত্ৰীয়ে দিছপুৰ আৰক্ষীক তদন্তৰ নিৰ্দেশ দিয়ে। তাৰ পিছতহে আৰক্ষীৰ গা লৰিল আৰু এই অপৰাধত জড়িত বুলি এজন লোকক আটক কৰে। কথা হ'ল— অপৰাধী ধৰিবলৈ বা গোচৰৰ তদন্ত কৰিবলৈ আৰক্ষীক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ দিব লগা অৱস্থা হয় কিয়? মুখ্যমন্ত্ৰীগৰাকীয়ে হস্তক্ষেপ নকৰিলে সাধাৰণ লোকে আৰক্ষীৰ পৰা ন্যায় নাপায় নেকি? তেনে কাক ভৰসা কৰি চলিব সাধাৰণ নাগৰিক। আচলতে আৰক্ষী আৰু সাধাৰণ লোকৰ মাজত সমন্বয়হীনতাৰ অভাৱ কাৰ বাবে বৃদ্ধি পাই গৈ আছে সিয়ো এক আজিৰ তাৰিখত চিন্তনীয় বিষয় গৈ পৰিছে। অকল যে আৰক্ষীৰ ক্ষেত্ৰতে জনসাধাৰণৰ বিশ্বাস ভংগ হৈছে এনে নহয়। বৰ্তমান সময়ত অসম চৰকাৰৰ বিভিন্ন বিভাগত কৰ্মৰত বিষয়া-কৰ্মচাৰীও বিভিন্ন দুৰ্নীতিত নিমজ্জিত হৈ পৰিছে। সেয়া বাতৰি কাকতখন মেলিয়েই প্ৰতিদিনে দেখিবলৈ পোৱা যায়। খোদ সচিবালয়ৰ বিষয়ায়েই উৎকোচ লৈ ধৰা পৰাৰ বাতৰিয়ে সাধাৰণ জনতাক আচৰিত কৰি তুলিছে। আজি কেইদিনমানৰ ভিতৰতে বহুকেইজন বিষয়া-কৰ্মচাৰী উৎকোচ লৈ থাকোতেই হাতে-লোটে আৰক্ষীৰ হাতত কৰায়ত্ত হ'ব লগা হৈছে। এইসকল বিয়াগোম বিষয়াই শকত অংকৰ দৰমহা পোৱাৰ পিছতো ইমান ধনৰ লোভ কিয়? চৰকাৰে যিমানেই স্বচ্ছ প্ৰশাসনৰ কথা নহওক কিয়- এইসকল স্বাৰ্থলোভী, ধনলোভী, অসৎ বিষয়া-কৰ্মচাৰী থকালৈকে প্ৰশাসন কেতিয়াও স্বচ্ছ আৰু নিকা হ'ব নোৱাৰে। সাধাৰণ জনতাই তেনেহ'লে কাক বিশ্বাস কৰি প্ৰসাশনৰ ওচৰলৈ গৈ ন্যায় বিচাৰিব। সেয়ে হয়তো সাধাৰণ মানুহৰ বিশ্বাস যে হাতত ধন নাথাকিলে প্ৰশাসনৰ ওচৰলৈ ন্যায় বিচাৰি যোৱাটো বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ দৰে কথা আৰু পৰ্বতত কাছ কণী বিচৰাৰ লেখীয়াহে হয়। আজি উৎকোচ নিদিলে বিষয়াই মূৰ দাঙিয়েই নাচায়। চৰকাৰী চাকৰি নাপায়, চৰকাৰী আঁচনিৰ ঘৰ নাপায় দুখীয়া দৰিদ্ৰ লোকে। মুঠতে সাধাৰণ জনতা আজি অসহায়। এনেবোৰ কথাই বৰ্তমান সাধাৰণ জনতাক এক প্ৰকাৰ হতাশ কৰি পেলাইছে। চৰকাৰী বিষয়া-কৰ্মচাৰী, আৰক্ষীৰ প্ৰতি বিশ্বাস হেৰুৱাই পেলাইছে।

এই লেখাৰ জৰিয়তে ইমানবোৰ কথা এই কাৰণেই ক'ব লগা হৈছে যে আজি কেইদিন মান আগতে মঙলদৈৰ ধূলাত এগৰাকী কিশোৰীৰ ৰহস্যজনকভাৱে মৃত্যু হৈছিল। এই কিশোৰীগৰাকীৰ মৃত্যু হৈছিল এগৰাকী ভাৰতীয় সেনাৰ ঘৰত। যাক আমি আমাৰ দেশৰ জাগ্ৰত প্ৰহৰী বুলি সন্মান কৰো, বিশ্বাস কৰো। সেইগৰাকী সেনা কৃষ্ণ কমল বৰাৰ কামনাৰ বলি হৈছিল সেই নিৰীহ কিশোৰীগৰাকী। পিছত এই বিকৃত মানসিকতাৰ লোকজনে কিশোৰীগৰাকীয়ে আত্মহত্যা কৰা বুলি আৰক্ষীক খবৰ দিলে। জনসাধাৰণৰ স্বাৰ্থৰ নামত শপত লোৱা আৰক্ষী বিষয়াও আহিল তদন্ত কৰিবলৈ আত্মহত্যাৰ ঘটনাৰ। কিন্তু কৃষ্ণ কমলৰ ধনৰ লালসাত বন্দী হ'ল আৰক্ষী বিষয়া। ইয়াৰ পিছত সাধাৰণ জনতাই যাক ভগৱান বুলি বিশ্বাস কৰে সেই মানৱৰূপী চিকিৎসকো সোমাই পৰিল ধনৰ মায়াজালত। এগৰাকী-দুগৰাকী নহয় তিনিগৰাকীকৈ চিকিৎসকে ধনৰ লোভত তেওঁলোকৰ মানৱতা বিক্ৰী কৰিবলৈও কুণ্ঠাবোধ নকৰিলে। টকাৰ বলতে বলিয়ান হৈ এইসকল চিকিৎসকে মৰণোত্তৰ পৰীক্ষাৰ ৰিপ'ৰ্টেই অন্য ধৰণে তৈয়াৰ কৰিলে। হায়, মানৱীয়তা। আনহাতে, কৃষ্ণ কমলৰ ধনৰ মেৰপেঁচত সোমাই পৰিল আন এগৰাকী ব্যক্তি, যাক আমি ন্যায়ৰ প্ৰতীক বুলি সততে অভিহিত কৰি আহিছো। তেওঁ হ'ল এগৰাকী দণ্ডাধীশ।

এয়াই হ'ল আমাৰ মানসিকতা। দুৰ্ভগীয়া পৰিয়ালটোৱে এতিয়া ন্যায় পাব বুলি জানো আপোনাৰ-মোৰ বিশ্বাস হ'ব। তেনে কাৰ ওচৰত বিশ্বাস কৰি জীয়াই থাকিব সাধাৰণ জনতা। ন্যায় আৰু সততাৰ সঁচাই মৃত্যু হ'ল নেকি? তথাপি আমি ন্যায়ালয়ৰ ওপৰত বিশ্বাস ৰাখি কওঁ— দুৰ্ভগীয়া পৰিয়ালটোৱে সু-বিচাৰ পাব। আৰু ঘটনাটোৰ লগত জড়িত সকলোবোৰ অপৰাধীয়ে শাস্তি পাব।

অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ বুলি চিঞৰি থাকিলেই অসমৰ গুণ-গৰিমা উজলি নুঠে। আমি আমাৰ সমাজৰ পৰা এনেবোৰ অপশক্তি আঁতৰ কৰিব পাৰিলেহে আমি বিশ্বত মূৰ দাঙি থিয় দিব পাৰিম। নহ'লে আমাৰ ৰাজহাড় নাই বুলি বিশ্বই বৰকে হাঁহিব।

*ফোন ঃ ৭৮৯৬১-৩৭২৬৪*



# সাহস আৰু সংগ্ৰামৰ প্ৰতীক বীৰ লাচিত বৰফুকন

■ ৰাহুল জ্যোতি বৰা

উল্লেখ কৰিব লৈছো সেইগৰাকী চিৰনমস্য মহাযোদ্ধাৰ কথা, যাৰ বীৰত্বৰ কাহিনীয়ে যুগ যুগ ধৰি অসমবাসীৰ জাতীয় চেতনাক উদ্বুদ্ধ কৰি আহিছে। শৈশৱৰ পৰা প্ৰতিজন অসমীয়াৰ বুকুত নিগাজীকৈ বাস কৰা মহান যোদ্ধা তথা দেশপ্ৰেমিক হ'ল লাচিত বৰফুকন। অসম বুৰঞ্জীৰ পাত লুটিয়ালেও দেখা পোৱা অপৰাজেয় ব্যক্তিত্ব, সাহসী আৰু সংগ্ৰামৰ এক প্ৰতীক তথা সত্তা হ'ল লাচিত বৰফুকন। লাচিত বৰফুকনৰ দৃঢ়, নিঃস্বাৰ্থ আৰু দূৰদৰ্শী নেতৃত্বই সোঁৱৰাই থাকে অসমীয়া জাতিৰ প্ৰবল পৰাক্ৰমৰ কথা। লাচিত বৰফুকনক বাদ দি অসমীয়া জাতিটোৰ সাহস আৰু বীৰত্বৰ কথা কল্পনা কৰিব নোৱাৰি। আজিও প্ৰতিজন অসমীয়াৰ মনত লাচিত বৰফুকনৰ সাহস, নেতৃত্বৰ দূৰদৰ্শিতাই শিহৰণ তোলে। এক কথাত অসমীয়া জাতিৰ আৱেগ, অসমীয়াৰ স্বাভিমান হ'ল লাচিত বৰফুকন। দেশপ্ৰেমৰ পাঠ শিকোৱা এইগৰাকী আহোম সেনাপতিৰ নাম অসমৰ ইতিহাসত চিৰযুগমীয়া হৈ ৰ'ব। লাচিত বৰফুকন আছিল আহোম ৰাজ্যৰ নৰমজন ফুকনলং। ছশবছৰীয়া ইতিহাসবিজড়িত পৰাক্ৰমী জাতি আহোমসকলৰ এটা বিখ্যাত ফৈদ লুখুৰাখন ফৈদৰ লান-ফিমা বংশৰ ব্যক্তি হ'ল লাচিত বৰফুকন। উল্লেখ্য যে সাত ৰাজ সামৰি এক ৰাজ কৰা চাওলুং চ্যুকাফাৰ লগতে অসমলৈ আহিছিল লাচিত বৰফুকনৰ পূৰ্বপুৰুষ। লাচিত বৰফুকনৰ বংশ সম্পৰ্কে তাই আহোম বুৰঞ্জীতো কিছু তথ্য পোৱা যায়। তেওঁৰ জন্ম ১৬২২ চনৰ ২৪ নৱেম্বৰ তাৰিখে আহোমৰ ৰাজধানী গড়গাঁৱৰ ওচৰে-পাঁজৰে হৈছিল বুলি কোৱা হয়। তেওঁৰ পিতৃ মোমাই তামুলী বৰবৰুৱা যি আহোম ৰাজ্যৰ প্ৰথমজন বৰবৰুৱা তথা পাইক প্ৰথাৰ প্ৰৱৰ্তক। ৰাজকীয় পৰিয়ালত জন্মগ্ৰহণ কৰা লাচিত বৰফুকনে সামৰিক আৰু অসামৰিক দুয়োটা শিক্ষাই ল'বলগীয়া হৈছিল। কৰ্তব্যপৰায়ণ, কৰ্মনিষ্ঠা, সততা আদি গুণ পৰিয়ালৰ পৰাই পাইছিল। লাচিত বৰফুকনৰ পিতৃ মোমাই তামুলী বৰবৰুৱাই উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিবলৈ ঘৰুৱা শিক্ষক নিয়োগ কৰি আহোম শাস্ত্ৰ, হিন্দু ধৰ্মনীতি, অৰ্থশাস্ত্ৰ আদিৰ বিষয়ত শিক্ষা প্ৰদান কৰিছিল। ইয়াৰ উপৰি মোমাই তামুলী বৰবৰুৱা আহোম ৰাজ্যৰ বৰবৰুৱা পদত অধিষ্ঠিত থকাৰ বাবে সেই সময়ত আলোচিত হোৱা বিভিন্ন আলোচনাসমূহৰ পৰাও লাচিত বৰফুকনে ৰাজনৈতিক, কূটনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিষয় সন্দৰ্ভত জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ সমান্তৰালকৈ অস্ত্ৰচালনাৰ লগতে অন্যান্য সামৰিক শিক্ষাও গ্ৰহণ কৰিছিল। ১৬৬৫ খ্ৰীষ্টাব্দৰ পৰা ১৬৭১ খ্ৰীষ্টাব্দলৈকে এই ছবছৰৰ কাৰ্যাৱলীয়ে লাচিত বৰফুকনৰ ব্যক্তিত্ব আৰু নেতৃত্বৰ প্ৰকৃত ছবিখন প্ৰতিফলিত কৰে। নিজৰ বীৰত্ব, সততা, কৰ্তব্যনিষ্ঠা, ন্যায়পৰায়ণতা আদি গুণৰ বলত স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ (১৬৬৩-১৬৬৯) দিনত আহোমৰ বৰসেনাপতি আৰু বৰফুকন খিতাপ পাইছিল। ১৬৬৭ খ্ৰীষ্টাব্দত মোগল সাম্ৰাজ্যৰ সম্ৰাট ঔৰংজেৱৰ সেনাপতি ৰামসিংহই দহ হাজাৰ সেনা লগত লৈ অসমলৈ আহিছিল। এই খবৰ শুনি মোগলক ভেটিবলৈ লাচিত বৰফুকন সাজু হ'ল। যুদ্ধ ক্ষেত্ৰত শত্ৰু সেনাৰ গতি ৰোধ কৰিবলৈ গুৱাহাটীৰ আশে-পাশে থকা গড়বোৰ মেৰামতি কৰি নতুনকৈ গড় নিৰ্মাণ কৰিবলৈ ধৰিলে। এনে এটা সামৰিক গুৰুত্বপূৰ্ণ গড়ৰ নিৰ্মাণৰ ভাৰ পৰিছিল মোমায়েকৰ গাত। কিন্তু মোমায়েকৰ কামত গাফিলতি হোৱা দেখি লাচিত বৰফুকনৰ সহ্য নহ'ল। ক্ৰোধান্বিত হৈ লাচিতে 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি মোমায়েকৰ শিৰশ্ছেদ কৰিলে। তেতিয়াৰ পৰা সেই গড়টোৰ নাম মোমাই কটা গড় নামে জনাজাত হ'ল। যুদ্ধকালীন সময়ত লাচিত বৰফুকনে লোৱা তৎপৰতা আৰু ৰণ-কৌশল অতি সময়োপযোগী আছিল। শৰাইঘাট যুদ্ধৰ শেষৰফালে মোগলৰ বিৰাট সৈন্য বাহিনীৰ আগমন হোৱাত আহোম সৈন্যই জয়ৰ আশা বাদ দি পিছ হুঁহুকিবলৈ আৰম্ভ কৰিছিল। সেই সময়ত লাচিত বৰফুকনৰ অতিপাত জ্বৰ উঠি আছিল যদিও সেই নৰীয়া গাৰে এখন নৌকাত উঠি মোগলৰ বিৰুদ্ধে যুঁজ দিবলৈ আগবাঢ়ি আহিছিল আৰু সৈন্যসকলক উদ্দেশ্যি কৈছিল— 'অসমীয়া ৰণুৱাসকল মই যুঁজিহে মৰিম। নাইবা মোক বঙালে ধৰি লৈ যাওক তোমালোকে সুখেৰে ঘৰলৈ যোৱা।' কথাখিনিয়ে সৈন্যসকলক উৎসাহ দিলে আৰু দুগুণ সাহসেৰে যুঁজি মোগলক পৰাস্ত কৰিলে। লাচিত বৰফুকনৰ নেতৃত্ব বহন কৰা এই শৰাইঘাটৰ যুদ্ধ হ'ল অসমৰ ইতিহাসত সোণালী আখৰেৰে জিলিকা যুগান্তকাৰী ঘটনা। মহা পৰাক্ৰমী মোগল শক্তিক পৰাভূত কৰা লাচিত বৰফুকনৰ নেতৃত্বই অসমবাসীৰ শৌৰ্য-বীৰ্য তথা সন্মান বিশেষভাৱে বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। নৰীয়া শৰীৰে অথচ বুদ্ধিমত্তাৰ উদাহৰণ দাঙি ধৰি লাচিত বৰফুকনে যিদৰে মোগল সৈন্যৰ সৈতে সন্মুখসমৰত লিপ্ত হ'ল সেয়াই প্ৰশংসনীয়। লাচিত বৰফুকনৰ বীৰত্ব সম্পৰ্কে প্ৰতিদ্বন্দ্বী মোগল সেনাপতি ৰামসিংহই আহোম সৈন্যৰ বল-বীৰ্যৰ কথা স্বীকাৰ কৰি গৈছে। তেওঁ কৈ গৈছে— 'ধন্য ৰজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি। প্ৰতিজন অসমীয়া সৈন্য নাও চলোৱা, কাঁড় মৰা, হিলৈ মৰা, খাৰৈ খন্দা, সকলো ক্ষেত্ৰতে পাকৈত। মই ৰামসিংহই যুদ্ধত থাকি কোনো ছিদ্ৰকে নাপালোঁ। এই অপূৰ্ব সৈন্য মই ভাৰতৰ কোনো ঠাইতে দেখা নাই।' নিজৰ বীৰত্ব আৰু সাহস প্ৰদৰ্শন কৰি শৰাইঘাটৰ যুদ্ধত জয়লাভ কৰা লাচিত বৰফুকনৰ মৃত্যু হয় শৰাইঘাট যুদ্ধৰ কিছুদিনৰ পিছতেই। ১৬৭২ খ্ৰীষ্টাব্দত মৃত্যুক সাবটি লোৱা বীৰজনক স্বৰ্গদেউ উদয়াদিত্য সিংহই যোৰহাটৰ পৰা ১৬ কিলোমিটাৰ আঁতৰত 'লাচিত মৈদাম' নিৰ্মাণ কৰে।

মহাবীৰ লাচিত বৰফুকনৰ মৃত্যু হ'ল কিন্তু থাকি গ'ল তেওঁৰ বীৰগাথা। তেওঁ যি বীৰত্ব আৰু সাহসৰ প্ৰদৰ্শনেৰে নিজ সৈন্যবাহিনীৰ মাজত বিজুলী সঞ্চাৰ কৰি মনোবল ঘূৰাই আনিছিল তাৰ বাবেই শৰাইঘাটৰ যুদ্ধত অসমীয়া সৈন্য বিজয়ী হৈছিল। লাচিত বৰফুকনৰ বীৰত্বৰ নিদৰ্শনে আজিও অসমীয়াক অনুপ্ৰাণিত কৰে। লাচিত বৰফুকনৰ নেতৃত্বত যদি অসমীয়া সৈন্যই শৰাইঘাটৰ ৰণত জয়ী নহ'লহেঁতেন তেতিয়া হয়তো অসমৰ ইতিহাসৰ গতিয়েই সলনি হৈ গ'লহেঁতেন। লাচিত বৰফুকনে যি বুদ্ধিদীপ্ততাৰে সকলো সমস্যাৰ সমাধান কৰিছিল সেয়া সঁচাই প্ৰশংসনীয়। শৰাইঘাটৰ যুদ্ধত লাচিত বৰফুকনে দেখুওৱা বিক্ৰমৰ ফলস্বৰূপে অসমৰ বুৰঞ্জীত তেখেতৰ নাম জিলিকি আছে। সেয়েহে প্ৰতি বছৰে ২৪ নৱেম্বৰ দিনটো গোটেই অসমতে লাচিত বৰফুকনৰ বীৰত্ব আৰু শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাৰ বিজয়ৰ স্মৃতিত 'লাচিত দিৱস' হিচাপে পালন কৰা হয়

*ফোন ঃ ৯৯৫৪৯-১১৫২৮*

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

# উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনীতিত ড° হিমন্ত বিশ্ব শৰ্মা

ৰাজনীতিত আদৰ্শ আৰু ক্ষমতা সমানেই প্ৰয়োজন। ক্ষমতাহীন আদৰ্শ অথবা আদৰ্শহীন ক্ষমতা পানী বিহীন সাগৰৰ দৰে। শেহতীয়াকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনৈতিক প্ৰেক্ষাপটত ড° হিমন্ত বিশ্ব শৰ্মাই চাণক্যৰ দৰে ভূমিকা পালন কৰিছে তাত কোনো সন্দেহ নাই। এতিয়া আহো মূল কথালৈ— অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনীতিত বিগত কিছু বছৰ ধৰি ড° হিমন্ত বিশ্ব শৰ্মাই কিং মেকাৰৰ দৰে ভূমিকা পালন কৰা দেখা গৈছে। এসময়ত কটন কলেজৰ ছাত্ৰ ৰাজনীতিৰ পৰা আৰম্ভ কৰি আজিৰ সংসদীয় ৰাজনীতিত অতি প্ৰাসংগিক গৈ পৰা ড° শৰ্মাৰ ৰাজনৈতিক অভিজ্ঞতাও অপৰিসীম। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ দিনতো বহু গুৰুত্বপূৰ্ণ বিভাগত মন্ত্ৰীত্বৰ দায়িত্ব পালন কৰিছিল ড° হিমন্ত বিশ্ব শৰ্মাই। আনকি প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালতো উপ-মুখ্যমন্ত্ৰীৰ দৰেই ভূমিকা পালন কৰা পৰিলক্ষিত হৈছিল। উল্লেখ্য যে, ২০০১ চনৰ পৰা আজিলৈ জালুকবাৰী বিধানসভা সমষ্টিৰ পৰা এবাৰো পৰাজয়বৰণ নকৰা ড° শৰ্মাৰ তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ সৈতে সৃষ্টি হৈছিল ৰাজনৈতিক সংঘাত। সেই ৰাজনৈতিক সংঘাতৰ কোনো স্থায়ী মিমাংসা নোহোৱাত ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত কেইবাজনো বিধায়কে কংগ্ৰেছ দল ত্যাগ কৰি ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিছিল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতৃত্বই গতিশীল হিমন্ত বিশ্ব শৰ্মাক উপযুক্ত মূল্যায়ন নকৰিলেও ভাৰতীয় জনতা পাৰ্টীয়ে কিন্তু অৱমূল্যায়ন নকৰিলে। বিজেপিত যোগদানৰ কিছুদিন পিছতেই নেডাৰ আহ্বায়কৰ দৰে গুৰু দায়িত্ব প্ৰদান কৰা দেখা গ'ল। হিমন্ত বিশ্ব শৰ্মাই দায়িত্ব লোৱাৰ পিছতেই অসম, মেঘালয়, মণিপুৰ, ত্ৰিপুৰাকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আন আন ৰাজ্যসমূহতো দলীয় ভেটি শক্তিশালী কৰিবলৈ সক্ৰিয় ভূমিকা পালন কৰা দেখা গৈছিল। আনকি কিছু কিছু ৰাজ্যত চৰকাৰ গঠনৰ ক্ষেত্ৰতো নেডাৰ আহ্বায়কগৰাকীৰ ভূমিকা আছিল বিশেষভাৱে উল্লেখযোগ্য। সহজ ভাষাত ক'বলৈ গ'লে ৰাষ্ট্ৰীয় স্তৰত যেনেদৰে মোদী চৌৱে দেশবাসীক বিকল্প ৰাজনীতিৰ প্ৰতি আপ্লুত কৰিলে ঠিক তেনেদৰে উত্তৰ-পূৰ্বাঞ্চলতো পৰিৱৰ্তনকামী ধাৰাত ডাইনেমিক হিমন্তই জনগণক ঐক্যবদ্ধ কৰিবলৈ সক্ষম হ'ল। এতিয়া সৰ্বত্ৰ হিমন্ত মেজিকৰ প্ৰভাৱ স্পষ্ট বিৰাজমান। আনকি দলীয় প্ৰেক্ষাপটৰ লগতে ৰাজ্যৰ গৰিষ্ঠসংখ্যক জনগণৰ মাজতো ৰাজনৈতিক বিচক্ষণতাৰে আস্থা আৰু গ্ৰহণযোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে মুখ্যমন্ত্ৰীগৰাকীয়ে। আনকি বড়োলেণ্ডৰ এন ডি এফ বিৰ সকলো গোটকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ সহস্ৰ সংগঠনক আলোচনা প্ৰক্ৰিয়াত অনাৰ ক্ষেত্ৰতো ড° হিমন্ত বিশ্ব শৰ্মাৰ ভূমিকা আছিল বিশেষভাৱে শলাগ ল'বলগীয়া। এতিয়া প্ৰশ্ন হয়, মুখ্যমন্ত্ৰী ড° শৰ্মাই ভৱিষ্যৎ সময়ত অসমৰ মুখ্যমন্ত্ৰী হৈয়েই থাকিব নে ৰাষ্ট্ৰীয় ৰাজনীত অংশগ্ৰহণ কৰিব?

■ আজনুৰ হক

*ফোন ঃ ৮৪৭২০-৫৮০৮৭*

# আসন সংৰক্ষণ ব্যৱস্থা আৰু কিছু আনুষংগিক কথা

বৰ্তমান সময়ৰ এটি বহুচৰ্চিত বিষয় 'আসন সংৰক্ষণ'। পূৰ্বৰে পৰা সাংবিধানিক নিয়ম অনুসৰি চলি অহা এই সংৰক্ষণ ব্যৱস্থাক লৈ ভিন্নজনে ভিন্ন মত পোষণ কৰা দেখা যায়। কোনোৱে যদি এই ব্যৱস্থাৰ সমৰ্থন কৰে, তেন্তে আন কোনোৱে বিৰোধ। আচলতে বৰ্তমানৰ এই সময়ত 'আসন সংৰক্ষণ' ব্যৱস্থাৰ প্ৰয়োজনীয়তা আছে নে নাই, সেই লৈ এক সুস্থ আলোচনাৰ সময় আহি পৰিছে। যদি মোক প্ৰশ্ন কৰে, তেন্তে মই এই ব্যৱস্থাৰ বিষয়ত এক নিৰপেক্ষ স্থিতি ল'বলৈ ভাল পাম। কিয়নো, ব্যক্তিগতভাৱে কেতবোৰ ক্ষেত্ৰত বৰ্তমানৰ সময়ত এই 'আসন সংৰক্ষণ'ৰ কোনো কাৰণ বিচাৰি নাপাওঁ। আনহাতে, বৰ্তমানৰ সমাজ ব্যৱস্থাতে এনে কিছু কাৰণো আছে, যিয়ে নেকি এই ব্যৱস্থাৰ প্ৰয়োজনীয়তাক নস্যাৎ কৰিবলৈ আমাক সুযোগ নিদিয়ে। !

বাৰু যি হওক, আচলতে মই উল্লেখ কৰিব বিচৰা বিষয়টো এই সংৰক্ষণ ব্যৱস্থাৰ ধনাত্মক বা ঋণাত্মক দিশ অথবা ইয়াৰ প্ৰয়োজনীয়তা কিম্বা অপ্ৰয়োজনীয়তা সম্পৰ্কীয় নহয়। মই এই ব্যৱস্থাৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত আন এক দিশৰ বিষয়েহে ক'ব বিচাৰিছোঁ। বৰ্তমান সময়ত আমাৰ সমাজৰে একাংশ লোকে সংৰক্ষিত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক কোৱা এষাৰ কথা হ'ল— 'তোমাৰতো সংৰক্ষণ আছে। তুমি শিক্ষানুষ্ঠান, যিকোনো বৃত্তিৰ ক্ষেত্ৰত আসন পাবাই' এই কথাষাৰৰ গ্ৰহণযোগ্যতা কিমান বা কোৱাতো কিমান সমীচীন সেই কথা নিশ্চয় তেওঁলোকে ভাবি নাচায়। সংৰক্ষণ থকা মানে নিশ্চয় এনে নহয় যে তেওঁলোকৰ মাজত মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰী নাই। নিশ্চিতভাৱে সংৰক্ষিত শ্ৰেণীৰ মাজতো এনে বহু ছাত্ৰ-ছাত্ৰী আছে, যিয়ে নেকি সাধাৰণ শ্ৰেণীৰ মেধাৱী ছাত্ৰ-ছাত্ৰীৰ লগত নিজৰ মেধা গুণেৰে ফেৰ মাৰিব পাৰে। নিজৰ দক্ষতাৰ বলত বহুতো উচ্চস্তৰীয় পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ নিদৰ্শনো এই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত দেখিবলৈ পোৱা যায়। তেনেস্থলত, সমাজৰ সেইসকল লোকৰ তেনে কথাই সংৰক্ষিত শ্ৰেণীৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক অৱহেলা কৰা নহয় নে? কেৱল সংৰক্ষণ ব্যৱস্থাৰ নামতে প্ৰকৃত জ্ঞান-বুদ্ধি তথা মেধাশক্তিক নস্যাৎ কৰাৰ অৰ্থ কি বা এই কাৰ্য কিমান গ্ৰহণযোগ্য? আনহাতে, বৰ্তমান সময়ত প্ৰতিখন সমাজেই আগুৱাই গৈছে। সংৰক্ষিত শ্ৰেণীৰ লোকসকলো এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। যিকোনো পৰীক্ষা বা চাকৰিৰ ক্ষেত্ৰত তেওঁলোকৰ নিজৰ মাজতো এক প্ৰতিযোগিতা চলে আৰু এই প্ৰতিযোগিতাত সকলোৱে মাজৰ পৰা যোগ্যতাৰ ভিত্তিতহে নিৰ্দিষ্ট কেইজনমানে শ্ৰেষ্ঠত্ব অৰ্জন কৰে।

গতিকে, 'আসন সংৰক্ষণ' ব্যৱস্থাৰ প্ৰয়োজনীয়তা আছে নে নাই সেই বিষয়ৰ লগতে এনে ধৰণৰ বিষয়বোৰো যদি চৰ্চালৈ আহে, তেন্তে নিশ্চয় এদিন সমাজৰ লগতে আমাৰ দেশৰো উন্নতি হ'ব আৰু তেতিয়াহে হয়তো আমি একেমুখে ক'ব পাৰিম যে, 'এতিয়া আৰু আসন সংৰক্ষণৰ কোনো প্ৰয়োজনীয়তা নাই'!

■ ৰাহী দেউৰী

*ডিব্ৰুগড় বিশ্ববিদ্যালয়*

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# শিলচৰত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ইউনানী মেডিচিনৰ আঞ্চলিক গৱেষণা প্ৰতিষ্ঠান উদ্বোধন

## ৩.৫ একৰ এলেকাত বিস্তৃত এই অত্যাধুনিক আৰআৰআইইউএম ৪৮ কোটি বিনিয়োগেৰে নিৰ্মাণ কৰা হৈছে আৰআৰআইইউএম, শিলচৰ উত্তৰ-পূৱ ভাৰতৰ ইউনানী চিকিৎসাৰ প্ৰথম কেন্দ্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ নৱেম্বৰ ঃ** কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি শিলচৰত আঞ্চলিক গৱেষণা প্ৰতিষ্ঠান ইউনানী চিকিৎসা প্ৰতিষ্ঠান (আৰআৰআই ইউ এম)ৰ নতুন অত্যাধুনিক কমপ্লেক্স উদ্বোধন কৰে। নতুনকৈ মুকলি কৰা এই প্ৰতিষ্ঠানটো হৈছে উত্তৰ-পূৰৰ প্ৰথমটো এনে কেন্দ্ৰ ইউনানী চিকিৎসা— আয়ুষ ব্যৱস্থাৰ মাজত পৰম্পৰাগত চিকিৎসা নেতৃত্বত আধুনিক, সজ্জিত আৰু ৰোগীক সুস্থ আৰু তেওঁলোকৰ জীৱনৰ মান বৃদ্ধি কৰা এক শক্তিশালী চিকিৎসা আন্তঃগাঁথনি গঢ়ি তোলাৰ আন্তৰিক প্ৰচেষ্টা চলি আছে। মানুহৰ জীৱনৰ মান বৃদ্ধিৰ ক্ষেত্ৰত আয়ুষ চিকিৎসা ব্যৱস্থাৰ ফলপ্ৰসূতা এটা প্ৰমাণিত সত্য আৰু যাৰ বাবে আমি আমাৰ গতিশীল পিএম মোদীজীয়ে কল্পনা কৰা ধৰণে চিকিৎসা ব্যৱস্থাৰ ওপৰত কাম কৰি আছোঁ, য'ত সমসাময়িক চিকিৎসা বিজ্ঞানৰ শ্ৰেষ্ঠ হ'ব পাৰে আয়ুষৰ পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ সৈতে পৰিপূৰক।' ইউনানি মেডিচিনৰ গৱেষণাৰ বাবে শীৰ্ষ চৰকাৰী সংস্থা চিচিআৰএমৰ অধীনত হ'বলগীয়া আৰআৰআইইউমৰ এই কমপ্লেক্সটোৱে ইউনানি মেডিচিন, ২০১৯ৰ বিভিন্ন দিশৰ মৌলিক আৰু প্ৰয়োগমূলক বিষয়ৰ ক্ষেত্ৰত বৈজ্ঞানিক গৱেষণা কৰাৰ লগতে ৰোগীৰ যত্নৰ বিস্তৃত পৰিসৰ প্ৰদান কৰিব উত্তৰ-পূৰ্ব অঞ্চলৰ বিশেষকৈ অসমৰ অধিক প্ৰচলিত ৰোগৰ ওপৰত। এই কেন্দ্ৰটোৱে হৃদযন্ত্ৰ, হাওঁফাওঁ, ষ্ট্ৰোক, কেন্সাৰ আৰু ডায়েবেটিছৰ দৰে অসংক্ৰামক ৰোগ (এনচিডি) ৰোগীক পৰীক্ষা কৰিবলৈও সজ্জিত কৰা হৈছে। শিশুৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি এই কেন্দ্ৰটোৱে স্থানীয় ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থাও কৰিব আৰু বিপদৰ পৰাসকলক ফলপ্ৰসূ চিকিৎসা প্ৰদান কৰিব। বিভিন্ন ৰোগত আক্ৰান্ত ৰোগীৰ Temperament (Mizaj) মূল্যায়ন কৰাৰো লক্ষ্য এই কেন্দ্ৰটোৰ। আৰআৰআইইউএমৰ অত্যাধুনিক কমপ্লেক্সত সাধাৰণ, গৱেষণা, ইলাজ-বিট-টাডবিয়াৰ (ৰেজিমেনেল), বিশেষ ইলাজ-বিট-



পদ্ধতি। ৩.৫ একৰ এলেকাত বিস্তৃত এই নতুন কমপ্লেক্সটো ৪৮ কোটি বিনিয়োগেৰে নিৰ্মাণ কৰা হৈছে। এই কমপ্লেক্সটো ৰাষ্ট্ৰীয় প্ৰকল্প নিৰ্মাণ নিগম (এনপিচিচি) ভাৰত চৰকাৰৰ উদ্যোগত নিৰ্মাণ কৰিছিল। ইয়াক ভাৰত চৰকাৰৰ আয়ুষ মন্ত্ৰালয়ৰ অধীনস্থ স্বায়ত্তশাসিত সংস্থা চেন্ট্ৰেল কাউন্সিল ফৰ ৰিচাৰ্চ ইন ইউনানি মেডিচিন (চিচিআৰইউএম)ৰ হাতত অৰ্পণ কৰা হয়। এই উপলক্ষে ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, 'কোৰোনা মহামাৰীৰ সময়ত প্ৰমাণিত ফলাফলে লাখ লাখ লোকক উপকৃত কৰাৰ পাছত চিকিৎসা পদ্ধতিৰ আয়ুষ ব্যৱস্থাই দেশৰ মাজত ইয়াৰ গ্ৰহণযোগ্যতা পুনৰ সজীৱ কৰি তুলিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল

টাডবিয়াৰ (ৰেজিমেনেল) থেৰাপী, মাতৃ আৰু শিশু স্বাস্থ্য (এম চি এইচ) আৰু জেৰিয়াট্ৰিৰ বিশেষ অ'পিডি ক্লিনিক আছে। নতুনকৈ মুকলি কৰা আৰআৰআইইউএমে যিমান পাৰি সিমান লোকক চিকিৎসা প্ৰদানৰ বাবে স্কুল হেল্থ প্ৰগ্ৰেম, ক্লিনিকেল মোবাইল ৰিছাৰ্চ প্ৰগ্ৰেম, হেল্থ কেম্প আৰু মেলাও অনুষ্ঠিত কৰিব। এই আধুনিক সুবিধাটোত আধুনিক পেথ'লজী লেবৰেটৰী, বায়'-কেমিষ্ট্ৰী লেবৰেটৰী, ৰেডিঅ'লজী ইউনিট আৰু গুণগত নিয়ন্ত্ৰণ পৰীক্ষাগাৰো আছে। ঔষধি উদ্ভিদৰ সৈতে এখন বনৌষধি উদ্যানৰ লগতে সম্ভাব্য জৰীপো অদূৰ ভৱিষ্যতে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ উপৰিও সৰ্বানন্দ সোণোৱালে কয়, 'উনানী হৈছে অন্যতম প্ৰখ্যাত পৰম্পৰাগত চিকিৎসা, কেৱল ভাৰততে নহয়, আন দেশতো। অতি গৌৰৱৰ বিষয় যে ইউনানী চিকিৎসাৰ এই অত্যাধুনিক প্ৰতিষ্ঠানটোৱে এতিয়া শিলচৰৰ পৰা কাৰ্যক্ষম হৈ উঠিছে যাতে মানুহে ফলপ্ৰসূ চিকিৎসাৰ সুবিধা লাভ কৰাত আৰু জীৱনৰ মান পুনৰ লাভ কৰাত সহায় কৰে। ইউনানী চিকিৎসাৰ মূল বিশ্বাস এই নীতিৰ ওপৰত আধাৰিত যে মানুহৰ শৰীৰৰ নিজস্ব আত্ম নিৰাময় শক্তি আছে যিটো বৃদ্ধি কৰাটো প্ৰয়োজন। এই ঔষধৰ প্ৰধান উপকাৰ হ'ল ইয়াৰ দ্বাৰা বনৌষধি ব্যৱহাৰ কৰি ৰোগ প্ৰতিৰোধ আৰু চিকিৎসাৰ বিষয়ে আলোচনা কৰা হয়। এই আচৰিত প্ৰথা - যিটো ভাৰতৰ অন্যতম জনপ্ৰিয় প্ৰথা - যুক্তিসংগতভাৱে ব্যৱহাৰ কৰিব লাগিব আৰু মই বিশ্বাস কৰোঁ যে ইউনানীৰ এই নতুন কমপ্লেক্স এক শক্তিশালী স্বাস্থ্যসেৱা ব্যৱস্থা গঢ়ি তোলাৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি বৃদ্ধি কৰিবলৈ সক্ষম হ'ব - যিটো আমাৰ সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী।' অনুষ্ঠানত অসম চৰকাৰৰ পৰিবহণ, মীন আৰু আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, শিলচৰৰ সাংসদ ড° ৰাজদীপ ৰায়, কৰিমগঞ্জৰ সাংসদ কৃপানাথ মাল্লা, উধাৰবন্দৰ বিধায়ক মিহিৰকান্তি শ্বোমে, সোণাইৰ প্ৰাক্তন উপাধ্যক্ষ আৰু প্ৰাক্তন বিধায়ক আমিনুল হক লস্কৰ; আয়ুষ মন্ত্ৰালয়ৰ বিশেষ সম্পাদক প্ৰমোদ কুমাৰ পাঠক, চিচিআৰএমৰ সঞ্চালক প্ৰধান ড° অসীম আলী খান, শিলচৰৰ আৰ আৰ আই ইউ এমৰ মুৰব্বী ডাঃ আখতাৰ হুছেইন জামালি আৰু অসম চৰকাৰৰ আয়ুষ মন্ত্ৰালয়ৰ অন্যান্য উচ্চপদস্থ বিষয়া। এই প্ৰতিষ্ঠানটোৱে বিশেষকৈ গেষ্ট্ৰ'-ইণ্টেষ্টিনেল ডিছঅৰ্ডাৰ আৰু শ্বাস-প্ৰশ্বাসজনিত বিকাৰ বা উত্তৰ-পূৱ ৰাজ্যত অধিক প্ৰচলিত ৰোগসমূহৰ চিকিৎসা প্ৰদান কৰিব যিটো ইউনানী মেডিচিনৰ শক্তিৰ ক্ষেত্ৰ, যেনে আই বি এছ আৰু বদহজম, ছালৰ ৰোগ, বাতবিষ, একজিমা, ডায়েবেটিছ, গাউট, ইউ আৰ টি আই, উচ্চ ৰক্তচাপ, চাইটিকা আৰু অৰ্শ। প্ৰতিষ্ঠানটোৱে অহা উত্তৰ-পূৱৰ জনসংখ্যাৰ অসংক্ৰামক ৰোগৰ পৰীক্ষা কৰিব। প্ৰতিষ্ঠানটোৱে ইউনানি মেডিচিনৰ সম্ভাৱনাৰ বিষয়ে আইইচি অভিযানো আয়োজন কৰিব। বিভিন্ন সংক্ৰামক আৰু অসংক্ৰামক ৰোগত আয়ুষৰ প্ৰতিৰোধমূলক-প্ৰতিৰোধমূলক দিশৰ বিষয়ে স্বাস্থ্য প্ৰতিৰোধ আৰু সংৰক্ষণৰ চাৰিওফালে সজাগতা সৃষ্টি কৰিব। আঞ্চলিক গৱেষণা কেন্দ্ৰ (ইউনানী), শিলচৰ অ'পিডিলৈ অহা ৰোগীসকলক ইউনানী চিকিৎসা প্ৰদান কৰাৰ উদ্দেশ্যে ২০০৬ চনৰ জুন মাহত কাছাৰ (অসম) শিলচৰৰ এছ এম দেৱ অসামৰিক চিকিৎসালয়ত পৰিষদে স্থাপন কৰিছিল। তেতিয়াৰ পৰাই কেন্দ্ৰটোৱে ৰিছাৰ্চ অ'পিডি, আৰচিএইচ অ'পিডি আৰু এনচিডি ক্লিনিক ইত্যাদি চলাই আহিছে আৰু ইউনানী চিকিৎসাৰ পৰা বহুসংখ্যক ৰোগীয়ে বিভিন্ন ৰোগৰ বাবে উপকৃত হৈছে।

## ধনশিৰিত মহকুমাৰ চৰকাৰী বিদ্যালয়সমূহত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম জয়ন্তী উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি, ২১ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰে ১৯ নৱেম্বৰৰ পৰা ছয় দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বীৰ লাচিত বৰফুকনৰ জন্ম জয়ন্তী উদ্‌যাপন কৰা হৈছে। ৰাজ্যৰ অন্যপ্ৰান্তৰ লগতে শিক্ষা বিভাগেও চৰকাৰী বিদ্যালয় সমূহৰ মাজত বীৰ লাচিত বৰফুকনৰ জন্ম জয়ন্তী উপলক্ষে বিভিন্ন ধৰণৰ অনুষ্ঠানৰ আয়োজন কৰিছে। গোলাঘাট জিলাৰ ধনশিৰি মহকুমাতো মহকুমাটোৰ অন্তৰ্গত বিভিন্ন চৰকাৰী বিদ্যালয় সমূহতো যোৱা ১৯ নৱেম্বৰৰ পৰা বিভিন্ন কাৰ্যসূচী হাতত লৈছে। সোমবাৰেও জিলা শিক্ষা বিভাগৰ নিৰ্দেশমৰ্মে ধনশিৰি মহকুমাৰ সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। মহকুমাটোৰ বিভিন্ন বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে ভাগ লোৱা তৰ্ক প্ৰতিযোগিতাখনিত ক শাখাত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ -ছাত্ৰী সকলৰ বাবে "“ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বীৰ লাচিত বৰফুকনৰ দেশপ্ৰেম আৰু বীৰত্বৰ কথা ৰাষ্ট্ৰীয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত নোহোৱাত বীৰ পুৰুষ জনৰ মৰ্যাদা অৱনমিত হৈছে" আৰু খ শাখাত ষষ্ঠ শ্ৰেণী পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে " বীৰ লাচিত বৰফুকনৰ আদৰ্শ আমাৰ পাথেয় হ'ব "শীৰ্ষক বিষয় বস্তু হিচাপে নিৰ্ধাৰণ কৰা হয়। তৰ্ক প্ৰতিযোগিতাক ক শাখাত সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে প্ৰথম আৰু দ্বিতীয় স্থান দখল আৰু খ শাখাত সৰুপথাৰ বালিকা উচ্চমাধ্যমিক বিদ্যালয়ে প্ৰথম আৰু টেঙাহোলা উচ্চ মাধ্যমিক বিদ্যালয়ে দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। অন্যহাতে ৰেংমা সীমান্ত হাইস্কুলতো বীৰ লাচিত বৰফুকনৰ জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি চিত্ৰাংকন, কুইজ, নাটক, একক অভিনয়ৰ, দেশপ্ৰেম মুলক গীত আদিৰ প্ৰতিযোগিতা লগতে বৃক্ষৰূপন কাৰ্যসুচী আদি অনুষ্ঠান আয়োজন কৰা হয় আৰু অহা ২৪ নৱেম্বৰ লৈকে লাচিত বৰফুকনৰ জন্ম জয়ন্তী অনুষ্ঠান সামৰণী পৰা লৈকে বিভিন্ন কাৰ্যসুচী ৰূপায়ন কৰা হব বুলি জানিব পৰা গৈছে।

## নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তী উৎসৱৰ লাইখুঁটা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২১ নৱেম্বৰ ঃ** অসম সাহিত্য সভাৰ অন্যতম শক্তিশালী শাখা নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ লাইখুঁটা কালি মাংগলিক ধ্বনি আৰু আয়তীৰ উৰুলিৰ এক উৎসৱমুখৰ পৰিৱেশত স্থাপন কৰা হয়। উল্লেখ্য যে নগাঁও চহৰৰ কলঙৰ বাকৰি নেহৰুবালিত ২,৩ আৰু ৪ ডিচেম্বৰত নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। আজি লাইখুঁটা স্থাপন কৰে বিশিষ্ট সাহিত্যিকদ্বয় তথা নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে ড° নৰেন কলিতা আৰু উপেন্দ্ৰ বৰকটকীয়ে। এই উপলক্ষে হোৱা চমু অনুষ্ঠানত দুয়োগৰাকী সাহিত্যিকে নগাঁও জিলা সাহিত্য সভাই বিগত সময়ত কৰি অহা কাম-কাজৰ এক চমু আভাস দাঙি ধৰে। জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই আঁত ধৰা অনুষ্ঠানত জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা, নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক মৃণাল হাজৰিকা, জিলা সাহিত্য সভাৰ উপ-সভাপতি থগিত মহন্তৰ লগতে ভৱেশ মেধি, আবুল খায়েৰ আহমেদ, নিত্যানন্দ বৰাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি, জিলা সাহিত্য সভাৰ বিষয়ববীয়া, শাখা সাহিত্য সভাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

## উজনি মাজুলী মিলন সংঘত সন্মিলিত গণশক্তি, অসম দলৰ ১৭তম্ প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নয়াবজাৰ, ২১ নৱেম্বৰ ঃ** দেওবাৰে সন্মিলিত গণশক্তি, অসম দলৰ ১৭তম্ প্ৰতিষ্ঠা দিৱসটি উজনি মাজুলী মিলন সংঘত পালন কৰা হয়। উজনি মাজুলী ব্লক সমিতিৰ অন্তৰ্গত ৮খন পঞ্চায়তৰ ৮খন পতাকা আৰু ব্লক সমিতিৰ পতাকা উত্তোলন কৰাৰ লগতে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি উজনি মাজুলী ব্লক সন্মিলিত গণশক্তি, অসম দলৰ তিনিবছৰীয়া কাৰ্যকালৰ শেষত আজি পঞ্চম ত্ৰি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধিমূলক সভা অনুষ্ঠিত হয়। দেৱজিৎ পাতিৰে সভাপতিত্ব কৰা সভাখনৰ আঁতধৰে সন্মিলিত গণশক্তি, অসম দলৰ উজনি মাজুলী ব্লক সমিতিৰ সম্পাদক দিলীপ বৰাই। সন্মিলিত গণশক্তি, অসম উজনি মাজুলী ব্লক সমিতিৰ প্ৰতিনিধিমূলক সভাখন উদ্বোধন কৰে সন্মিলিত গণশক্তি, অসম কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক নীলকান্ত দলেয়ে। কেন্দ্ৰীয় সমিতিৰ পৰ্যৱেক্ষক পুৰুষোত্তম দলেয়ে প্ৰতিনিধিসকলক উদ্দেশ্যি দলৰ অতীত আৰু বৰ্তমান দলৰ স্থিতি সম্পৰ্কে বক্তব্য আগবঢ়ায়। উক্ত সভাতে তলত উল্লেখ কৰা প্ৰস্তাৱসমূহ গ্ৰহণ কৰা হয়। প্ৰস্তাৱসমূহ- ১) সন্মিলিত গণশক্তি, সন্মিলিত নাৰীশক্তি, কৃষক শক্তি আৰু শ্ৰমিক শক্তি অধিক শক্তিশালী কৰাৰ বাবে প্ৰতিটো পঞ্চায়ত সমিতিক দলীয় কামত আত্মনিয়োগ কৰাৰ প্ৰস্তাৱ লয়—প্ৰস্তাৱ ২) আজিৰ প্ৰতিনিধি সভাই প্ৰস্তাৱ গ্ৰহণ কৰে যে দলৰ সংবিধানত সন্নিৱিষ্ট কৰ্মসূচীৰ আধাৰত তলত উল্লেখ কৰা ৰাজনৈতিক কৰ্মসূচী যেনে- ১) কৃষক সমস্যা ২) শ্ৰমিক সমস্যা ৩) শিক্ষা ব্যৱস্থা ৪) ভূমি ব্যৱস্থা ৫) স্বাস্থ্য সমস্যা ৬) যাতায়াত ব্যৱস্থা ৭) হস্তওঁতাত বস্ত্ৰ শিল্পৰ উন্নয়ন ৮) ৰেচম শিল্প ৯) কুটিৰ শিল্প ১০) কৃষি উন্নয়ন ১১) মীন পালন ১২) পশুপালন ১৩) অৰ্থনৈতিক স্বাৱলম্বিতা ১৪) দক্ষতা বিকাশ আদি বিষয়সমূহ বিস্তৃত ৰূপত আলোচনা কৰি তৃণমূল পৰ্যায়লৈ লৈ যাবলৈ সিদ্ধান্ত লয়। ৩) সন্মিলিত গণশক্তি আৰু ইয়াৰ ভাতৃ সংগঠনসমূহক অধিক শক্তিশালী ৰূপত গঢ়ি তোলাৰ বাবে নীতিনিষ্ঠ নেতা সৃষ্টিৰ উদ্দেশ্য প্ৰতিখন পঞ্চায়ত ভিত্তিত কৰ্মশালা অনুষ্ঠিত কৰা প্ৰস্তাৱ লয়। প্ৰস্তাৱ ৪) সন্মিলিত গণশক্তি দলৰ বিভিন্ন পৰ্যায়ত নিৰ্বাচিত জনপ্ৰতিনিধিসকলে জনগণৰ স্বাৰ্থক উৰ্দ্ধত ৰাখি দায়বদ্ধতাৰে কাম-কাজ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখ্য যে উক্ত সভাতে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ জেংৰাই গাঁও পঞ্চায়তৰ ৪নং ৱাৰ্ডৰ প্ৰাক্তন নিৰ্বাচিত সদস্য মিনাৰাম পেগুৱে সন্মিলিত গণশক্তি দলৰ নীতি-আদৰ্শত আকৃষ্ট হৈ আনুষ্ঠানিকভাৱে সন্মিলিত গণশক্তি, অসম দলত যোগদান কৰে। প্ৰতিনিধি সভাৰ অন্তত উজনি মাজুলী সন্মিলিত গণশক্তি, অসম দলৰ তিনিবছৰীয়া কাৰ্যকালৰ বাবে সভাপতি চাপ্পল দলে, কাৰ্যকৰী সভাপতি নীলকান্ত দলে, উপ-সভাপতি ক্ৰমে—অমিয় সোণোৱাল, ৰাকেশ পাতিৰ, খগেশ্বৰ মিলি, মহেন্দ্ৰ নাথ আৰু ভাস্কৰ পেগু সম্পাদক ক্ৰমে— দিলীপ বৰা, ৰমেন শইকীয়া, দুলাল শইকীয়া আৰু অৰুণ নৰহক লৈ ৬৬জনীয়া উজনি মাজুলী ব্লক সন্মিলিত গণশক্তি, অসমৰ কমিটী গঠন কৰা হয়। সভাত উপস্থিত থাকে কেন্দ্ৰীয় সন্মিলিত গণশক্তি, অসম দলৰ সম্পাদক পুৰুষোত্তম দলে, কেন্দ্ৰীয় সমিতিৰ সদস্য প্ৰেমধৰ দলে, দেৱকান্ত দলে, উজনি মাজুলী সন্মিলিত গণশক্তি, অসম দলৰ ক্ৰমে —হৰিপ্ৰসাদ পেগু, চাপ্পল দলে, ভাস্কৰ দেউৰী, ৰাকেশ পাতিৰ, বিদ্যাৱতী পাতিৰ, সূৰ্য দলে, দিলীপ বৰা, উজনি মাজুলী ব্লক সন্মিলিত গণশক্তি, অসমৰ প্ৰতিষ্ঠাপক সভাপতি সুৰেশ ভট্ট। সভাখনত তিনিশতাধি প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।



গুৱাহাটী প্ৰেছ ক্লাবত 'নিশিগন্ধা' শীৰ্ষক ভিডিঅ' গীত মুকলি কৰিছে গায়ক লোকনাথ গোস্বামীয়ে

### ব্যক্তিগতকৰণ আৰু নৈগমিকৰণ বন্ধৰ দাবী

## মজদুৰ সংঘৰ 'দিল্লী চলো' ৰেলীত অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২১ নৱেম্বৰ ঃ** চৰকাৰে ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ ব্যক্তিগতকৰণ আৰু নৈগমিকৰণ কৰা অথবা তেনে নীতিৰ আধাৰলৈ নিয়া কাৰ্যৰ দেশজোৰা এক প্ৰতিবাদ কেন্দ্ৰীয়ভাৱে দিল্লীৰ যন্তৰ-মন্তৰত ১৭ নৱেম্বৰত প্ৰদৰ্শন হয়। দেশজুৰি আহ্বান জনোৱা 'দিল্লী চলো' ধৰ্ণা কাৰ্যসূচীৰ গুৰি ধৰে ভাৰতীয় মজদুৰ সংঘই। দেশৰ বিভিন্ন অংশৰ পৰা ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু প্ৰতিষ্ঠানৰ কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰা এই ধৰ্ণাত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা মূল দাবীসমূহ হ'ল- ৰাজহুৱা খণ্ডক ব্যক্তিগতকৰণ আৰু নৈগমিকৰণ বন্ধ কৰা, অস্থায়ী কৰ্মচাৰীসকলৰ সেৱা নিয়মীয়াকৰণ কৰা, বহিঃ উৎসৰ পৰা সেৱা আহৰণ বন্ধ কৰা আদি। ধৰ্ণাৰ পাছতে ভাৰতীয় মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকল চৰকাৰৰ আমন্ত্ৰণমৰ্মে এক আলোচনাতো মিলিত হয়। অ'এনজিচি অসম সম্পদৰ ভাৰতীয় মজদুৰ সংঘৰ স্বীকৃতিপ্ৰাপ্ত শ্ৰমিক সংঘৰ সাধাৰণ সম্পাদক ভাস্কৰ দাস, যুটীয়া সম্পাদক তাহিৰুল হুছেইনসহ কে'বাজনো সদস্যই ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

### দিপীলাৰ বামুণঝাৰত উত্তপ্ত পৰিস্থিতি

## ১৬ বছৰীয়া যুৱতীক ভণ্ড প্ৰেমিকে মাৰি পেলোৱাৰ অভিযোগ

### প্ৰেমিকৰ ঘৰ ঘেৰাও তিনি শতাধিক লোকৰ, ঘটনাস্থলীত উপস্থিত দৰঙৰ আৰক্ষী অধীক্ষক

**দৈনন্দিন বাৰ্তাৰ সেৱা, দিপীলা, ২১ নৱেম্বৰ ঃ** দিপীলাৰ বামুণঝাৰত এগৰাকী যুৱতীৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি। প্ৰেমিকাৰ মৃত্যুৰ পিছত প্ৰেমিকৰ ঘৰত কে'বাশতাধিক লোকে সৃষ্টি কৰে উত্তপ্ত পৰিস্থিৰ। ভণ্ড প্ৰেমিকে ধৰ্ষণ কৰি হত্যা কৰাৰ অভিযোগ উত্থাপন কৰিছে মৃত্যু হোৱা যুৱতীগৰাকীৰ পৰিয়ালে। অভিযুক্ত যুৱক ৰাহুল বড়ো আৰু ৰাহুলৰ বন্ধু চক্ৰধৰ বড়োক উত্তেজিত ৰাইজে আবদ্ধ কৰি ৰাখিছে ভণ্ড প্ৰেমিকৰ বামুণঝাৰৰ বাসগৃহত। ইতিধ্যে ঘটনাস্থলীত বুঢ়া আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ চেষ্টা চলাই আছে যদিও বাতৰি যুগুতোৱা সময়লৈ পৰিস্থিতি উত্তপ্ত। ইতিমধ্যে ঘটনাস্থলীত উপস্থিত দৰঙৰ আৰক্ষী অধীক্ষকসহ শীৰ্ষ আৰক্ষী বিষয়া। উল্লেখ্য যে ভণ্ড প্ৰেমিক ৰাহুল বড়োৱে খৈৰাবাৰী থানা এলেকাৰ কাৰৈমাৰী গাঁৱৰ এগৰাকী দ্বাদশ শ্ৰেণীত অধ্যয়নৰত যুৱতী বিবাৰী বড়োক শুকুৰবাৰে নিশা শোৱাপাটিৰ পৰা ফোনেৰে মাতি খৈৰাবাৰীত ৰাস দেখুৱালৈ নিছিল। নিশা বাৰ বজাৰ পিছত ওভতাৰ পথত আন্ধেৰীঘাটত সংঘটিত হয় পথ দুৰ্ঘটনা। নিশাই বাইহাটা চাৰিআলিৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও শনিবাৰে যুৱতীগৰাকীৰ মৃত্যু হয়। যুৱতীগৰাকীৰ মৃত্যুৰ পিছত চিকিৎসালয়ৰ পৰা ধনৰ অভাৱত মৃতদেহ আনিব নোৱাৰি স্থানীয় কে'বাশতাধিক লোক আৰু যুৱতীগৰাকীৰ আত্মীয়সকল আহি বামুণঝাৰৰ ৰাহুল বড়োৰ ঘৰ ঘেৰাও কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। যুৱতীগৰাকীৰ পৰিয়ালে অভিযোগ কৰিছে ৰাহুল বড়োৱে ঘটনাটো দুৰ্ঘটনাৰ ৰূপ দিব বিচাৰিছে যদিও পৰিকল্পিতভাৱে যুৱতীগৰাকীক হত্যা কৰা হৈছে। যুৱতীগৰাকীসহ তিনিজন উঠি অহা বাইকখনৰ আন দুজন লোকৰ কোনো ক্ষয়-ক্ষতি নোহোৱাকৈ কেনেকৈ যুৱতীগৰাকীৰ মৃত্যু হ'ব পাৰিলে তাক লৈ প্ৰশ্ন কৰিছে পৰিয়ালৰ লোকে। এয়া পৰিকল্পিত হত্যা নে দুৰ্ঘটনা। অৱশ্যে মৰণোত্তৰ পৰীক্ষা আৰু আৰক্ষীৰ তদন্তত পোহৰলৈ আহিব সকলো তথ্য। দোষীক কঠোৰৰ পৰা কঠোৰতম্ শাস্তিৰ দাবী কৰিছে পৰিয়ালৰ লোকে।

## জামুগুৰিহাটত খেতিপথাৰ তহিলং কৰিছে বন্যহস্তীয়ে উপায়বিহীন কৃষকে কাটিছে কেঁচা ধান

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২১ নৱেম্বৰ ঃ** জামুগুৰিহাটত কৃষকৰ ধাননিপথাৰ তহিলং কৰিছে বন্যহস্তীয়ে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ পৰা নিশাৰ ভাগত ওলাই অহা জাক জাক বন্যহস্তীয়ে এতিয়া অঞ্চলটোৰ মালবস্তি, গমৰিপাল, পাণপুৰ, চিতলমাৰীকে ধৰি অঞ্চলসমূহত প্ৰৱেশ কৰি এফালৰ পৰি খেচিগুলি তহিলং কৰিছে পকা ধান। প্ৰতিদিনেই নিশাৰ ভাগত খাদ্যৰ সন্ধানত জামুগুৰিহাটৰ ধাননি পথাৰত বন্যহস্তীয়ে উপদ্ৰৱ অব্যাহত ৰখাৰ বাবেই এতিয়া কেঁচা ধান কাটিবলৈ বাধ্য হৈছে কৃষক ৰাইজ। সন্ধ্যা নমাৰ লগে লগেই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ পৰা ওলাই আহি পানপুৰ-বিশ্বনাথ মথাউৰিৰ কাষত ৰৈ থকা ১০-১৫টা হাতীৰ জাক প্ৰৱেশ কৰে ধাননিপথাৰত। পকা ধান খোৱাৰ লগতে খেচিগুলি বন্যহস্তীৰ জাক পুনৰ পুৱতি নিশা উভতি যায় ষষ্ঠ সংযোজনলৈ। বনৰীয়া হাতীৰ উপদ্ৰৱ ৰোধ কৰাৰ বাবে এটা সময়ত সৌৰশক্তি চালিত বৈদ্যুতিক ফেন্সিঙৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত ঠাই বিশেষ এই বৈদ্যুতিক তাঁৰ ছিগি-ভাঙি পৰি থকাহে পৰিলক্ষিত হয়। অঞ্চলটোত বনৰীয়া হাতীৰ উপদ্ৰৱ চলি থকাৰ পিছতো কিন্তু বন বিভাগ চূড়ান্তভাৱে ব্যাৰ্থ হৈছে বনৰীয়া হাতীৰ উপদ্ৰৱ ৰোধ কৰাৰ ক্ষেত্ৰত। অঞ্চলটোত বনৰীয়া হাতী সোমালে বন বিভাগলৈ স্থানীয় ৰাইজে ফোন কৰিলে বন বিভাগে আমি এতিয়া কি কৰিম বুলি দায়সৰা তথা লঘু মন্তব্য দিয়া বুলিহে স্থানীয় ৰাইজে অভিযোগ কৰিছে।

## ভাৰত-ভূটান সীমান্তত অচিনাকি মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২১ নৱেম্বৰ ঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটা আৰক্ষী চকীৰ অন্তৰ্গত মেনকা চাহ বাগিচাৰ ওচৰতে আজি এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে মেনকা চাহ বাগিচাৰ ১২ নম্বৰ লাইনৰ সমীপত থকা এখন ৰেষ্টুৰেণ্টত কাম কৰা মহিলাই ৰেষ্টুৰেণ্টখনৰ কোঠা চাফা কৰিবলৈ যোৱাৰ সময়ত কোঠাৰ ভিতৰত এজন লোক পৰি থকা দেখি ৰেষ্টুৰেণ্টখনৰ মালিকক খবৰ দিয়ে। মালিকে আহি লোকজনৰ মৃত্যু হোৱা বুলি জানিব পাৰি লগে লগে কুমাৰীকাটা আৰক্ষীক খবৰ দিয়াত কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ইয়াৰ আলী পাৰমাণিক ততাতৈয়াকৈ ৰেষ্টুৰেণ্টখনত উপস্থিত হৈ অনুমানিক ৪২ বছৰীয়া লোকজনৰ মৃতদেহটো চমজি লয় আৰু ঘটনাটোৰ তদন্ত আৰম্ভ কৰে। ইতিমধ্যে মৃতদেহটো কুমাৰীকাটা আৰক্ষী চকীলৈ আনি মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰলৈ প্ৰেৰণ কৰে।

## জোনাই চিমেন চাপৰিৰ চেৰেন পথাৰত শংকৰদেৱ সংঘৰ ৯২সংখ্যক অধিৱেশনৰ লাইখুঁটা স্থাপন শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈৰ

### হাজাৰ হাজাৰ ভকত-বৈষ্ণৱ-বাপৰ হৰিধ্বনিৰে মুখৰ হ'ল পৰমানন্দা আতা সমন্বয় ক্ষেত্ৰ, নামৰ ধ্বনিত বৈকুণ্ঠধামত পৰিণত চিমেন চাপৰি চেৰেণ পথাৰৰ পৰমানন্দ আতা সমন্বয় ক্ষেত্ৰ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯২সংখ্যক জোনাই বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন কৰিলে পদাধিকাৰ কমলাকান্ত গগৈয়ে, স্থায়ী নামঘৰৰ মূল খুঁটাৰ আধাৰশিলা স্থাপন বিধায়ক ভুৱন পেগুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জোনাই, চিমেন চাপৰি ২১ নৱেম্বৰ ঃ** শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ ৯২সংখ্যক জোনাই বাৰ্ষিক অধিৱেশনৰ পৱিত্ৰ লাইখুঁটা কালি স্থাপন কৰা হয়। ধেমাজি জিলাৰ চিমেন চাপৰি চেৰেণ পথাৰৰ পৰমানন্দ আতা সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত কৰা লাইখুঁটা স্থাপন অনুষ্ঠানৰ পুৱা ৬.৩০ বজাত জিলা সেৱা বাহিনীৰ নেতৃত্বত পৰিৱেশ নিকাকৰণ কৰা হয়। পুৱা ৭ বজাত শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ জোনাই জিলা শাখাৰ নামঘৰত শৰণ সদস্য নামাচাৰ্য শুভ গগৈৰ দ্বাৰা নাম প্ৰসংগ কৰাৰ পাছত পুৱা ১০ বজাত পৰম্পৰা অনুসৰি অধিৱেশনৰ পৱিত্ৰ লাইখুঁটা স্থাপন কৰে শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈয়ে। দিনৰ ১১ বজাত স্থায়ী নামঘৰৰ মূল খুঁটাৰ আধাৰশিলা স্থাপন কৰে জোনাইৰ বিধায়ক ভুৱন পেগুৱে। দিনৰ ১১.৩০ বজাত শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈৰ সভাপতিত্বত অনুষ্ঠিত কৰা হয় লাইখুঁটা স্থাপনৰ মুকলি সভা। সভাখন উদ্বোধন কৰি শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই কয়, শ্ৰীমন্ত শংকৰদেৱৰ সংঘই সকলো জাতি-জনগোষ্ঠী, ভাষা, সংস্কৃতিৰ লোকক লৈ বৃহত্তৰ অসমীয়া জাতি গঠনত সবল ভূমিকা গ্ৰহণ কৰি আহিছে। মহাপুৰুষজনাৰ অসমীয়া জাতিৰ ভাষা-




সংস্কৃতি-কলা-কৃষ্টিৰ পথাৰখন বিকশিত কৰি এখন সমৃদ্ধিশালী সমাজ নিৰ্মাণ কৰাৰ যি আদৰ্শ, সেই আদৰ্শৰে আজি শ্ৰীমন্ত শংকৰদেৱৰ সংঘই নিৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে বুলি বক্তব্য ৰাখি শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ সদস্য, সংগীৰ সংখ্যা বৰ্তমান চল্লিছ লাখৰো অধিক বুলি উল্লেখ কৰি শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ এবাৰ সদস্য তথা সংগী হ'লে আজীৱন সদস্য তথা সংগী হৈ থাকিব নোৱাৰে। পঞ্জীয়নভুক্ত সদস্য-সংগীসকলে বছৰি নৱীকৰণ কৰাৰ প্ৰক্ৰিয়া আছে বুলি বক্তব্য ৰাখি শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ ৫৫খন জিলা সমিতি আছে। কোচবিহাৰ, পশ্চিম বংগ, মেঘালয়, অৰুণাচলত শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ জিলা সমিতি আছে আৰু কম দিনৰ ভিতৰত মহাৰাষ্ট্ৰৰ নাচিকত আৰু জলপাইগুৰিতো নতুন জিলা সমিতি গঠনৰ প্ৰক্ৰিয়া চলি আছে বুলি শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ লক্ষ-লক্ষ সদস্য-সংগীয়ে প্ৰতিদিনে, প্ৰতিটো মাহে কিবা নহয় কিবা সমাজ কল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। সেয়া ৰক্তদানেই হওক, নেত্ৰদানেই হওক। কোৰোনা কালৰ সময়ছোৱাতো শ্ৰীমন্ত শংকৰদেৱৰ সংঘই জনকল্যাণকামী কৰ্মত নিয়োজিত হৈ আহিছে বুলি মন্তব্য আগবঢ়াই শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ বৰ্তমানত মুঠ ৫৬খন বিদ্যালয় আছে আৰু অসম চৰকাৰে ১২খন বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিছে বুলি ভাষণ ৰাখি নগাঁৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিশ্ববিদ্যালয়ৰ উপৰি ইতিমধ্যে অসম বিধানসভাত সংশোধনী আনি সমগ্ৰ অসমত গুৱাহাটী, ধুবুৰী, যোৰহাটৰ লগতে ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াতো বিশ্ববিদ্যালয়ৰ গোট প্ৰতিষ্ঠা কৰাৰ কাম পূৰ্ণগতিত চলি থকাৰ কথা উনুকিয়াই তেওঁ পুনৰ কয়, ৰসৰাজ লক্ষীনাথ বেজবৰুৱা শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰাণ বুলি উল্লেখ কৰি লক্ষীনাথ বেজবৰুৱাৰ বাহিৰে মহেশ্বৰ নেওগ, ডিম্বেশ্বৰ নেওগ, ককা নীলমণি ফুকন, তীৰ্থনাথ শৰ্মাৰ দৰে মহান ব্যক্তিসকল শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ পদাধিকাৰ পদত অধিষ্ঠিত হৈ শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ জৰিয়তে মহাপুৰুষজনাৰ আদৰ্শ আৰু কৰ্মৰাজিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰি গৈছে বুলি ভাষণ আগবঢ়ায়। অভ্যৰ্থনা সমিতিৰ যুটীয়া সম্পাদক কমল বৰুৱাই আঁত ধৰা অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ মুখ্য উপদেষ্টা ভৱেন্দ্ৰনাথ ডেকাই কয় শ্ৰীমন্ত শংকৰদেৱ এগৰাকী ধৰ্ম প্ৰচাৰক, সমাজ সংগঠক, গায়ক, নৰ্তক, অভিনেতা, কবি, চিত্ৰকৰ, সুৰকাৰ হোৱাৰ উপৰি মহাপুৰুষজনা অসমীয়া জাতি-সাহিত্য-সংস্কৃতি নিৰ্মাতা আছিল। সেয়ে শ্ৰীমন্ত শংকৰদেৱক সৰ্বগুণাকৰ বুলি অভিহিত কৰা হয় বুলি উল্লেখ কৰি শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ ৯২সংখ্যক জোনাই বাৰ্ষিক অধিৱেশনখন এখন ঐতিহাসিক অধিৱেশনত পৰিণত হ'ব বুলি মন্তব্য কৰি আজিৰ অধিৱেশনৰ লাইখুঁটা স্থাপন অনুষ্ঠানত হাজাৰ হাজাৰ ভকত-বৈষ্ণৱ আৰু শুভাকাংক্ষীসকলৰ স্বতঃস্ফূৰ্ত উপস্থিতিয়ে তাৰেই উমান দিয়ে বুলি বক্তব্য আগবঢ়ায়। সভাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰিকা, অভ্যৰ্থনা সমিতিৰ সভাপতি ড° হৰকান্ত পেগু, সাধাৰণ সম্পাদক ড° কমল গগৈ, বিত্ত উপ-সমিতিৰ সম্পাদক হৰেন্দ্ৰনাথ দুৱৰা, বিশিষ্ট অতিথি হিচাপে লেখক, অৱসৰপ্ৰাপ্ত অধ্যাপক বিপিন চুতীয়া, জোনাই মহকুমা আৰক্ষী বিষয়া ভাৰ্গৱমণি দাস, চিমেন চাপৰি বৰনামঘৰ পৰিচালনা সমিতিৰ সভাপতি সুৰেশ সন্দিকৈ, জ্ঞানী জজবীৰ সিং, আমন্ত্ৰিত অতিথি হিচাপে বড়ো মহিলা কল্যাণ পৰিষদৰ ধেমাজি জিলা সমিতিৰ সভানেত্ৰী ফুলেশ্বৰী দৈমাৰী, গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ধেমাজি জিলা সমিতিৰ সভাপতি, খাইৰুল হক, সাধাৰণ সম্পাদক জমিৰ আলী, গোৰ্খা ছাত্ৰ সন্থাৰ ধেমাজি জিলা সমিতিৰ সভাপতি সৌমৰাজ পুৰী, সাধাৰণ সম্পাদক দিলীপ খনাল প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত বিপিন চুতীয়াৰ অভিনন্দন গ্ৰন্থ সুজান সৌৰভখন উন্মোচন কৰিব শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই।

### সাহিত্য অকাদেমিৰ দ্বি-ভাষিক কবি সন্মিলন

## ডিমৌৰ পৰা প্ৰথমবাৰৰ বাবে কবিতা পাঠ কৰিব অভিজিত গগৈয়ে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২১ নৱেম্বৰ ঃ** সাহিত্য অকাদেমিৰ অসমীয়া, তামিল দ্বি-ভাষিক কবি সন্মিলনত অসমীয়া ভাষাক প্ৰতিনিধিত্ব কৰি ডিমৌৰ পৰা প্ৰথমবাৰৰ বাবে কবিতা পাঠ কৰিব ডিমৌৰ



উদীয়মান তথা নৱ প্ৰজন্মৰ কবি অভিজিত গগৈয়ে। অহা ২৯ নৱেম্বৰৰ পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া কবি সন্মিলনত 'ঝুম মিটৰ জৰিয়তে' ভাগ ল'ব। এই অনুষ্ঠানতে অসমৰ ড° বিজয় শংকৰ বৰ্মন, অভিজিত গগৈ, তামিলনাডুৰ চি চেথুপাৰ্ঠি, না মুথু নিলাভানে কবিতা পাঠ কৰিব। উল্লেখ্য যে ডিমৌৰ অভিজিত গগৈয়ে গৰীয়সী, যাত্ৰা, গদ্য-পদ্য, স্পন্দন জীৱনৰ, অন্যযুগ, বিভিন্ন দৈনিক কাকতত আদিত কবিতা প্ৰকাশ পোৱাৰ উপৰিও সাতসৰী, প্ৰান্তিক আৰু সাপ্তাহিক কাকতত প্ৰবন্ধ প্ৰকাশ পাই আহিছে। যুৱ প্ৰজন্মৰ এইগৰাকী কবিৰ আকাশবাণী গুৱাহাটীৰ 'সাহিত্য চ'ৰা' আৰু আকাশবাণী যোৰহাটৰ 'সাহিত্য দৰ্পণ' অনুষ্ঠানত কবিতা সম্প্ৰচাৰ হৈছে। প্ৰথমবাৰৰ বাবে বিশিষ্ট সাহিত্যিক ড° আনন্দ বৰমুদৈয়ে এইগৰাকী কবিৰ অসমীয়া কবিতা ইংৰাজীলৈ অনুবাদ কৰিছে। অভিজিতৰ এই খবৰে ডিমৌৰ সচেতন মহলৰ লগতে সাহিত্য চৰ্চাত জড়িতসকলে সন্তুষ্টি প্ৰকাশ কৰিছে।




# তামুলপুৰত বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২১ নৱেম্বৰ ঃ** লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি কালি তামুলপুৰ জিলা প্ৰশাসনে কে'বাটাও কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱা তামুলপুৰ জিলা প্ৰশাসন আৰু তামুলপুৰ জিলা আৰক্ষী প্ৰশাসনৰ উদ্যোগত স্বচ্ছতা অভিযান আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তামুলপুৰ জিলাৰ বিভিন্ন চকবাৰী বে-চকবাৰী অনুষ্ঠান-প্ৰতিষ্ঠানত পুৱা স্বচ্ছতা অভিযান আৰু গছপুলি ৰোপণ কৰা হয়। ইয়াৰ পিছতে বীৰ লাচিত দিৱস উপলক্ষে তামুলপুৰ থানাত জ্যেষ্ঠ নাগৰিকৰ বাবে এটি সহায়ক কেন্দ্ৰ মুকলি কৰা হয়। সহায়ক কেন্দ্ৰটো আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে তামুলপুৰ জিলাৰ উপায়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে। এই সহায়ক কেন্দ্ৰত জ্যেষ্ঠ লোকসকলে যিকোনো সহায়ৰ বাবে আৰক্ষী সৈতে যোগাযোগ কৰিব পাৰিব। পুত্ৰ-বোৱাৰী, আত্মীয় স্বজনে জ্যেষ্ঠ নাগৰিকসকলক অৱহেলা কৰিলে আৰক্ষীয়ে সমাধান কৰিবলৈ চেষ্টা কৰিব। চিকিৎসা, সীমা বিবাদ আদিৰ ক্ষেত্ৰতো সহায় কৰিব আৰক্ষীয়ে। জ্যেষ্ঠ নাগৰিকে এটি মাত্ৰ ফোন কল কৰি অসুবিধাৰ কথা বৰ্ণনা কৰিলে ঘৰত গৈ উপস্থিত হ'ব তামুলপুৰ আৰক্ষী। ইফালে, বীৰ লাচিত দিৱস উপলক্ষে তামুলপুৰৰ দ্বাৰকুছিত এটি পুলিচ চকীও উদ্বোধন কৰে তামুলপুৰ জিলাৰ উপায়ুক্তগৰাকীয়ে। আনহাতে, তামুলপুৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ত পুৱা ৯ বজাত ৰক্তদান কাৰ্যসূচী অনুষ্ঠিত হয়। ৰক্তদান শিবিৰটো উদ্বোধন কৰে বিটিআৰৰ মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভাই। ভাৰতীয় বিহাৰ ৰেজিমেণ্টৰ জোৱান, অসম আৰক্ষী জোৱান আৰু বিভিন্ন দল-সংগঠনৰ সদস্য, সমাজকৰ্মীসকলে ৰক্তদান কৰে। ইয়াৰ পিছতে তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তত বীৰ লাচিত দিৱস উপলক্ষে বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। তামুলপুৰ জিলাৰ কলবাৰী, ফহুৱাবাৰী, কুম্ভিৰঝাৰতো বিনামূলীয়া পশু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। দিনৰ ১১.৩০ বজাত তামুলপুৰ ২ নং ডোঙাৰগাঁওত হতী-মানুহৰ সংঘাত দূৰীকৰণৰ ওপৰত সজাগতা কৰ্মশালা অনুষ্ঠিত হয়।

# শিৱসাগৰত মহেন্দ্ৰ নাথ বেজবৰুৱাৰ সোঁৱৰণত বৰগীত প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ২১ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নগৰ মহল ৰাস উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু স্বৰ্গম সাংস্কৃতিক গোষ্ঠী আৰু মহেন্দ্ৰ নাথ বেজবৰুৱাৰ পৰিয়ালবৰ্গৰ সহযোগত বালি খেলপথাৰত মহেন্দ্ৰ নাথ বেজবৰুৱাৰ সোঁৱৰণত শিৱসাগৰ জিলা ভিত্তিত এখনি বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে মহেন্দ্ৰ বেজবৰুৱাৰ সহধৰ্মিণী লিলি বেজবৰুৱাই। অনুষ্ঠানটো উদ্বোধন কৰে সমাজসেৱক ঘনশ্যাম হাজৰিকাই। বিচাৰকৰ আসনত থাকে সত্ৰীয়া সংস্কৃতিৰ গৱেষক অনুধৃতি মহন্ত আৰু সীমান্ত আৰন্ধৰা। অনুষ্ঠানটিত ত্ৰিশ গৰাকীতকৈও অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগীসকলৰ মাজত ক্ৰমে ১ম, ২য় আৰু ৩য় পুৰস্কাৰ লাভ কৰে বৃষ্টি বুঢ়াগোহাঁই, প্ৰজ্ঞা পাৰমিতা আৰু লক্ষীপ্ৰিয়া দিহিঙ্গীয়াই।মহেন্দ্ৰ নাথ বেজবৰুৱাৰ পৰিয়ালবৰ্গৰ তৰফৰ পৰা ৰাস উদ্‌যাপন সমিতি আৰু স্বৰ্গম গোষ্ঠীক এখন কৃতজ্ঞতা-পত্ৰৰে সন্মান জনায়। কৃতজ্ঞতা-পত্ৰখনি পাঠ কৰে সন্ধ্যাৰাণী বেজবৰুৱাই। ৰূপামণি বেজবৰুৱাই মহেন্দ্ৰ নাথ বেজবৰুৱাৰ কবিতা পাঠ কৰে। পুৰস্কাৰপ্ৰাপ্তসকলক পৰিয়ালৰ তৰফৰ পৰা নগদ ধনেৰে পুৰস্কৃত কৰা হয়।

# ভূৰবন্ধা কনিষ্ঠ মহাবিদ্যালয়ত সজাগতা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ২১ নৱেম্বৰ ঃ** মৰিগাঁও লায়ন্স ক্লাবৰ উদ্যোগত ভূৰবন্ধা কনিষ্ঠ মহাবিদ্যালয়ত বহুমূত্ৰ ৰোগৰ চিনাক্তকৰণ আৰু সজাগতা শিবিৰ এটা অনুষ্ঠিত হৈ যায়। লায়ন্স ক্লাবৰ সভাপতি মাধৱ শৰ্মা আৰু সম্পাদক প্ৰণৱ দাসৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা বহুমূত্ৰ ৰোগৰ চিনাক্তকৰণ আৰু সজাগতা সভাখনত মৰিগাঁৱৰ দুই জ্যেষ্ঠ চিকিৎসক ডাঃ তুলেশ্বৰ নাথ আৰু ডাঃ নকুল চন্দ্ৰ বৰুৱাই ৰোগীসকলক সজাগ আৰু সচেতনতাৰ পৰামৰ্শ প্ৰদান কৰে। ভূৰবন্ধা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষা প্ৰতিমা কোঁৱৰ, মৰিগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা বাণী বৰুৱা, লায়ন্স ক্লাবৰ কোষাধ্যক্ষ বাদল দে' আদি কৰি উপস্থিত থকা স্বাস্থ্য শিবিৰটোত শতাধিক লোকে চিনাক্তকৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

# কৰৈয়নী প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ উৎসৱৰ সফল সামৰণি

## শিক্ষয়িত্ৰী লক্ষীপ্ৰিয়া বৰাৰ সম্পাদনাৰে স্মৃতিগ্ৰন্থ 'শতভিষা' উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি, ২১ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ পুৰণি শিক্ষানুষ্ঠান কৰৈয়নী প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ উৎসৱ সফল সামৰণি। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত শতবৰ্ষ উৎসৱ উপলক্ষে দুটাকৈ দিন বৃহত্তৰ অঞ্চলটোতে পৰিণত হ'ল উৎসৱমুখৰ পৰিবেশ। শতবৰ্ষ উপলক্ষে নিৰ্মাণ কৰা স্থায়ী তোৰণ উন্মোচন,শতবৰ্ষৰ স্মৃতিসৌধ উন্মোচনেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত শতবৰ্ষ উপলক্ষে উত্তোলন কৰা হয় এগছ পতাকা। অঞ্চলটোৰ স্থানীয় প্ৰশাসন ব্যৱস্থাই লোকে জাতীয় সাজ পৰিধান কৰি উত্তোলন কৰে শতবৰ্ষৰ পতাকাসমূহ। ১৯ নৱেম্বৰৰ প্ৰথম দিনৰ কাৰ্যসূচীত অনুষ্ঠিত হয় এক শৈক্ষিক আলোচনা-চক্ৰ। সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক অভিৱৰ্তন গোস্বামীয়ে উদ্বোধন কৰা শৈক্ষিক আলোচনাত সমল ব্যক্তি হিচাপে অংশ লয় বিশিষ্ট আবৃত্তিকাৰ শান্তিপ্ৰিয়া শইকীয়া, প্ৰবক্তা মৌচুমী বৰুৱা বৰদলৈ আৰু শিশুপ্ৰেমী বুবুল দাসে। শৈক্ষিক বিভিন্ন বিষয়ত নিৰ্মাইত আলোচনা হোৱা অনুষ্ঠানটিত বিশেষভাৱে উপস্থিত থাকে গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° সমীৰণ বৰা, সাংবাদিক মোস্তাক হুছেইন, শিক্ষা বিষয়া সজ্জনজ্যোতি বৰুৱা। অনুষ্ঠানত ছাত্ৰনেতা অভিৱৰ্তন গোস্বামীয়ে বিদ্যালয়ৰ পুথিভঁৰাললৈ প্ৰদান কৰে কিতাপৰ টোপোলা। দ্বিতীয় দিনটোৰ কাৰ্যসূচী সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে গোলাঘাট উত্তৰ শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি ৰাজীৱ শৰ্মাই। অঞ্চলটোৰ জাতি-জনগোষ্ঠীৰ বিভিন্ন কৃষ্টিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কৃষ্টি প্ৰদৰ্শন কৰে। শতবৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি বিপিন বৰবৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে সদৌ অসম প্ৰাক্তন শিক্ষক সন্মিলনীৰ সভাপতি জীৱন বৰাই। শিক্ষয়িত্ৰী লক্ষীপ্ৰিয়া বৰাৰ সম্পাদনাত প্ৰকাশিত শতবৰ্ষৰ স্মৃতিগ্ৰন্থ 'শতভিষা' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক দুষ্মন্ত গোস্বামীয়ে। বিদ্যালয়খনৰ ইতিহাস, বিভিন্ন কাব্য-সাহিত্য-গদ্যৰে শৃংখলিতভাৱে সম্পাদিত গ্ৰন্থখন উন্মোচন কৰি আনন্দিত হৈ পৰে উন্মোচকগৰাকী। মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সাহিত্যিক তথা গৱেষক ইছমাইল হুছেইনে সভাত বিভিন্নজনৰ পৰা সাহায্য গ্ৰহণ কৰে এটা পুথিভঁৰালৰ বাবে ৭টা আলমিৰা, ২০খন চকী, দুখন ফেনকে ধৰি পুথিভঁৰালৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী সভাত উপস্থিতসকলৰ পৰা সংগ্ৰহ কৰে। এটা মাহৰ ভিতৰত কৰৈয়নী প্ৰাথমিক বিদ্যালয়ত এই পুথিভঁৰাল উদ্বোধন কৰাৰ সিদ্ধান্ত কৰে সকলোৱে। মুকলি সভাত বিদ্যালয়খনৰ পৰা প্ৰতিষ্ঠাকালৰে পৰা জড়িত শিক্ষক-কৰ্মচাৰী তথা পৰিচালনা সমিতিৰ সভাপতিসকলৰ লগতে জ্যেষ্ঠ প্ৰাক্তন ছাত্ৰসকলক সম্বৰ্ধনা জনোৱা হয়। কৰৈয়নী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰদৰ্শিত হয় বিচিত্ৰ সাংস্কৃতিক অনুষ্ঠান। ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত, নাটক আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে জঁপাল কৰি তোলে অনুষ্ঠান। সাধাৰণতে শিল্পী আমন্ত্ৰণ কৰি সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰাৰ বিপৰীতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰি সুন্দৰকৈ ৰূপায়িত সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰি আপ্লুত হৈ পৰে ৰাইজ। শতবৰ্ষ উৎসৱটি সফলভাৱে আয়োজন কৰাত সহযোগিতা কৰা সকলোকে কৃতজ্ঞতা জনাইছে উদ্‌যাপন সমিতিৰ সভাপতি বিপিন বৰবৰা, মুখ্য সম্পাদক প্ৰাণজিৎ নেওগে।

# তামাৰহাট থানাত লাচিত বৰফুকনৰ জয়ন্তী উদ্‌যাপন



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ২১ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যত চলি থকা জাতীয় নায়ক বীৰ লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি কালি ধুবুৰী জিলাৰ তামাৰহাট থানাতো দিনজোৰা কাৰ্যসূচীৰে বীৰ লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জয়ন্তী উদ্‌যাপন কৰা হয়। কাযসূচী অনুসৰি, কালি পুৱা ৯ বজাত বীৰ লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে তামাৰহাট থানাৰ উপ-পৰিদৰ্শক আব্দুল ৰৌফ মণ্ডলে। তাৰ পিছত বীৰ লাচিতৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে তামাৰহাট ছোৱালী এম ই স্কুলৰ প্ৰধান শিক্ষক উত্তম কুমাৰ ৰায় আৰু ৰাজহুৱা স্থানত গছপুলি ৰোপণ কৰে উপ-পৰাদৰ্শক অশোক সিঙৰ লগতে বিশিষ্ট ব্যক্তিসকলে। দহ বজাৰ পৰা আৰম্ভ হয় নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'বীৰ লাচিত বৰফুকন' শীৰ্ষক ৰচনা প্ৰতিযোগিতা আৰু ১০.৩০ বজাৰ পৰা আৰম্ভ হয় পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ছবি আঁকা প্ৰতিযোগিতা। উদ্‌যাপন সমিতিৰ সভাপতি ললিত চন্দ্ৰ ৰায়ৰ সভাপতিত্বত দিনৰ ১২ বজাৰ পৰা আৰম্ভ হয় মুকলি তথা বঁটা বিতৰণী সভা। উক্ত মুকলি সভাত বীৰ লাচিত বৰফুকণৰ জীৱনীৰ ওপৰত তথ্য গধুৰ ভাষণ আগবঢ়ায় ক্ৰমে— তামাৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষকদ্বয় গৌতম চন্দ্ৰ ৰায় আৰু মৃণাল কান্তি ৰায়, তামাৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নিৰ্মল চন্দ্ৰ ভকত, কামানডাংগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল কুদ্দুছ শ্বেখ আৰু তামাৰহাট থানাৰ উপ-পৰিদৰ্শক আব্দুল ৰৌফ মণ্ডলে। ইয়াৰ উপৰি সভাত তনম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ এমচিএলএ সজল সিংহকে ধৰি তামাৰহাট থানা নাগৰিক কমিটীৰ বিষয়ববীয়া আৰু গাঁওৰক্ষী বাহিনীৰ সম্পাদক উপস্থিত থাকে। উল্লেখ্য যে ধুবুৰী জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ যুটীয়া সম্পাদক আব্দুৰ ৰছিদ শ্বেখে ৰচনা প্ৰতিযোগিতা আৰু ছবি আঁকা প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ নাম ঘোষণা কৰাৰ পিছত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক এখনকৈ ফুলাম গামোচা, মান-পত্ৰ আৰু এটা বঁটাৰে পুৰস্কৃত কৰা হয়।




# চামগুৰি মহাবিদ্যালয়ত অবিৰত কবিতা পাঠৰ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ২১ নৱেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি মহাবিদ্যালয়ৰ সাহিত্য আৰু সাংস্কৃতিক কোষৰ উদ্যোগত পুৰণিগুদাম কবি সন্মিলনৰ ব্যৱস্থাপনাত শনিবাৰে মহাবিদ্যালয়খনৰ বাকৰিত কবিৰ মহাসভাত তিনিঘণ্টীয়া 'অবিৰত কবিতা পাঠ'ৰ এক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱা আৰু নূপুৰ মোমাইদেউখ্যাত ত্ৰৈলোক্য ভট্টাচাৰ্যৰ সঞ্চালনাত অনুষ্ঠিত অবিৰত কবিতা পাঠৰ অনুষ্ঠানটোত বিশিষ্ট সাহিত্যিক মোহিনী মোহন ডেকা, ডাঃ হেমন্ত কুমাৰ গোস্বামীকে ধৰি বহুকেইজন বিশিষ্ট সাহিত্যিক উপস্থিত থাকে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি চামগুৰি মহাবিদ্যালয়ৰ সাহিত্য আৰু সাংস্কৃতিক কোষৰ জৰিয়তে মহাবিদ্যালয়খনৰ অধ্যাপিকা তৃষ্ণাজ্যোতি দাসৰ সম্পাদনাত 'কলেজ কেম্পাছ কবিতা' নামৰ এখন কবিতা আলোচনী উন্মোচন কৰা হয়। অসমৰ বিভিন্ন জিলাৰ পৰা অহা ন-পুৰণি কবিসকলৰ উপস্থিতিত মহাবিদ্যালয়খনৰ বাকৰিত এক উদুলি-মুদুলি পৰিৱেশ সৃষ্টি হোৱা পৰিলক্ষিত হয়। পুৰণিগুদাম কবি সন্মিলনৰ উদ্যোক্তা দুলাল বৰা আৰু দীপকজ্যোতি ডেকাৰ নেতৃত্বত অনুষ্ঠিত হোৱা অবিৰত কবিতা পাঠৰ অনুষ্ঠানটোতে পুৰণিগুদাম কবি সন্মিলনৰ এখন নতুন সমিতি গঠন কৰা হয়। পুৰণিগুদাম কবি সন্মিলনৰ সভাপতি নবীন কলিতা, কাৰ্যকৰী সভাপতি প্ৰফুল্ল বৰা, সম্পাদক হেমন্ত বৰা আৰু যুটীয়া সম্পাদক শৰৎ বৰুৱা আৰু পুষ্পাঞ্জলি শইকীয়াক লৈ এখন ১১জনীয়া নতুন সমিতি গঠন কৰা হয়। পুৰণিগুদাম কবি সন্মিলনৰ ব্যৱস্থাপনাত অনুষ্ঠিত উক্ত কবিতা পাঠৰ অনুষ্ঠানটোত সহায়-সহযোগিতা আগবঢ়োৱা সকলো ব্যক্তি তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱাৰ লগতে অধ্যাপক-অধ্যাপিকা, কাৰ্যালয় সহায়ক আৰু সমূহ কৰ্মচাৰীক পুৰণিগুদাম কবি সন্মিলনৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। উক্ত কবি সন্মিলনখনত কবি সুৰেন্দ্ৰ মোহন দাস, ডাঃ হেমন্ত কুমাৰ গোস্বামী, পল্লৱপ্ৰাণ গোস্বামী, ধ্ৰুৱজ্যোতি শৰ্মা, প্ৰফুল্ল বৰা, নিৰ্মালী বৰা, কৃষ্ণ দৈমাৰী, দেৱদত্ত হাজৰিকা, বিপুল মজিন্দাৰ, ভাৰতী বৰা, নবীন কলিতা, প্ৰিয়াংঙ্কু শৰ্মা, হেমন্ত কুমাৰ বৰা, দুলাল বৰুৱা, পিয়াংশু শৰ্মা, দুলাল বৰুৱা, হেমন্ত কুমাৰ বৰা, বিপুল মজুমদাৰ, নবীন কলিতা নিৰলা ইংহিপি, কৃষ্ণ দৈমাৰী, তপন নগএগু, প্ৰাণজিৎ বৰা, দীপজ্যোতি বৰা, মুক্তাৰাম কলিতা, দীপক জ্যোতি ডেকা, মৌচুমী শৰ্মা, ধৰণী শইকীয়া, শৰৎ বৰুৱা, লাৱন্য গোস্বামী, তৃষ্ণা জ্যোতি দাস, ছেমায়ুং ডং দেৱজিৎ বৰা, উৎপল বৰুৱা, অৰিহনা শইকীয়া, উৎপল পাটৰকে ধৰি প্ৰায় ৫০ জন কবিয়ে কবিতা পাঠ কৰে বুলি জানিব পৰা গৈছে।

# ওৰাঙৰ ২নং শইকীয়া চুবুৰি গাঁৱত মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ ওৰাং থানাৰ অধীনস্থ ২নং শইকীয়া চুবুৰি গাঁৱত চিপ লৈ থকা এটি মৃতদেহ আৰক্ষীয়ে উদ্ধাৰ কৰে। এই ঘটনাটোৱে সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ২০ নৱেম্বৰৰ পুৱা ৮মান বজাত পথাৰলৈ ধান কাটিবলৈ অহা কেইগৰাকীমান মহিলাই পথাৰৰ মাজত বাঁহজোপাৰ মাজত গছ এডালত এজন ব্যক্তি ওলমি থকা দেখা পায়। লগে লগে মহিলাকেইগৰাকীয়ে গাঁওবাসীক জনোৱাৰ পিছত গাঁৱৰ কেইজনমান লোকে আৰক্ষী জনায়। ঘটনাস্থলীত আৰক্ষী আৰু মাজবাট ৰাজহ চক্ৰ বিষযা উৎপল কুমাৰ ডেকা উপস্থিত হৈ ঘটনাস্থলী পৰ্যৱেক্ষণ কৰে। ইতিমধ্যে চিপ লৈ মৃত্যু হোৱা লোকজন ওৰাং মৌজাৰ চুতীয়া পাৰাৰ বাসিন্দা প্ৰায় ৫০ বছৰীয়া লোকেন ডেকা বুলি জানিব পৰা গৈছে যদিও ওৰাং থানাৰ অন্তৰ্গত নিছিলামাৰীত থাকিবলৈ লয়। মাজবাট ৰাজহ চক্ৰৰ বিষয়াৰ উপস্থিতিত আৰক্ষীয়ে মৃতদেহ আনি মৰনোত্তৰ পৰীক্ষাৰ বাবে ওদালগুৰিলৈ প্ৰেৰণ কৰে।

# ওৰাঙৰ কলাগুৰু বিষ্ণু ৰাভা স্নাতক মহাবিদ্যালয়ত যোগ-মেডিটিশ্যনৰ অনুষ্ঠান




**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২১ নৱেম্বৰ ঃ** ১৮ নৱেম্বৰত ওদালগুৰি জিলাৰ ওৰাঙৰ কলাগুৰু বিষ্ণু ৰাভা স্নাতক মহাবিদ্যালয়ত শিক্ষা আৰু ৰাজনৈতিক বিভাগৰ উদ্যোগত যোগা আৰু মেডিটিশ্যন সজাগতা অনুষ্ঠান এটি হৈ যায়। অনুষ্ঠানটো পৰিচালনা কৰে মহাবিদ্যালয়ৰ ৰাজনৈতিক বিভাগৰ মুৰব্বী অধ্যাপক ইন্দ্ৰ বৰাই ।এই অনুষ্ঠানটোত চাইনাৰ Institute of health Managementৰ Co ordinator.মহেন্দ্ৰ শৰ্মা আৰু নৰ্থ-ইষ্টৰ মহিলা পতঞ্জলী যোগা সমিতিৰ সভানেত্ৰী জোনাকী বড়োৱে সমল ব্যক্তি হিচাপে অনুষ্ঠানটোত অংশগ্ৰহণ কৰে। সমল ব্যক্তি দুগৰাকীয়ে যোগ আৰু মেডিটিশ্যচন সম্পৰ্কত এক সজাগতা সভা অনুষ্ঠিত কৰি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ নিজৰ শৰীৰ পৰা কেনেকৈ বিভিন্ন ৰোগৰ পৰা হাতসাৰি থাকিব পাৰি সেই বিষয়ৰ ধ্যান ধাৰনাৰ যোগেদি তাকে বুজাবলৈ চেষ্টা কৰে। কাৰণ আজি কালি মানুহৰ মন মগজু বিকাৰ ঘটিছে তাৰ প্ৰতি লক্ষ্য ৰাখিয়ে যোগাসন কৰাৰ প্ৰযোজন হৈ পৰিছে। লগতে আৰু ভাষনত কয় যে শৰীৰৰ বিভিন্ন ৰোগ নিৰাময় কৰাৰ কাৰণে যোগ আৰু মেডিশ্যচনৰ প্ৰয়োজন। ছাত্ৰ ছাত্ৰী সকলে সদায় একৰ পৰা দুই ঘন্টা লৈকে এই যোগ ব্যয়াম ধ্যান কৰক বুলি সাৰুৱা ভাষণেৰে বুজাই দিয়ে ছাত্ৰ-ছাত্ৰীসকলক। এই অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ উৎপল হাজং, সহকাৰী অধ্যাপক অধ্যাপিকা তৃষ্ণা দাস, ৰিংকু হালৈ, বিনোদ বছনেট, ইনচাফ আলী, বিষ্ণু চেত্ৰী, আছাবুদ্দিন আহমেদ, বিচিত্ৰা নাথ, নীলাক্ষী কেওঁট, ইন্দ্ৰ বৰা, হেলেন দৈমাৰী, হৰি নাৰ্জাৰী, ৰিপচন দৈমাৰী, পংকজ দেৱ, তীৰ্থৰাজ ফয়েল, সন্দীপা কলিতা মহন্ত আৰু লাইব্ৰেৰী এছিছটেণ্ট হেমলতা ভট্টৰায় আদিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।

# চাবুকধৰাত মাহজুৰি অনুষ্ঠিত পানী মেটেকাত পৰা প্ৰস্তুত কৰা সামগ্ৰী নিৰ্মাণৰ প্ৰশিক্ষণ শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২১ নৱেম্বৰ ঃ** ভাৰতীয় উদ্যমীতা সংস্থাৰ উদ্যোগত বটদ্ৰৱা সমষ্টিৰ চাবুকধৰাত এমাহজুৰি অনুষ্ঠিত হৈছিল মেটেকাত পৰা প্ৰস্তুত কৰা সামগ্ৰী নিৰ্মাণৰ প্ৰশিক্ষণ শিবিৰ। অঞ্চলটোত অৰ্ধশতাধিক উদ্যমী মহিলাই অংশ গ্ৰহণ কৰা কৰ্মশালাখনৰ কালি সামৰণি পৰে। সামৰণী অনুষ্ঠানটিৰ আৰম্ভণী ভাষণ প্ৰদান কৰি ভাৰতীয় উদ্যমিতা সংস্থাৰ উত্তৰ-পূবৰ প্ৰকল্প বিষয়া প্ৰাঞ্জল ৰাজখোৱাই পানী মেটেকাই বৰ্তমান বিশ্বমুখী যাত্ৰা আৰম্ভ কৰিছে। এই সময়ত চাবুকধৰাৰ মহিলাসকলে পানী মেটেকাত জীৱিকা নিৰ্বাহৰ উৎস বিচাৰি পাইছে। ই আনন্দৰ খবৰ বুলি মন্তব্য প্ৰদান কৰে। জীৱিকা সখী সোনমণি বৰদলৈ, প্ৰশিক্ষক প্ৰভাত চন্দ্ৰ দাস, শংকৰজ্যোতি শৰ্মাকে আদি কৰি অঞ্চলটোৰ কেইবাগৰাকী ব্যক্তি উপস্থিত থকা অনুষ্ঠানটিত প্ৰশিক্ষণ গ্ৰহণ কৰা মহিলাসকলক প্ৰমান পত্ৰ প্ৰদান কৰা হয়।



# ১নং চালাবিলাত ভয়াৱহ অগ্নিকাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ নৱেম্বৰ ঃ** মাণিকপুৰ থানাৰ অন্তৰ্গত ১ নং চালাবিলাত ভয়াৱহ অগ্নিকাণ্ড। গাঁওখনৰ মেহেৰ আলীৰ ঘৰত শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি জানিব পৰি গৈছে। প্ৰথমে ৰাইজ উপস্থিত হৈ জুই নিৰ্বাপণ কৰিবলৈ চেষ্টা কৰে যদিও বিফল হয়। পিছলৈ চালাবিলা উপ-আৰক্ষী নিৰীক্ষণ চকীৰ বিষয়াৰ সহযোগত অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী আহি জুই নিৰ্বাপণ কৰে যদিও ঘৰটো সম্পূৰ্ণৰূপে ভস্মীভূত হয়। ৰাস্তা বেয়া হোৱা হেতুকে সময়মতে অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হ'ব পৰা নাইবুলি অভিযোগ কৰে স্থানীয় ৰাইজে। অগ্নিকাণ্ডত ১৫ লাখ টকাৰ সা-সম্পত্তি পুৰি ছাই হয় বুলি পৰিয়ালৰ লোকে জনায়।

# খুমটাই চিনাতলীত শিশুৰ ৰাসলীলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ২১ নৱেম্বৰ ঃ** খুমটাইৰ গ্ৰামাঞ্চলত বৰ্তমানেও অব্যাহত আছে ৰাসৰ আনন্দ-উল্লাস। ঠিক সেইদৰে খুমটাইৰ চিনাতলীত গাঁওবাসীয়ে ভগৱান শ্ৰীশ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা অনুষ্ঠিত কৰিছে। চিনাতলী নাট্যমন্দিৰত অনুষ্ঠিত ৰাসলীলাত প্ৰথমবাৰৰ বাবে সকলো চৰিত্ৰতে অভিনয় কৰিছে শিশু শিল্পীয়ে। উল্লেখ্য, ৰাসৰ প্ৰতিটো চৰিত্ৰত শিশুসকলে সুন্দৰভাৱে অভিনয় কৰি দৰ্শকক আমোদ দিবলৈ সক্ষম হোৱা পৰিলক্ষিত হ'ল। শিশুসকলে অভিনয় কৰা ৰাস চাবলৈ চিনাতলী নাট্যমন্দিৰত ভিৰ কৰিলেহি অগণন দৰ্শকে। আনহাতে, শিশুসকলৰ সুনিপুণ অভিনয়ত মুগ্ধ হৈ শলাগ লৈছে সকলোৱে। আনহাতে, দৰ্শকৰ সঁহাৰি দেখি উদ্যোগতা মণ্ডলীয়ে জানিবলৈ দিয়ে যে প্ৰতিবছৰে শিশুসকলক লৈ শ্ৰীকৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত কৰিব।



# লাহোৱালত ৰাইজৰ দলৰ সমিতি গঠন সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২১ নৱেম্বৰ ঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন আঞ্চলিক দলসমূহৰ দৰে ৰাইজৰ দলেও এইবাৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে আগতীয়াকৈ কঁকালত টঙালি বান্ধি সাজু হৈছে। আজি লাহোৱাল মটক চাহ বাগিচাৰ কৰম ভৱনত ৰাইজৰ দলৰ লাহোৱাল সমিতি গঠনৰ উদ্দেশ্য এখন সভা অনুষ্ঠিত কৰে। সভাখনত ৰাইজৰ দলৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক চিন্ময় বৰা, প্ৰগতিশীল নাৰী বাহিনীৰ সম্পাদিকা পূৰবী বৰুৱা, জিলা সমিতিৰ সভাপতি অমূল্য অসমৰ লগতে কেন্দ্ৰীয় সমিতিৰ সম্পাদক ৰাতুল গগৈৰ উপস্থিতিত ৰাইজৰ দলৰ লাহোৱাল সমিতি গঠনৰ সন্দৰ্ভত আলোচনা কৰা হয় যদিও নগণ্যসংখ্যক লোকৰ উপস্থিতিৰ বাবে ৰাইজৰ দলৰ লাহোৱাল সমিতিখন কালি গঠন কৰিব নোৱাৰাত পুনৰ সমিতি গঠনৰ দিন পিছুৱাই দিয়া হয়। আনহাতে, কালি ৰাইজৰ দলে অনুষ্ঠিত কৰা সভাখনত উপস্থিত থাকি ৰাইজৰ দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক চিন্ময় বৰা আৰু ৰাতুল গগৈয়ে ভাষণৰ প্ৰসংগত কয় 'বিজেপি চৰকাৰখনে সাধাৰণ জনতাৰ কথা পাহৰি কেৱল বণিক গোষ্ঠীৰ বাবেই অধিক চিন্তা কৰাৰ লগতে আকাশলংঘী মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণক কোঙা কৰি পেলাইছে, সাম্প্ৰদায়িক ৰাজনীতিৰে সমাজখন অস্থিৰ কৰি পেলাইছে, উন্নয়নৰ ঢাক-ঢোল বজোৱা চৰকাৰখনে অসমৰ বৰ্তমান জ্বলন্ত সমস্যাৰ প্ৰতিও পিঠি দিয়া পৰিলক্ষিত হৈছে, সেয়ে আগন্তুক পঞ্চায়ত নিৰ্বাচনত ৰাইজৰ দলে লাহোৱাল সমষ্টিৰ প্ৰতিটো পঞ্চায়ততে প্ৰাৰ্থিত্ব প্ৰদানেৰে সবল ৰাজনৈতিক প্ৰতিদ্বন্দিতাৰ যুঁজত অৱতীৰ্ণ হৈ বিজেপিৰ দলক ব্ৰহ্মপুত্ৰ নদীত উটুৱাই দিয়া সংকল্প লোৱা বুলিও তাৎপৰ্য পূৰ্ণ মন্তব্য প্ৰদান কৰে।

# সদৌ অসম কেওট সন্মিলন, পাৰিজাত কেওত মহিলা মৰ্চা, পাঠকপুৰ শাখাৰ অভিৱৰ্তন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২১ নৱেম্বৰ ঃ** সদৌ অসম কেওট সন্মিলন, পাৰিজাত কেওট মহিলা মৰ্চা, পাঠকপুৰ শাখাৰ অভিৱৰ্তনৰ সফল সামৰণি। ২০ নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ৰৌতাগাঁও প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সদৌ অসম কেওট সন্মিলন, ওদালগুৰি জিলাৰ অন্তৰ্গত পাঠকপুৰ শাখাৰ পাৰিজাত কেওট মহিলা মৰ্চাৰ এখন অভিৱৰ্তন হৈ যায়। পুৱা ৯ বজাৰ পৰা বিয়লি ৪ বজালৈ অনুষ্ঠিত অভিৱৰ্তনখনৰ পাৰিজাত কেওট মহিলা মৰ্চাৰ সভানেত্ৰী ৰেণুপ্ৰভা শইকীয়াই পতাকা উত্তোলন, পাঠকপুৰ শাখাৰ সভাপতি শুক্লেশ্বৰ শইকীয়াই স্মৃতি তৰ্পণ, শাখাৰ উপ-সভাপতি নাৰায়ণ বৰাই বৃক্ষৰোপণ আৰু শাখাৰ উপ-সভাপতি প্ৰফুল্ল বৰাই শোভাযাত্ৰা উদ্বোধন কৰে। চাৰিওটা অনুষ্ঠানত সহযোগ কৰে ক্ৰমে— জ্যোতি বৰা, তপেশ্বৰ বৰা আৰু জোনাকী দাধৰাই। পতাকা উত্তোলকস স্মৃতি তৰ্পক, শোভাযাত্ৰা উদ্বোধক তিনিওগৰাকীয়ে বক্তব্যত কেওট জাতিৰ স্বকীয়তা অক্ষুণ্ণ ৰখাৰ হকে কাম কৰি যাবলৈ সকলোকে আহ্বান জনায়। বৃক্ষৰোপক নাৰায়ণ বৰাই গছ থাকিলেহে মানুহ জীৱ-জগত জীয়াই থাকিব, এজোপা গছ কটাৰ আগতে অতি কমেও দহ জোপা গছ ডাঙৰ কৰি লোৱা উচিত, এজোপা গছ দশ পুত্ৰ সম বুলি বক্তব্যত প্ৰকাশ কৰে। ইয়াৰ পৰৱৰ্তী অনুষ্ঠান পাৰিজাত কেওট মহিলা মৰ্চাৰ সভানেত্ৰী ৰেণুপ্ৰভা শইকীয়াৰ সভাপতিত্ব মুকলি সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পাৰিজাত কেওট মহিলা মৰ্চাৰ সম্পাদিকা বেবী বৰাই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে সদৌ অসম কেওট সন্মিলনৰ উপ-সভাপতি নিৰঞ্জন বৰা, বিশিষ্ট অতিথি হিচাপে সদৌ অসম কেওট সন্মিলনৰ কাৰ্যকৰী সভাপতি কেশৱ চন্দ্ৰ চহৰীয়া, আমন্ত্ৰিত অতিথি হিচাপে সদৌ অসম কেওট সন্মিলনৰ মহিলা মৰ্চাৰ সম্পাদিকা সোণমণি ডেকা, ওদালগুৰি জিলা মহিলা মৰ্চাৰ যুটীয়া সম্পাদিকা মামণি ডেকা, বেবী বৰা, কোষাধ্যক্ষ উত্তৰা ডেকা চহৰীয়া, ওদালগুৰি জিলা কেওট সন্মিলনৰ সভাপতি প্ৰসন্ন বৰা, খৈৰাবাৰী শাখাৰ সম্পাদক ভাৰ্গৱ ডেকা উপস্থিত থকাৰ লগতে পাঠকপুৰ শাখাৰ সভাপতি শুক্লেশ্বৰ শইকীয়া, উপ- সভাপতি নাৰায়ণ বৰা, প্ৰফুল্ল বৰা সম্পাদক জ্যোতি বৰা, সহকাৰী সম্পাদক প্ৰবীণ বৰা প্ৰমুখ্যে সমূহ বিষয়ববীয়া সদস্য-সদস্যা আৰু পুৰুষ-মহিলা, যুৱক-যুৱতী সমন্বিতে সকলো ৰাইজ উপস্থিত থাকে। চা-চিনাকি আৰু সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰি পাঠকপুৰ শাখাৰ সভাপতি শুক্লেশ্বৰ শইকীয়াই কে'বাগৰাকী মহিলাৰ সহযোগত সকলোকে একোখনিকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। নিৰ্দিষ্ট বক্তাৰ ভাষণত নিৰঞ্জন বৰাই কয় যে- অষ্ট্ৰিক মূলৰ অসমৰ কেওট জনগোষ্ঠীয়ে অনুসূচিত জাতিৰ মৰ্যাদা যিকোনো ত্যাগৰ বিনিময়ত চৰকাৰৰ পৰা আদায় কৰি জাতিটোৰ সৰ্বাংগীণ বিকাশৰ পথ প্ৰশস্ত কৰিব লাগিব। অন্যান্য জাতি-জনগোষ্ঠীৰ লগত সমানে আগুৱাই যাবলৈ হ'লে কেওটসকলে সাংবিধানিকভাৱে ন্যায্য প্ৰাপ্য আদায় কৰিবলৈ চৰকাৰী পক্ষক বাধ্য কৰাব লাগিব। পুৰুষৰ সমান্তৰালকৈ মহিলা শক্তি একত্ৰিতভাৱে জাগ্ৰত হ'ব লাগিব। অতি প্ৰাচীন অষ্ট্ৰিক মূলৰ অসমৰ কেওট জনগোষ্ঠীৰ বৰ্ণিত ইতিহাস আছে। ৰামায়ণ, মহাভাৰতৰ পৃষ্ঠাত নদীয়াল কেওট, কৈৱৰ্তৰ কথা উল্লেখ আছে। ভাৰতীয় সংবিধানে কেওটৰ পৰৱৰ্তী জনগোষ্ঠীসমূহক ভাগে ভাগে স্বীকৃতি প্ৰদান কৰিলে যদিও কেওট জনগোষ্ঠীৰ লোকসকল বঞ্চিত হ'ল। সাংগঠনিক ভেটি মজবুত নোহোৱা হেতুকে হয়তো কেওটসকল পিছপৰি ৰ'ল। ১৯২১ চনতে জন্মগ্ৰহণ কৰা সদৌ অসম কেওট সন্মিলন আজি এশ বছৰ গৰকা এটা জাতীয় অনুষ্ঠান। এই অনুষ্ঠানৰ অৱস্থা বিগত বছৰসমূহত যি হ'লেও বৰ্তমান নতুন কেন্দ্ৰীয় সমিতিৰ নেতৃত্বত সমগ্ৰ অসমতে তীব্ৰতৰ গতি লাভ কৰিছে। সভাপতি, কাৰ্যকৰী সভাপতি উপ-সভাপতি প্ৰধান সম্পাদক সকলো বিষয়ববীয়াৰ একাণপটীয়া নেৰানেপেৰা প্ৰচেষ্টাত সন্মিলনখন বহু দূৰ আগুৱাই নিবলৈ সক্ষম হৈছে। সম্পাদক ব্ৰজেন কাকতিৰ নামেই কাম কাম কৰাৰ তাৎপৰ্যপূৰ্ণ ব্যাখ্যা দাঙি ধৰে। পুৰুষৰ সমান্তৰালকৈ মহিলা শক্তি একত্ৰিত হোৱাৰ সময় সমাগত। কাৰণ কেওট জীয়ৰী কনকলতাৰ দৰে সকলো কেওট মহিলা আইসকল আগুৱাই আহিব লাগিব। শৰাইঘাটৰ শেষ ৰণলৈ সদলবলে ওলাই আহিব লাগিব আদি বিভিন্ন দিশত উদাত্ত ভাষণ প্ৰদান কৰে। বিশিষ্ট অতিথি কাৰ্যকৰী সভাপতি কেশৱ চন্দ্ৰ চহৰীয়াই কেওটৰ জীয়ৰী-বোৱাৰী, আই-মাতৃ সকলো স্বতঃস্ফূৰ্তভাৱে উদ্ভাসিত হৈ ন্যায্য প্ৰাপ্য সাংবিধানিক অধিকাৰ পাবলৈ কনকলতা বৰুৱাৰ দৰে ওলাই আহিবলৈ আহ্বান জনায়। আমন্ত্ৰিত অতিথি, মহিলা মৰ্চাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদিকা সোণমনি ডেকাই অতি সুন্দৰ শুৱলা ভাষণেৰে মহিলাসকলক তৃপ্ত কৰে। আমন্ত্ৰিত অতিথি ওদালগুৰি জিলা মহিলা মৰ্চাৰ যুটীয়া সম্পাদিকা মামণি ডেকা, কোষাধ্যক্ষ উত্তৰা ডেকা, ওদালগুৰি জিলা সমিতিৰ সভাপতি প্ৰসন্ন বৰা, খৈৰাবাৰী শাখাৰ সম্পাদক ভাৰ্গৱ ডেকাই নিজৰ নিজৰ বক্তব্য দাঙি ধৰি কয়- মহিলা মৰ্চাৰ জৰিয়তে কেওট সন্মিলনৰ উত্তৰণ সহজেই সম্ভৱ। নিজৰ নিজৰ পৰিয়াল, সমাজ সকলোতে এগৰাকী সু গৃহিণী সমাজকৰ্মী নাৰী ৰূপে স্বীকৃত হ'বলৈ যত্নপৰ হ'ব লাগিব। কেওট জনগোষ্ঠীৰ চৰকাৰৰ পৰা পাবলগীয়া অনুসূচিত জাতিৰ মৰ্য্যদা পাবলৈ হ'লে ব্যক্তিগত স্বাৰ্থ ত্যাগ কৰি একাগ্ৰতাৰে আগুৱাই আহিব লাগিব। পুৰুষ পুত্ৰ পুত্ৰী সমন্বিতে সকলোকে প্ৰেৰণা যোগাব লাগিব। বিদেশী বস্ত্ৰ বিশেষকৈ গামোচা চাদৰ মেখেলা আদি নিজৰ হাতেৰে তৈয়াৰ কৰি সমাজ তথা দেশক স্বাৱলম্বী হবলৈ চেষ্টা কৰিব লাগিব। লগতে ভাষণৰ শেষত একোটিকৈ গীত পৰিৱেশন কৰি সকলোকে আমোদ প্ৰদান কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যাৰ পিছতে কণ কণ মইনা হঁতৰ দ্বাৰা সমবেত গীত,ভাৰ্গৱী শইকীয়াৰ একক নৃত্য,নিৰঞ্জন বৰাৰ স্বৰচিত কবিতা আবৃত্তি, সদৌ শেষত সভানেত্ৰীৰ বক্তব্য মন্তব্য শুক্লেশ্বৰ শইকীয়াৰ শলাগৰ শৰাই প্ৰদান আৰু জাতীয় সংগীত পৰিৱেশনেৰে মুকলি সভাৰ সামৰণি পৰে।

# সৰভোগৰ দহলাপাৰা আদৰ্শ বিদ্যালয়ত আজাদী কা অমৃত মহোৎসৱ আৰু সেৱা, সুশাসন তথা দৰিদ্ৰ কল্যাণৰ আলোকচিত্ৰ প্ৰদৰ্শনী

**দৈনন্দিন বাৰ্তাৰ সেৱা, সৰভোগ, ২১ নৱেম্বৰ ঃ** চেণ্ট্ৰেল কমিউনিকেচন ব্যুৰ'ৰ গুৱাহাটীস্থ আঞ্চলিক কাৰ্যালয়ে আজিৰে পৰা বৰপেটাৰ দহলাপাৰাৰ আদৰ্শ বিদ্যালয়ত দুদিনীয়া আলোকচিত্ৰ প্ৰদৰ্শনী তথা প্ৰচাৰ কাৰ্যসূচী আৰম্ভ কৰিছে। প্ৰদৰ্শনীখনৰ বিষয়বস্তু হৈছে আজাদী কা অমৃত মহোৎসৱ আৰু সেৱা, সুশাসন তথা দৰিদ্ৰ কল্যাণৰ ৮ বছৰ। প্ৰদৰ্শনীখন উদ্বোধন কৰি চকচকা খণ্ডৰ খণ্ড উন্নয়ন বিষয়া বিপুল ডেকাই কয় যে শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে আৰু তেওঁলোকৰ অৱদানৰ বিষয়ে জনসাধাৰণক অৱগত কৰিবলৈ দেশখনে আজাদী কা অমৃত মহোৎসৱ উদ্‌যাপন কৰি আছে। তেওঁ লগতে কয় যে চৰকাৰে জনসাধাৰণৰ বাবে বিভিন্ন উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰি আছে আৰু এই ধৰণৰ প্ৰদৰ্শনীৰ জৰিয়তে চৰকাৰৰ কাৰ্যসূচী আৰু নীতিসমূহৰ বিষয়ে জনসাধাৰণ অধিক সচেতন হ'ব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি দহলাপাৰাৰ আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত কুমাৰ শৰ্মাই ৰাষ্ট্ৰৰ স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগৰ কথা স্মৰণ কৰে। তেওঁ শিক্ষাৰ্থীসকলক স্বাধীনতা সংগ্ৰামীসকলৰ আদৰ্শ মনত ৰাখিবলৈ আৰু অনুসৰণ কৰিবলৈ আহ্বান জনায়। দহলাপাৰাৰ শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয় অধ্যক্ষ তিলক দাসে তেওঁৰ ভাষণত বৰপেটা জিলাত এনেধৰণৰ প্ৰদৰ্শনীৰ আয়োজন কৰাৰ বাবে চিবিচি, গুৱাহাটীৰ উদ্যোগক প্ৰশংসা কৰে। গুৱাহাটী চিবিচিৰ ক্ষেত্ৰ প্ৰচাৰ বিষয়া সুচৰিতা চাহুৱে তেওঁৰ আদৰণী ভাষণত কাৰ্যসূচীটোৰ লক্ষ্য আৰু তাৎপৰ্যৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানটোত ফেহুৰাখোৰা গাঁও পঞ্চায়তৰ সভাপতি বন্তি দাস ৰয়, ফেহুৰাখোৰা গাঁও পঞ্চায়তৰ গাঁওবুঢ়া প্ৰাণজিৎ দাস, দহলাপাৰাৰ শ্ৰীমন্ত শংকৰদেৱৰ বিদ্যালয় অধ্যক্ষ তিলক দাস, আৰু দহলাপাৰাৰ ক্লাষ্টাৰ সম্পদ কেন্দ্ৰৰ চিআৰচি প্ৰণৱ নাথ প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকে। দুদিনীয়া প্ৰদৰ্শনীখনত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বহুতো অখ্যাত নায়কৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ স্বাধীনতা সংগ্ৰামীসকলৰ ওপৰত বিভিন্ন আলোকচিত্ৰ পেনেল প্ৰদৰ্শন কৰা হয়। প্ৰদৰ্শনীখনত যোৱা ৮ বছৰত চৰকাৰৰ বিভিন্ন পদক্ষেপ আৰু আঁচনিও প্ৰদৰ্শন কৰা হয়। আজিৰ কাৰ্যসূচীত শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰকলা আৰু কুইজকে ধৰি বিভিন্ন প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। প্ৰদৰ্শনীখনত আত্মসহায়ক গোটৰ দ্বাৰা হস্তশিল্পৰ বিভিন্ন বিপণীও স্থাপন কৰা হয়। উক্ত প্ৰদৰ্শনীখনত চিবিচি, গুৱাহাটীৰ অধীনত ব্যক্তিগত পঞ্জীকৃত দল তথা স্থানীয় শিল্পীসকলে আজাদী কা অমৃত মহোৎসৱৰ বিষয়বস্তুৰ ওপৰত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে।





## খিলঞ্জীয়াক উচ্ছেদৰ বিৰুদ্ধে ডিব্ৰুগড়ত কৃষক মুক্তিৰ উদ্যোগত খিলঞ্জীয়াৰ গৰ্জন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২১ নৱেম্বৰ ঃ** ৰাজ্যিক চিৰিয়াখানা নিৰ্মাণৰ বাবে এইবাৰ খিলঞ্জীয়াক উচ্ছেদ অভিযানৰ বিৰুদ্ধে প্ৰতিবাদ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ। মন্ত্ৰী বিমল বৰাৰ সমৰ্থিত বছৰ বছৰ ধৰি ভোগ দখল কৰি খিলঞ্জীয়া ৰাইজৰ ভূমিত স্থাপনৰ বাবে কুচকাৱাজ চলিছে ৰাজ্যিক চিৰিয়াখানা ডিব্ৰুগড়ৰ ঘুগুলনী নেপালী গাঁও আৰু ঠেঙাল গাঁৱৰ বৃহত্তৰ অঞ্চলত চলোৱা উচ্ছেদ অভিযানৰ বিৰুদ্ধে আজি ডিব্ৰুগড় উপায়ুক্ত কাৰ্যালয় সন্মুখত লেঙেৰী আঞ্চলিক কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে বিশাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। জাতি-মাটি-ভেটি সুৰক্ষাৰ কথা কোৱা বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে ৰাজ্যিক চিৰিয়াখানা নিৰ্মাণৰ নামত খিলঞ্জীয়াৰ ভূমি উচ্ছেদ কৰিব খোজা চৰকাৰৰ হঠকাৰী নীতিক কঠোৰ ভাষাৰে সমালোচনা কৰে কৃষক মুক্তি আৰু প্ৰতিবাদকাৰীসকলে। কোলাত কেঁচুৱা লৈ প্ৰতিবাদকাৰীসকলে চহৰখনৰ মিলন নগৰস্থিত দূৰদৰ্শন কেন্দ্ৰৰ পৰা আজি দিনৰ ১১ বজাত বিশাল প্ৰতিবাদী সমদল বাহিৰ কৰি বিভিন্ন চৰকাৰবিৰোধী শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। আনহাতে, কোনোধৰণৰ আগজাননী নিদিয়াকৈ বছৰ বছৰ ধৰি ভোগ দখল কৰি থকা খিলঞ্জীয়া লোকসকলক উচ্ছেদ চলোৱা কাৰ্যক মানি নোলোৱাৰ হুংকাৰ প্ৰদান কৰিছে। আনকি এইসকল খিলঞ্জীয়াক ভূমিৰ পট্টা প্ৰদানৰ বিপৰীতে তেওঁলোকৰ ঘৰবাৰী শস্য ভূমি আদি বন বিভাগে উচ্ছেদ কৰাত কিংকৰ্তব্যবিমূঢ় হৈ পৰিছে। ককা-আজোককাৰ দিনৰে পৰা এই ভূমিত ভোগ দখল কৰি বসবাস কৰি পৰিয়াল পোহপাল দি থকা এই খিলঞ্জীয়া লোকসকল যাব ক'লৈ? কাজিৰঙাত অবৈধ বাংলাদেশীয়ে বেদখল কৰা ভূমি উচ্ছেদ কৰিব নোৱাৰা চৰকাৰখনে পুনৰ 'কা' আইনৰ যোগেদি হিন্দু বাংলাদেশীক সংস্থাপন দিবলৈ এই পদক্ষেপ লোৱা বুলি গুৰুতৰ অভিযোগ ভুক্তভোগীৰ। তেওঁলোকৰ দাবী যুগ যুগ ধৰি ভোগ দখল কৰি অহা ভূমি কেতিয়াও এৰি নিদিয়ে, বৰঞ্চ চৰকাৰক ম্যাদী পট্টা প্ৰদানৰ দাবীহে তুলিছে এইসকল প্ৰতিবাদকাৰীয়ে। প্ৰতিবাদৰ পাছত তেওঁলোকে মুখ্যমন্ত্ৰী আৰু বনমন্ত্ৰীৰ এখন স্মাৰক-পত্ৰ প্ৰদান কৰে জিলা উপায়ুক্তৰ যোগেদি। এই প্ৰতিবাদী কাৰ্যসূচীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক দেৱজিৎ বৰুৱাকে ধৰি কেন্দ্ৰীয়, জিলা আৰু আঞ্চলিক সমিতিৰ কে'বাজনো বিষয়ববীয়াই নেতৃত্ব প্ৰদান কৰে।

### গহপুৰৰ ডুবিয়াত গাড়ীৰ খুন্দাত নিহত এজন
## বিশিষ্ট কবি-অৱসৰী শিক্ষক ফটিক গগৈৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুবিয়া, ২১ নৱেম্বৰ ঃ** গহপুৰ থানাৰ অন্তৰ্গত ডুবিয়া পথাৰৰ সমীপৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত কালি সন্ধিয়া এক শোকাৱহ পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। সন্ধিয়া প্ৰায় ৭.৫০ বজাত বজাৰ-সমাৰ কৰি ঘৰলৈ বুলি খোজ কাঢ়ি উভতি যাওঁতে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত এখন অচিনাক্ত বাহনৰ খুন্দাত নিহত হয় অৱসৰপ্ৰাপ্ত শিক্ষক তথা একালৰ সাংবাদিক, কবি, সাংস্কৃতিক কৰ্মী ফটিক গগৈ। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ অহা ফটিক গগৈ সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত ডুবিয়া শাখা সমিতিৰ সম্পাদকৰ দায়িত্বত আছিল। যোৱা বৰ্ষৰ ২১ জানুৱাৰীত পূব ডুবিয়া উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা গগৈয়ে ১৯৮৪ৰ ৭ ফেব্ৰুৱাৰীত শিক্ষকতা জীৱন আৰম্ভ কৰিছিল। প্ৰায় ৩৭ বছৰ শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰাৰ পাছৰে পৰা তেওঁ



বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে বিশেষভাৱে জড়িত হৈ পৰে। এগৰাকী চিত্ৰশিল্পী হিচাপেও পৰিচিত ফটিক গগৈ আছিল অসম সাহিত্য সভাৰ আজীৱন সভ্য। উল্লেখ্য যে দৈনিক অগ্ৰদূত, মহাজাতি, তিনিদিনীয়া বাতৰি আদি কাকতত স্থানীয় সাংবাদিক হিচাপেও তেওঁ ১৯৮৪ চনৰ পৰা ২০০৩ চনলৈকে সেৱা আগবঢ়াইছিল। ডুবিয়া শাখা কবি সন্মিলনৰ সম্পাদক হিচাপে দায়িত্বত থকা গগৈ ডুবিয়া শাখা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, ডুবিয়া নাট্য সন্মিলনৰো সদস্য আছিল। গহপুৰ আঞ্চলিক মইনা পাৰিজাতৰ তেওঁ আছিল এগৰাকী উপদেষ্টা। তেওঁৰ আকস্মিক বিয়োগত স্থানীয় বিধায়ক উৎপল বৰা, পূব ডুবিয়া উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, বিশিষ্ট কবি নগেন কোঁৱৰ, জ্ঞান পূজাৰী, লোকেশ্বৰী সন্দিকৈ, সবিতা কোঁৱৰ, সদৌ অসম কবি সন্মিলনৰ সভাপতি বংশী বৰা, বিশ্বনাথ জিলা কবি সন্মিলন, ডুবিয়া শাখা সাহিত্য সভা, ডুবিয়া শাখা কবি সন্মিলন, ডুবিয়া লেখিকা সমাৰোহ সমিতি, গহপুৰ আঞ্চলিক মইনা পাৰিজাত, ডুবিয়া দ-গাঁও কৰ্মচাৰী কল্যাণ পুঁজি, দ-ডুবিয়া ক্ৰীড়া সন্থা, ডুবিয়া ব্যৱসায়ী.... সন্থাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি মৃতকৰ আত্মাৰ চিৰ শান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক তথা কবি ফটিক গগৈয়ে মৃত্যুৰ সময়ত পত্নীসহ তিনিগৰাকী কন্যাক ইহসংসাৰত এৰি যায়।

## বকতাত ৰহস্যজনকভাৱে যুৱকৰ মৃতদেহ উদ্ধাৰক লৈ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ২১ নৱেম্বৰ ঃ** ডিমৌৰ সমীপৰ বকতা নেমুগুৰি থানাৰ অন্তৰ্গত পথলিয়াল কৈৱৰ্ত গাঁৱৰ বিৰূপ চুতীয়াৰ বকতা জালুকণীৰ দিচাং নদীত মৃতদেহ উদ্ধাৰ হোৱাৰ বাতৰি পোৱা গৈছে। যোৱা ১৬ নৱেম্বৰৰ পৰা সন্ধানহীন হৈ আছিল বিৰূপ চুতীয়া নামৰ যুৱকজন। উক্ত দিনা পুৱা স্থানীয় দুই ব্যক্তিয়ে লগত শিৱসাগৰ নগৰলৈ বুলি বিৰূপ চুতীয়াক লৈ যোৱাৰ পিছৰে পৰা সন্ধানহীন হৈ আছিল বুলি পৰিয়ালৰ লোকে নেমুগুৰি থানাত লিখিত অভিযোগ দিয়াৰ পিছত আজি বকতা জালুকণীৰ দিচাং নদীত বিৰূপ চুতীয়াৰ মৃতদেহ উদ্ধাৰ হয়। ইফালে আজি মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতে পৰিয়ালৰ লোকে বিৰূপ চুতীয়াক ঘৰৰ পৰা নি পৰিকল্পিতভাৱে হত্যা কৰি দিচাং নদীত পেলাই দিছে বুলি গুৰুতৰ অভিযোগ কৰিছে। ঘটনাস্থলীত নেমুগুৰি আৰক্ষী আৰু স্থানীয় দণ্ডাধীশ উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইফালে, উক্ত ঘটনাৰ লগত জড়িত বুলি পৰিয়ালৰ লোকে অভিযোগ কৰা দুয়োটা অভিযুক্ত উক্ত দিন ধৰি আত্মগোপন কৰি আছে বুলি আৰক্ষীক অৱগত কৰিছে মৃতকৰ পৰিয়ালে। স্থানীয় ৰাইজ আৰু পৰিয়ালৰ লোকে নেমুগুৰি আৰক্ষীক বিৰূপ চুতীয়াক পৰিকল্পিত হত্যা জড়িত অভিযুক্তক যথোচিত শাস্তি দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

## বড়ো সাহিত্য সভাৰ জোনাই প্ৰাথমিক সমিতি, এবছুৰ জোনাই আঞ্চলিক সমিতি, আবৌফৰ জোনাই আঞ্চলিক সমিতিৰ নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২১ নৱেম্বৰ ঃ** ১৯ আৰু ২০ নৱেম্বৰত মাইদাংশ্ৰী খেলপথাৰত দুদিনীয়াকৈ অনুষ্ঠিত কৰা বড়ো সাহিত্য সভাৰ জোনাই প্ৰাথমিক সমিতিৰ ৩৮ সংখ্যক, এবছুৰ জোনাই আঞ্চলিক সমিতিৰ ২৪ সংখ্যক, আবৌফৰ জোনাই আঞ্চলিক সমিতিৰ ২০তম্ বছৰেকীয়া অধিৱেশনৰ প্ৰথমদিনা নিশা অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত তিনি বড়ো জাতীয় সংগঠনৰ জোনাই আঞ্চলিক সমিতিৰ নতুন কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হয়। অধিৱেশনৰ বড়ো সাহিত্য সভাৰ জোনাই প্ৰাথমিক সমিতিৰ প্ৰতিনিধি সভাই চম্ফল নাৰ্জাৰীক সভাপতি, ৰঞ্জিত দৈমাৰী, পানীৰাম দৈমাৰীক উপ-সভাপতি, গোপাল বসুমতাৰীক সাধাৰণ সম্পাদক হিচাপে লৈ জোনাই প্ৰাথমিক বড়ো সাহিত্য সভাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সমিতিখনত শুক্ৰধৰ বসুমতাৰী, চনেন বসুমতাৰী, চন্দ্ৰ বসুমতাৰীক উপদেষ্টা হিচাপে মনোনীত কৰা হয়। নিখিল বড়ো ছাত্ৰ সন্থাৰ জোনাই আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভাই মনৰাম মুছাহাৰীক সভাপতি, সত্য বসুমতাৰী,বিনয় নাৰ্জাৰীক উপ- সভাপতি, প্ৰদীপ বড়োক সাধাৰণ সম্পাদক, দেসৰ গয়াৰী, মৌচম বসুমতাৰীক সহকাৰী সাধাৰণ সম্পাদক, অজয় ৱাৰীক কোষাধ্যক্ষ হিচাপে লৈ এবছুৰ জোনাই আঞ্চলিক সমিতিৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সমিতিখনত উদাং বি বড়োছা, সুৰ্জিত নাৰ্জাৰী, মোজাংগোসাই নাৰ্জাৰীক উপদেষ্টা হিচাপে মনোনীত কৰা হয়। আনহাতে, সদৌ বড়ো মহিলা কল্যাণ পৰিষদৰ জোনাই আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভাই মিনু নাৰ্জাৰীক সভানেত্ৰী, ক্ষীৰদা দৈমাৰী, সৌমশ্ৰী মুছাহাৰীক উপ-সভানেত্ৰী, জোনমণি বসুমতাৰীক সাধাৰণ সম্পাদিকা, ভানু বসুমতাৰী আৰু হাইনা বসুমতাৰীক সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে লৈ জোনাই আঞ্চলিক বড়ো মহিলা কল্যাণ পৰিষদৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সমিতিখনত ফুলেশ্বৰী দৈমাৰী আৰু বাইলেং গয়াৰীক উপদেষ্টা হিচাপে মনোনীত কৰা হয়।

## বিভিন্ন কেলেংকাৰিত জড়িত প্ৰধান শিক্ষকক বৰ্খাস্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২১ নৱেম্বৰ ঃ** বঙাইগাঁও জিলা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত বঙাইগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা বঙাইগাঁও জিলা শিক্ষক ঐক্যমঞ্চৰ সম্পাদক নাৰায়ণ দেৱনাথক ১৮ নৱেম্বৰত জিলা প্ৰাথমিক শিক্ষা বিষয়া জোৎস্নাৰাণী বৰ্মনে এক নিৰ্দেশযোগে বৰ্খাস্ত কৰা ঘটনাই সমগ্ৰ জিলাতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে বঙাইগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাৰায়ণ দেৱনাথে বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ টকা আত্মসাৎ কৰাৰ লগতে অনিয়মীয়া আৰু নিম্ন মানৰ মধ্যাহ্ন ভোজন যোগান, ছাত্ৰ-ছাত্ৰীৰ বাবে চৰকাৰে যোগান ধৰা ইউনিফৰ্মৰ কেলেংকাৰি, দুযোৰ পোছাকৰ বিপৰীতে এযোৰ পোছাক বিতৰণ, শৈক্ষিক পৰিৱেশ বিনষ্ট কৰা, বিভাগীয় নীতি-নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰা, নীতি বহিৰ্ভূতভাৱে চিৰাং জিলাৰ পোষ্টৰ বিপৰীতে বঙাইগাঁৱৰ পৰা দৰমহা লোৱা আদি কেলেংকাৰিৰ তথ্য প্ৰমাণৰ ভিত্তিত বিভাগীয় নিয়ম অনুসৰি এক লিখিত আদেশৰ জৰিয়তে বৰ্খাস্ত কৰে। উল্লেখ্য যে চলিত বৰ্ষৰ ১৪ অক্টোবৰত নতুনকৈ জন্ম লোৱা বঙাইগাঁও জিলা শিক্ষক ঐক্য মঞ্চই জিলা উপায়ুক্তলৈ ৯টা দাবী সম্বলিত এখন লিখিত আবেদন কৰিছিল, য'ত নিয়মীয়াকৈ বিদ্যালয় পৰিদৰ্শকসকলে বিদ্যালয়সমূহ পৰিদৰ্শন কৰিব লাগে বুলি উল্লেখ কৰিছে। শিক্ষা বিষয়াজনে আগৰ পৰাই এলপি, এমই আৰু হাইস্কুলসমূহ পৰিদৰ্শন কৰি আহিছিল যদিও আবেদনৰ পিছত দৈনিক কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰি যোৱা ২৬ অক্টোবৰত বঙাইগাঁও মধ্য ইংৰাজী বিদ্যালয় পৰিদৰ্শন কৰে আৰু তেতিয়াই ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাৰায়ণ দেৱনাথৰ কেলেংকাৰিৰ তথ্য পোহৰলৈ আহে। ১২ নৱেম্বৰত বিষয়াজনে প্ৰধান শিক্ষকলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰে। প্ৰধান শিক্ষক নাৰায়ণ দেৱনাথে উপযুক্ত কাৰণ দেখুৱাব নোৱাৰাত ১৮ নৱেম্বৰত চাকৰিৰ পৰা বৰ্খাস্ত কৰে আৰু বিদ্যালয়ৰ জ্যেষ্ঠ সহকাৰী শিক্ষকক সকলো দায়িত্ব বুজাই দিবলৈ নিৰ্দেশ দিয়ে। সদ্য বৰ্খাস্ত প্ৰধান শিক্ষক তথা শিক্ষক ঐক্য মঞ্চৰ সম্পাদকজনে নিজকে নেতা বুলি দম্ভালি মাৰি শিক্ষা বিষয়াৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হৈ পৰে আৰু একাংশ সংবাদ মাধ্যমক ভুৱা তথ্য যোগান ধৰি নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে মনেসজা বাতৰি পৰিৱেশন কৰি সংবাদ মাধ্যমক ভুল পথে পৰিচালিত কৰি আছে। ইফালে, বঙাইগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ দুৰ্নীতিবিৰোধী এই পদক্ষেপক শিক্ষক সমাজ তথা সচেতন মহলে আদৰণি জনাইছে।

## চিমেন চাপৰিত পথ দুৰ্ঘটনা মটৰচাইকেল আৰোহী শিক্ষক হানিফ দলে আঘাতপ্ৰাপ্ত, ডিব্ৰুগড়লৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২১ নৱেম্বৰ ঃ** চিমেন চাপৰি আৰক্ষী থানাৰ চিমেন চাপৰি কলেজ তিনিআলিত আজি সংঘটিত হয় এক পথ দুৰ্ঘটনা। পুৱা প্ৰায় ৭.৩০ বজাত ডিব্ৰুগড়ৰ পৰা চিমেন চাপৰিৰ চমকঙলৈ বুলি আহি থকা এএছ০৭ ৬৪৮০ নম্বৰৰ বুলেট ৰয়েল এনফিল্ড মটৰচাইকেলখন চিমেন চাপৰি কলেজ তিনিআলিৰ পৰা চমকং পথত সোমাব লওঁতে ইটানগৰৰ পৰা জোনাই অভিমুখে একে দিশৰ পৰা আহি থকা এআৰ ০৯ চি ৯৬৩১ নম্বৰৰ চাৰিচকীয়া বাহনখনে পিছফালৰ পৰা প্ৰচণ্ড জোৰেৰে খুন্দা মাৰে। ফলত মটৰচাইকেল আৰোহীজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পথ দুৰ্ঘটনাটোত ভৰি ভাগি যোৱাৰ উপৰি শৰীৰৰ আন অংশত আঘাত পোৱা মটৰচাইকেল আৰোহীগৰাকীক ততাতৈয়াকৈ ডেকাপাম ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা হয়। দুৰ্ঘটনাগ্ৰস্ত মটৰচাইকেল আৰোহীজন লামাজান মাজগাঁও প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক হানিফ দলে। পথ দুৰ্ঘটনাত চাৰিচকীয়া বাহনখন বিধ্বস্ত হৈ পৰে।

No: EE/MDTBD/76/Jagiroad Stadium/Consultancy/22-23/982

**EXPRESSION OF INTEREST FOR CONSULTANCY SERVICE**

On behalf of the Governor of Assam,The Executive Engineer, P.W.D,Morigaon District Territorial Building Division, invites"Expression of Interest" (EOI) from empanelled Architect / Architectural firms (Category —A, B & C) under Assam P. W.D (Building), who are registered with Council of Architecture and having wide experience in the relevant field of work in North-Eastern region for the following project: - ***Construction of 'Mini Stadium at Jagiroad (Dist. Morigaon)', Assam.***

The details may be seen in the **Notice Inviting Proposal** for the consultancy services along with the Terms of Reference (TOR) in the P.W.D **portal assamtenders.gov.in.** The validity period of the RFP shall be 180 days from the date of submission.

The Bidders must be registered with the **E-tendering system (ETS) of the Govt. of Assam.(website: http// assamtenders.gov.in).** The Executive Engineer, P. W.D,Morigaon District Territorial Building Division Assam reserves the right to accept or reject any or all proposals without showing any reasons what so ever.

**Sd/-**
**Executive Engineer, PWD,**
**Morigaon District Territorial Building Division**
**Morigaon**

*Janasanyog /C/14632/22*

## ডিব্ৰুগড়-সাপেখাঁতী সংযোগী পথত মালবাহী ডাম্পাৰ চালকৰ মইমতালিত অতিষ্ঠ পথাচাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২১ নৱেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল আৰু টিংখং সমষ্টিৰ অন্তৰ্গত ডিব্ৰুগড় গ্ৰাম্য সংমণ্ডলৰ অধীনৰ ডিব্ৰুগড় সাপেখাঁতী সংযোগী পথত মালবাহী ডাম্পাৰ চালকৰ মইমতালিত অতিষ্ঠ হৈ পৰিছ পথেদি অহা-যোৱা কৰা পথাচাৰী, চাইকেল-বাইক আৰোহী আৰু শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী। বৰ্তমান বুঢ়ীদিহিং নদীৰ একাংশ বালি মহলৰ পৰা বালি বোজাই কৰিয়াই নিয়া মালবাহী ডাম্পাৰ চালকে তীব্ৰ বেগেৰে চলোৱা ডাম্পাৰৰ চলাচলে ডিব্ৰুগড় সাপেখাঁতী সংযোগী পথটোৰ জকাই কলিয়নী চামগুৰি গড়কাপ্টানী পথটো মৃত্যুদূতত পৰিণত হৈ পৰিছে বুলি জকাই উচ্চতৰ মাধ্যমিক, জকাই বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, জকাই ন-জ্যোতি বিদ্যাপীঠ মধ্য ইংৰাজী বিদ্যালয়কে ধৰি প্ৰাথমিক বিদ্যালয়ত অধ্যয়নত শিক্ষাৰ্থীৰ অভিভাৱকে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। তীব্ৰ বেগেৰে চলোৱা মালবাহী বালিভৰ্তি ডাম্পাৰ গাড়ীৰ অবাধ চলাচলে ডিব্ৰুগড় সাপেখাঁতী সংযোগী পথৰ জকাই অঞ্চলৰ শিক্ষানুষ্ঠানলৈ অহা-যোৱা কৰা প্ৰাথমিকৰ পৰা উচ্চ মাধ্যমিক পৰ্যন্ত ছাত্ৰ-ছাত্ৰীৰ বাবে বিপজ্জনক হৈ পৰা বুলি অভিভাৱকসকল চিন্তিত হৈ পৰিছে বুলি সংবাদ মাধ্যমৰ আগত জানিবলৈ দিছে। যোৱা ১৯ নৱেম্বৰত হৰেঘাট দলঙৰ সমীপত এখন ডাম্পাৰে ভগাছিগা বস্তু কঢ়িয়াই লৈ ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰা এজন লোকক মহটিয়াই নিয়াৰ ফলত ব্যক্তিজন গুৰুতৰভাৱে আহত হৈ বৰ্তমানেও চিকিৎসাধীন হৈ আছে। আনহাতে, তীব্ৰ বেগেৰে চলোৱা ডাম্পাৰ আৰু অন্যান্য মালবাহী ট্ৰাকৰ বাবে ডিব্ৰুগড়-সাপেখাঁতী সংযোগী পথটোৰেদি অহা-যোৱা কৰাৰ সময়ত ধূলিৰে ধূসৰিত প্ৰদূষণ হৈ পৰাত জকাই কলিয়নী, চামগুৰি, হাঁহচৰা, চেঙামাৰী, উলোম, হৰেঘাটত এক অবাঞ্চিত পৰিস্থিতিৰ সন্মুখীন হৈছে বুলি স্থানীয় ৰাইজে জানিবলৈ দিছে। স্থানীয় ৰাইজে শিক্ষানুষ্ঠানলৈ ছাত্ৰ-ছাত্ৰী অহা-যোৱা সময়ছোৱাত মালবাহী ডাম্পাৰৰ চলাচল বন্ধ কৰাৰ সন্দৰ্ভত পদক্ষেপ গ্ৰহণৰ বাবে ডিব্ৰুগড় জিলাৰ উপায়ুক্তক ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলে আহ্বান জনাইছে। অভিভাৱকসকলে মালবাহী ডাম্পাৰ আৰু অন্যান্য গাড়ী চলোৱাত আপত্তি নাই বুলি শিক্ষাৰ্থীসকলৰ অভিভাৱকসকলে প্ৰকাশ কৰিছে। কিন্তু তীব্ৰ বেগেৰে যাতে মালবাহী ডাম্পাৰকে ধৰি অন্যান্য গাড়ী ছাত্ৰ-ছাত্ৰীসকল শিক্ষানুষ্ঠানলৈ যোৱাৰ সময়ত নচলায় তাৰ গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱাৰ ওপৰত ডিব্ৰুগড় জিলা প্ৰশাসন আৰু ডিব্ৰুগড় বন বিভাগৰ প্ৰতি দাবী জনাইছে।

## বি এইচ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাম অৱতাৰ মহেশ্বৰীৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২১ নৱেম্বৰ ঃ** বৰপেটাৰোডৰ বিশিষ্ট নাগৰিক ৰাম অৱতাৰ মহেশ্বৰীৰ কালি নিশা আঠমান বজাত নিজ বাসগৃহত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৭৪ বছৰ হৈছিল। নামনি অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠান বিএইচ কলেজৰ বাণিজ্য বিভাগৰ তেওঁ আছিল প্ৰতিষ্ঠাপক অধ্যাপক। তেওঁ আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ এমবিএ বিভাগৰ অতিথি অধ্যাপক, বিএইচ কলেজ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, বৰপেটাৰোডৰ ৰাধাকৃষ্ণ ঠাকুৰবাৰীৰ প্ৰাক্তন সভাপতি। বৰ্তমান দ্ৰোণাচাৰ্য একাডেমীৰ পৰিচালনা সমিতিৰ সভাপতি ৰাম অৱতাৰ মহেশ্বৰীয়ে দীৰ্ঘকাল ধৰি বৰপেটাৰোড শংকৰদেৱ নিকেতনৰো সভাপতিৰ দায়িত্বত আছিল। বৰপেটাৰোডৰ লগতে অসম তথা বাহিৰা ৰাজ্যৰ বিভিন্ন সামাজিক কামৰ লগত ওতপ্ৰোতভাৱে জড়িত মহেশ্বৰীৰ মৃত্যুত বৰপেটাৰোডত শোকৰ ছাঁ বিৰাজ কৰিছে। তেওঁৰ মৃত্যুৰ বাতৰি লাভ কৰাৰ লগে লগে কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, স্থানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰ, বৰপেটাৰ বিধায়ক আব্দুৰ ৰহিম আহমেদ, বৰপেটাৰোডৰ পৌৰপতি ৰাজেশ সৰকাৰ, দ্ৰোণাচাৰ্য একাডেমী, বৰপেটাৰোড সাহিত্য সভা, বৰপেটাৰোড মাৰোৱাৰী যুৱ মঞ্চ, বৰপেটাৰোড লায়ঞ্চ ক্লাব, বৰপেটাৰোড মাৰোৱাৰী সমাজ, ৱাৰ্ড কমিছনাৰ সুৰেশ চৌধুৰী, বৰপেটাৰোড আছু, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বৰপেটাৰোড আঞ্চলিক সমিতি, বৰপেটাৰোড বঙালী যুৱ ছাত্ৰ ফেডাৰেচন, বৰপেটাৰোড ডেভলপমেণ্ট ফ'ৰাম, বৰপেটাৰোড নাট্য সন্মিলন, বৰপেটাৰোড আঞ্চলিক মহিলা সমিতি, ৰঙ্গালয়, বৰপেটাৰোড ক্লাব, প্ৰগতি সংঘ, বৃহত্তৰ বৰপেটাৰোড সাংস্কৃতিক আৰু সমাজ কল্যাণ মহিলা সমিতি, বৰপেটাৰোড শংকৰদেৱ শিশু নিকেতনকে আদি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে আৰু তেখেতলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে।

## নলবাৰীৰ কৃষি পথাৰত ধানৰ শীহ শুকাই যোৱা ৰোগৰ প্ৰাদুৰ্ভাৱ ঃ দুঃচিন্তাত কৃষক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২১ নৱেম্বৰ ঃ** বান আৰু তীব্ৰ খৰাং সৃষ্ট পৰিস্থিতিয়ে বিগত সময়ত নলবাৰীৰ খেতিয়ক-কৃষিজীৱী ৰাইজক মাধমাৰ শোধোৱাৰ পিছত সম্প্ৰতি জিলাখনৰ বিভিন্ন কৃষিপথাৰত ধানৰ গেঁৰ ওলোৱাৰ পিছত ধানৰ সিহ শুকাই যোৱা ৰোগেবিধে কৃষক ৰাইজক চিন্তিত কৰি তুলিছে। কৃষি চহকী জিলাখনৰ দক্ষিণ প্ৰান্তৰ বিভিন্ন দ কৃষি পথাৰৰ শালি ধানৰ এক বিস্তীৰ্ণ এলেকাৰ ধানখেতিত শীহ শুকাই যোৱা ৰোগে দেখা দিয়াত কৃষকসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। জানিব পৰা মতে, বিশেষকৈ জাহা ধান খেতিৰ শীহ অত্যধিকভাৱে শুকাই যোৱাত মূৰে-কপালে হাত দিছে এক গৰিষ্ঠসংখ্যক কৃষকে। এনে ৰোগৰ ফলত এবিঘা মাটিত যদি ১০-১২ মোন ধান উৎপাদন হ'ব লাগিছিল এতিয়া সেই এবিঘা মাটিত মাত্ৰ চাৰি-পাঁচ মোনহে জহা ধানৰ ফচল পোৱাৰ সম্ভাৱনা থকাৰ আশংকা প্ৰকাশ কৰিছে ঠাইবিশেষে একাংশ কৃষকে। খেতি পথাৰত ইতিমধ্যে শালিধান খেতিত প্ৰাদুৰ্ভাৱ হোৱা পোকৰ উপদ্ৰৱে কৃষক ৰাইজক চিন্তিত কৰি তুলিছিল।

## নগাঁৱৰ নুৰুল আমিন চৌধুৰীলৈ ৰাজ্যৰ শ্ৰেষ্ঠ মীনপালক বঁটা




**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰূপহীহাট, ২১ নৱেম্বৰ ঃ** আজিৰ তাৰিখটো গোটেই বিশ্বতেই বিশ্ব মীন দিৱস উদ্‌যাপন কৰি আহিছে। তদুপলক্ষে গুৱাহাটী মীন ভৱনত ৰাজ্যৰ শ্ৰেষ্ঠ মীনপালকৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সদৌ অসম ভিত্তিত আয়োজন কৰা এই বঁটা বিতৰণী সভাত ৰাজ্যৰ মীন, পৰিবহণ আৰু আবকাৰী বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ লগতে বিভাগীয় সঞ্চালক উপস্থিত থাকি নগাঁও জিলাৰ ছোটৰূপহীৰ ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত সমাজসেৱক আলহাজ নুৰুল আমিন চৌধুৰীক ৰাজ্যৰ শ্ৰেষ্ঠ মীনপালক হিচাপে পুৰস্কৃত কৰে। বঁটাৰ লগত এখন ফুলাম গামোচা, অংগবস্ত্ৰ, এটি স্মাৰক, মানপত্ৰৰ লগতে ৫,০০০ টকাৰ এখন প্ৰতীকী চেক। চৌধুৰীয়ে তেওঁৰ ২.২ হেক্টৰ মাটিত তিনিটা পুখুৰীত মাছ পালন কৰি বছৰি প্ৰায় ২০ লাখ টকা উপাৰ্জন কৰে বুলি আমাক জানিব দিয়ে। আজিৰ এই অনুষ্ঠানত মীন বিভাগৰ আয়ুক্ত সচিবকে আদি কৰি বিভিন্ন বিষয়াসকলৰ লগতে ফিছ ফেড উদ্যোগৰ অধ্যক্ষ মহোদয় উপস্থিত থাকে। মন্ত্ৰী শুক্লবৈদ্যই সভাত অংশগ্ৰহণ কৰি মীনপালকসকলক এক ইতিবাচক বাৰ্তা প্ৰদান কৰাৰ লগতে মীন পালনৰ দক্ষতা আৰু ব্যৱসায়িক সফলতা সম্পৰ্কে মীনপালকসকলক প্ৰেৰণা যোগোৱাৰ এই বিশেষ দিনটোত এক মূল্যৱান ভাষণ প্ৰদান কৰে।

No: GMB 15/2020/

**PRESS NOTICE INVITING TENDER**

Sealed tender in plain papers subsequently to be drawn in F-2 form affixing non-refundable court fee stamp of Rs. 8.25 only are invited for the following works from class- I (A,B,C), II & III contractors under P.W.D. (Road) according to their eligibility (1% for ST/SC/OBC) of the estimated amount beyond will have to be deposited as security in form of bank draft pledged in favour of Gohpur Municipal Board along with the tenders submitted. Moreover, the successful tenderer will require to furnish earnest money as per A.P.W.D. (Road) norms before issuing formal work order.

The tenders will be received up to **11.00** A.M of **29/11/2022.** The tenders will be opened on the same day at **2.30** P.M. Intending tenderer or their authorized agents may remain present at the time of opening the tenders.

The tender papers will be supplied on payment of Rs. 500/- (Rupees five hundred) only (Non refundable) by cash. Attested copy of testimonials like Registration Certificate, up to date clearance of Income tax, Sale tax clearance certificate, Labour licences and experience certificate etc.

Intending tenderer may inspect the plan and estimate in office during office hours.

| SI No | Name of the Scheme | Estimated Amount (in Rs) |
|---|---|---|
| 1 | Improvement of both side of railway station road near hospital under 15th FC (untied grant) for the year 2020-21,1st installment. | 600000.00 |
| 2 | Earth filling of Green wood park at Ward No 8 under 15st FC (untied grant) for the year 2020-21,1st installment. | 477090.00 |
| 3 | Repairing of RCC drain cover plates for sewerage from Iyoti Nagar to Dimbeswar Baruah Path, Ward No 4 under 15th FC (Tied grant) for the year 2020-21,1st installment. | 219400.00 |
| 4 | Construction of concrete structure (I love Gohpur) at Gohpur Town under 15th FC (untied grant) for the year 2020-21,1st installment. | 545422.00 |

Total 18,41,912.00

Executive Officer
Gohpur Municipal Board, Gohpur.

*Janasanyog /CF/3056/22*

## প্ৰথম পৃষ্ঠাৰ পৰা—

## চীনৰ 'বিদেশৰ থানা' থকা

| | |
|---|---|
| | ৰিঅ' ডি জেনেইৰ' |
| ২০■ আৰ্জেণ্টিনা | বুয়েনছ আয়াৰ্ছ |
| ২১■ চিলি | ভিনা ডেল মাৰ্চ |
| ২২■ ইকুৱেডৰ | কুইটো, গুৱায়াকিল |
| ২৩■ উজবেকিস্তান | ছিবদাবো |
| ২৪■ মংগোলিয়া | উলানবাটাৰ |
| ২৫■ ব্ৰুনে চেৰী | বেগোৱান |
| ২৬■ জাপান | টকিঅ' |
| ২৭■ কম্বোডিয়া | ফ্নম পেন |
| ২৮■ নাইজেৰিয়া | বেনিন চহৰ |
| ২৯■ লেচোথো | মাছেৰু |
| ৩০■ তাঞ্জানিয়া | দাৰ এছ চালাম |

## মাৰণাস্ত্ৰৰ ঝনঝনিত কম্পমান

ডেইবীৰ বিতৰক বঞ্চিত বৰাক দুচকীয়া বাহনত অহা দুৰ্বৃত্তই শূন্য দূৰত্বৰ পৰা গুলীয়াই হত্যা কৰে। বৰাৰ হাতৰ পৰা নগদ আঢ়ৈ লাখ টকা লুটি নিয়া বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। গুলীচালনাৰ খবৰ জানিব পাৰি ঘটনাস্থলীত উপস্থিত হয় আৰক্ষী আয়ুক্ত। তেওঁ ইতিমধ্যে হত্যাকাৰীৰ ক্লু পোৱা বুলি সদৰী কৰি শীঘ্ৰে হত্যাকাৰী জালত পৰিব বুলি উল্লেখ কৰে। তদন্তৰ খাটিৰত আৰক্ষীয়ে সবিশেষ প্ৰকাশ কৰাৰ পৰা বিৰত আছে যদিও ঘটনাটোৱে আতংকৰ সৃষ্টি কৰিছে নাগৰিকৰ মনত। নিৰাপত্তাৰক্ষীৰে গিজগিজাই থকা মহানগৰীৰ মাজমজিয়াত সংঘটিত হত্যাকাণ্ডক সহজভাৱে ল'ব পৰা নাই মহানগৰবাসীয়ে। উল্লেখ্য যে দুৰ্বৃত্তৰ গুলীত গুৰুতৰভাৱে আহত বৰাক ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। স্থানীয় ৰাইজৰ ভাষ্য মতে অমায়িক স্বভাৱৰ আছিল প্ৰয়াত বৰা। ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে আছিল তেওঁৰ মধুৰ সম্পৰ্ক। ৰাইজে অভিযোগ কৰা মতে দুৰ্বৃত্তই দীৰ্ঘ দিনৰ পৰাই তেওঁক অনুসৰণ কৰি আছিল। অতি শীতল মস্তিষ্কৰে বঞ্চিত বৰাক হত্যা কৰা বুলি একাংশই অভিযোগ কৰে। আৰক্ষীয়ে হত্যাকাৰীক বিচাৰি অভিযান তীব্ৰতৰ কৰি তুলিছে যদিও এই পৰ্যন্ত আৰক্ষীৰ জালত পৰা নাই হত্যাকাৰী।

**কেনেদৰে সংঘটিত হৈছিল ঘটনাটো—** সময় তেতিয়া প্ৰায় ১১.৩০ বাজিছিল। পুৱতী ডেইবীৰ বিতৰক বঞ্চিত বৰাই পূৰ্বৰ দৰে আইচিআইচিআই বেংকৰ পাঞ্জাবাৰী শাখাত জমা দিবলৈ আহিছিল টকা। পূৰ্বতে এইদৰে ধন জমা দি পুৱতী ডেইবীৰ পৰা সংগ্ৰহ কৰে উৎপাদিত সামগ্ৰী। আজি নিজেই চলাই আহিছিল এ এছ-০১ বি এইচ-৫০২২ নম্বৰৰ গাড়ীৰে আইচিআইচিআই বেংকলৈ। হঠাৎ সেই ঠাইত দুচকীয়া বাহনেৰে উপস্থিত হৈছিল দুৰ্বৃত্ত। শূন্য দূৰত্বৰ পৰা বঞ্চিত বৰালৈ লক্ষ্য কৰি গুলী চলাইছিল। দুৰ্বৃত্তৰ গুলীয়ে আঘাত কৰিছিল বৰাৰ মূৰত। দুৰ্বৃত্তই বৰাই অনা ধনৰ টোপোলা লৈ দ্ৰুতগতিত সেই স্থান এৰি পলাই গৈছিল পাঞ্জাবাৰীৰ দিশে। সন্দেহ কৰা মতে দুৰ্বৃত্তই পূৰ্বৰে পৰাই বৰাৰ সকলো তথ্য সংগ্ৰহ কৰিছিল। এতিয়া আৰক্ষীৰ দায়িত্ব হত্যাকাৰী বিচাৰি কঠোৰ শাস্তি প্ৰদান কৰা।

## নামদাং অঞ্চলত বসবাস কৰা

পৰিয়ালে অৰ্থনৈতিকভাৱে সুচল হৈ আহিছিল। কিন্তু এতিয়া এই লোকসকলৰ মাটি উচ্ছেদৰ ফলত একমাত্ৰ উপাৰ্জনৰ পথ বন্ধ হৈ পৰিলে। যাৰ ফলত পানীত হাঁহ নচৰা অৱস্থা হৈছে বুলি মন্তব্য প্ৰকাশ কৰে। আনহাতে, খিলঞ্জীয়া সহজ-সৰল লোকসকলক জোৰ আৰু জীৱিকা সুৰক্ষা দি উচ্ছেদ বন্ধ কৰি অতি শীঘ্ৰে মাটি পট্টা প্ৰদান কৰাৰ লগতে আজিৰ পৰা ভোগ-দখল কৰি থকা মাটিবোৰত কৃষি কৰ্ম কৰি জীৱন নিৰ্বাহ কৰিবলৈ উপায়ুক্ত কাৰ্যালয় ঘেৰাও কৰি এখন স্মাৰক-পত্ৰ উপায়ুক্তক প্ৰদান কৰি উপায়ুক্তগৰাকীক বিষয়টি গুৰুত্ব সহকাৰে বিবেচনা কৰি খিলঞ্জীয়া লোকসকলৰ জীৱন-জীৱিকা, মাটি-ভেটি ৰক্ষা কৰিবলৈ অনুৰোধ জনায় কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে।

## বিশেষ পাৰদৰ্শিতা দেখুওৱা

জীৱনৰ প্ৰতিটো ঢাপতে মাছৰ অপৰিসীম গুৰুত্ব থকাৰ কথা উল্লেখ কৰি সাহিত্য-সাংস্কৃতিক আৰু আধ্যাত্মিক দিশটোৰ সৈতেও কিদৰে মৎস্য বিষয়টো সংপৃক্ত হৈ আছে, ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৎস্যক সম্পদ বুলি উল্লেখ কৰাৰ কথা উনুকিয়াই মন্ত্ৰী শুক্লবৈদ্যই সাম্প্ৰতিক কেন্দ্ৰীয় চৰকাৰখনে মৎস্য উৎপাদনৰ ক্ষেত্ৰত লোৱা ভূমিকাৰ ভূয়সী প্ৰশংসা কৰে। ৰাজ্য চৰকাৰেও মীনপালকসকলক উৎসাহিত কৰি মীন বিভাগক অধিক ত্বৰান্বিত কৰাৰ বাবে চেষ্টা অব্যাহত ৰখা বুলি তেওঁ প্ৰকাশ কৰে। ইতিমধ্যে ৰাজ্যখনে মীন উৎপাদনৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত ৫টাকৈ বঁটা লাভ কৰিবলৈ সক্ষম হোৱা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সভাত উপস্থিত থকা মীন বিভাগৰ আয়ুক্ত, সচিব আৰ কুমাৰে আন্তৰ্জাতিক মীন দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে বিভিন্ন প্ৰজাতিৰ মাছৰ পালন আৰু সংৰক্ষণৰ জৰিয়তে জৈৱ-বৈচিত্ৰ্য বৰ্তাই ৰাখি বিশ্বত মৎস্য পালন আৰু ব্যৱসায়িক ভিত্তিত উৎপাদনক উৎসাহিত কৰাই ইয়াৰ উদ্দেশ্যে। অনুষ্ঠানত ফিছফেড্ৰ সঞ্চালক সুশীলা হাজৰিকা, অসম মীন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক প্ৰশান্ত বৰকাকতি প্ৰমুখ্যে মীন বিভাগ, মীন সঞ্চালকালয়, ফিছফেড্ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। অনুষ্ঠানত মৎস্যপালনত বিশেষ পাৰদৰ্শিতা দেখুওৱা চাৰিগৰাকী ব্যক্তিলৈ বিশেষ বঁটা আগবঢ়োৱা হয়। তদুপৰি প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত হিতাধিকাৰীসকলক আৰ্থিক সাহায্য প্ৰদান কৰা হয়।

## ফেচবুক প্ৰেমৰ কৰুণ পৰিণতি

মৃতদেহ আজি দিনত উদ্ধাৰ হয়। মৃত মহিলাগৰাকীৰ নাম শিখামণি দেৱী বুলি জানিব পৰা গৈছে। স্থানীয় লোকৰ ভাষ্য অনুসৰি বিগত বছৰৰ শেষৰ ফালে শিখামণি দেৱীয়ে ফেচবুকযোগে নগাঁও চহৰৰ ৰফিক আহমেদ নামৰ এগৰাকী ব্যক্তিৰ সৈতে চিনাকি হৈছিল। লাহে লাহে ৰফিকৰ সৈতে শিখামণিৰ প্ৰেমৰ সম্পৰ্কই গঢ় লৈ উঠে। ইয়াৰ পিছতে এই বছৰৰ জানুৱাৰী মাহৰ শেষৰ ফালে শিখামণিয়ে স্বামী ৰঞ্জন সিং আৰু দুটি সন্তানক এৰি শিলিগুড়িৰ পৰা নগাঁৱলৈ আহে। শিখামণিৰ প্ৰেমিক ৰফিকে নগাঁৱৰ আজাদ নগৰত এটা ভাৰা ঘৰ লৈ শিখামণিক তাত থাকিবলৈ দিয়ে। আনহাতে, শিখামণিৰ প্ৰেমিক ৰফিক আহমেদ বিবাহিত হোৱাৰ বাবে নগাঁৱলৈ শিখামণি অহাৰ পিছত দুয়োৰে মাজত প্ৰায়ে কাজিয়াৰ সূত্ৰপাত হ'বলৈ ধৰে। শেহতীয়াভাৱে শিখামণি দেৱীক ভাৰাঘৰত এৰি ৰফিক পুনৰ পূৰ্বৰ পত্নীৰ সৈতে থাকিবলৈ লয়। ইয়াৰ পিছতে আজি শিখামণি দেৱীয়ে হঠাৎ আত্মহত্যাৰ পথ বাছি লয়। ইতিমধ্যে আৰক্ষীয়ে শিখামণিৰ প্ৰেমিক ৰফিক আহমেদক আটক কৰিছে। আৰক্ষীয়ে শিখামণিৰ কোঠাৰ পৰা গৰ্ভনিৰোধক টেবলেটো উদ্ধাৰ কৰিছে।

## ২৪ নৱেম্বৰত ৰাজ্যবাসীক

পূৰ্বোত্তৰ স্বাভিমান উৎসৱ উদ্‌যাপনৰ কাৰ্যসূচীত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। উল্লেখ্য, ৰাষ্ট্ৰ নিৰ্মাণত ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ অৱদানক উদ্‌যাপন কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ভাৰতীয় ৰাষ্ট্ৰবাদ বৃদ্ধিৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ভূমিকা আৰু বিশ্বব্যাপী সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰেক্ষাপটত ভাৰতৰ উত্থানৰ চালিকা শক্তি হিচাপে উত্তৰ পূৰ্বাঞ্চলৰ কেনেদৰে বিকাশ ঘটিছে সেই বিষয়েও আলোকপাত কৰাৰ বাবেও এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিদেশী আধিপত্যৰ পৰা দেশখনক মুক্ত কৰাৰ বাবে স্বাধীনতা সংগ্ৰামত সবল ভূমিকা পালন কৰা অঞ্চলটোৰ সকলো স্বাধীনতা সেনানীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষা কৰাৰ লগতে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ ক্ষেত্ৰত সদাজাগ্ৰত প্ৰহৰীৰ ভূমিকা গ্ৰহণ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জোৱান আৰু বীৰ নাৰীসকলকো তেওঁ সশ্ৰদ্ধ স্মৰণ কৰে। তেওঁ কয় যে এনেধৰণৰ কাৰ্যসূচীয়ে সামৰিক তথা অসামৰিক ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ অৰিহণা প্ৰদৰ্শনতো সহায় কৰে। এই উল্লেখনীয় পদক্ষেপৰ বাবে তেওঁ ভাৰতীয় সেনাৰ ইষ্টাৰ্ণ কমাণ্ডক অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে অসমৰ স্থিতি শক্তিশালীকৰণৰ দিশত প্ৰধান ভূমিকা পালন কৰি যোৱা মহাবীৰ লাচিত বৰফুকনলৈও গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী উপলক্ষে ২৪ নৱেম্বৰত ৰাজ্যবাসীক এইগৰাকী মহান বীৰৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধাঞ্জলি চিনস্বৰূপে অন্তত এগছি মাটিৰ চাকি জ্বলাবলৈ মুখ্যমন্ত্ৰীয়ে ৰাইজক আহ্বান জনায়। অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, ভাৰতীয় সেনাৰ ইষ্টাৰ্ণ কমাণ্ডৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাইও ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত ত্ৰিপুৰাৰ সাংস্কৃতিক আৰু তথ্য বিভাগৰ মন্ত্ৰী সুশান্ত চৌধুৰী, সাংসদ কামাখ্যা প্ৰসাদ তাছা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

## লক্ষীপুৰত বিদ্যালয় পৰিচালনা সমিতিৰ মানসিক হেঁচাৰ বাবেই

কেইগৰাকীক আজি লক্ষীপুৰ থানাই গোৱালপাৰা আদালতলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ১২ নৱেম্বৰ তাৰিখে গোৱালপাৰাৰ লক্ষীপুৰৰ কাচিকাটা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নুৰ ইছলামে নিজ গৃহত চিপ লৈ আত্মহত্যা কৰাৰ পিছত শিক্ষকজনৰ পৰিয়ালৰ লোকে উক্ত বিদ্যালয়ৰ পৰিচালনা কমিটীৰ সদস্যসকলৰ বিৰুদ্ধে ধন দাবীকে ধৰি কেতবোৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি লক্ষীপুৰ থানাত এখন এজাহাৰ দাখিল কৰিছিল। অভিযোগ অনুসৰি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিয়ে প্ৰধান শিক্ষকগৰাকীৰ পৰা পঞ্চাশ হাজাৰ টকা উৎকোচ হিচাপে বিচাৰি বিভিন্ন ধৰণে ভাবুকি দি মানসিক হেঁচা প্ৰয়োগ কৰি আহিছিল। এনে মানসিক হেঁচাৰ বাবেই প্ৰধান শিক্ষকগৰাকীয়ে এনেদৰে আত্মহত্যা কৰিবলগীয়া হ'ল বুলি অভিযোগত প্ৰকাশ। ইফালে উক্ত ঘটনাৰ সঠিক তদন্তৰে দোষীৰ শাস্তি বিচাৰি ১৮ নৱেম্বৰ শুকুৰবাৰে লক্ষীপুৰ প্ৰাথমিক শিক্ষক সন্মিলনী, মধ্য ইংৰাজী শিক্ষক সন্থা আৰু টে'ট উত্তীৰ্ণ শিক্ষক সমাজৰ উদ্যোগত প্ৰতিবাদী মৌন সমদল উলিয়াই লক্ষীপুৰ ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰক-পত্ৰও প্ৰদান কৰিছিল। অৱশেষত আজি উক্ত বিদ্যালয় পৰিচালনা কমিটীৰ সভাপতিসহ চাৰিজনকৈ সদস্যই লক্ষীপুৰ থানাত আত্মসমৰ্পণ কৰে। প্ৰধান শিক্ষকগৰাকীৰ আত্মীয়ই লক্ষীপুৰ আৰক্ষীক ধন্যবাদ জনাই তদন্ত মূলে বিদ্যালয় পৰিচালনা সমিতিৰ বাকী সদস্যসকলক গ্ৰেপ্তাৰ কৰি উপযুক্ত শাস্তি দিবলৈ দাবী জনায়।

## চীনৰ ৬ বছৰত ৩০ দেশত

হাৰাশাস্তি কৰিবলৈয়ে এনে থানাসমূহ ব্যৱহাৰ কৰিব বিচাৰিছে। চীনা চৰকাৰে কৈছে যে বিদেশত চীনা নাগৰিকসকলক প্ৰশাসনীয় সহায়, যেনে নথি নৱীকৰণ আৰু অনলাইন প্ৰৱঞ্চনাৰ দৰে আন্তঃৰাষ্ট্ৰীয় অপৰাধৰ বিৰুদ্ধে যুঁজ দিয়াত সহায় কৰিবলৈ এনে বিদেশী থানাসমূহ স্থাপন কৰা হৈছে। অৱশ্যে, মানৱ অধিকাৰ গোট ছেফগাৰ্ড ডিফেণ্ডাৰৰ শেহতীয়া প্ৰতিবেদনত অভিযোগ কৰা হৈছে যে থানাবোৰে আন দেশৰ ভিন্নমতাৱলম্বী লোকসকলক ভয় খুৱাবলৈ ব্যৱহাৰ কৰা হৈছে। চীনে ২০১৬ চনত ছখন দেশত এনে থানা স্থাপন কৰিছিল। খবৰ অনুসৰি ষ্টেচনসমূহত 'স্বেচ্ছাসেৱকসকলে' অপৰাধপীড়িতসকলক সংশ্লিষ্ট দেশৰ আৰক্ষীৰ সৈতে যোগাযোগ কৰাত সহায় কৰিছিল। চীনে কিয় বিদেশতো থানা স্থাপন কৰিবলগীয়া হৈছে তাৰ সঠিক উত্তৰ অৱশ্যে এতিয়াও কোনেও দিব পৰা নাই।

## চিকিৎসাৰ অৱহেলাৰ বাবেই

গৌতম বুদ্ধ নগৰৰ উপ মুখ্য চিকিৎসা বিষয়া ডাঃ টিকাম সিঙে গাজিয়াবাদস্থিত পৰিয়ালটোৰ অভিযোগবোৰ সঁচা বুলি তদন্ত সমিতিৰ প্ৰতিবেদন দিয়াৰ পিছতে চিকিৎসককেইজনৰবিৰুদ্ধে গোচৰ ৰুজু কৰা হয়। ব্যক্তিগত চিকিৎসালয়ৰ পৰিচালন সঞ্চালক কপিল ত্যাগীয়ে দাবী কৰিছে যে অভিযোগবোৰ মিছা আছিল। তেওঁ কয়— 'ৰোগীজনক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ অনা হৈছিল। মই বিশ্বাস কৰোঁ যে যদি আধা ঘণ্টাও পলম হ'লহেঁতেন, ৰোগীজন জীয়াই নাথাকিলহেঁতেন। কিন্তু ইয়াত তেওঁৰ অৱস্থা উন্নত হ'বলৈ আৰম্ভ কৰে আৰু প্ৰায় ৩৫ দিনৰ পিছত পৰিয়ালটোৱে তেওঁক দিল্লীৰ আন এখন চিকিৎসালয়লৈ লৈ যায়'। তেওঁ কয় যে চিকিৎসালয়ৰ চিকিৎসকৰ দলটোৱে প্ৰত্যাহ্বানৰ স'তে ক'ভিডৰ বিৰুদ্ধে যুঁজ দিছিল। পৰিয়ালটোৱে সময় মতে ৰেমডেচিভিৰ বেজী নিদিয়াৰ অভিযোগৰ প্ৰসংগত তেওঁ কয় যে একাধিক গৱেষণাৰ প্ৰতিবেদনে কৈছে যে কৰ'না ভাইৰাছৰ চিকিৎসাত ৰেমডেচিভিৰৰ কোনো প্ৰভাৱ নাই। তেওঁ কয়— আমি বুজি পাওঁ যে পৰিয়ালটোৱে তেওঁলোকৰ সন্তানক হেৰুৱাইছে আৰু ই অতি দুৰ্ভাগ্যজনক।' থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰমহংস তিৱাৰীয়ে কয় যে আৰক্ষীয়ে বিষয়টো তদন্ত কৰি আছে আৰু তদন্তৰ ফলাফলৰ ভিত্তিত পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত

লোক আৰু বনৰক্ষীয়ে। বৰ্তমানেও শৰবিদ্ধ বনৰীয়া ম'হটো কলিয়াবৰৰ কাঞ্চনজুৰিৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ হাবিতে আছে বুলি সন্দেহ কৰিছে বন বিভাগে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন বিভাগৰ লগতে পাণবাৰীস্থিত বন্যপ্ৰাণী পুনৰ সংস্থাপন কেন্দ্ৰৰ এটি দল আহি উপস্থিত হৈছে। ম'হটোক চিনাক্ত আৰু চিকিৎসা প্ৰদানৰ বাবে দুটা হাতীৰ জৰিয়তে ঘটনাস্থলীলৈ ৰাওনা হৈছে বন বিভাগৰ এটি দল। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কলিয়াবৰ মহকুমা অন্তৰ্গত বাগৰি বনাঞ্চলৰ কাঞ্চনজুৰিতে ম'হটো থকাৰ সন্দেহ বন বিভাগৰ। এই পৰ্যন্ত আঘাতপ্ৰাপ্ত ম'হটোৰ সন্ধান পোৱা নাই বন বিভাগে। ড্ৰোণ কেমেৰাৰ জৰিয়তে সন্ধান চলাইছিল বন বিভাগে।

## ইতিহাস সৃষ্টিৰে সফলকাম

পিছত দুদিনীয়া বৰ্ণাঢ্য আয়োজনৰ পিছত হাজাৰ হাজাৰ দৰ্শকৰ পাৰভঙা উছাহৰ মাজত শিল্পকলা ক্ষেত্ৰখনত এক নতুন সংযোজন ঘটাই কালি নিশা সফল সামৰণি হ'ল শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত দুদিনীয়াকৈ অসম ৰেপাৰেটৰীয়ে নিবেদন কৰা 'লাচিত - বুৰঞ্জী লিখাৰ তৰোৱাল' শীৰ্ষক নাটকৰ। উল্লেখ্য যে তেজপুৰৰ ঐতিহ্যমণ্ডিত বৃহৎ হজৰাপাৰ খেলপথাৰত গেলাৰীকে ধৰি সকলো প্ৰান্ততে হাজাৰ হাজাৰ দৰ্শকে পাৰভঙা উছাহেৰে লাচিতৰ বীৰ গাথাৰ নাট্যৰূপ স্বচক্ষে প্ৰত্যক্ষ কৰিলে। মূলতঃ প্ৰজন্মক জাতিৰ বুৰঞ্জী বিশেষভাৱে জনোৱাৰ বিনম্ৰ প্ৰয়াসেৰে আয়োজন কৰা এই প্ৰত্যাহ্বানমূলক মুক্তাংগণত নাট নিবেদনৰ প্ৰয়াসৰ মাজত বিশিষ্ট অভিনয় শিল্পীৰ পৰা নৱাগতলৈকে দুই শতাধিক কুশীলৱে পাৰদৰ্শী অভিনয় কৰি নাটখনক সফলকাম কৰি তুলিলে। কিন্তু ইয়াৰ বিপৰীতে আয়োজকসকল দীৰ্ঘদিন ধৰি এক চৰম উৎকণ্ঠাৰে পাৰ কৰিছিল নাটখনৰ সফল ৰূপায়ণক লৈ। কিয়নো নাটখনক অন্তৰ্ভুক্ত কৰা হৈছিল জীৱন্ত ঘোঁৰা আৰু হাতীত উঠি চৰিত্ৰ ৰূপায়ণ। ঘোঁৰাত উঠি শিশু লাচিত আৰু পিছলৈ বীৰ লাচিত বৰফুকনৰ চৰিত্ৰ ৰূপায়ণ আৰু স্বৰ্গদেউ প্ৰতাপ সিংহই হাতীৰ পিঠিত উঠি নাট্যথলীৰ ৰাজদৰবাৰত আগমন। হাজাৰ হাজাৰ দৰ্শক, ছাউণ্ড ব'ত উচ্চ মাত্ৰাত সংগীত আৰু পোহৰৰ মায়াজালৰ পৰিৱেশৰ মাজত প্ৰকাণ্ড হাতীটোৱে অপ্ৰকৃতিস্থ হৈ অবাঞ্চিত আচৰণেৰে সমগ্ৰ পৰিস্থিতিটোকেই অনিয়ন্ত্ৰিত কৰি তুলিব নেকি ? এনে এক চৰম উৎকণ্ঠাও বিৰাজ কৰিছিল আয়োজকসকলৰ লগতে একাংশ দৰ্শকৰ মাজতো। কিন্তু তেনে উৎকণ্ঠা আৰু চিন্তা যে অমূলক আছিল সেয়া প্ৰকাণ্ড হাতীটোৱে যোৱা দুয়োটা নিশাৰ নাটকত প্ৰমাণ কৰি দেখুৱালে। উল্লেখ্য যে নাটখনত ব্যৱহাৰ কৰা প্ৰকাণ্ড পোহনীয়া হাতীটোৰ গৰাকী হ'ল বিধায়ক তথা অভিনয় শিল্পী পদ্ম হাজৰিকা। নিজৰ অতিকৈ মৰমৰ হাতী ৰামুৰ পিঠিত উঠি প্ৰতাপ সিংহৰ চৰিত্ৰত পদ্ম হাজৰিকাই অভিনয় কৰাত মনে মনে যেন আত্মসন্তুষ্টি লভিলে হাতীটোৱে। যাৰ বাবে হাজাৰ হাজাৰ দৰ্শক আৰু হুলস্থুলীয়া পৰিৱেশকো আওকাণ কৰিলে ৰামুয়ে। শব্দৰ কোলাহল আৰু পোহৰৰ মায়াজালৰ মাজেৰে তথা প্ৰতাপ সিংহৰূপী তথা নিজৰ পিতৃতুল্য পদ্ম হাজৰিকাক পিঠিত তুলি ৰাজকীয় গুৰুগম্ভীৰ খোজেৰে নাট্যথলীত প্ৰৱেশ আৰু ইয়াৰ পিছত ৰাজ দৰবাৰৰ সন্মুখত আঁঠুকাঢ়ি স্বৰ্গদেউক নামিবলৈ দিয়াৰ অন্তত সেৱা জনোৱা ৰামুৰ অভিনয়ে দৰ্শকসকলক আপ্লুত কৰাই নহয় হৰ্ষোল্লাসৰো সৃষ্টি কৰে। যোৱা দুদিন যেন ৰামুয়ে বলিষ্ঠ অভিনয়ৰে পিতৃস্বৰূপ পদ্ম হাজৰিকাক যেন প্ৰতিদানহে দিলে। চলচ্চিত্ৰত জীৱ-জন্তুৰ এনে অভিনয়ৰ বাবে দৃশ্যাৱলী গ্ৰহণৰ বিশেষ সুবিধা আৰু বিভিন্ন আধুনিক প্ৰযুক্তি উপলব্ধ । কিন্তু হাজাৰ হাজাৰ দৰ্শকৰ আগত ৰামুৰ এনে জীৱন্ত অভিনয়ে যেন অসমৰ নাট্যক্ষেত্ৰখনত এক ইতিহাসৰহে সৃষ্টি কৰিলে। যাক লৈ সম্প্ৰতি তেজপুৰীয়া দৰ্শক ৰাইজৰ মাজত ব্যাপক চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে। একেদৰে নাটখনত তিনিটাকৈ ঘোঁৰা ব্যৱহাৰ কৰা হৈছিল। ঘোঁৰা চালনাত পাৰ্গত শিশু লাচিতৰূপী চেৱই সিঙে ঘোঁৰাৰ পিঠিত উঠি অভিনয় কৰাৰ সময়ত ঘোঁৰাৰ অভিনয়েও দৰ্শকৰ অন্তৰত সাঁচ বহুৱাবলৈ সক্ষম হয়। একেদৰে এজাক কিশোৰী-যুৱতীক দৃষ্টিনন্দন ৰূপত ব্যৱহাৰ কৰি বিশিষ্ট নৃত্যশিল্পী ৰুবী বৰা বৰদলৈৰ তত্ত্বাৱধানত নাটকখনৰ এই বিশেষ সমূহীয়া নৃত্যাংশয়ো দৰ্শকক বিশেষ আমোদ দিয়া পৰিলক্ষিত হয়। নাটকখনৰ সকলোৰে হৃদয় স্পৰ্শ কৰা হজৰাপুখুৰীৰ মাজত চলা মোগল - আহোমৰ এই তয়াময়া যুঁজেও নাটকখনৰ সামগ্ৰিক সফলতাত বিশেষ ইন্ধন যোগোৱা পৰিলক্ষিত হয়। যি কি নহওক অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ পীঠস্থানস্বৰূপ তেজপুৰত প্ৰথমবাৰৰ বাবে হাতী-ঘোঁৰা-নাওসহ দুই শতাধিক কুশীলৱক লৈ পৰীক্ষামূলকভাৱে মুক্তাংগণত শৰাইঘাটৰ যুদ্ধকে ধৰি অসম বুৰঞ্জীৰ স্বৰ্ণিল ইতিহাসৰ নাট্যৰূপে নাট্যক্ষেত্ৰখনত এক নতুন ইতিহাস সৃষ্টি কৰিবলৈ সক্ষম হ'ল। বিগত সময়ত ২২খনকৈ মৌলিক নাটক ৰচনা আৰু পৰিচালনাৰে নাটশিল্প ক্ষেত্ৰখনত অৰিহণা যোগোৱা পুলক কুমাৰ ডেকাই নাটকখনৰ জৰিয়তে যেনেদৰে সফলতা লাভ কৰিলে একেদৰে 'বুৰঞ্জী লিখা তৰোৱাল' শীৰ্ষক উপন্যাসৰ স্ৰষ্টা নয়নজ্যোতি ভট্টাচাৰ্যৰ সপোনেও নাটকখনৰ জৰিয়তে সাকাৰ ৰূপ লাভ কৰিলে।



লখিমপুৰত অনুষ্ঠিত আছুৰ অধিৱেশনৰ ছবি

## বকো-বনগাঁও সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পত নাভূত-নাশ্ৰুত ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২১ নৱেম্বৰ ঃ** অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ কামৰূপ জিলাৰ বকো-বনগাঁও সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পত সংঘটিত হৈছে এক নাভূত-নাশ্ৰুত ঘটনা। এগৰাকী মহিলাক অংগনৱাড়ী কৰ্মীৰ সাক্ষাৎকাৰত যোগ্য বুলি নিৰ্বাচিত কৰি নিৰ্বাচক মণ্ডলীয়ে ঘোষণা কৰাৰ পিছত সমাজ কল্যাণ বিভাগৰ সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ সঞ্চালকে নিজৰ খেয়াল-খুচী মতে অযোগ্য বিবেচিত কৰে। এয়া সাক্ষাৎকাৰ গ্ৰহণ কৰাত নিৰ্বাচক মণ্ডলীক উপলুঙা কৰা বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে, এই ৰহস্যজনক ঘটনা সংঘটিত হৈছে বকোত। প্ৰাপ্ত তথ্য অনুসৰি ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহত বকো প্ৰকল্পৰ অধীনৰ ২নং ডাকুৱাপাৰাৰ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীৰ সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল আৰু সাক্ষাৎকাৰত কেইবাগৰাকী প্ৰাৰ্থীৰ ভিতৰত অনামিকা পাটোৱাৰীক প্ৰথম পচন্দৰ প্ৰাৰ্থী হিচাপে ৰিজাল্ট ঘোষণা কৰে। লগতে ৰিজাল্ট ঘোষণা কৰাই নহয় বকো-বনগাঁও সংহত শিশু উন্নয়ন প্ৰকল্প পৰিচালনা সমিতিৰ সভাপতি, প্ৰকল্পৰ সচিব তথা বিষয়া আৰু নিৰীক্ষকে যোগ্য বুলি নিৰ্বাচিত কৰা এঘাৰটা কেন্দ্ৰৰ এঘাৰগৰাকী মহিলাৰ নাম সান্নিৱিষ্ট কৰা নামৰ তালিকা এখন কাৰ্যালয়ৰ বেৰত আঁৰি দিয়ে। কথা হ'ল সাক্ষাৎকাৰ গ্ৰহণ কৰা চৰকাৰী বিষয়া তথা বিজ্ঞ লোকসকলে কি কাৰণত আৰু কিয় ? ২নং ডাকুৱাপাৰা কেন্দ্ৰৰ বাবে অনামিকা পাটোৱাৰীক প্ৰথম পচন্দৰ প্ৰাৰ্থী হিচাপে ৰিজাল্ট ঘোষণা কৰিছিল। ইফালে অনামিকা পাটোৱাৰী ২নং ডাকুৱাপাৰা অংগনৱাড়ী কেন্দ্ৰৰ বাবে মনোনীত হোৱাত নিজকে সুখী অনুভৱ কৰিছিল। প্ৰকাশ যে, সাম্প্ৰতিক সময়ত পৰিয়াল পোহপাল দিবলৈ এটি চৰকাৰী চাকৰিৰ অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে। সেয়ে অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীৰ চাকৰি পাই অনামিকা পাটোৱাৰী অতিকৈ সুখী হৈছিল। কিন্তু বিধিৰ বিপাক চৰকাৰী বিভাগটোৰ বিষয়া-কৰ্মচাৰীৰ ষড়যন্ত্ৰৰ বাবে দুৰ্ভগীয়া অনামিকা পাটোৱাৰী বঞ্চিত হ'ল পদটোৰ পৰা। জানিব পৰা মতে, অনামিকা পাটোৱাৰীৰ স্থানত অতি গোপনে কেন্দ্ৰটোত কৰ্মী হিচাপে নিযুক্তি দিয়া হ'ল জনৈক বড়ো উপাধিৰ মহিলা এগৰাকীক। এগৰাকী শিক্ষিত মহিলাক কি কাৰণত কিয় মানসিক অত্যাচাৰ কৰা হ'ল ? কোন কোন বিষয়া-কৰ্মচাৰী জড়িত আছে এই ৰহস্যময় ঘটনাত ? ইফালে অনামিকা পাটোৱাৰীয়ে অভিযোগ উত্থাপন কৰে যে তেওঁক কেন্দ্ৰটোৰ কৰ্মী হিচাপে নিৰ্বাচিত কৰি ৰিজাল্ট ঘোষণা কৰাৰ পিছত কোনো নীতি-নিৰ্দেশনা নোহোৱাকৈ লগতে ৰিজাল্ট ঘোষণা কৰি নিৰ্বাচিত হোৱাজনক অযোগ্য কৰা হ'ল। কিন্তু অযোগ্য কৰা ঘোষণা-পত্ৰ অনামিকাই আজিলৈকে নাপালে। এয়াই চৰকাৰী নীতি নেকি ? উল্লেখ্য যে, অনামিকা পাটোৱাৰীৰ এই ঘটনাই ভবিবলৈ বাধ্য কৰাইছে অসম চৰকাৰৰ শূন্য সহনশীলতা নীতিৰে নিকা নিযুক্তি কিমান সম্ভৱ। আনহাতে, অংগনৱাড়ী কৰ্মী হিচাপে নিযুক্তি পায়ো নোপোৱাৰ বেদনাত অনামিকা পাটোৱাৰীয়ে প্ৰথমতে তাইক কিয় বঞ্চিত কৰা হ'ল, কিয় অযোগ্য কৰা হ'ল উত্তৰ বিচাৰি তথ্য জনা অধিকাৰ আইনত আৱেদন কৰিছিল কিন্তু বিভাগৰ পৰা উত্তৰ আহিল চৰকাৰৰ পোষণ মাহৰ বাবে প্ৰকৃত উত্তৰ দিব পৰা নহ'ল। ইয়াৰ পিছতে অনামিকা পাটোৱাৰীয়ে পদবীৰ পৰা বঞ্চিত কৰা বাবে ন্যায় বিচাৰি গুৱাহাটীৰ মহামান্য উচ্চ ন্যায়ালয়ত গোচৰ তৰা হৈছিল। অনামিকাৰ আৱেদন গ্ৰহণ কৰি মহামান্য উচ্চ ন্যায়ালয়ত ডব্লিউ পি (চি) / ৩৯১২/২০২২ নম্বৰৰ কেছ এটা চলি আছে। উক্ত গোচৰ পৰিচালনা কৰা অধিবক্তাই জনোৱা মতে, গোচৰ চলিহে আছে ইয়াৰ ফলাফল ওলোৱা নাই। ইফালে উচ্চ ন্যায়ালয়ৰ তৰফৰ পৰা এই কেন্দ্ৰত নিযুক্তি বন্ধ ৰখাৰ নিৰ্দেশনা জাৰি কৰিছিল। কিন্তু উচ্চ ন্যায়ালয়ৰ অৰ্ডাৰক অপমান কৰি গোচৰ চলি থকা বিষয় এটাৰ উত্তৰ নোলোৱাকৈ কিয় সাক্ষাৎকাৰত ফেইল কৰা এগৰাকীক নিযুক্তি দিয়া হ'ল এয়া লাখটকীয়া সাঁথৰত পৰিণত হৈছে। ইফালে বকো - বনগাঁও সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পত নিযুক্তি বিষয়ৰ বহু অভিযোগ আনিছে বঞ্চিত প্ৰাৰ্থীয়ে। পৰৱৰ্তী সময়ত এই বিষয়ে প্ৰকাশ কৰা হ'ব।



## নিশা ঘৰ ভাঙি সোমাই গ'ল ডাম্পাৰ

### ভাগ্যক্ৰমে ৰক্ষা পৰিল পৰিয়াল

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ২১ নৱেম্বৰ ঃ** যোৱানিশা প্ৰায় তিনি বজাত ইয়াৰ নিকটৱৰ্তী সৰিহ চাকলাত এখন ডাম্পাৰে এটা ঘৰ ভাঙি ঘৰৰ ভিতৰত সোমাই যায়। ঘৰটোৰ ভিতৰত শুই থকা পৰিয়ালটো ভাগ্যক্ৰমে মৃত্যুৰ পৰা ৰক্ষা পৰে। জানিব পৰা মতে নিশা প্ৰায় তিনি বজাত পাটাছাৰকুছিৰ ফালৰ পৰা মাটি কঢ়িওৱা এএছ-১৪চি-৯১২০ নম্বৰৰ এখন ডাম্পাৰে নিয়ন্ত্ৰণ হেৰুৱাই কুঁৱাৰা চ'কৰ ওচৰতে সৰিহ চাকলাত এটা কেঁকুৰিৰ কাষত থকা মনমোহন বৰ্মনৰ ঘৰ ভাঙি সোমাই যায়। ঘৰটোত তেতিয়া গোটেই পৰিয়ালটো শুই আছিল। শব্দ শুনি ভাগ্যক্ৰমে কেনেবাকৈ পৰিয়ালটো ঘৰৰ বাহিৰলৈ ওলাই আহি মৃত্যুৰ পৰা ৰক্ষা পৰে। তাৰ আগতে ডাম্পাৰখনে ৰাস্তাৰ কাষত থকা এটা সৌৰশক্তিচালিত লাইটৰ খুঁটা, এটা ইটাৰ দ'ম আৰু এডাল গছ মহটিয়াই আনি উভালি চোঁচৰাই লৈ আহে। উক্ত বাসগৃহটো ডাম্পাৰখনে চূৰ্ণ-বিচূৰ্ণ কৰি পেলায়। উল্লেখ্য, ঘৰটোৰ গৰাকী মনমোহন বৰ্মন এগৰাকী কাঠমিস্ত্ৰী।

## বালাজানত আটক ৫ গৰুৰ চোৰাংকাৰবাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২১ নৱেম্বৰ ঃ** আজি পুৱা ধুবুৰী জিলাৰ গৌৰীপুৰ আৰু বালাজান আৰক্ষীয়ে যৌথ অভিযান চলাই ৬টা গৰুসহ ৫জন চোৰাংকাৰবাৰীক বিলাসী বাহনসহ আটক কৰাৰ ঘটনাত চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাৰ বিৱৰণ মতে গোপন সূত্ৰত পম খেদি ধুবুৰী জিলাৰ বালাজান আৰু গৌৰীপুৰ আৰক্ষীয়ে যৌথ অভিযান চলাই এ এছ-17 বি-8773 নম্বৰৰ গাড়ীৰ পৰা ৬টাকৈ গৰু আৰু এ এছ-01 এ ভি-2394 নম্বৰৰ বিলাসী বাহনৰ পৰা ৫জন চোৰাংকাৰবাৰীক আটক কৰে।

## বীৰ লাচিত বৰফুকনৰ জয়ন্তী উদ্‌যাপন

### কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত শিঙিমাৰীৰ পৰা আলাবৈ ৰণক্ষেত্ৰলৈ উলিওৱা হ'ল বিশাল চাইকেল ৰেলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২১ নৱেম্বৰ ঃ** কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত বীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপনৰ চতুৰ্থ দিনৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি পুৱা ৯ বজাত শিঙিমাৰী চ'কৰ পৰা আলাবৈ ৰণক্ষেত্ৰলৈ এক বিশাল চাইকেল ৰেলীৰ আয়োজন কৰা হয়। প্ৰায় ৫০০সংখ্যক বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰী তথা বিশিষ্ট ব্যক্তিয়ে অংশ লোৱা উক্ত চাইকেল ৰেলীৰ ফ্লেগ অফ কৰি শুভাৰম্ভ কৰে বিশিষ্ট সমাজকৰ্মী দেৱেন্দ্ৰ নাথ কাকতিয়ে। চাইকেল ৰেলীত হাজো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অপ্ৰতীম গোস্বামী প্ৰমুখ্যে জিলা প্ৰশাসনৰ বিভিন্ন বিষয়া আৰু কৰ্মচাৰীয়ে অংশ লয়। তদুপৰি এই উদ্‌যাপনৰ অংশ হিচাপে আজি জিলাখনৰ বিভিন্ন স্থানত বীৰ লাচিত বৰফুকনৰ বীৰত্ব, সাহস আৰু দেশপ্ৰেমৰ বৰ্ণনাৰে বাটৰ নাট অনুষ্ঠিত কৰা হয়। পুৱা ১১ বজাত আমিনগাঁওস্থিত সংহত উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত শুভাৰম্ভ কৰা এই বাটৰ নাট জিলাখনৰ চাংসাৰি, বাইহাটা চাৰিআলি, ৰঙিয়া, হাজো, শুৱালকুছি আদি স্থানত প্ৰদৰ্শন কৰা হয়। উপায়ুক্ত কাৰ্যালয়ত এই বাটৰ নাটৰ শুভাৰম্ভণি কৰি উপায়ুক্ত কীৰ্তি জল্লীয়ে কামৰূপ জিলাখন শৰাইঘাট, আলাবৈ ৰণ ইত্যাদিৰ পটভূমি হোৱা হেতু জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত অনুষ্ঠানসমূহত জিলাবাসীৰ সম্পূৰ্ণ সহায়-সহযোগিতা কামনা কৰে। অনুষ্ঠানত আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়েও ভাষণ প্ৰদান কৰে। বাটৰ নাটৰ উদ্বোধনী অনুষ্ঠানত জিলাখনৰ অতিৰিক্ত উপায়ুক্তসকলকে ধৰি জিলা প্ৰশাসনৰ বহুসংখ্যক বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। আনহাতে, জিলা প্ৰশাসনৰ উদ্যোগত আমিনগাঁওস্থিত কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰত বীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপনৰ মূল কাৰ্যসূচীসমূহ অনুষ্ঠিত হ'বলগীয়া স্থলীত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কামৰূপৰ উদ্যোগত জিলাখনৰ বিভিন্ন প্ৰান্তৰ মহিলা আত্মসহায়ক গোটৰ অংশগ্ৰহণেৰে মুকলি কৰা প্ৰদৰ্শনী তথা বিপণন কেন্দ্ৰৰ দ্বাৰ আজি আনুষ্ঠানিকভাৱে মুকলি কৰে কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লীয়ে। উল্লেখ্য যে এই প্ৰদৰ্শনীত সৰ্বমুঠ ২৫ ষ্টলত জিলাখনৰ ২৫টা মহিলা আত্মসহায় গোটৰ দ্বাৰা উৎপাদিত থলুৱা সামগ্ৰী তথা থলুৱা খাদ্যৰ প্ৰদৰ্শন তথা বিপণনৰ পদক্ষেপ লোৱা হৈছে। প্ৰদৰ্শনী দ্বাৰ মুকলি অনুষ্ঠানত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰাগ কুমাৰ কাকতি, অতিৰিক্ত উপায়ুক্ত কমল বৰুৱাকে ধৰি জিলা প্ৰশাসনৰ বহুসংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। আনহাতে, বীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী কাৰ্যসূচীৰ অংশ হিচাপে আজি কামৰূপ জিলা আৰক্ষীৰ উদ্যোগত উত্তৰ গুৱাহাটীৰ ৰংমহলস্থিত লক্ষ্যধৰ চৌধুৰী প্ৰেক্ষাগৃহ চৌহদত কামৰূপ আৰক্ষীৰ উদ্যোগত এখন প্ৰাইজমানী ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৮টা দলে অংশগ্ৰহণ কৰা উক্ত প্ৰতিযোগিতাখন উদ্বোধন কৰে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। উদ্বোধনী খেলখনত অংশগ্ৰহণ কৰে কামৰূপ আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত বাহিনীয়ে। এই অনুষ্ঠানত কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়কে ধৰি আৰক্ষী প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

## গোৰেশ্বৰৰ নাওকাটাত জুইত জাহ গ'ল সোণগুটিৰ পথাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ, ২১ নৱেম্বৰ ঃ** বিটিআৰৰ বাক্সা জিলাৰ ডেফেলী মৌজাৰ পূব নাওকাটাত আজি দিন-দুপৰত কেইবা বিঘাৰ কৃষকৰ সোণগুটি জুইত ধ্বংস হয়। প্ৰকাশ যে আজি দিনৰ প্ৰায় ১ বজাত পূব নাওকাটা নিৱাসী দেবেন কলিতাই সৰিয়হ খেতি কৰাৰ উদ্দেশ্যে ধান চপাই নিয়া নৰাবোৰ জ্বলাই দিয়ে। নৰা জ্বলাই দিয়াৰ পিছতে এজাক বতাহ আহে। এই বতাহত তেওঁৰ ধানৰ নৰাখিনি জ্বলি যোৱাৰ পিছতে সীমাৰ কেইবা বিঘাৰ ধান জ্বলি ছাই হৈ যায়। বতাহত জ্বলি যোৱা মায়ান্তী বসুমতাৰী আৰু যমুনা বসুমতাৰীৰ পাঁচ বিঘা মাটিৰ খেতি মূহৰ্ততে জ্বলি নিঃশেষ হৈ যায়। অৱশ্যে এই ভয়ংকৰ খেতিপথাৰত দপদপকৈ জুই জ্বলি উঠাত স্থানীয় ৰাইজে চিঞৰ-বাখৰ কৰে। তেওঁৰ চিঞৰ-বাখৰত ওচৰত ধান কাটি থকা খেতিয়কসকলৰ মাজত হুৱা-দুৱা লাগে আৰু গঞা ৰাইজে দৌৰা দৌৰিকৈ আহি জুই নুমুৱাবলৈ চেষ্টা কৰে যদিও ব্যৰ্থ হয়। ঘটনাৰ পিছত জুইত জাহ যোৱা ধানৰ মালিক মায়ান্তী আৰু যমুনা বসুমতাৰীয়ে দেবেন কলিতাৰ পৰা ক্ষতিপূৰণ বিচাৰিছে।

### দৈনন্দিন বাৰ্তাৰ বাতৰিৰ প্ৰভাৱ

## বিহালীৰ জৰাবাৰী ৫২নং বুথ কমিটীৰ সভাপতিক নিলম্বন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২১ নৱেম্বৰ ঃ** বিশ্বনাথ জিলাৰ বিহালী সমষ্টিৰ বিজেপিৰ বাঘমৰা মণ্ডল কমিটীৰ অন্তৰ্গত জৰাবাৰী ৫২নং বুথ কমিটীৰ সভাপতি হাকিউদ্দিন আলীক বিজেপি দলৰ ৫২নং বুথ কমিটীৰ সভাপতি পদৰ পৰা নিলম্বন কৰা বুলি এক প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়ে বাঘমৰা মণ্ডল কমিটীৰ সভাপতি দধিৰাম শৰ্মা। উল্লেখ্য যে বুথ কমিটীৰ সভাপতি হাকিমউদ্দিন আলীয়ে জৰাবাৰী গাঁও পঞ্চায়তৰ একাংশ দৰিদ্ৰ লোকৰ জবকাৰ্ড নিজৰ ঘৰত আবদ্ধ কৰি বিভিন্ন চৰকাৰী আঁচনিৰ ধন হৰলুকী কৰাৰ অভিযোগসমূহ দৈনন্দিন বাৰ্তা কাকতত তথ্য সহকাৰে প্ৰকাশ পোৱাৰ পিছতে বাঘমৰা মণ্ডল কমিটীয়ে দলৰ পৰা নিলম্বনৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি প্ৰকাশ কৰে মণ্ডল কমিটীৰ সভাপতি দধিৰাম শৰ্মাই।

## নতুন দিল্লীৰ বিজ্ঞান ভৱনত লাচিত বৰফুকনৰ জয়ন্তী অনুষ্ঠানত দুখন আলোচনা-চক্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ নৱেম্বৰ ঃ** অসম চৰকাৰৰ উদ্যোগত নতুন দিল্লীৰ বিজ্ঞান ভৱনত অহা ২৩ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মজয়ন্তী উদযাপনৰ কাৰ্যসূচীৰ অংশৰূপে দুখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে । সেই অনুসৰি ২৩ নৱেম্বৰত 'আহোমৰ সোণালী অধ্যায়-- আশা, নৈপুণ্য আৰু বীৰত্বৰ গাথা' বিষয়ক প্ৰথমখন আলোচনাচক্ৰ অনুষ্ঠিত হ'ব । নতুন দিল্লীৰ বিজ্ঞান ভৱনৰ দ্বিতীয় মহলাত থকা ৬ নং সভাগৃহত দিনৰ ১২ বজাৰ পৰা এই আলোচনাচক্ৰখনৰ আয়োজন কৰা হৈছে । আলোচনাচক্ৰখনত অসমৰ ৰাজ্যিক তথ্য আয়ুক্ত ড° সমুদ্ৰগুপ্ত কাশ্যপ, শিক্ষাবিদ কুলদীপ পাটোৱাৰী, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য অধ্যাপক কপিল কাপুৰ, অসম, উত্তৰ প্ৰদেশ আৰু সীমান্ত সুৰক্ষা বাহিনীৰ প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান প্ৰকাশ সিং আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক ড° চন্দন কুমাৰ শৰ্মা আলোচক হিচাপে উপস্থিত থাকিব । অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব জিষ্ণু বৰুৱাই অনুষ্ঠানটোৰ আঁত ধৰিব । আনহাতে ২৪ নৱেম্বৰত একেটা স্থানতে দিনৰ ১১.৩০ বজাৰ পৰা আন এখন আলোচনাচক্ৰ অনুষ্ঠিত হ'ব । আলোচনাচক্ৰখনৰ বিষয়বস্তু হ'ব 'অসমৰ শৌৰ্য, বীৰ্য আৰু পৰাক্ৰমৰ উপেক্ষিত ইতিহাস' । অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক ৰাজীৱ সন্দিকৈ, মঙলদৈ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা ড° সংগীতা গগৈ; বিশিষ্ট লেখক বিক্ৰম সম্পট, চলচ্চিত্ৰ নিৰ্মাতা আৰু সমালোচক ৰাকেশ কুমাৰ সিং আৰু চলচ্চিত্ৰ নিৰ্মাতা আৰু অভিনেতা চন্দ্ৰ প্ৰকাশ দ্বিবেদী আলোচক হিচাপে উপস্থিত থাকিব। অসম চৰকাৰৰ শিক্ষা উপদেষ্টা অধ্যাপক (ড°) ননী গোপাল মহন্তই আলোচনাচক্ৰখনৰ আঁত ধৰিব ।

## অসম বাংলাদেশীৰ পৰা মুক্ত হ'বলৈ হ'লে আৰএছএছৰে চামিল

যাব লাগে। বিশেষকৈ অসমৰ মানুহে বেছিকৈ জেহিত হব লাগে যদি অসম বচাব লাগে। আজি ১১খন জিলা হাতৰ পৰা ওলাই গ'ল। কংগ্ৰেছৰ ভাৰত জোড়ো আন্দোলনক নাটকবাজি আখ্যা শীলাদিত্য দেবৰ। আজি বৰপেটাৰোডৰ সমীপৰ বাক্সাৰ ইস্কন মন্দিৰ দৰ্শন কৰাৰ পিছতে সংবাদ মাধ্যমৰ আগত শীলাদিত্য দেবে কয় যে ৰাইজে কংগ্ৰেছৰ ভাৰত জোড়ো আন্দোলনক গ্ৰহণ কৰা নাই। কংগ্ৰেছে আগতে ভাৰত তড়ো আন্দোলন কৰি আহিছে। কংগ্ৰেছে ভাৰতক ১৯৪৭ চনতে ভাৰতক ভাঙি দিলে। ইষ্ট পাকিস্তান ৱেষ্ট পাকিস্তান জন্ম দিলে। যি পাৰ্টীয়ে ভাৰত তড়ো আন্দোলন কৰি ভাৰতক বিভাজন কৰি ধৰ্মৰ ভিত্তিত ইষ্ট পাকিস্তান, ৱেষ্ট পাকিস্তানৰ জন্ম দি এতিয়া ভাৰত জোড়ো আন্দোলন কৰি আছে। এতিয়া ৰাইজৰ কথা হৈ কংগ্ৰেছ ভাৰত ছড়ো কাৰণ বিজেপিৰ শাসন হৈ চলি আছে নৰেন্দ্ৰ মোদীয়ে ভাৰত চলাই আছে। আগন্তুক বিশ বছৰ চিন্তা কৰিবলগীয়া নাই। লাভ জেহাদৰ সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ ওপৰত শীলাদিত্য দেবে কয় যে যিসকল ছোৱালীয়ে লাভ জেহাদ কেছত পলাই যাব বাংলাদেশী মুছলমানৰ লৰাৰ লগত তেওঁলোকক ত্যাজ্য কৰিব লাগে। তেওঁলোকক বিচাৰি আনি গাখীৰ-ভাত খুৱাই থাকিলে নহ'ব। এনেকুৱা ধৰণৰ ছোৱালীক সমাজত কোনো স্থান দিব নালাগে, সমাজে গ্ৰহণ কৰিব নালাগে।

# ইণ্ডোনেছিয়াত ৫.৬ প্ৰাবল্যৰ বিধ্বংসী ভূমিকম্প

## অৰ্ধ শতাধিকৰ মৃত্যু, ৭০০ৰো অধিক লোক আহত



**কিয়ানজুৰ, ২১ নৱেম্বৰ ঃ** এক ভয়াৱহ ভূমিকম্পই মৃত্যু উপত্যকাত পৰিণত কৰিছে ইণ্ডোনেছিয়াক। দেশখনৰ মূল দ্বীপ জাভাত আজি ৫.৬ প্ৰাবল্যৰ এক ভূমিকম্পই কঁপাই যোৱাৰ ফলত প্ৰায় ৪৪ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে আহত হৈছে সাত শতাধিক লোক। আমেৰিকাৰ ভূতাত্ত্বিক



জৰীপৰ মতে, এই ভয়াৱহ ভূমিকম্পৰ অভিকেন্দ্ৰ হৈছে পশ্চিম জাভাৰ চিয়ানজুৰ অঞ্চল। ভূমিকম্পই আটাইতকৈ ক্ষতিগ্ৰস্ত কৰি তুলিছে দেশখনৰ ছিয়ানজুৰ চহৰ। ইতিমধ্যে ধ্বংসস্তূপত পৰিণত হৈছে চহৰখনৰ বিভিন্ন স্থান। ছিয়ানজুৰৰ স্থানীয় প্ৰশাসনৰ মুখপাত্ৰ এডামে সংবাদ মাধ্যমৰ আগত উল্লেখ কৰা মতে ভূমিকম্পৰ ফলত এতিয়ালৈকে ৪৪ গৰাকী লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে।কেৱল এখন মাত্ৰ চিকিৎসালয়তে অধিকাংশ লোকৰ মৃত্যুৰ খবৰ পোৱা গৈছে। ভূমিকম্পই জোকাৰি যোৱা বহু অঞ্চলত এতিয়াও উদ্ধাৰ অভিযান চলোৱা নাই বুলি প্ৰশাসনে জানিবলৈ দিছে। স্থানীয় সংবাদ মাধ্যমত প্ৰকাশিত তথ্য অনুসৰি আহতসকলক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে যদিও সকলোকে সমানে চিকিৎসা প্ৰদান কৰিবলৈ সক্ষম হোৱা নাই। যাৰ বাবে কিয়াজুৰ অঞ্চলৰ পৰা অন্যান্য স্থানলৈ আহতসকলক স্থানান্তৰ কৰা হৈছে। হাজাৰ হাজাৰ ঘৰ মুহূৰ্ততে ভাঙি পৰিছে আৰু ইয়াৰ বাবেই মৃতকৰ সংখ্যা অধিক বৃদ্ধি পোৱা বুলি প্ৰকাশ পাইছে। ইফালে বহুতো পৰিয়াল এতিয়াও ধ্বংসস্তূপৰ মাজতে আবদ্ধ হৈ থকা বুলি প্ৰকাশ পাইছে। সম্পূৰ্ণকৈ উদ্ধাৰ কৰিব পৰা হোৱা নাই ভূঁইকপ আক্ৰান্ত লোকসকলক। এই ভূঁইকপৰ প্ৰাবল্য ইমানেই অধিক আছিল যে বিগত ২০২১ বৰ্ষত হোৱা ৬.২ প্ৰাবল্যৰ ভূঁইকপৰ স্মৃতি জগাই তুলিলে। সেইবাৰ শতাধিক লোক নিহত হৈছিল। গতিকে ভুঁইকপৰ জোকাৰণি আৰম্ভ হোৱাৰ লগে লগে একাংশ লোকে নিজৰ ঘৰৰ বাহিৰলৈ দৌৰি ওলাই আহিবলৈ হেতাওপৰা কৰা পৰিলক্ষিত হয়।



*গুজৰাটৰ নিৰ্বাচনী প্ৰচাৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, জামনগৰ বিমানকোঠত ৰবীন্দ্ৰ জাদেজা আৰু বিজেপিৰ প্ৰাৰ্থী ৰিভাবা জাদেজাৰ সৈতে*

## পিতৃ-মাতৃয়ে কন্যাক হত্যা কৰি মৃতদেহ পেলাই দিয়াৰ অভিযোগ

**নতুন দিল্লী, ২১ নৱেম্বৰ ঃ** আয়ুসী চৌধুৰী নামৰ এগৰাকী ২২ বছৰীয়া যুৱতীৰ মৃতদেহ উদ্ধাৰ হৈছিল এটা চুটকেছৰ ভিতৰত। উত্তৰ প্ৰদেশৰ মথুৰা অঞ্চলৰ যমুনা এক্সপ্ৰেছ পথৰ দাঁতিত উদ্ধাৰ হোৱা মৃতদেহটো হত্যাকাণ্ড বুলি তদন্ত অব্যাহত আছিল। এসপ্তাহৰ পূৰ্বে উদ্ধাৰ হোৱা মৃতদেহৰ হত্যাকাৰী হিচাপে সোমবাৰে প্ৰতিপন্ন হ'ল নিজৰ জন্মদাতা পিতৃ আৰু মাতৃ। মথুৰা আৰক্ষীয়ে দুই পিতৃ-মাতৃক নিজ কন্যা আয়ুসী চৌধুৰীৰ হত্যাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে। প্ৰাপ্ত তথ্য মতে পিতৃ নীতেশ যাদৱে কন্যাক গুলীয়াই হত্যা কৰিছিল। পিতৃ-মাতৃৰ অমতত বিবাহত বহা বাবেই এই হত্যাকাণ্ড সংঘটিত কৰিছিল। ইফালে নিজৰ মাতৃয়ে হত্যাকাণ্ড গাপ দিবলৈ প্ৰচেষ্টা চলাইছিল। কম্পিউটাৰ শিক্ষাৰ স্নাতক আয়ুসী কৰ্মৰত আছিল



ৰাজধানী দিল্লীত আৰু নিজৰ পিতৃ-মাতৃয়ে কৌশলৰে ঘৰলৈ মাতি আনি কন্যাক হত্যা কৰিছিল। আনহাতে এই হত্যাকাণ্ডত আয়ুসীৰ ভাতৃকো জড়িত কৰোৱাইছিল পিতৃ-মাতৃয়ে। উল্লেখ্য যে হত্যাৰ পিছত আয়ুসীক চুটকেছত ভৰাই নিশাৰ আন্ধাৰত যোৱা শুকুৰবাৰে যমুনা এক্সপ্ৰেছ পথৰ কাষত দলিয়াই থৈ গৈছিল। এই ঘটনাই নিজৰ জন্মদাতা পিতৃ-মাতৃৰ নৃশংসতা সম্পৰ্কত সৰৱ আলোচনা হোৱা দেখা গৈছে।

## আজি ৭১,০০০জনক নিযুক্তিপত্ৰ বিতৰণ কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

**নতুন দিল্লী, ২১ নৱেম্বৰ ঃ** মঙলবাৰে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৭১০০০ জনক নিযুক্তিপত্ৰ বিতৰণ কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে



ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে নিযুক্তিপ্ৰাপ্তসকলক সম্বোধন কৰিব। সোমবাৰে প্ৰধানমন্ত্ৰী কাৰ্যালয়ে এই কথা প্ৰকাশ কৰিছে। উল্লেখ্য যে বিগত অক্টোবৰ মাহত দেশৰ বিভিন্ন ৰাজ্যত ৰোজগাৰ মেলা আয়োজন কৰা হৈছিল আৰু পোনপটীয়াকৈ ৭৫ হেজাৰতকৈ অধিক যুৱক-যুৱতীক নিযুক্তিৰ বাবে বাচনি কৰা হৈছিল। নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বাবে হিমাচল প্ৰদেশ আৰু গুজৰাটক বাদ দি অন্যান্য ৰাজ্যৰ বাচনিভুক্তসকলক মঙলবাৰে প্ৰধানমন্ত্ৰীয়ে নিযুক্তিপত্ৰ বিতৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিব। মুঠ ৪৫টা স্থানত এই নিযুক্তিপত্ৰ বিতৰণ কৰিবলৈ পদক্ষেপ লোৱা হৈছে।

## মাংগালুৰুত টিফিন বক্সত অনা বোমা বিস্ফোৰণ

### আইছিছৰ আৰ্হিত সংস্থাপিত কৰা হৈছিল বিস্ফোৰক সামগ্ৰী

**মাংগালুৰু, ২১ নৱেম্বৰ ঃ** চাঞ্চল্য সৃষ্টিকাৰী মাংগালুৰু বিস্ফোৰণৰ আঁৰত আইছিছ সন্ত্ৰাসবাদীৰ হাত থকা বুলি সন্দেহ ঘণীভূত হৈছে। এদিনৰ পূৰ্বে বিস্ফোৰণৰ পিছত কৰ্ণাটকৰ মুখ্যমন্ত্ৰী বাসৱৰাজ বুম্মায়ে সন্দেহ কৰিছিল এইবুলি যে এই বিস্ফোৰণত বহিঃৰাষ্ট্ৰৰ সন্ত্ৰাসবাদীৰ হাত থাকিব পাৰে। সোমবাৰে এই সন্দেহ অধিক ঘনীভূত হৈ পৰিল। কিয়নো বিস্ফোৰণৰ মূল অভিযুক্ত তথা বিস্ফোৰক সামগ্ৰী সৰবৰাহকাৰী মহম্মদ ছাৰিকৰ এখন ফটোৱে এই কথা স্পষ্ট কৰি তুলিছে। টিফিন বাকচসদৃশ সামগ্ৰীত সংস্থাপিত কৰা বোমাসহ ছাৰিকে এখন ফটো আপলোড কৰিছিল। ইফালে ছাৰিকে ব্যৱহাৰ কৰা আধাৰকাৰ্ডখন ভূৱা হিচাপে প্ৰতিপন্ন হৈছে। আইছিছ উগ্ৰবাদীয়ে যেনেদৰে





বোমা সংস্থাপন আৰু সৰবৰাহ কৰে ঠিক তেনেধৰনেই মহম্মদ ছাৰিকে মাংগালুৰু বিস্ফোৰণৰ সময়ত কাম-কাজ কৰিছিল। ইফালে এখন অটোৰিক্সাৰে ছাৰিকে শনিবাৰে বিভিন্ন স্থানত ভ্ৰমণ কৰা তথ্য তদন্তকাৰী আৰক্ষীয়ে লাভ কৰিছে। উক্ত অটোৰিক্সাত টিফিন বাকচসদৃশ সামগ্ৰী কঢ়িয়াই আনিছিল আৰু উপযুক্ত স্থান বিচাৰি এনেদৰে অটোৰিক্সাত চহৰখনৰ বিভিন্ন স্থান পৰিভ্ৰমণ কৰিছিল বুলিও প্ৰকাশ পাইছে। আনকি মাংগালুৰু আৰক্ষী থানাৰ আশেপাশেও উক্ত বিশেষ অটোৰিক্সাখন কেইবাবাৰো পৰিভ্ৰমণ কৰাৰ তথ্য পোহৰলৈ আহিছে। সম্প্ৰতি এই তদন্তৰ দায়িত্ব নিয়াৰ হাতত অৰ্পণ কৰা হৈছে। ইফালে কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ জৰিয়তেও তদন্ত অব্যাহত ৰখা পৰিলক্ষিত হৈছে। ইতিমধ্যে মূল অভিযুক্ত হিচাপে চিহ্নিত মহম্মদ ছাৰিকৰ সৈতে কোন কোন পক্ষ জড়িত হৈ আছে তাৰ তথ্য উদ্ধাৰ কৰিবলৈ তদন্তকাৰী সংস্থাসমূহ ব্যস্ত হৈ পৰিছে। শীঘ্ৰে মাংগালুৰু বিস্ফোৰণৰ আঁৰৰ প্ৰকৃত সত্য পোহৰলৈ আহিব বুলি ধাৰণা কৰা হৈছে। প্ৰণিধানযোগ্য এয়ে যে মাংগালুৰু বিস্ফোৰণৰ সম্পৰ্কত চলোৱা অধ্যয়নত দীৰ্ঘদিন ধৰি একাংশ দুষ্কৃতিকাৰীয়ে কুটাঘাতৰ লক্ষ্যৰে চহৰখনত প্ৰৱেশ কৰাৰ তথ্য প্ৰকাশ পাইছে। ইতিমধ্যে এনে লোকসকলৰ তথ্যপাতি অনুসন্ধান কৰাৰ সময়ত বহুতৰে নথি-পত্ৰসমূহ ভূৱা হিচাপে প্ৰমাণিত হৈছে। যাৰ বাবে অধিক কুটাঘাতৰ আশংকা নুই কৰ হোৱা নাই।

## ওড়িশাত সামগ্ৰী পৰিবাহী ৰে'ল দুৰ্ঘটনাগ্ৰস্ত, নিহত ২

### ৰে'ল মন্ত্ৰীৰ এককালীন সাহায্য ঘোষণা



**কুৰাই, ২১ নৱেম্বৰ ঃ** সোমবাৰে উৰিষ্যাৰ জয়পুৰ জিলাৰ অন্তৰ্গত কুৰাই ৰে'ল আস্থানত এখন সামগ্ৰী পৰিবাহী ৰে'লগাড়ী পথচ্যুত হয়। ফলত দুজন লোকৰ কৰুণ মৃত্যু ঘটিছে। ৰে'লমন্ত্ৰী অশ্বিনী বৈভৱে এই দুৰ্ঘটনাৰ বাবে তদন্তৰ নিৰ্দেশ দিছে। লগতে মৃত্যু মুখত পৰা ব্যক্তি দুজনৰ পৰিয়ালক পাঁচ লাখকৈ টকাৰ এককালীন সাহায্য প্ৰদান কৰিব বুলি ব্যক্ত কৰিছে। ৰে'ল দুৰ্ঘটনাত আহতসকলৰ বাবে একলাখ টকা আৰু সামান্য আঘাতপ্ৰাপ্তসকলক ২৫ হাজাৰকৈ টকা দিয়া হ'ব বুলি প্ৰকাশ কৰিছে।

## বিহাৰত ধৰ্মীয় শোভাযাত্ৰাত তীব্ৰবেগী ট্ৰাকৰ খুন্দা

### শিশু-মহিলাসহ নিহত কমেও ১২

**পাটনা, ২১ নৱেম্বৰ ঃ** ধৰ্মীয় শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছিল লোকসকলে। পদযাত্ৰাৰ সময়তে হঠাতে এখন ট্ৰাক তেওঁলোকৰ পিনে তীব্ৰ গতিৰে আহি খুন্দিয়ায়। মুহূৰ্তৰ ভিতৰতে ট্ৰাকে পদযাত্ৰাত অংশগ্ৰহণ কৰা কেইবাজনো লোকক পিষ্ট কৰে। ঘটনাটোত মহিলা আৰু শিশুসহ কমেও ১২ জন লোকে প্ৰাণ হেৰুৱাইছে। আন কেইবাজনো আহত হৈছে। বিহাৰৰ বৈশালীত এই ঘটনা সংঘটিত হৈছে। বাতৰি অনুসৰি, দেওবাৰে আবেলি উত্তৰ বিহাৰৰ বৈশালী জিলাত এক ধৰ্মীয় পদযাত্ৰা উলিওৱা হয়। নিশা প্ৰায় ৯ বজাত ভক্তসকলে স্থানীয় দেৱতা ভূমিয়া বাবাৰ উপাসনা কৰিবলৈ পিপুল গছৰ সন্মুখত একত্ৰিত হৈছিল। যেতিয়া পূজা আৰম্ভ হৈছিল তেতিয়াই তীব্ৰ গতিৰে লৰি আহে এখন ট্ৰাক।



চকুৰ পলকতে মহতিয়াই নিয়ে উপস্থিত ভক্তসকলক। দুৰ্ঘটনাটোত শিশু আৰু মহিলাসহ কমেও ১২ জন লোক নিহত হৈছে। আন কেইবাজনো গুৰুতৰভাৱে আহত হৈছে। আহতসকলক হাজিপুৰ সদৰ চিকিৎসালয়লৈ লৈ যোৱা হয়।আৰক্ষীয়ে ইতিমধ্যে ট্ৰাকৰ চালক আৰু সহায়কজনক গ্ৰেপ্তাৰ কৰিছে। চালকজনে মদ্যপ অৱস্থাত গাড়ী চলাই আছিল নেকি সেয়া স্বাস্থ্য পৰীক্ষাৰ পিছত জনা যাব।অঞ্চলটোত এক শোকাবহ অৱস্থাৰ সৃষ্টি হৈছে। বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে ইতিমধ্যে উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শোক প্ৰকাশ কৰিছে।প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা মৃতকৰ পৰিয়াললৈ ২ লাখ টকা আৰু আহতসকলৰ বাবে ৫০,০০০ টকাৰ ক্ষতিপূৰণ ঘোষণা কৰা হৈছে। আনহাতে, মুখ্যমন্ত্ৰী নীতিশ কুমাৰে মৃতকৰ পৰিয়ালক ৫ লাখ টকাৰ ক্ষতিপূৰণ ঘোষণা কৰিছে।

## কুৰ্দিছ সন্ত্ৰাসবাদীৰ ঘাটিত তুৰ্কীৰ বিধ্বংসী বিমান আক্ৰমণ

**তুৰ্কী, ২১ নৱেম্বৰ ঃ** তুৰ্কীৰ সামৰিক বাহিনীয়ে চিৰিয়াৰ আলেপ্পো আৰু হাচাকা প্ৰদেশৰ কেইবাখনো চহৰ আৰু গাওঁত বিমানেৰে বিধ্বংসী আক্ৰমণ চলাইছে। এই



আক্ৰমণত সন্ত্ৰাসবাদী গোটৰ কমেও ৪০জন লোক নিহত আৰু ৮০ জনতকৈও অধিক আহত হোৱা বুলি অনুমান কৰা হৈছে।দেওবাৰে ৰাতিপুৱা তুৰ্কীৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনায় যে তুৰ্কীৰ সামৰিক বাহিনীয়ে উত্তৰ চিৰিয়াত অবৈধ কুৰ্দি গেৰিলা গোটৰ ঘাটিত বিমান আক্ৰমণ চলাইছিল। তুৰ্কীয়ে দাবী কৰিছে যে কুৰ্দি গেৰিলাসকলৰ এই ঘাটিবোৰৰ পৰাই তুৰ্কীস্থানত আক্ৰমণ চলোৱা হয়।তুৰ্কীৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে এক বিবৃতিত কয় যে ৰাষ্ট্ৰসংঘৰ চনদ ৫১ নং অনুচ্ছেদ অনুসৰি তুৰ্কীৰ আত্মৰক্ষাৰ অধিকাৰ আছে আৰু সেই অনুসাৰে উত্তৰ ইৰাক আৰু চিৰিয়াত বিমান আক্ৰমণ কৰা হৈছে। কুৰ্দি সন্ত্ৰাসবাদীয়ে এই অঞ্চলসমূহৰ পৰাই তুৰ্কীৰ ওপৰত আক্ৰমণ চলাই আহিছে।তুৰ্কীৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ এক বিবৃতি অনুসৰি, দেশখনৰ সামৰিক বাহিনীয়ে চিৰিয়াত অবৈধ কুৰ্দিস্তান ৱৰ্কৰ্ছ পাৰ্টি বা পিকেকে আৰু কুৰ্দিছ ৱাইপিজি গেৰিলাসকলৰ ঘাটিসমূহত আক্ৰমণ চলাইছে। চিৰিয়াৰ ৱাইপিজি গেৰিলাসকলক তুৰ্কীয়ে পিকেকেৰ এটা শাখা বুলি গণ্য কৰে।যোৱা সপ্তাহত ইস্তাম্বুল চহৰত এক ভয়ংকৰ বোমা বিস্ফোৰণত কেইবাজনো লোক নিহত হোৱাৰ পিছত তুৰ্কীৰ সামৰিক বাহিনীয়ে উত্তৰ ইৰাক আৰু চিৰিয়াত এই বিমান আক্ৰমণ চলালে।

### ৰাজীৱ গান্ধীৰ হত্যাকাৰীক কাৰামুক্ত

## আদালতৰ দ্বাৰস্থ হ'ব কংগ্ৰেছ দল

**নতুন দিল্লী, ২১ নৱেম্বৰ ঃ** চলিত বৰ্ষৰ ১১ নৱেম্বৰত উচ্চতম ন্যায়ালয়ে ৰাজীৱ গান্ধীৰ হত্যাকাৰীক কাৰাগাৰৰ পৰা মুক্তি দিয়াৰ নিৰ্দেশ দিছিল। আদালতৰ উক্ত নিৰ্দেশ পুনৰ বিবেচনা কৰি চাবলৈ কংগ্ৰেছে দুই-তিনি দিনৰ ভিতৰতে উচ্চতম ন্যায়ালয়ত আবেদন জনাব। এই কথা প্ৰকাশ কৰিছে কংগ্ৰেছৰ এক সূত্ৰই।দিনটো আছিল ১৯৯১ চনৰ ২১ মে'। সেই অভিশপ্ত দিনটোতে দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক বোমা বিস্ফোৰণ ঘটাই হত্যা কৰিছিল তামিল বিদ্ৰোহী সংগঠন এলটিটিইয়ে। ৰাজীৱ হত্যাৰ বহু বছৰ পাৰ হৈ যোৱাৰ পিছত সেই বৰ্বৰ হত্যাকাণ্ডত জড়িত কেউজন অপৰাধীকে কাৰাগাৰৰ পৰা মুকলি কৰি দিয়াৰ নিৰ্দেশ দিলে উচ্চতম ন্যায়ালয়ে।ন্যায়ালয়ে শেহতীয়াকৈ গোচৰটোৰ ছয়জন অপৰাধীৰ আবেদনৰ ভিত্তিত তেওঁলোকক মুক্তি দিয়াৰ নিৰ্দেশ দিয়ে। মুক্তি লাভ কৰা হত্যাকাৰী কেইগৰাকীৰ হ'ল নলিনী শ্ৰীহৰণ, ৰবিচন্দ্ৰন, শান্তন, মুৰুগান, ৰবাৰ্ট পায়াছ আৰু জয়কুমাৰ। এই গোচৰটোৰ আন এজন আজীৱন দোষী পেৰাৰিভালনক উচ্চতম ন্যায়ালয়ে এই বছৰৰ মে' মাহত মুকলি কৰি দিছিল। ৰাজীৱ হত্যাকাণ্ডৰ গোচৰত নলিনী আৰু অন্যান্য দোষীকো আজীৱন কাৰাদণ্ড বিহা হৈছিল।তেওঁলোক ২৩ বছৰ বা ততোধিক সময় কাৰাগাৰত আছে। আদালতৰ ৰায়ৰ পিছতে নলিনীয়ে কৈছিল, "মই সন্ত্ৰাসবাদী নহয়। উল্লেখ্য ১৯৯১ চনৰ ২১ মে'ত তামিলনাডুৰ শ্ৰীপেৰামবাদুৰত এক নিৰ্বাচনী জনসভাত এক আত্মঘাতী বোমা বিস্ফোৰণত প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী নিহত হৈছিল। প্ৰথমে আদালতে গোচৰটোত সাতজন লোকক দোষী সাব্যস্ত কৰিছিল আৰু তেওঁলোকক মৃত্যুদণ্ড বিহিছিল।উক্ত সাত গৰাকী লোকেই ক্ষমা বিচাৰি ৰাষ্ট্ৰপতিৰ ওচৰত আবেদন জনাইছিল। ২০১৪ চনত উচ্চতম ন্যায়ালয়ে বিষয়টো সন্দৰ্ভত সিদ্ধান্ত লোৱাত পলম হোৱাৰ বাবে মৃত্যুদণ্ড আজীৱন কাৰাদণ্ডলৈ পৰিৱৰ্তন কৰিছিল। ২০১৮ চনত তামিলনাডুৰ তদানীন্তন এডিএমকে চৰকাৰৰ কেবিনেটে



সময়ৰ আগতে আজীৱন কাৰাদণ্ডৰে দণ্ডিত দোষী কেইজনক মুক্তি দিয়াৰ সিদ্ধান্ত লৈছিল।সেই সময়ত সিদ্ধান্তটো তামিলনাডুৰ তদানীন্তন ৰাজ্যপাল বনোৱাৰীলাল পুৰোহিতলৈ প্ৰেৰণ কৰা হৈছিলআৰু ৰাজ্যপালে সিদ্ধান্তটো বিবেচনাৰ বাবে ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰিছিল। ৰাজ্যপালে বিষয়টোত সন্মতি নিদিয়াৰ পিছত পেৰাৰিভালনে উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল। পিছত মাদ্ৰাজ উচ্চ ন্যায়ালয়ে নলিনীক উচ্চতম ন্যায়ালয়ত আপীল কৰিবলৈ পৰামৰ্শ দিছিল। এক দীঘলীয়া সময়ৰ পিছত অৱশেষত ৰাজীৱ হত্যাকাৰীসকলক কাৰাগাৰৰ পৰা মুক্তি দিয়াৰ নিৰ্দেশ দিছিল উচ্চতম ন্যায়ালয়ে।

### দিল্লীৰ পিছত এইবাৰ উত্তৰ প্ৰদেশত নৃশংসতা

## প্ৰাক্তন প্ৰেমিকাক কৰিলে ৬ টুকুৰা

**লক্ষ্ণৌ, ২১ নৱেম্বৰ ঃ** দিল্লীৰ নৃশংস হত্যাকাণ্ডৰ ঘটনাৰ প্ৰতিক্ৰিয়া এতিয়াও অব্যাহত আছে। ঘটনাৰ এটাৰ পিছত এটাকৈ চাঞ্চল্যকৰ তথ্য ওলাই আছে। ইয়াৰ মাজতে আৰু একে ঘটনাৰ পুনৰাবৃত্তি ঘটিছে। এইবাৰ নিজৰ প্ৰাক্তন প্ৰেমিকাক হত্যা কৰাৰ পিছত মৃতদেহটো ছয় টুকুৰাকৈ কাটি পেলোৱাৰ অভিযোগ উত্থাপিত হৈছে প্ৰেমিকৰ বিৰুদ্ধে। ঘটনাটো সংঘটিত হৈছে উত্তৰ প্ৰদেশৰ আজমগড়ত। অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। উত্তৰ প্ৰদেশৰ আজমগড়ৰ বাসিন্দা ৰাজকুমাৰ যাদৱৰ এবছৰ ধৰি অঞ্চলটোৰ বাসিন্দা আৰাধনা নামৰ এগৰাকী যুৱতীৰ সৈতে সম্পৰ্কত আছিল। কিন্তু অলপতে সেই



সম্পৰ্কৰ অৱনতি ঘটিছিল। ছোৱালীজনীৰ বিয়া আন ঠাইতো ঠিক কৰা হৈছিল। যুৱকজনে ইয়াক সহজভাৱে গ্ৰহণ কৰিব নোৱাৰিলে। তেওঁ যুৱতীগৰাকীক পূৰ্বৰ সম্পৰ্কলৈ ঘূৰি যাবলৈ বাৰে বাৰে হেঁচা দি আছিল। কিন্তু সঁহাৰি পোৱা নাছিল। অভিযোগ কৰা হৈছে যে যুৱকজনে প্ৰাক্তন প্ৰেমিকা আৰাধনাক ৯ নৱেম্বৰত লগ কৰিব বিচাৰিছিল। আৰাধনাও সন্মত হৈছিল। ৰাজকুমাৰক লগ পোৱাৰ পিছত তেওঁলোক দুয়ো এখন বাইকত স্থানীয় মন্দিৰৰ কাষৰ কুঁহিয়াৰ পথাৰলৈ গৈছিল। তেতিয়াৰ পৰা সন্ধানহীন হৈ পৰে ছোৱালীজনী। ঘৰলৈ উভতি অহা নাছিল। ছোৱালীজনীৰ পৰিয়ালে এটা মিছিং কেচ দাখিল কৰিছিল। যোৱা ১৫ নৱেম্বৰত পশ্চিমি গাঁৱৰ এটা পৰিত্যক্ত কুঁৱাৰ পৰা প্লাষ্টিকেৰে বন্ধা মৃতদেহ উদ্ধাৰ কৰা হৈছিল। অনুসন্ধানৰ পিছত দেখা গৈছিল যে এই মৃতদেহটো আৰাধনাৰ আছিল। যুৱতীগৰাকীক কোনে এনে নিৰ্মমভাৱে হত্যা কৰিব পাৰে সেই প্ৰশ্ন উত্থাপিত হ'বলৈ ধৰে। আৰাধনাৰ পৰিয়ালৰ সদস্যসকলে দাবী কৰে যে ৰাজকুমাৰে এইটো কৰিছিল। আৰক্ষীয়ে তেওঁক খৰখেদাকৈ গ্ৰেপ্তাৰ কৰে। ৰাজকুমাৰে ধৰা দিয়াৰ সময়ত আৰক্ষীক বাধা দিয়াৰ লগতে আৰক্ষীলৈ গুলীচালনাও কৰিছিল। জেৰাত প্ৰথমতে তেওঁ একো ক'ব বিচৰা নাছিল। কিন্তু ৰাজকুমাৰে নিৰন্তৰ জেৰাৰ মাজত নিজকে মৌন ৰাখিব নোৱাৰিলে। তেওঁ হত্যাৰ কথা স্বীকাৰ কৰে। তেওঁ কৈছিল যে তেওঁ মন্দিৰত লগ কৰিবলৈ যোৱাৰ নাম কৰি আৰাধনাক ফোন কৰিছিল। ছোৱালীজনীক তেতিয়া নিজৰ সম্পৰ্কীয় ভায়েকৰ সহায়ত কুঁহিয়াৰ পথাৰলৈ লৈ যোৱা হৈছিল। হত্যাৰ পিছত মৃতদেহটো ছয় টুকুৰাকৈ কটা হৈছিল। খণ্ডিত মৃতদেহটো প্লাষ্টিকত বান্ধি কুঁৱাটোত পেলাই দিয়া হৈছিল। আজমগড়ৰ আৰক্ষী অধীক্ষক অনুৰাগ আৰ্যই জনায় যে অভিযুক্ত ৰাজকুমাৰ যাদৱে তেওঁৰ পিতৃ-মাতৃ, সম্পৰ্কীয় ভাই আৰু পৰিয়ালৰ আন সদস্যসকলৰ সৈতে এই হত্যাকাণ্ড সংঘটিত কৰিছে। প্ৰায় সকলোৱে তেওঁক কম-বেছি পৰিমাণে সহায় কৰিছিল। আৰক্ষীয়ে অভিযুক্তৰ পৰা এটা শ্বুটাৰ বন্দুক আৰু এটা কাৰ্টিজ জব্দ কৰিছে। মৃতকৰ পৰিয়ালৰ সদস্যসকলে অভিযুক্তৰ দৃষ্টান্তমূলক শাস্তি দাবী কৰিছে।

### শিল্পা চেট্টীৰ স্বামী ৰাজ কুন্দ্ৰাৰ কাহিনী

## ১.১৭ কোটি টকা আহৰণ কৰিছিল অশ্লীল চিনেমা নিৰ্মাণ কৰি

**মুম্বাই, ২১ নৱেম্বৰ ঃ** বলীউডৰ অভিনেত্ৰী শিল্পা চেট্টীৰ স্বামী ৰাজ কুন্দ্ৰাই সহজে ধন ঘটাৰ পথ হিচাবে অশীল ছবি নিৰ্মাণৰ কামত হাত দিছিল। তেনে ছবি নিৰ্মাণ কৰি তেওঁ এটা বছৰতে ১.১৭ কোটি টকা অৰ্জন কৰিবলৈও সক্ষম হৈছিল। আজি মুম্বাই আৰক্ষীয়ে এই তথ্য সদৰী কৰে।উল্লেখ্য বিভিন্ন প্ৰমাণৰ ভিত্তিত অভিনেত্ৰী শিল্পা চেট্টীৰ স্বামী ৰাজ কুন্দ্ৰাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। গ্ৰেপ্তাৰৰ পিছতে তেওঁক কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল যদিও তেওঁ বৰ্তমান কাৰাগাৰৰ পৰা মুক্ত হৈ পৰিয়ালৰ সৈতে আছে।অশ্লীল ছবিৰ গোচৰটোত অভিনেত্ৰী পুনম



পাণ্ডে আৰু শ্বেৰলিন চোপ্ৰাৰো নাম ওলাইছিল। কিন্তু জামিন লাভ কৰাৰ বাবেই তেওঁলোকে কাৰাগাৰলৈ যাবলগীয়া হোৱা নাছিল। মুম্বাই আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি ৰাজ কুন্দ্ৰাই মুম্বাইৰ কেইখনমান বিশেষ হোটেলত তেনে অশীল ছবিৰ দৃশ্যগ্ৰহণ কৰিছিল।পিছত সেই ছছবিবোৰ অটিটি প্লেটফৰ্মত এৰি দি ধন ঘটিছিল। আৰক্ষীৰ মতে ২০২০ চনৰ আগষ্ট আৰু ডিচেম্বৰ মাহৰ ভিতৰত কুন্দ্ৰাই ব্যৱসায়ৰ পৰা কমেও ১.১৭ কোটি টকা লাভ কৰিছিল।



## অৰুণাচল প্ৰদেশত অসমীয়া ছবিৰ প্ৰচাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২১ নৱেম্বৰ ঃ** যোৰহাটৰ ‘অৰ্কিড বয়’ তথা সাংস্কৃতিক কৰ্মী সমীৰ ৰয়ে অসমীয়া ছবি চাবলৈ যাওঁ আহক আৰু ‘ৰিজাৰ্ভ বাছ’ ইত্যাদি বিষয়ত অৰুণাচল প্ৰদেশত এক প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। জানিব পৰা মতে সমীৰ ৰয়ে ২০১৭ চনৰ পৰা অসমীয়া ছবিৰ দুৰ্যোগৰ প্ৰতি লক্ষ ৰাখি অসমৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, ৰাজহুৱা স্থানত অসমীয়া ছবিৰ প্ৰতি দৰ্শকৰ আগ্ৰহ বৃদ্ধিৰ উদ্দেশ্যে আৰু ছবিজগতৰ শিল্পীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে এই কাযসূচী ৰূপায়ণ কৰি অহা হৈছে বুলি জানিবলৈ দিয়ে। ২০ নৱেম্বৰ ২০২২ তাৰিখৰ পৰা সমীৰ ৰয়ে মাজুলী, লখিমপুৰ, ধেমাজি, অৰুণাচল প্ৰদেশৰ কিছু কিছু অঞ্চলত অসমীয়া ছবি চাবলৈ যাওঁ আহক, ৰিজাৰ্ভ বাছ অৰ্থাৎ বাছ ৰিজাৰ্ভ কৰি হ’লেও অসমীয়া ছবি, ছবিগৃহত উপভোগ কৰাৰ আহবান জনাই এক সজাগতামূলক আৰু প্ৰচাৰ কাৰ্যসূচী নিজা উদ্যোগত সম্পন্ন কৰিছে বুলি জানিবলৈ দিয়ে। সমীৰ ৰয়ৰ এনে প্ৰচেষ্টাক অৰুণাচল প্ৰদেশৰ অসমীয়া বাসিন্দাসকলৰ লগতে মাজুলী, লখিমপুৰ, ধেমাজিৰ কাৰ্যসূচীত জড়িতসকলে প্ৰশংসা কৰিছে।

### নাজিৰা মহকুমাৰ শুকতি আলিত বীৰ লাচিত বৰফুকনৰ জন্মস্থান উদ্ধাৰ

# জিলা প্ৰশাসনৰ তৰফৰ পৰা বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ ব্যৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২১ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ শুকতি আলিত বীৰ লাচিত বৰফুকনৰ জন্মস্থান উদ্ধাৰৰ পিছতেই জিলা প্ৰশাসনে গ্ৰহণ কৰিছে এক বিশেষ ভূমিকা। নিৰ্মাণ কৰিবলৈ চেষ্টা কৰা হৈছে বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি। শৰাইঘাটৰ যুদ্ধৰ প্ৰধান সেনাপতি বীৰ লাচিত বৰফুকনৰ জন্মস্থান হাঁহচৰা শুকতি আলিত উদ্ধাৰ হোৱা ঘটনাই বুৰঞ্জীৰ পাতত যেন পুনৰ লিপিবদ্ধ হ’ব এটি বিশেষ অঞ্চল। শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু হাঁহচৰা গাঁও পঞ্চায়তৰ সহযোগত নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰিছে লাচিতৰ প্ৰতিমূৰ্তি। বিভিন্ন শিক্ষাবিদ, বুৰঞ্জীবিদেও এই লাচিত বৰফুকনৰ জন্মস্থানক লৈ খুলিছে মুখ। হাঁহচৰাৰ শুকতি আলিয়েই হ’ল লাচিত বৰফুকনৰ জন্মভূমি। কিন্তু ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ মতে শুকতি আলিৰ



চাৰিওপিনে এতিয়া সকলোবোৰ মাটিয়েই হৈছে ব্যক্তিগত পট্টাদাৰৰ। সকলোৱে বিভাগীয় কৰ্তৃপক্ষলৈ এটাই আহ্বান বীৰ লাচিত বৰফুকনৰ জন্মস্থান আৰু ভৌগোলিক চাৰিসীমাৰ মাটিকালি সঠিক আৰু বিজ্ঞানভিত্তিক তথ্যৰ আধাৰত সোনকালে উদ্ধাৰ কৰি গুৰুত্ব প্ৰদান কৰিবলৈ।

## লামডিং ৰে’লৱে ষ্টেচনত মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ২১ নৱেম্বৰ ঃ** লামডিং জি আৰ পিয়ে ১নং প্লেটফৰ্মৰ পৰা অচিনাক্ত ব্যক্তিৰ মৃতদেহটো উদ্ধাৰ কৰে। ৰে’লৱে আৰক্ষীয়ে উদ্ধাৰ কৰা অচিনাক্ত ব্যক্তিৰ মৃতদেহটো কোনোবা ভিক্ষাৰী হোৱাৰ সন্দেহ। অচিনাক্ত মৃত ব্যক্তিজনৰ বয়স আনুমানিক ৫০ বছৰ হ’ব। মৃত ব্যক্তিজনৰ পৰিয়াল আৰু সঠিক ঘৰ ক’ত আৰক্ষীয়ে এতিয়ালৈকে কোনো সন্ধান পোৱা নাই। মৃতদেহ পৰিয়ালৰ লোকে চিনাক্ত কৰাৰ বাবে মৰণোত্তৰ পৰীক্ষাৰ পিছত ডিফু চিকিৎসালয়ত ৭২ ঘণ্টা ৰখাৰ ব্যৱস্থা কৰিছে। বৰ্তমান ৰে’ল আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## বিশ্বনাথৰ কুমলীয়াত একে নিশাই চাৰিটাকৈ মছজিদত চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ২১ নৱেম্বৰ ঃ** বিশ্বনাথৰ কুমলীয়া অঞ্চলৰ চাৰিটাকৈ ধৰ্মীয় অনুষ্ঠানত আজি নিশা সংঘটিত হ’ল চুৰি কাৰ্য। পুৱা স্থানীয় ৰাইজে মছজিদৰ দানপাত্ৰৰ তলা ভঙা অবস্থাত প্ৰত্যক্ষ কৰি নিশ্চিত হয় যে মছজিদৰ দানপাত্ৰৰ কোনো দুষ্কৃতিকাৰীয়ে চুৰিকাণ্ড সংঘটিত কৰে। দানপাত্ৰৰ সমীপত উদ্ধাৰ কৰা হৈছে লোহাৰ ৰড আৰু হাতুৰী। স্থানীয় লোকৰ মতে দানপাত্ৰৰ পৰা প্ৰায় চাৰি-পাঁচ লাখ টকা চুৰি কৰি লৈ গৈছে চোৰে। আজি পুৱা স্থানীয় লোকে বিশ্বনাথ চাৰিআলি থানাত খবৰ দিয়াত বিশ্বনাথ চাৰিআলি সদৰ থানৰ আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। ইফালে স্থানীয় লোকৰ মতে এই অঞ্চলতে এক টাৱাৰ নিৰ্মাণৰ কাম চলি আছে আৰু দানপাত্ৰৰ তলা ভঙাত সেই টাৱাৰ নিৰ্মাণ কৰা ৰড ব্যৱহাৰ কৰা হৈছে বুলি জানিবলৈ দিয়ে। আনহাতে, একে নিশাই চাৰিটাকৈ মছজিদত চুৰি কাৰ্য সংঘটিত হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্য সৃষ্টি কৰিছে। উল্লেখ্য যে কিছুদিন পূৰ্বেও উক্ত অঞ্চলত এটা মন্দিৰতো চুৰি কাৰ্য সংঘটিত হৈছিল।

## টীয়কৰ হোলোঙাপাৰস্থিত জাতীয় বীৰ লাচিত মৈদামত বিশেষ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২১ নৱেম্বৰ ঃ** আগ্ৰাসী মোগলক পৰাভূত কৰা অসমৰ সৰ্বকালৰ বীৰ নায়ক তথা জাতীয়বীৰ লাচিত বৰফুকনৰ ৪০০বছৰীয়া জন্ম-জয়ন্তী উপলক্ষে সমগ্ৰ দেশৰ লগতে যোৰহাট জিলা প্ৰশাসন আৰু লাচিত মৈদাম সংৰক্ষণ সমিতিৰ যৌথ উদ্যোগত পূব যোৰহাটৰ হোলোঙাপাৰস্থিত লাচিত মৈদামত সপ্তাহজোৰা বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। বিশেষকৈ কালি লাচিত মৈদামৰ প্ৰেক্ষাগৃহত অসম চৰকাৰে জাতীয়বীৰ লাচিতৰ মৈদাম প্ৰাংগণত প্ৰায় ডেৰশ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ’বলগীয়া লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক প্ৰকল্পৰ বাবে অধিগ্ৰহণ কৰা ভূমিৰ ক্ষতিপূৰণৰ আনুষ্ঠানিক বিতৰণ কৰাৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ৰাজ্য সভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা, কামাখ্যা তাছা, অসম চৰকাৰৰ ৰাজহমন্ত্ৰী যোগেন মোহন, মৰাণৰ বিধায়ক চক্ৰধৰ গগৈ, তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱা, টীয়কৰ বিধায়িকা ৰেণুপমা ৰাজখোৱা, সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, বিধায়ক সুশান্ত বুঢ়াগোহাঁই বিশেষভাৱে উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে আদৰণী ভাষণ আগবঢ়োৱা উক্ত সভাৰ পূৰ্বে বিশিষ্ট ব্যক্তিসকলে লাচিতৰ মৈদামত মৈদাম তৰ্পণ, লাচিতৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰাৰ লগতে আহোম প্ৰথা অনুসৰি পূজা-অৰ্চনা কৰা হয়। উক্ত সভাতে অনাগত দিনত নিৰ্মাণ হ’বলগীয়া প্ৰকল্পৰ প্ৰাক্‌কলনৰ দৃশ্য ৰাইজৰ আগত আনুষ্ঠানিকভাৱে প্ৰদৰ্শন কৰা হয়।

## ৰাষ্ট্ৰীয় পশুধন আঁচনিৰ বিনামূলীয়া ছাগলী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২১ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় পশুধন অভিযানৰ অধীনত মৰিগাঁৱত ১৮ নৱেম্বৰত গোটৰ মাজত বিনামূলীয়াকৈ ছাগলী বিতৰণ কৰা হয়। মৰিগাঁও জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ কাৰ্যালয়ত আনুষ্ঠানিকভাৱে জিলাখনৰ জাগীৰোড সমষ্টিৰ অন্তৰ্গত অনুসূচিত জাতিৰ তিনিটা গোটৰ মাজত এই ছাগলীসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰে মৰিগাঁও জিলাৰ উপায়ুক্ত দেৱাশিস শৰ্মা আৰু জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ নীলোৎপল কাকতিয়ে। উল্লেখ্য যে ৰাষ্ট্ৰীয় পশুধন অভিযানৰ অধীনত এছ চি এছ পি শিতানত জাগীৰোড সমষ্টিৰ অনুসূচিত জাতিৰ পাঁচটা গোটৰ প্ৰতিটো গোটলৈ দহজনীকৈ মাইকী আৰু এটাকৈ মতা ছাগলী বিতৰণ কৰে। লগতে বিভিন্ন ৰোগৰ ঔষধ-পাতি আৰু বাচন-বৰ্তনো প্ৰদান কৰে। এই অনুষ্ঠানটো উপায়ুক্তগৰাকীয়ে শুভাৰম্ভ কৰি চৰকাৰে আগবঢ়োৱা এই অনুদানৰ জৰিয়তে এদিন সকলোৱে স্বাৱলম্বী হ’ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত জিলা পশুপালন বিষয়া ডাঃ নীলোৎপল কাকতি, ডাঃ বলাদিত্য কোঁৱৰকে ধৰি জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কৰ্মচাৰীসকল উপস্থিত থাকে।






## লাচিত বৰফুকনৰ জন্ম-জয়ন্তীত ডিব্ৰুগড় আৰক্ষীৰ চাফাই অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২১ নৱেম্বৰ ঃ** ১৭বাৰ মোগলৰ আক্ৰমণক ওফৰাই পঠোৱা আৰু অসমীয়া জাতিটোৰ সন্মুখৰ পৰা সবল নেতৃত্ব দিয়া মহাবীৰ লাচিত বৰফুকনৰ ৪০০বছৰীয়া জন্ম-জয়ন্তীৰ লগত সংগতি ৰাখি আজি ডিব্ৰুগড় জিলা আৰক্ষীয়ে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মূল পথৰ দুই কাষৰ আৰু ডিব্ৰুগড় থানা চাৰিআলিৰ পথৰ জাবৰসমূহ পৰিষ্কাৰ কৰা দেখা পোৱা গ’ল। মহাবীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপনৰ অংশ হিচাপে ডিব্ৰুগড় জিলা আৰক্ষীৰ উদ্যোগত চাফাই কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হয়। জাতীয় বীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপন উপলক্ষে ডিব্ৰুগড় জিলা আৰক্ষীৰ উদ্যোগত আৰু ডিব্ৰুগড় পৌৰ সভাৰ সহযোগত ৰূপায়ণ কৰা এই চাফাই অভিযান কাৰ্যসূচিত ডিব্ৰুগড় আৰক্ষী অধীক্ষক শ্বেটং মিশ্ৰ উপস্থিত থাকি পথৰ কাষত থকা জাবৰসমূহ নিজ হাতৰে কঢ়িয়াই পৰিষ্কাৰ কৰা পৰিলক্ষিত হয়। লগতে অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চেতিয়া, সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাজু বাহাদুৰ ছেত্ৰী, যান-বাহন পৰিদৰ্শক মৃগেন শইকীয়া, নগৰ পৰিদৰ্শক নিলম সঞ্জীৱ নাথ, মিলন নগৰ, গাভৰু পথাৰ, বৰবাৰী আৰু অনান্য আৰক্ষী চকীসমূহৰ বিষয়াসকলে কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে বহুসংখ্যক আৰক্ষী বিভাগৰ কৰ্মচাৰীয়ে এই চাফাই অভিযানক সফল্যমণ্ডিত কৰি তোলা দেখিবলৈ পোৱা গ’ল। আনহাতে, লাচিত বৰফুকনৰ জন্ম-জয়ন্তী উপলক্ষে সোমবাৰে এক ৰক্তদান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলিও আৰক্ষীয়ে জানিবলৈ দিয়ে।




## ডিমৌ আটাছুৰ নতুন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২১ নৱেম্বৰ ঃ** সদৌ তাই আহোম ছাত্ৰ সন্থাৰ অন্যতম ডিমৌ আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভাখন ১৬ নৱেম্বৰত ডিমৌ বহুমুখী ভৱনত অনুষ্ঠিত হৈ যায়। সভাপতি বিদ্যুৎ দুৱৰাই সভাপতিত্ব কৰা সভাখন শিৱসাগৰ জিলা সমিতিৰ মুখ্য উপদেষ্টা গোবিন গগৈ, উপ-সভাপতি নিপন বৰুৱা, কাৰ্যনিৰ্বাহক সদস্য মনোৰঞ্জন চেতিয়া আৰু শিৱসাগৰ মহকুমা সমিতিৰ সম্পাদক সুমিত কুমাৰ সন্দিকৈয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সভাত আঞ্চলিক সমিতিৰ সম্পাদক দেৱশিস গগৈয়ে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। আঞ্চলিক সমিতিৰ অন্তৰ্গত কেইবাখনো শাখাৰ যথেষ্টসংখ্যক কৰ্মী উপস্থিত থকা সভাখনত মহকুমা সমিতিৰ সম্পদক সুমিত কুমাৰ সন্দিকৈয়ে সংগঠনৰ নীতি-আদৰ্শ তথা সংগঠনৰ আগন্তুক কাৰ্যসূচী আদিৰ বিষয়ে বক্তব্য আগবঢ়ায়। ডিমৌ আঞ্চলিক সমিতিৰ শক্তিশালী স্থিতি অটুট থাকিব পৰাকৈ কাম কৰিবলৈ তেওঁ কৰ্মীসকলক আহ্বান জনায়। প্ৰতিনিধি সভাই আগন্তুক ২০২২-২৪ বৰ্ষৰ বাবে বিদ্যুৎ দুৱৰাক সভাপতি, ঋতুৰাজ দিহিঙীয়া আৰু বিদ্যুৎ বুঢ়াগোহাঁইক যুটীয়া সম্পাদক হিচাপে লৈ ৩১জনীয়া কাৰ্যনিৰ্বাহক সমিতিখন সৰ্বসন্মতিক্ৰমে গঠন কৰে। জিলা সমিতিৰ মুখ্য উপদেষ্টা গোবিন গগৈয়ে নৱ-নিৰ্বাচিত সমিতিৰ বিষয়ববীয়াক শপতগ্ৰহণ কৰোৱায়। সভাই আগন্তুক উদ্‌যাপন হ’বলগীয়া লাচিত দিৱস আৰু কেন্দ্ৰীয় চ্যুকাফা দিৱস উদ্‌যাপন সন্দৰ্ভত বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে।

## মৰিগাঁৱত মহাবীৰ লাচিত বৰফুকনৰ দেৱাল চিত্ৰৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২১ নৱেম্বৰ ঃ** মহাবীৰ লাচিত বৰফুকনৰ ৪০০বছৰীয়া জন্ম-জয়ন্তীৰ অংশ হিচাপে ২০ নৱেম্বৰত মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত মৰিগাঁৱত লাচিত বৰফুকনৰ দেৱাল চিত্ৰ শুভাৰম্ভ কৰে মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষিতীশ চন্দ্ৰ পেগুৱে। লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত বিষয়াগৰাকীয়ে বন্তি প্ৰজ্বলন কৰে। লগতে আজি অনুষ্ঠিত হ’বলগীয়া লাচিত বৰফুকনৰ একক চৰিত্ৰ ৰূপায়ণেৰে নাটক প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে বিষয়াগৰাকীয়ে। উল্লেখ্য যে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াগৰাকীৰ লগত সহযোগ কৰে জাগীৰোড উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দিব্যজিৎ নেওগ, মৰিগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুন, আৰু অন্যান্য বিষয়া-কৰ্মচাৰীসকলে।

## শুৱালকুছিত গলিত মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২১ নৱেম্বৰ ঃ** বস্ত্ৰনগৰী শুৱালকুছিৰ সদ্যসমাপ্ত ভগৱান শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ থলীৰ সমীপৰ এটি দ খাৱৈত আজি এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনাৰ বিৱৰণ অনুসৰি ৰাসথলীত চলা আনন্দ মেলাৰ পিছফালৰ দ’ খাৱৈৰ মেটেকা-পুনিৰ মাজত ওপঙি থকা এটা মৃতদেহ প্ৰত্যক্ষ কৰে দুগৰাকীমান বয়োজ্যেষ্ঠ মহিলাই। লগে লগে মৃতদেহ প্ৰত্যক্ষ কৰাৰ বাবে অগণন লোকৰ আগমন হয়। পিছত জানিব পৰা মতে মৃতদেহটো কামৰূপ জিলাৰ মধ্য শুৱালকুছি গাঁও পঞ্চায়ত এলেকাৰ দক্ষিণ জানৰপাৰ অঞ্চলৰ গণেশ কলিতাৰ (৫৫) বুলি জানিব পৰা গৈছে । উল্লেখ্য যে আবিয়ে গণেশ কলিতা শুৱালকুছিৰ অন্তিম ৰাস ১৭ নৱেম্বৰৰ নিশাৰ পৰা সন্ধানহীন হৈ আছিল। আজি তেওঁৰ দ খাৱৈত মৃতদেহৰ সন্ধান পায়। শুৱালকুছি আৰক্ষীয়ে মৃতদেহৰ খবৰ পায় ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

## গোৱালপাৰাত দুৰ্যোগত মৃত্যু হোৱা পৰিয়ালক আৰক্ষীৰ উপহাৰৰ টোপোলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২১ নৱেম্বৰ ঃ** গোৱালপাৰা জিলা আৰক্ষীৰ দ্বাৰা সপ্তাহজোৰা কাৰ্যসূচীৰে আয়োজন কৰা বীৰ লাচিত বৰফুকনৰ চাৰিশবছৰীয়া জন্ম-জয়ন্তী দিৱস উপলক্ষে দুৰ্যোগত মৃত্যু হোৱা পৰিয়ালক উপহাৰৰ টোপোলাৰে সমবেদনা জ্ঞাপন কৰে জিলাখনৰ আৰক্ষীয়ে। লাচিত দিৱসৰ তৃতীয় দিনৰ কাৰ্যসূচী অনুসৰি গোৱালপাৰা জিলা আৰক্ষীৰ অতিৰিক্ত অধীক্ষকদ্বয় ক্ৰমে ড° পাহাৰী কোঁৱৰ আৰু অনিতা হাজৰিকাৰ নেতৃত্বত বিভিন্ন সময়ত দুৰ্যোগত মৃত্যু হোৱা পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰাৰ লগতে উপহাৰৰ টোপাল বিতৰণ কৰে। জিলাখনৰ মৰনৈ থানাৰ অন্তৰ্গত ডুবাপাৰা ভাটিপাৰাত আঠ মাহ পূৰ্বে বণৰীয়া হাতীৰ আক্ৰমণত মৃত্যু হোৱা মজিবৰ ৰহমানৰ ঘৰত উপস্থিত হৈ পৰিয়ালৰ লোকক সাক্ষাৎ কৰি উপহাৰৰ টোপোলাৰে সমবেদনা জ্ঞাপন কৰে। একেদৰে কিছু দিন পূৰ্বে ডুবাপাৰাৰ চৌতাৰাৰ এটি দুখীয়া পৰিয়ালে কৰ্মসূত্ৰে মাটীয়া থানাৰ অন্তৰ্গত কাৰিপাৰাৰ ইটা ভাতাত শ্ৰমিক হিচাপে কাম কৰিবলৈ গৈ মঞ্জিলা খাতুনসহ চাৰিবছৰীয়া পুত্ৰ মিনহাজুল হক হাতীৰ আক্ৰমণত মৃত্যু হৈছিল। উক্ত পৰিয়ালটোকো আৰক্ষীৰ দলটোৱে সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰাৰ লগতে এটি উপহাৰৰ টোপোলা আগবঢ়াই দিলে। এনেদৰেই জিলাখনৰ বিভিন্ন থানাৰ অন্তৰ্গত দুৰ্যোগত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালসমূহক আৰক্ষীয়ে সাক্ষাৎ কৰি গভীৰ সমবেদনা জ্ঞাপন কৰে। জিলা আৰক্ষীৰ উক্ত কাৰ্যসূচীত মৰনৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কৃষ্ণ কাম বৰদলৈয়েও সংগ দিয়ে ।

## অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২১ নৱেম্বৰ ঃ** নাজিৰাৰ মেকিপুৰ চাহ বাগিচা খেলপথাৰৰ প্ৰয়াত গণেশ চন্দ্ৰ কুৰ্মী সমন্বয় ক্ষেত্ৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশনৰ কালি সামৰণি পৰে। শেষৰ দিনাৰ কাৰ্যসূচীত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, প্ৰতিনিধি সভা, মুকলি সভা, সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰা হয়। চাহ জনগোষ্ঠী সাহিত্য সভাৰ সভানেত্ৰী মনোমতী কুৰ্মীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, প্ৰাক্তন মন্ত্ৰী পৃথিৱী মাঝি, শিৱসাগৰৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদব, প্ৰহ্লাদ গোৱালা, শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উক্ত সভাতে ‘জ্ঞান গংগা’ নামেৰে এখন স্মৃতিগ্ৰন্থ আৰু এখন পত্ৰিকা উন্মোচন কৰে ক্ৰমে সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু প্ৰাক্তন মন্ত্ৰী পৃথিৱী মাঝিয়ে। লগতে ২০২২ বৰ্ষৰ চতুৰ্থ দি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাত সঞ্জয় কুমাৰ তাঁতীক সভাপতি আৰু সঞ্জীৱ কৈৰীক প্ৰধান সম্পাদক হিচাপে লৈ এখন ৩১জনীয়া কমিটী নিৰ্বাচিত কৰা হয়।



## পৰ্বতঝোৰা আৱৰ্ত ভৱন চৌহদত গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২১ নৱেম্বৰ ঃ** বীৰ লাচিত বৰফুকনৰ ৪০০বছৰীয়া জয়ন্তী উপলক্ষে পৰ্বতঝোৰা মহকুমাৰ বিভিন্ন ঠাইত মহকুমা প্ৰশাসনে চাফাই অভিযান, গছপুলি ৰোপণ, মাৰাথন, চাইকেল ৰেলী, কুইজ প্ৰতিযোগিতাকে ধৰি বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰিছে। সেই উপলক্ষে আজি পৰ্বতঝোৰা মহকুমাৰ কাজিগাঁৱত নিৰ্মীয়মাণ আৱৰ্ত ভৱন চৌহদত গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন কৰা হয়। এই কাৰ্যসূচীত সহকাৰী আয়ুক্ত প্ৰিয়ংকৰ প্ৰতিম ডেকা, স্কুলসমূহৰ উপ-পৰিদৰ্শক মংগলেশ্বৰ চৌধুৰী, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া একাব্বৰ আলী, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া বিজয় বেজবৰুৱাকে ধৰি মহকুমা প্ৰশাসনৰ একাংশ কৰ্মচাৰী আৰু অন্য কিছু পৰিৱেশ-সচেতন ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে আজি পুৱা দুলিগাঁও কমিউনিটী হলৰ পৰা টিপকাই পৰিদৰ্শন চকীলৈকে এক মাৰাথন দৌৰকে ধৰি বিভিন্ন ব্যক্তি উপস্থিত থাকে।



# নয়াবজাৰ মিলন সংঘত সন্মিলিত গণশক্তি অসম দলৰ ১৭সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নয়াবজাৰ, ২১ নৱেম্বৰ ঃ** দেওবাৰে সন্মিলিত গণশক্তি অসম দলৰ ১৭সংখ্যক প্ৰতিষ্ঠা দিৱসটি উজনি মাজুলীৰ নয়াবজাৰ মিলন সংঘত পালন কৰা হয়। উজনি মাজুলী ব্লক সমিতিৰ অন্তৰ্গত ৮খন পঞ্চায়তৰ ৮খন পতাকা আৰু ব্লক সমিতিৰ পতাকা উত্তোলন কৰাৰ লগতে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি উজনি মাজুলী ব্লক সন্মিলিত গণশক্তি অসম দলৰ তিনিবছৰীয়া কাৰ্যকালৰ শেষত কালি পঞ্চম ত্ৰি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধিমূলক সভা অনুষ্ঠিত হয়। দেৱজিৎ পাতিৰে সভাপতিত্ব কৰা সভাখনৰ আঁত ধৰে সন্মিলিত গণশক্তি অসম দলৰ উজনি মাজুলী ব্লক সমিতিৰ সম্পাদক দিলীপ বৰাই। সন্মিলিত গণশক্তি অসমৰ উজনি মাজুলী ব্লক সমিতিৰ প্ৰতিনিধিমূলক সভাখন উদ্বোধন কৰে সন্মিলিত গণশক্তি অসমৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক নীলকান্ত দলেয়ে। কেন্দ্ৰীয় সমিতিৰ পৰ্যবেক্ষক পুৰুষোত্তম দলেয়ে প্ৰতিনিধিসকলক উদ্দেশ্যি দলৰ অতীত আৰু বৰ্তমানৰ স্থিতি সম্পৰ্কে বক্তব্য আগবঢ়ায়। উক্ত সভাতে তলত উল্লেখ কৰা প্ৰস্তাৱসমূহ গ্ৰহণ কৰা হয়। প্ৰস্তাৱসমূহ— ১) সন্মিলিত গণশক্তি, সন্মিলিত নাৰীশক্তি, কৃষক শক্তি আৰু শ্ৰমিক শক্তি অধিক শক্তিশালী কৰাৰ বাবে প্ৰতিটো পঞ্চায়ত সমিতিক দলীয় কামত আত্মনিয়োগ কৰাৰ প্ৰস্তাৱ লয়। ২) প্ৰতিনিধি সভাই প্ৰস্তাৱ গ্ৰহণ কৰে যে, দলৰ সংবিধানত সন্নিৱিষ্ট কৰ্মসূচীৰ আধাৰত তলত উল্লেখ কৰা ৰাজনৈতিক কৰ্মসূচী যেনে- কৃষকৰ সমস্যা, শ্ৰমিক সমস্যা, শিক্ষা ব্যৱস্থা, ভূমিৰ ব্যৱস্থা, স্বাস্থ্য সমস্যা, যাতায়াত ব্যৱস্থা, হস্ততাঁত বস্ত্ৰ শিল্পৰ উন্নয়ন, ৰেচম শিল্প, কুটীৰ শিল্প, কৃষি উন্নয়ন, মীন পালন, পশুপালন, অৰ্থনৈতিক স্বাৱলম্বিতা, দক্ষতা বিকাশ আদি বিষয়সমূহ বিস্তৃত ৰূপত আলোচনা কৰি তৃণমূল পৰ্যায়লৈ লৈ যাবলৈ সিদ্ধান্ত লয়। ৩) সন্মিলিত গণশক্তি আৰু ইয়াৰ ভাতৃ সংগঠনসমূহক অধিক শক্তিশালী ৰূপত গঢ়ি তোলাৰ বাবে নীতি-নীষ্ঠ নেতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিটো পঞ্চায়ত ভিত্তিত কৰ্মশালা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ লয়। ৪) সন্মিলিত গণশক্তি দলৰ বিভিন্ন পৰ্যায়ত নিৰ্বাচিত জনপ্ৰতিনিধিসকলে জনগণৰ স্বাৰ্থক উৰ্ধ্বত ৰাখি দায়বদ্ধতাৰে কাম-কাজ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখ্য যে উক্ত সভাতে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ জেংৰাই গাঁও পঞ্চায়তৰ ৪নং ৱাৰ্ডৰ প্ৰাক্তন নিৰ্বাচিত সদস্য মিনাৰাম পেগুৱে সন্মিলিত গণশক্তি দলৰ নীতি-আদৰ্শত আকৃষ্ট হৈ আনুষ্ঠানিকভাৱে সন্মিলিত গণশক্তি অসম দলত যোগদান কৰে। প্ৰতিনিধি সভাৰ অন্তত উজনি মাজুলী সন্মিলিত গণশক্তি অসম দলৰ তিনিবছৰীয়া কাৰ্যকালৰ বাবে সভাপতি চাপ্পল দলে, কাৰ্যকৰী সভাপতি নীলকান্ত দলে, উপ-সভাপতি ক্ৰমে অমিয় সোণোৱাল, ৰাকেশ পাতিৰ, খগেশ্বৰ মিলি, মহেন্দ্ৰ নাথ আৰু ভাস্কৰ পেগু, সম্পাদক ক্ৰমে দিলীপ বৰা, ৰমেন শইকীয়া, দুলাল শইকীয়া আৰু অৰুণ নৰহক লৈ ৬৬জনীয়া উজনি মাজুলী ব্লক সন্মিলিত গণশক্তি অসমৰ কমিটীখন গঠন কৰা হয়। সভাত উপস্থিত থাকে কেন্দ্ৰীয় সন্মিলিত গণশক্তি অসম দলৰ সম্পাদক পুৰুষোত্তম দলে, কেন্দ্ৰীয় সমিতিৰ সদস্য প্ৰেমধৰ দলে, দেৱকান্ত দলে, উজনি মাজুলী সন্মিলিত গণশক্তি অসম দলৰ ক্ৰমে হৰিপ্ৰসাদ পেগু, চাপ্পল দলে, ভাস্কৰ দেউৰী, ৰাকেশ পাতিৰ, বিদ্যাৱতী পাতিৰ, সূৰ্য দলে, দিলীপ বৰা, উজনি মাজুলী ব্লক সন্মিলিত গণশক্তি অসমৰ প্ৰতিষ্ঠাপক সভাপতি সুৰেশ ভট্ট। সভাখনত প্ৰায় তিনিশতাধি প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।



# আজি ছৌদি আৰবৰ বিৰুদ্ধে মেছিৰ আৰ্জেণ্টিনা

**ডোহা, ২১ নৱেম্বৰ ঃ** বিশ্বৰ ফুটবলপ্ৰেমীৰ উৎকণ্ঠা কাইলৈ সমাপ্ত হ'ব। কাৰণ কাইলৈ ফিফা বিশ্বকাপত নামিব ফুটবলৰ ৰাজপুত্ৰ লিয়নেল মেছি। উল্লেখ্য যে প্ৰথমখন গ্ৰুপ পৰ্যায়ৰ মেচত কাইলৈ ছৌদি আৰবৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব আৰ্জেণ্টিনাই কাটাৰৰ লুছাইল ষ্টেডিয়ামত। ছৌদি আৰবে ষষ্ঠ ফিফা বিশ্বকাপত অংশগ্ৰহণ কৰিছে। বিপৰীতে আৰ্জেণ্টিনাই ১৯৭৮ আৰু ১৯৮৬ত দুবাৰকৈ বিশ্বকাপ জয় কৰিছে তথা তৃতীয়টো ফিফা বিশ্বকাপ লাভ কৰিবলৈ কাটাৰলৈ আহিছে। উল্লেখ্য যে আৰ্জেণ্টিনা আৰু চৌদি আৰবে চাৰিবাৰকৈ মুখামুখি হৈছে আৰু তিনিখনত মেছিৰ দল বিজয়ী হৈছে। অন্তিমবাৰৰ বাবে ১৯৯২ত কনফেডাৰেচন কাপৰ সময়ত আৰ্জেণ্টিনাই জয়লাভ কৰিছিল। আনহাতে, ২০১২ৰ প্ৰীতি মেচ গ'ল অবিহনে সমাপ্ত হৈছিল। কেৰিয়াৰৰ পঞ্চম তথা অন্তিমখন বিশ্বকাপত অংশগ্ৰহণ কৰা ৩৫ বছৰীয়া আৰ্জেণ্টিনাৰ অধিনায়ক মেছিয়ে পেশীৰ ক্লান্তিৰ বাবে সতৰ্কতামূলক ব্যৱস্থা হিচাপে দলীয় সতীৰ্থৰ পৰা পৃথক অনুশীলনত ব্যস্ত। কিন্তু আৰ্জেণ্টিনাৰ সংবাদ মাধ্যমে কয় যে মেছিয়ে চৌদি আৰবৰ বিৰুদ্ধে খেলখন নিশ্চিতভাৱে খেলিব। গ্ৰুপ 'চি'ত আৰ্জেণ্টিনা আৰু চৌদি আৰবৰ লগতে আছে মেক্সিকো আৰু পোলেণ্ড। কাইলৈ এই গ্ৰুপৰে আন এখন মেচত মুখামুখি হ'ব মেক্সিকো আৰু পোলেণ্ড।



# বিজয় হাজাৰে ট্ৰফী ক্ৰিকেটত বিদৰ্ভৰ বিৰুদ্ধে জয়লাভ অসমৰ

**গুৱাহাটী, ২১ নৱেম্বৰ ঃ** অসমে চলিত বিজয় হাজাৰে ট্ৰফী ক্ৰিকেটত নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি আজি সাত উইকেটত পৰাস্ত কৰে বিদৰ্ভক। উল্লেখ্য যে টছত জয়ী হৈ অসমে ফিল্ডিং কৰে আৰু বিদৰ্ভক ৫০ অভাৰত ২৬১-৯ ৰাণত বান্ধি ৰাখে। ৰেজাকুদ্দিন আহমেদে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত কুনাল শইকীয়া (৬৫) আৰু ৰাহুল হাজৰিকাই (৩৯) অসমক সুন্দৰ আৰম্ভণি দিয়ে। আনহাতে, মধ্যক্ৰমত শিৱশংকৰ ৰয় (৪৬) আৰু ৰিয়ান পৰাগে (৫৫) দৃঢ় বেটিং কৰাৰ লগতে ছাহিল জৈনে (৩৯) বিস্ফাৰক বেটিং কৰি অসমক ৪৭.৩ অভাৰতে তিনি উইকেটত ২৬২ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত কৰায়। ইয়াৰপূৰ্বে যোৱা মেচত কৰ্ণাটকক ছয় উইকেটত পৰাস্ত কৰিছিল অসমে। পোনতে বেটিং কৰা কৰ্ণাটকে নিকিন জ'ছৰ (১০০) শতক তথা মায়ংক আগৰৱাল (৬৪) আৰু মনীষ পাণ্ডে (৫৮)ৰ অৰ্ধশতকৰ সহায়ত ৫০ অভাৰত চাৰি উইকেটত ২৯৬ ৰাণ কৰে। প্ৰত্যুত্তৰত অসমে ৪৮.২ অভাৰত চাৰি উইকেট হেৰুৱাই ২৯৭ ৰাণ কৰি চমকপ্ৰদ বিজয় অৰ্জন কৰে। অসমৰ হৈ স্বৰূপম পুৰকায়স্থই ১১২ ৰাণৰ অপৰাজিত শতক অৰ্জন কৰাৰ লগতে শিৱশংকৰ ৰয়ে ৬৬ ৰাণৰ অপৰাজিত অৰ্ধশতক অৰ্জন কৰে। উভয় বেটছমেনে অপৰাজিত শতকীয় যুটি বান্ধি অসমক গৌৰৱময় বিজয় দিয়ে। আনহাতে, ৰাহুল হাজৰিকাই কৰে ৫০ ৰাণ। আজিৰ জয়ৰ পাছত অসমে নকআউট যোগ্যতাৰ বাবে এতিয়া অন্তিম মেচত দিল্লীক পৰাস্ত কৰিব লাগিব বা ঝাৰখণ্ড অন্তিম মেচত বিদৰ্ভৰ হাতত পৰাস্ত হ'ব লাগিব। উল্লেখ্য যে অসমে ছখন মেচৰ পাঁচখনতে জয়লাভ কৰিছে। পূৰ্বে অসমে ছিকিমৰ বিৰুদ্ধে ১৮০ ৰাণত বৃহৎ জয় সাব্যস্ত কৰিছিল। পোনতে বেটিং কৰা অসমে ৰিয়ান পৰাগৰ দ্বিতীয়টো শতকৰ সহায়ত আঠ উইকেটত ৩০৭ ৰাণ কৰে। ৰিয়ানে ১২৮ ৰাণ কৰাৰ বিপৰীতে শিৱশংকৰ ৰয়ে ৫০ আৰু অম্লানে ৪৭ ৰাণ কৰে। প্ৰত্যুত্তৰত, ছিকিম ৩৬ অভাৰত ১২৭ ৰাণতে ইনিংছ সামৰে। স্মৰ্তব্য যে কলকাতাত হোৱা বিজয় হাজাৰে ট্ৰফী ক্ৰিকেটৰ প্ৰথম মেচত অসমে ৰাজস্থানৰ বিৰুদ্ধে ১৪৩ ৰাণত জয়লাভ কৰাৰ পাছত দ্বিতীয় খেলত ঝাৰখণ্ডৰ বিৰুদ্ধে আঠ উইকেটত পৰাজয়ৰ সন্মুখীন হৈছিল। ৰাজস্থানৰ বিৰুদ্ধে টছত হাৰি বেটিং কৰা অসমে ২৭১ ৰাণ কৰিছিল। শতক অৰ্জন কৰে ৰিয়ানে। প্ৰত্যুত্তৰত, ৰাজস্থানে ৩৩.৩ অভাৰত ১২৮ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, ঝাৰখণ্ডৰ বিৰুদ্ধে খেলা মেচখনত পোনতে বেটিং কৰা অসমে ৩৯.৪ অভাৰতে ১৬৩ ৰাণত আটাইকেইটা উইকেট হেৰুৱাই ইনিংছ সামৰে। প্ৰত্যুত্তৰত ঝাৰখণ্ডে ৩৫ অভাৰতে দুটা উইকেট হেৰুৱাই ১৬৬ ৰাণ কৰি হেলাৰঙে বিজয়লক্ষ্যত উপনীত হয়। কিন্তু পৰৱৰ্তী মেচত অসমে ১৬৪ ৰাণত পৰাস্ত কৰে মেঘালয়ক। পোনতে বেটিং কৰা অসমে ন উইকেটত ২২১ ৰাণ কৰে। প্ৰত্যুত্তৰত মেঘালয়ে ৫৭ ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আজিৰ সফলতাৰে অসমে ক্ৰমাগত চাৰিখন মেচত জয় অৰ্জন কৰিলে।



# সদৌ অসম টাংচুডুত শিৱসাগৰ শ্ৰেষ্ঠ দলৰ সন্মান,ডিমৌ,পালেঙী ক্লাবৰ সাফল্য




**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিমৌ, ২১ নৱেম্বৰ ঃ** গুৱাহাটী নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ত ১৯, ২০ নৱেম্বৰত অনুষ্ঠিত দশম সদৌ অসম টাংচুডু চেম্পিয়নশ্বিপত শিৱসাগৰ জিলা দলে শ্ৰেষ্ঠ জিলাৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ ডিমৌ আৰু পালেঙী ক্লাবৰ খেলুৱৈসকলেও শ্ৰেষ্ঠতম সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। শিৱসাগৰ দলৰ হৈ পদক বিজয়ীসকল ক্ৰমে—দেৱজিৎ দুৱৰী, ৰিদীপ কোঁৱৰ, অন্বেষা বৰা, বৃষ্টি বন্যা দুৱৰী, দিবেশ গগৈ, শিখাস্মৃতা চেতিয়াই সোণৰ পদক, স্নেহা চেতিয়া, শ্ৰদ্ধা বুঢ়াগোঁহাই, সত্যৰঞ্জন দত্ত, গুঞ্জন গীতাৰ্থ, সঞ্জীৱ হাজৰিকা, প্ৰজ্ঞানৰ্ভ চেতিয়া, মৃন্ময় কোঁৱৰ, পল্লৱ গগৈয়ে ৰূপৰ পদক আৰু ৰিচিতা গগৈ, লোকগৌৰৱ বৰুৱা, সুভাষ আগৰৱালাই ব্ৰঞ্জৰ পদক জয় কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ইয়াৰে প্ৰায়সংখ্যক খেলুৱৈয়ে ডিমৌ টাংচুডু ক্লাবৰ প্ৰশিক্ষক দীপাংকৰ চেতিয়াৰ ওচৰত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। আনহাতে, এই প্ৰতিযোগিতাখনত পালেঙী ক্লাবৰ খেলুৱৈকেইজন ক্ৰমে জয়শ্ৰী গগৈ, কাব্যশ্ৰী চাংমাই, মানসী টিপমীয়াৰ সোণৰ পদক আৰু লিটুলোচন গগৈয়ে ৰূপৰ পদক লাভ কৰিছে। শিৱসাগৰ জিলা দলটোৰ ইনচাৰ্জ বিচিত্ৰ বৰগোহাঁই, প্ৰশিক্ষক দীপাংকৰ চেতিয়া, হাৰোন আলী আৰু নিৰ্মল বৰা, মেনেজাৰ হিচাপে মন আলী লগত গৈছিল। পদক বিজয়ী প্ৰতিজন খেলুৱৈকে নিজা অঞ্চলত উষ্ম আদৰণি জনায়।

# যতীন ইছলাৰী মেম'ৰিয়েল ফুটবল টুৰ্নামেণ্ট ঃ লাটাগাঁও বিজুলী সংঘৰ বিৰুদ্ধে জয়ী সৌংসাৰ ক্লাব

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ছালাকাটি, ২১ নৱেম্বৰ ঃ** ছালাকাটি স্প'ৰ্টছ প্ৰমোটৰ ছ'চাইটীৰ উদ্যোগত কালিৰ পৰা আৰম্ভ হোৱা প্ৰয়াত যতীন ইছলাৰী মেম'ৰিয়েল ফুটবল টুৰ্নামেণ্টৰ আজিৰ দ্বিতীয় দিনাৰ খেলত জয়ী হয় ছেৰফাংগুৰি সৌংসাৰ ক্লাব। সাতবিন্দী-হৰিগাঁও জৌহৌলাও স্বৌমলা বসুমতাৰী খেলপথাৰত অনুষ্ঠিত খেলত ছেৰফাংগুৰি সৌংসাৰ ক্লাবে লাটাগাঁও বিজুলী সংঘক খেলৰ দ্বিতীয়াৰ্ধত এক গ'লত পৰাস্ত কৰে। কাইলৈৰ তৃতীয় দিনাৰ খেলত শামুকতলা বিডিএৰাই বনাম খুঠাইবাৰী লাইমৌন আফাতৰ মাজত অনুষ্ঠিত।

# আজি ভাৰত-নিউজীলেণ্ডৰ তৃতীয় টি-২০

**নেপীয়েৰ, ২১ নৱেম্বৰ ঃ** ভাৰত আৰু নিউজীলেণ্ডৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ তৃতীয়খন মেচ কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে শৃংখলাৰ প্ৰথম মেচ পৰিত্যক্ত হোৱাৰ পাছত ভাৰতে মাউণ্ট মৌনগানুইত অনুষ্ঠিত হোৱা দ্বিতীয়খন টি-২০ত নিউজিলেণ্ডক ৬৫ ৰাণত পৰাস্ত কৰি তিনিখনীয়া মেচৰ শৃংখলাটোত ১-০ৰ অগ্ৰগতি লৈছে। গতিকে ভাৰতে শৃংখলা নেহেৰুৱায়। কিন্তু বিদেশত শৃংখলা জয়ৰ সুযোগ লাভ কৰিছে অধিনায়ক হাৰ্দিক পান্দিয়াই। কাইলৈৰ মেচত জয়ী মানে এই গৌৰৱ দল তথা অধিনায়কৰ। বিপৰীতে ঘৰত শৃংখলা হেৰুওৱাৰ লজ্জাৰ পৰা মুক্ত হ'বলৈ কাইলৈৰ মেচ নিউজিলেণ্ডৰ বাবে মৰণপণ। উল্লেখ্য যে দ্বিতীয় মেচত পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত ১৯১ ৰাণ কৰে। ভাৰতৰ হৈ অপৰাজিত শতক অৰ্জন কৰে সূৰ্যকুমাৰ যাদৱে। ৫১ টা বল খেলি সাতটা ছিক্সাৰ আৰু ১১ টা বাউণ্ডেৰীসহ ১১১ ৰাণ কৰে সূৰ্যই। এটা কেলেণ্ডাৰ বৰ্ষত এয়া সূৰ্যৰ দ্বিতীয়টো টি-২০ শতক। পূৰ্বে ২০১৮ত ৰোহিত শৰ্মাই এই কৃতিত্ব অৰ্জন কৰিছিল। ইফালে, ভাৰতে দিয়া ১৯২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি নিউজিলেণ্ডে ১৮.৫ অভাৰত ১২৬ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। কেন উইলিয়ামছনে ৬১ ৰাণ কৰাৰ বিপৰীতে ভাৰতৰ দীপক হুদাই চাৰিটা উইকেট পায়। কিন্তু কাইলৈৰ মেচৰ পৰা বাহিৰ হৈছে উইলিয়ামছন। সেয়ে দলক নেতৃত্ব দিব ছাউথীয়ে। কাইলৈ ভাৰতীয় দলতো সাল-সলনিৰো সম্ভাৱনা আছে।

# ডিৰাক আঞ্চলিক কাপত বজালতলী এফচিৰ অগ্ৰগতি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিৰাক সীমান্ত, ২১ নৱেম্বৰ ঃ** ১নং সৰুডিৰাক ৰাজহুৱা খেলপথাৰত ডিৰাক আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা 'ডিৰাক আঞ্চলিক কাপ' প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলখন নদিহিং এফচি আৰু বজালতলী এফচিৰ মাজত অনুষ্ঠিত হয়। খেলখন অমীমাংসিত হোৱাত পৰিচালকে টাইব্ৰেকাৰৰ সহায় লয়। ট্ৰাইবেকাৰত বজালতলী এফচিয়ে ন-দিহিং এফচিক ৩-২ গ'লত পৰাজিত কৰি অগ্ৰগতি লাভ কৰে। আজিৰ খেলখন পৰিচালনা কৰে ডিক্ৰম মৰাণ, তিখেশ্বৰ চেতিয়া, ভৱান চেতিয়া আৰু প্ৰণৱ ফুকনে।

# ডিকমৰ হেজেলবেংক ক্ৰীড়া সন্থাৰ উদ্যোগত প্ৰাইজমানী ট্ৰফী ফুটবল প্ৰতিযোগিতা শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিব্ৰুগড়, ২১ নৱেম্বৰ ঃ** ডিকমৰ অন্যতম ক্ৰীড়া সংগঠন হেজেলবেংক ক্ৰীড়া সন্থাৰ উদ্যোগত হেজেলবেংক চাহ মজদুৰ সংঘ শ্ৰমিক গোটৰ সহযোগত দেওবাৰৰ পৰা অনুষ্ঠিত হৈছে প্ৰাইজমানী ট্ৰফীৰ আন্তঃ ক্লাব ফুটবল প্ৰতিযোগিতা। হেজেলবেংক চাহ বাগিচাৰ উপ- পৰিচালক আশোক চুতীয়াই ফুটবল প্ৰতিযোগিতাখন উদ্বোধন কৰে। শুভ উদ্বোধনী খেলখনত আটছা কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন উপ-সভাপতি ৰবি বাৰলা, অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ উপদেষ্টা দয়ানন্দ শ্বাহ, প্ৰবীণ সমাজ কৰ্মী শ্যামলাল তাঁতীকে প্ৰমুখ্যে কৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শুভ উদ্বোধনী ফুটবল খেলখনত অংশগ্ৰহণ কৰা থানাই চাহ বাগিচা দলে হিন্দু কদমণি এফচিক ট্ৰাইবেকাৰ পদ্ধতিত পৰাস্ত কৰি থানাই দলটো দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। খেলৰ শুভ উদ্বোধনৰ আগমুহূৰ্তত খেল পৰিচালনা সমিতিৰ সভাপতি অৰুণ বাউৰীয়ে ক্ৰীড়া পতাকা উত্তোলন কৰাৰ লগতে খেল পৰিচালনা সমিতিৰ সম্পাদক সঞ্জীৱ ইন্দুৱাৰ সহযোগত হেজেলবেংক শ্ৰমিক গোটৰ সম্পাদক জ্যোতিষ পাইকে স্মৃতি তৰ্পণ অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে। খেল পৰিচালনা সমিতিৰ সহকাৰী সম্পাদক বিপুল চাহু আৰু অৰুণ চৰৱে অনুষ্ঠানৰ কাৰ্যসূচীৰ আঁত ধৰে। প্ৰতিযোগিতাখনৰ ডিব্ৰুগড়-তিনিচুকীয়া ১৬টা ফুটবল ক্লাবে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাই জানিবলৈ দিছে।

# জোৰাদিয়াত প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, চিৰাজুলি, ২১ নৱেম্বৰ ঃ** জোৰাদিয়া আদিবাসী কৃষ্টি বিকাশ যুৱক সংঘৰ সৌজন্যত আয়োজিত ৪৯সংখ্যক বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ কালি চূড়ান্ত খেলখন অনুষ্ঠিত হয়। দুমাহ ধৰি অনুষ্ঠিত হোৱা খেলখনত বিভিন্ন প্ৰান্তৰ পৰা আহি ফুটবল দলসমূহে অংশগ্ৰহণ কৰিছিল। জোৰাদিয়া খেলপথাৰত চূড়ান্ত খেলখন অনুষ্ঠিত হৈছিল জোৰাদিয়া ৰাৰিয়ৰ্ছ এফচি আৰু হুগ্ৰাজুলি টি ইষ্টেট এফচিৰ মাজত। ৰোমাঞ্চকৰ চূড়ান্ত খেলখনত জোৰাদিয়া ৰাৰিয়ৰ্ছ এফচিয়ে ১-০ গ'লৰ ব্যৱধানত হুগ্ৰাজুলি টি ইষ্টেট এফচিক পৰাস্ত কৰি বিজয়ী দলৰ খিতাপ অৰ্জন কৰে। উল্লেখ্য যে জোৰাদিয়া আদিবাসী কৃষ্টি বিকাশ যুৱক সংঘই প্ৰত্যেক বছৰেই উক্ত খেলপথাৰত অতি শৃংখলাবদ্ধভাৱে ফুটবল প্ৰতিযোগিতা আয়োজনৰ জৰিয়তে খেলৰ এক সুন্দৰ পৰিৱেশ ৰচনা কৰি আহিছে। চূড়ান্ত খেলখনৰ লগত সংগতি ৰাখি খেলৰ মাজে মাজে আদিবাসী ঝুমুৰ নৃত্য, কোচ ৰাজবংশী নৃত্যয়ো উপস্থিত ৰাইজক আনন্দৰ খোৰাক দিয়ে। অনুষ্ঠানটিত বহু বিশিষ্ট তথা আমন্ত্ৰিত অতিথিক খেল উদ্‌যাপন সমিতিয়ে সম্বৰ্ধনা জনায়। অহা বছৰ যিহেতু খেল উদ্‌যাপনৰ সোণালী জয়ন্তী বৰ্ষ, সেয়েহে ৰাজ্যিক পৰ্যায়ত খেল অনুষ্ঠিত কৰা হ'ব বুলি খেল উদ্‌যাপন সমিতিৰ সভাপতি চিংগাৰান হৰ', সম্পাদক জন পলে জানিবলৈ দিয়ে।

No. NIT/GRC/TB-1/2022-23/875

## PRESS NOTICE INVITING TENDER

The Superintending Engineer, P.W.R.D. Golaghat Road Circle, Golaghat, Assam on behalf of the Government of Assam Invite bids (SBD) in the district of **GOLAGHAT (SARUPATHAR LAC)** under **"under CER fund of NRL (Deposit Works)** for the year 2022-23. The bids should be delivered to this office **on or before 14.00 hours of 05/12/2022.** Detail may be seen in the office of the undersigned during office hours from **28/11/2022 to 30/11/2022.** Tender papers will be sold on **29/11/2022 to 30/11/2022.**

| Sl No. | Name of Works | Approx. value of work (In Rs.) | Time of completion | Cost of Tender Papers (in Rs.) | Bid Security 2% (Two) percent (in Rs.) |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 |
| 1 | Repair & Maintenance of Numaligarh Refinery Road (NH-39 Bypass) from Ch.3.18 Km to Ch.5.60 Km (L=2.42Km) under CER fund of NRL (Deposit Work) for the year 2022-23 in PWRD, Sarupathar Territorial Road Division, Sarupathar in Golaghat District (Sarupathar LAC). Package No. NRL(Deposit work)/STRD/01 | Rs.99,89,970.00 | 4 (Four) Months | 3000.00 | 1,99,800.00 |
| 2 | Repair & Maintenance of Numaligarh Refinery Road (NH-39 Bypass) from Ch.5.60Km to Ch.7.98Km (L=2.38Km) under CER fund of NRL (Deposit Work) for the year 2022-23 in PWRD, Sarupathar Territorial Road Division, Sarupathar in Golaghat District (Sarupathar LAC). Package No. NRL(Deposit work)/STRD/02 | Rs.99,10,000.00 | 4 (Four) Months | 3000.00 | 1,98,200.00 |

Note: 1) Tender papers may be purchased by depositing non refundable fees as stated in the table above in the form of Demand Draft/Banker's Cheque of a Schedule Commercial Bank drawn In favour of Executive Engineer, PWRD, Sarupathar Territorial Road Division, Sarupathar.
2) Bids must be accompanied by BID security as mentioned in the above Table for each work in the form of FDR/TDR & BG issued by Nationalized/Schedule Bank valid upto 180 days beyond the date of opening of the BID drawn In favour of the Executive Engineer, PWRD, Sarupathar Territorial Road Division, Sarupathar.

(Girindra Deori Bharali)
Superintending Engineer, P.W.R.D.
Golaghat Road Circle,Golaghat.
Dated Golaghat the 21/11/2022

নগাঁও আন্তঃ মহাবিদ্যালয় বাস্কেটবল

# পুৰুষত গীতাঞ্জলি জুনিয়ৰ কলেজ, মহিলাত কনচেপ্ট চেম্পিয়ন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ২১ নৱেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আয়োজিত আন্তঃমহাবিদ্যালয় বাস্কেটবল প্ৰতিযোগিতাৰ পুৰুষ শাখাত গীতাঞ্জলি জুনিয়ৰ কলেজ আৰু মহিলা শাখাত কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। যোৱা ১৮ নৱেম্বৰৰ পৰা নুৰুল আমিন ষ্টেডিয়ামৰ বাস্কেটবল গ্ৰাউণ্ডত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ কালি নিশা অনুষ্ঠিত পুৰুষৰ ফাইনেল খেলত গীতাঞ্জলি কলেজে খাগৰিজান কলেজক ৭০-৫২ পইন্টৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ী হয়। আনহাতে, মহিলাৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক ফাইনেল খেলখনত কনচেপ্ট ছিনিয়ৰ দলে নগাঁও মহাবিদ্যালয়ক ৩৭-৩০ পইন্টত হৰুৱাই চূড়ান্ত খিতাপ অৰ্জন কৰে। উল্লেখ্য যে প্ৰতিযোগিতাখনত পুৰুষৰ পাঁচটা আৰু মহিলাৰ ছটা দলে অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগিতাৰ অন্তত সংস্থাৰ বাস্কেটবল শাখাৰ সম্পাদক অমিতাভ বৰাই আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানত পুৰস্কাৰসমূহ প্ৰদান কৰে ক্ৰমে— সাধাৰণ সম্পাদক প্লাৱন বৰুৱা, কোষাধ্যক্ষ ৰমেশ আগৰৱালা, যুটীয়া সম্পাদক অসীম ভাৰাল আৰু খাগৰিজান কলেজৰ অধ্যক্ষ ড° ৰমেশ নাথে।

# অসম হেণ্ডবল সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সম্পাদকৰ দায়িত্বত ঋতুৰাজ বৰগোহাঁই

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নাজিৰা, ২১ নৱেম্বৰ ঃ** অসম হেণ্ডবল সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সম্পাদকৰ দায়িত্বত উপবিষ্ট হৈছে উদীয়মান যুৱনেতা ঋতুৰাজ বৰগোহাঁই। কালি টাই আহোম বিকাশ কেন্দ্ৰত অনুষ্ঠিত হোৱা শিৱসাগৰ জিলা হেণ্ডবল সন্থাৰ এখনি সাধাৰণ সভাত বৰগোহাঁইক এই দায়িত্ব ন্যস্ত কৰা হয়। জিলাখনৰ ভালেকেইজন বিশিষ্ট ক্ৰীড়া সংগঠকৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা অৰ্ধশতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰা সভাখনিত সভাপতিত্ব কৰে জিলা হেণ্ডবল সন্থাৰ সভাপতি মুজিদ আলীয়ে। সভাত বাবুল খান, দীপক দত্ত, জ্যোতিপ্ৰসাদ বৰগোহাঁই, শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈৰ ব্যক্তিগত সচিব অম্লানজ্যোতি গগৈকে ধৰি ক্ৰীড়া জগতৰ সৈতে জড়িত ভালেকেইজন গণ্য-মান্য ব্যক্ত উপস্থিত থাকে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু দ্যা জনমভূমি প্ৰেছ প্ৰাঃ লিঃ, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩, মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি

অসম চৰকাৰ
বিদ্যালয় শিক্ষা বিভাগ

Azadi Ka Amrit Mahotsav

## ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ লক্ষ্যৰে...

ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লীৰ সহযোগত অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ সৌজন্যত

# ৪৯সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান প্ৰদৰ্শনী ২০২২

**তাৰিখঃ ২২ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰ, ২০২২ লৈ**

## উদ্বোধনী অনুষ্ঠান

তাৰিখঃ ২২ নৱেম্বৰ ২০২২, সময়ঃ দিনৰ ১০.৩০ বজা

মুখ্য অতিথি
**অধ্যাপক জগদীশ মুখী**
মাননীয় ৰাজ্যপাল, অসম

সন্মানীয় অতিথি
**ডাঃ ৰণোজ পেগু**
মাননীয় শিক্ষামন্ত্ৰী, অসম

বিশিষ্ট অতিথি
**ড° ননীগোপাল মহন্ত**
মাননীয় শিক্ষা উপদেষ্টা, অসম চৰকাৰ



ডাঃ ৰণোজ পেগু
শিক্ষামন্ত্ৰী, অসম

- দেশৰ প্ৰায় ৪০০গৰাকী ছাত্ৰ-ছাত্ৰীৰ যোগদান
- প্ৰতিদিনে বিজ্ঞান ভিত্তিক আলোচনা-চক্ৰ, কুইজ, সাংস্কৃতিক কাৰ্যসূচী
- দেশৰ ভিন্ন প্ৰান্তৰ শিশু বিজ্ঞানী, বিজ্ঞান শিক্ষক, সমল ব্যক্তিৰ যোগদান



Janasanyog /D/16482/22
Exclusive/ED/11-22

ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকসকলৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰা হ'ল

স্থান
শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ
শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, পাঞ্জাবাৰী, গুৱাহাটী - ৩৭